# বিস্মৃত ব্যতিক্রম

শ্রীসুনীল চক্রবর্তী

# বিস্মৃত ব্যতিক্ৰম

[ জীৱন কৰ্মভিত্তিক ৰেখা চিত্ৰ ]

( ১৯৮৫ চনৰ অসম প্ৰকাশন
পৰিষদৰ পুৰস্কৃত গ্ৰন্থ )

শ্ৰীমুনীন বৰকটকী

বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড
গুৱাহাটী * পাঠশালা * কলিকতা

প্ৰকাশক ঃ
শ্ৰীঅম্বিকাপদ চৌধুৰী
বাণী প্ৰকাশ প্ৰাঃ লিমিটেড
পাণবজাৰ
গুৱাহাটী-১
শাখা ঃ
পাঠশালা-৭৮১৩২৫
বৰপেটা
১০, কৈলাস বসু ষ্ট্ৰীট
কলিকতা-৬
প্ৰথম প্ৰকাশ
১৯৮১
দ্বিতীয় প্ৰকাশ
১৯৮৯
© শ্ৰীমুনীন বৰকটকী
বেচ ঃ
পঁচিশ টকা মাথোন
ছপা ঃ
বাণীপ্ৰকাশ মুদ্ৰণী প্ৰাঃ লিমিটেড
৫, উদ্যোগ পাম
বামুণীমৈদাম
গুৱাহাটী-২১

BISMRITA BYATIKRAM— Sketches based on the lives of distinguished personalities of Assam written by Munin Barkataki & published by A. P. Choudhury, Bani Prokash Pvt. Ltd. Guwahati-1.

*Price Rs. Twenty five only.*

# নিজৰ ৰবীয়াকৈ এষাৰ

অম্বিকাগিৰি ৰায়চৌধুৰী, জ্ঞাননাথ বৰা, মহেন্দ্ৰনাথ ডেকাফুকন, মাধৱচন্দ্ৰ বেজবৰুৱা, হলীৰাম ডেকা, হৰেন্দ্ৰনাথ কলিতা, বিষ্ণু ৰাভা, ফণী শৰ্মা, মনোভিৰাম বৰুৱা, অমূল্য বৰুৱা, লক্ষ্মীনাথ ফুকন, হেম বৰুৱা, নীলমণি ফুকন আৰু কৃষ্ণকান্ত সন্দিকৈ এই কেইগৰাকী বিশিষ্ট কিন্তু অধুনা বিস্মৃত প্ৰয়াত চৈধ্যজন অসমীয়াৰ চৰিত্ৰ-কৰ্মৰ ব্যক্তিমুখী, আপোন ৰেখা-চিত্ৰ একোটাইত থকা এই প্ৰবন্ধ সংকলনক সাহিত্যৰ কোন বৰ্গত যথোপযুক্তভাৱে অন্তৰ্ভুক্ত কৰিব পৰা যায় ঠাৱৰ কৰিব নোৱাৰিলোঁ। ঠিক 'মডেল' বুলিব নোৱাৰিলেও লক্ষ্মীনাথ ফুকনৰ 'মহাত্মাৰপৰা ৰূপকোঁৱৰলৈ'ৰ 'আত্মজীৱনীমূলক প্ৰবন্ধ'ৰ প্ৰেৰণাই কিছু ক্ৰিয়া কৰিছিল হয়তো। পিছে মোৰ প্ৰবন্ধকেইটাৰ সৰহভাগেই ফুকনদেৱৰ প্ৰবন্ধৰাজি গ্ৰন্থাকাৰে ওলোৱাৰ আগে-ভাগেই বাতৰি-কাকতত ওলাই যোৱালৈ চাই সেই প্ৰেৰণা সক্ৰিয় আছিল বুলি কোৱা নাযায়। আৰু মোৰ প্ৰবন্ধ (নে নিবন্ধ ?) কেইটাত আত্মজীৱনীৰ ঠায়ে ঠায়ে ইংগিত থাকিলেও প্ৰকৃততে ই আত্মজীৱনীমূলক নহয়। গতিকে এইকেইটাক জীৱন-চৰ্যামূলক চৰিত্ৰ-চিত্ৰ বুলিলেও বুলিব পাৰি।

প্ৰবন্ধ-নিবন্ধকেইটি কিছু পৰিমাণে 'ডেটেড' (পুৰণি) হৈছে, কিয়নো ইয়াৰ সৰহ কেইটাই ১৯৬৯ চনতে অধুনালুপ্ত 'অসম বাতৰি' দ্বি-সাপ্তাহিকত তাৰ তদানীন্তন সম্পাদক, বন্ধুবৰ শ্ৰীচাৰু মহন্তৰ অবিৰাম তাগিদাত পৰি কাকতলৈ বুলি লিখিছিলোঁ। পাঁচ বছৰৰ মূৰত তাকে এখন কিতাপ যুগুতাবলৈ লওঁতে কালক্ৰম-দোষ-দুষ্ট (এনাক্ৰনিজম) কেতবোৰ উল্লেখ আঁতৰাইছোঁ, প্ৰায়বোৰতে যোগ-বিয়োগ কৰিছোঁ আৰু পাৰ্যমানে নিতান্ত সাময়িকতাৰ সংকেতপূৰ্ণ মন্তব্য বিবৃতিসমূহ সংশোধন কৰিছোঁ। পুথিখনৰ বিষয় ব্যক্তিসকলৰ সম্পৰ্কত পিছৰ সময়ছোৱাত অৱগতিলৈ অহা নতুন তথ্য সন্নিবিষ্ট

# নিজৰ ৰবীয়াকৈ এষাৰ

অম্বিকাগিৰি ৰায়চৌধুৰী, জ্ঞাননাথ বৰা, মহেন্দ্ৰনাথ ডেকাফুকন, মাধৱচন্দ্ৰ বেজবৰুৱা, হলীৰাম ডেকা, হৰেন্দ্ৰনাথ কলিতা, বিষ্ণু ৰাভা, ফণী শৰ্মা, মনোভিৰাম বৰুৱা, অমূল্য বৰুৱা, লক্ষ্মীনাথ ফুকন, হেম বৰুৱা, নীলমণি ফুকন আৰু কৃষ্ণকান্ত সন্দিকৈ এই কেইগৰাকী বিশিষ্ট কিন্তু অধুনা বিস্মৃত প্ৰয়াত চৈধ্যজন অসমীয়াৰ চৰিত্ৰ-কৰ্মৰ ব্যক্তিমুখী, আপোন ৰেখা-চিত্ৰ একোটাইত থকা এই প্ৰবন্ধ সংকলনক সাহিত্যৰ কোন বৰ্গত যথোপযুক্তভাৱে অন্তৰ্ভুক্ত কৰিব পৰা যায় ঠাৱৰ কৰিব নোৱাৰিলোঁ। ঠিক 'মডেল' বুলিব নোৱাৰিলেও লক্ষ্মীনাথ ফুকনৰ 'মহাত্মাৰপৰা ৰূপকোঁৱৰলৈ'ৰ 'আত্মজীৱনীমূলক প্ৰবন্ধ'ৰ প্ৰেৰণাই কিছু ক্ৰিয়া কৰিছিল হয়তো। পিছে মোৰ প্ৰবন্ধকেইটাৰ সৰহভাগেই ফুকনদেৱৰ প্ৰবন্ধৰাজি গ্ৰন্থাকাৰে ওলোৱাৰ আগে-ভাগেই বাতৰি-কাকতত ওলাই যোৱাৰ্লৈ চাই সেই প্ৰেৰণা সক্ৰিয় আছিল বুলি কোৱা নাযায়। আৰু মোৰ প্ৰবন্ধ (নে নিবন্ধ ?) কেইটাত আত্মজীৱনীৰ ঠায়ে ঠায়ে ইংগিত থাকিলেও প্ৰকৃততে ই আত্মজীৱনীমূলক নহয়। গতিকে এইকেইটাক জীৱন-চৰ্যামূলক চৰিত্ৰ-চিত্ৰ বুলিলেও বুলিব পাৰি।

প্ৰবন্ধ-নিবন্ধকেইটি কিছু পৰিমাণে 'ডেটেড' ( পুৰণি ) হৈছে, কিয়নো ইয়াৰ সৰহ কেইটাই ১৯৬৯ চনতে অধুনালুপ্ত 'অসম বাতৰি' দ্বি-সাপ্তাহিকত তাৰ তদানীন্তন সম্পাদক, বন্ধুবৰ শ্ৰীচাৰু মহন্তৰ অবিৰাম তাগিদাত পৰি কাকতলৈ বুলি লিখিছিলোঁ। পাঁচ বছৰৰ মূৰত তাৰে এখন কিতাপ যুগুতাবলৈ লওঁতে কালক্ষয়-দোষ-দুষ্ট ( এনাক্ৰি-নিজম ) কেতবোৰ উল্লেখ আঁতৰাইছোঁ, প্ৰায়বোৰতে যোগ-বিয়োগ কৰিছোঁ আৰু পাৰ্যমানে নিতান্ত সাময়িকতাৰ সংকেতপূৰ্ণ মন্তব্য বিবুতিসমূহ সংশোধন কৰিছোঁ। পুথিখনৰ বিষয় ব্যক্তিসকলৰ সম্পৰ্কত পিছৰ সময়ছোৱাত অৱগতিলৈ অহা নতুন তথ্য সন্নিবিষ্ট

নহলে বা কোনো ঠাইত তথ্যসংক্ৰান্ত ভুল-ত্ৰুটি হৈ গ'লে বুজিব লাগিব তাৰ বাবে পাঁচ বছৰৰ কালক্ষয় আৰু নতুন কথা বিস্তৃতভাৱে সংযোজন কৰাৰ অসুবিধাহে দায়ী।

উল্লেখযোগ্য যে প্ৰবন্ধসমূহৰ শিৰোনামাত প্ৰচুৰ ৰূপান্তৰ ঘটিছে। 'বিস্মৃত ব্যতিক্ৰম'ৰ অধিকাংশ প্ৰবন্ধৰ বাবে ইয়াৰ জন্ম-কষ্টৰ লগতে জড়িত 'অসম বাতৰি' তথা শ্ৰীচাক মহন্তৰ ওচৰতহে মুখ্যতঃ ঋণী যদিও, বিষ্ণু ৰাভা সম্বন্ধীয় প্ৰবন্ধৰ বাবে 'নতুন অসমীয়া দৈনিক', হৰেন কলিতাৰ স্মৃতিৰেখা প্ৰবন্ধৰ বাবে 'দৈনিক অসম', ফণী শৰ্মা বিষয়টোৰ বাবে গুৱাহাটীৰ শিল্পীদিৱস সমিতিৰদ্বাৰা প্ৰকাশিত এখনি স্মৃতিগ্ৰন্থ আৰু অমূল্য বৰুৱা সম্বন্ধীয় কথাকেইটি যোৰহাটৰপৰা প্ৰকাশিত এখানি পৰিচয়-পুস্তিকাৰ প্ৰতি থাওকতে উল্লেখ কৰি সেই সেই কাকত আৰু তাৰ সম্পাদক সহযোগীসকলবো শলাগ ল'বই লাগিব। তাতোকৈ ব্যক্তিগতভাৱে মোৰ অলেখ বাতৰি কাকত, আলোচনীৰ পাতত জাহ যোৱা লিখাৰে অন্ততঃ এখন গ্ৰন্থ প্ৰকাশ কৰাৰ এই প্ৰচেষ্টাৰ গুৰিত শ্ৰীমহন্তৰ উপৰিও উৎসাহী সাংবাদিক ভ্ৰাতৃসম শ্ৰীউপেন্দ্ৰ বৰকটকী আৰু শক্তিশালী নাট্যকাৰ শ্ৰীমহেন্দ্ৰ বৰঠাকুৰৰ পেৰণি (?) আৰু উদগনিয়ে সিংহভাগ পাবই লাগিব। সাহিত্যিক-সাংবাদিক শ্ৰীৰাধিকামোহন ভাগৱতীদেৱেও দিহা-পৰামৰ্শৰে সাহায্য কৰিছে।

অৰ্ধচেতন বা অবচেতনভাৱে হ'লেও সমূলি বীৰ বন্দনাৰ প্ৰবৃত্তি নোহোৱাকৈ কাৰোবাৰ জীৱন-কৰ্ম লৈ আলোচনা কৰা সম্ভৱপৰ বুলি নাভাবিলেও মোৰ বিষয়-ব্যক্তিকেইগৰাকীক 'বীৰ' বুলি ধৰি লৈ পূজা কৰিবলৈ মই প্ৰবৃত্ত হোৱা নাই। বীৰ-বন্দনাৰ লগৰে হ'লেও ইয়াক সমালোচনামূলক জীৱনচৰ্চা বোলাহে বেছি যুগুত হ'ব। বাতৰি কাকতলৈ বুলি লিখিবলৈ লওঁতে মোৰ মুখ্য উদ্দেশ্য আছিল মই নিজে ভালপোৱা, আৰু আনেও ভালপোৱাৰ লায়ক বুলি ভবা, কেইগৰাকী-মান পুৰুষৰ জীৱদ্দশাতে তেওঁলোকৰ বিষয়ে চৰ্চা কৰা। নিয়তিৰ 'আনপ্ৰেডিক্‌টেবল' বিধানত সিসকলৰ কেইজনমান মই লিখোঁতে

বাচি আছিল যদিও লিখি তেওঁলোকৰ পিছতে ঢুকাল আৰু অৱশিষ্ট কেইগৰাকীয়েও ইতিমধ্যে আমাৰ মাজৰপৰা মেলানি মাগিলে। ফলস্বৰূপে, মোৰ নায়কসকলৰ আটাই কেউজনেই বৰ্তমানৰপৰা পিছলি অতীতৰ গৰ্ভত পৰি বিস্মৃতিৰ বুকুত হেৰাই যোৱা যেন হ'ল। সেইবাবেই 'বিস্মৃত' বুলিছোঁ। বিস্মৃতক স্মৰণ কৰাৰ যুক্তি মাথোন ইয়েই হ'ব পাৰে যে সেইসকল বিস্মৃত হবলগীয়া ব্যক্তি নহয়, স্মৰণযোগ্য ব্যক্তি। আৰু সেই প্ৰথাগত দৃষ্টিত ডাঙৰ বা বিশিষ্ট হওক বা নহওক, প্ৰত্যেকজনেই একো একোটা ব্যতিক্ৰম, অসাধাৰণ নহ'লেও সাধাৰণৰপৰা বেলেগ ব্যতিক্ৰমী ব্যক্তিত্বৰ অধিকাৰী। মোৰ চকুত ধৰা পৰা, তেওঁলোকৰ এই 'ব্যতিক্ৰমী' দিশটোৱেই তেওঁলোকক লগ খুউৱাৰ গৰিষ্ঠ উমৈহতীয়া বিচাৰ ৰেখা— 'কমন ডিনমিনেটৰ'। বন্ধুবৰ স্বৰ্গীয় হেম বৰুৱাক স্বৰ্গতসকলৰ সৈতে মোৰ জীৱিতাৱস্থাতে ধৰিবলগীয়া হ'ব বুলি ভৱা নাছিলোঁ। 'মোৰ দেশ' নামৰ আলোচনীৰ বিশেষ সংখ্যা এটাত পোৱা হেম বৰুৱা প্ৰবন্ধটো এই বাবেই দিলোঁ যে জীৱন আৰু মৃত্যু দুয়ো দিশৰপৰা হেম বৰুৱা তথাকথিত 'টোৱাইলাইট' অৰ্থাৎ ধুঁৱলী-কুঁৱলী যুগৰ এক ব্যতিক্ৰমী প্ৰতিনিধি। মৃত হলেও হেম বৰুৱা 'ডেটেড' হল বুলি মই নাভাবোঁ।

'ইন ৰিট্ৰ'ছপেক্ট' মই বাছি লোৱা জীৱনকেইটালৈ উভতি চাই এতিয়া গৰিষ্ঠ সাধাৰণ পৰিমাপকৰ দৰে এই নিৰ্বাচনৰ এক লঘিষ্ঠ ঐক্য-সূত্ৰও মোৰ চকুত ধৰা নপৰাকৈ থকা নাই। বিষ্ণু ৰাভা, ফণী শৰ্মা, অমূল্য বৰুৱা, মনো বৰুৱা আৰু আংশিকভাৱে হলীৰাম ডেকা— এই কেইজন হাড়ে-হিমজুৰে শিল্পী সাহিত্যিকক বাদ দিলে সংখ্যাধিক যি কেইজন থাকে তেওঁলোকৰ প্ৰত্যেকগৰাকীয়েই কম বেছি পৰিমাণে অসমীয়াৰ আত্ম প্ৰতিষ্ঠা আৰু অসমৰ জাতীয়সত্তা পুনৰাবিষ্কাৰ অভি-যানৰ নেতা, হোতা, প্ৰবক্তা আৰু অভিযাত্ৰী। অম্বিকাগিৰি ৰায়চৌধুৰী আৰু জ্ঞাননাথ বৰা হয়তো ঠিক 'বিস্মৃত'ৰ শাৰীত নপৰে, তথাপি 'অসমীয়াৰ' উদ্বোধনৰ ব্যতিক্ৰমী নায়ক হিচাপে তেওঁলোকো অধুনা বিস্মৃত। মাধৱ বেজবৰুৱা আৰু মহেন্দ্ৰনাথ ডেকাফুকন এই দুজনা

ব্যতিক্ৰমী অভিযাত্ৰীৰ দুয়ো আক্ষৰিক অৰ্থত অকৃতজ্ঞভাৱেই বিস্মৃত। হলীৰাম ডেকা, হৰেন কলিতা ঠিক ওপৰৰ কিজনৰ ধৰণৰ বিশিষ্ট নহ'লেও দুয়োৱে পৰিপূৰক ব্যক্তিত্বৰ বাবে স্মৰণীয়। শিল্পী চাৰিগৰাকীৰ বিষয়ে ঠিক প্ৰবন্ধ লিখিবলৈ নহয়, তেওঁলোকৰ স্মৃতিৰ প্ৰতি মাথোন অন্তুষ্টুপীয়াকৈ শ্ৰদ্ধাঞ্জলিহে যচা হৈছে। যথেষ্টভাৱে পৰিচিত নোহোৱা দুজন যুগোত্তীৰ্ণ শিল্পীৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰাৰ উদ্দেশ্য এটাও আছে।

অপেক্ষাকৃতভাৱে কমবয়সীয়া ব্যক্তিৰ লগতে চিৰযুৱা অথচ এটাইতকৈ বয়োবৃদ্ধ, প্ৰায় শতায়ু প্ৰাপ্ত (১৯৭৪) আমাৰ মেথুচেলা ককা ফুকনৰ বিষয়ে এটা প্ৰবন্ধ মাজতে জুৰি দিয়াটো বিবিধ অৰ্থত ব্যতিক্ৰমৰো ব্যতিক্ৰম। প্ৰতিভা, কৰ্ম, অৱদান, জীৱন-চৰ্চা সকলো দিশৰপৰা অনন্য, ঐতিহাসিক ব্যতিক্ৰম নীলমণি ফুকনক 'বিস্মৃত'ৰ লগত লোৱাৰ কোনো যুক্তি নাই। কিন্তু তেখেত যে, অসমীয়াৰ আত্মপ্ৰতিষ্ঠা অভিযানৰ আৰু অসমীয়াৰ জাতীয় চৰিত্ৰ সংস্থাপন আন্দোলনৰ একছত্ৰ কাণ্ডাৰী, তাকো পাহৰাই দি লগৰ লগতে তেখেতৰো প্ৰাপ্য বন্দনা জনাবলৈকে সেই প্ৰবন্ধও দিয়া হ'ল। ককা ফুকনৰ লগতে ব্যতিক্ৰমী ব্যক্তি হিচাপে তেতিয়া জীৱিত 'সংজ্ঞা' আলোচনীত ওলোৱা ( ২য় সংখ্যাত ) পণ্ডিত-প্ৰবৰ সন্দিকৈ সম্পৰ্কীয় প্ৰবন্ধটো শেহতীয়াকৈ লিখি এটা প্ৰবন্ধ যোগ দিয়া হ'ল।

পাণ্ডুলিপি প্ৰস্তুতিৰ কামত দহোবন কাতি কৰি থৈ সৰ্বতো প্ৰকাৰে সহযোগ আৰু সেৱা অক্লান্তভাৱে যোগোৱাৰ বাবে মুখ্যতঃ উদীয়মান কৃতী কথা সাহিত্যক শ্ৰীমান কুমুদ গোস্বামী, উদীয়মান গল্পকাৰ শ্ৰীমান বীৰেন লহকৰ আৰু শ্ৰীমান বীৰদত্ত দাসৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। এওঁলোকৰ এহাগুধীয়া, আন্তৰিক পৰিশ্ৰম আৰু সহযোগিতাৰ অবিহনে পাণ্ডুলিপিটো প্ৰকাশৰ বাবে আগবঢ়োৱা অসম্ভৱ হ'লহেঁতেন।

গুৱাহাটী
ডিচেম্বৰ ১৯৮১

শ্ৰীমুনীন বৰকটকী

# সূচীপত্ৰ


জীৱন্ত আগ্নেয়গিৰি ১
(অম্বিকাগিৰি ৰায় চৌধুৰী)

ডাঙৰীয়া অসমীয়া ৭
(জ্ঞাননাথ বৰা)

অগ্নিযুগৰ এটি ফিৰিঙতি ১৭
(মহেন্দ্ৰনাথ ডেকাফুকন)

আনজন বেজবৰুৱা ডেকাবেজ মাধৱচন্দ্ৰ ৩১
(মাধৱচন্দ্ৰ বেজবৰুৱা)

এজন লেখৰ অসমীয়া 'গেড ক্লাই' ৫০
(হলীৰাম ডেকা)

নৎসংগৰ সৌৰৱণী ৫৫
(হৰেন্দ্ৰনাথ কলিতা)

এহাতে তৰবাৰি আনহাতে লিখনী ৬৪
(বিষ্ণু ৰাভা)

নট-সূৰ্যৰ জীৱন-নাটৰ সামৰণি ৭০
( ফণী শৰ্মা )

'মনোদা'ৰ সজল স্মৃতিত ৭৪
( মনোভিৰাম বৰুৱা )

অমূল্যৰ অমূল্য-স্মৃতি ৭৮
( অমূল্য বৰুৱা )

নেতা-সাংবাদিক : কৃতী সাহিত্যিক ৮২
( লক্ষ্মীনাথ ফুকন )

হেম বৰুৱা : আগৰ আৰু পাছৰ ৯২
(হেম বৰুৱা)

আমাৰ মেথুচেলা ককা ফুকন ১০৪
( নীলমণি ফুকন )

মানৱিক পণ্ডিত সন্দিকৈ ১১১
( কৃষ্ণকান্ত সন্দিকৈ )

(ক) আনন্দৰামবপৰা কৃষ্ণকান্ত ১২৬

(খ) তিনি 'ম'ৰ অক্সফোর্ড ১৩৯

(গ) বেলেগ ধৰণৰ বিলাত ফেৰত ১৪২

(ঘ) পণ্ডিত, সাহিত্যিক, বসিক, দাৰ্শনিক : উপসংহাৰ ১৪৬

# জীৱন্ত আগ্নেয়গিৰি

জীৱন্ত আগ্নেয়গিৰি। ৰূপকল্পটো শুনাত আপচু, এনেকি উদ্ভট যেনো লাগিব পাৰে। কিন্তু অসমৰ আন এগৰাকী সমগোত্ৰীয়, ত্ৰিকালদৰ্শী, ঋষিসদৃশ দাৰ্শনিক, পূৰ্বসূৰী কমলাকান্ত ভট্টাচাৰ্যৰ অগ্নিবজ্ৰ ঐতিহ্যৰ উত্তৰ সাধক অম্বিকাগিৰি ৰায়চৌধুৰীক আন কোনো ৰূপত কল্পনা কৰিবলৈ মত নাযায়, অন্য কোনো বৰ্ণনা এই অগ্নিস্ফুলিংগ-সম ব্যক্তিত্বৰ আৰু প্ৰতিভাৰ প্ৰকৃত পৰিচায়ক যেন নালাগে। অম্বিকাগিৰিয়ে যাৱজ্জীৱন বিদ্ৰোহৰ অগনি বৰষিছিল—he breathed fire, উশাহ-নিশাহত বিপ্লৱৰ জুইৰ আঙনি সিঁচিছিল,—যদিও তেওঁ অকল fire eater আছিল বুলি কলে অন্যায় কৰা হব। তেওঁৰ স্থান আছিল ইংৰাজী 'প্ৰফেটৰ' শাৰীত। কাৰ্লাইলৰ বা বাইবেলৰ 'প্ৰফেট'ৰ অস্থিৰতা, তীব্ৰতা, দৃঢ়প্ৰত্যয়ৰ উন্মাদনাই অম্বিকাগিৰিক প্ৰদান কৰিছিল এটা অসাধাৰণ ব্যক্তিত্ব। অল্ডচ হাক্সলি, বাৰ্ট্ৰাণ্ড ৰাছেল প্ৰভৃতিক 'ৱাকিং এনচাইক্লোপেডিয়া' বোলা হয়; একেদৰে অম্বিকাগিৰিও এটা চলন্ত আগ্নেয়গিৰি নাছিল নে? আছিল—চলন্ত নহলে জীৱন্ত আগ্নেয়গিৰি।

আলপতে আমাৰ সুবিখ্যাত ইংৰাজী কাকত এখনত স্বৰ্গীয় জ্ঞাননাথ বৰা সম্পৰ্কে লিখা সম্পাদকীয় এটাত এক মাৰাত্মক ভ্ৰমবশতঃ সত্যনাথ বৰাৰ বৰপুতেক 'অম্বিকাগিৰি' বৰাৰ কথা লিখা হৈছিল। সি এটা অ-সাধাৰণ ভুলৰ বেছি একো নাছিল, কিন্তু কবৰ মন যায় thereby hangs a tale। এই নধৰ্তব্য ভুলটোৰো যেন কিবা এটা তাৎপৰ্য আছিল। সৰলতা, মিষ্টভাষিতা আৰু বিনয়নম্ৰতাৰ প্ৰতিমূৰ্তি স্বৰ্গীয় অম্বিকানাথ বৰা আৰু দেখা হলেই আনৰ মনত ৰীতিমত ত্ৰাসৰ সঞ্চাৰ কৰা বজ্ৰ নিনাদ আৰু নিৰ্ঘোষ প্ৰৱণ, 'ৰাগেড', আনম্প্ৰেৰাবি', 'হোম-স্পান' অম্বিকাগিৰি ৰায়চৌধুৰী: ইয়াতকৈ বিপৰীত দুটা ভাব-মূৰ্তি,

দুজন ব্যক্তিৰ কল্পনা কৰিব পাৰি নে? অম্বিকাগিৰিৰ মৃত্যু তিথিৰ আগে আগে মোৰ প্ৰায়ে সেই অবিস্মৰণীয়, আচলজন আগ্নেয়গিৰি অম্বিকাগিৰিলৈ মনত পৰে।

আমাৰ জাতীয় জীৱনৰ বৰ্তমান কাণ্ডাৰীবিহীন, নিঠৰুৱা, অৱসাদগ্ৰস্ত অৱস্থালৈ লক্ষ্য কৰিলে আজিও স্বতঃস্ফূৰ্তভাৱে অনেক অন্তৰে ডেকাগিৰিৰ অভাৱত কব খুজিব "Thou should'st be living at this hour, Assam hath need of thee"। ৰাজনীতি-সচেতন মহাকবি মিল্টনৰ অভাৱ সুঁৱৰি প্ৰকৃতি-কবি ৱৰ্ডচৱৰ্থে কোৱা এই কথাষাৰ আমাৰ প্ৰবীণ নেতা অমিয় দাসে জননায়ক অগ্নিকবি অম্বিকাগিৰি সম্পৰ্কে অতিশয় উপযুক্তভাৱে প্ৰয়োগ কৰিছিল।

কাৰবাৰ লগ পালেই "দেশখান গ'ল, দেশখান গ'ল" বুলি নিজৰ ঘৰখন উছন যোৱাৰ বেদনাৰে কাতৰ হৈ পৰা, "ন'ৰ'লো ন'ৰ'লো, ৰাখ্‌বা ন'ৰ'লো" বুলি অন্তৰৰ অন্তঃস্থলৰপৰা হুমুনিয়াহ পেলোৱা, অসম-প্ৰাণ অম্বিকাগিৰি ৰায়চৌধুৰী আজিৰ তথাকথিত 'পুনৰ্গঠন' নে 'ৰিঅৰ্গেনিশ্যন' (কি যে এটা শ্লেষ ভৰা নিষ্ঠুৰ sardonic শব্দ সেইটো!) অভিমুখী ৰাজ্যখনৰ অৱস্থালৈ চাই কেনেকুৱা লাগিলহেঁতেন চাগে! তেওঁ জীয়াই থকা হলে হয়তো "স্থাপন কৰ, স্থাপন কৰ" বুলি অম্বিকাগিৰিয়ে এখন উন্নত, জাগ্ৰত, আত্মস্থিত, স্বশক্তিবলিয়ান, অক্ষত, অখণ্ড অসম অক্ষুণ্ণ ৰাখিবলৈ আমাক উদ্বুদ্ধ কৰিলেহেঁতেন। পাকিস্তানৰ জন্মদাতা পিতৃ মহম্মদ আলি জিন্নাই বৃটিছ কেবিনেট মিশ্যনে এসময়ত আগবঢ়োৱা দেশ পুনৰ্গঠন প্ৰস্তাৱক "মথ-ইট্‌ন"—ঘূণে-খোৱা বুলি দলিয়াই দিছিল। অসমকেশৰী অম্বিকাগিৰিয়েও কিজানি বৰ্তমানৰ অসম 'পুনৰ্গঠন' প্ৰস্তাৱৰ ভৱিষ্যতে হুমুকি মৰা খণ্ড-বিখণ্ড অসমখনকো একেদৰেই উঁৱে ধৰা অসম বুলি প্ৰত্যাখ্যান কৰিলেহেঁতেন—সম্পূৰ্ণ বেলেগ দৃষ্টিভংগীৰপৰা; ৰাজনৈতিক গণনা-প্ৰসূতভাৱে নহয়—দেশপ্ৰেমিকৰ ভৱিষ্য দৃষ্টিজাত উপলব্ধিৰপৰা।

তেনে এজন সিংহপুৰুষলৈকে—অম্বিকাগিৰি বুলিলেই আজি বহুতৰে মনত পৰিব—যিজন অম্বিকাগিৰি আছিল এটা অনিৰ্বাণ, জ্বলন্ত

জ্বালামুখী, এটা চলন্ত আগ্নেয়গিৰি, যাৰ দেশপ্ৰেমৰ উত্তাপে সকলো অবিচাৰ দহন কৰিবলৈ বিচাৰিছিল, যাৰ অগ্নিকণা উদ্গীৰণে স্বদেশপ্ৰীতি আৰু ভূমাকাংক্ষা আৰু সৌন্দৰ্যপ্ৰেম সকলো একাকাৰ কৰি একস্ৰোত ৰূপে বোৱাইছিল। মানৱতাৰ কবি, অগ্নিবৰ্ষীকবি, বিপ্লৱৰ কবি, আত্মানং বিদ্ধি কবি, জাতীয়তাৰ চাৰণ কবি অম্বিকাগিৰি ৰায়চৌধুৰীৰ মৃত্যু বাৰ্ষিকীত এনে এজন মানুহলৈকে অৱশিষ্ট (বেচিভুৱেল) অসমবাসীৰ মনত পৰিব—যাৰ জীৱনৰ বাণী আছিল, উপনিষদৰ বাণী—'উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধত', আৰু যাৰ চেতনাৰ উৰ্দ্ধলোকত চাণক্য-নীতি মানৱপ্ৰীতি আৰু অতীন্দ্ৰিয়ানুভূতিৰ মাজত কোনো বৈষম্যৰ ঠাই নাছিল, যাৰ ভাবপ্ৰবাহত heat আৰু light—তাপ আৰু পোহৰ দুয়োটাই সমানে উপস্থিত আছিল।] ডেকা সমালোচক শ্ৰীহীৰেন গোহাঁয়ে অম্বিকাগিৰিক মানৱায়তনৰ পৰিসীমাত ৰাখি বিচাৰ বিশ্লেষণ কৰিছে। সম্ভৱ সেইটোৱেই ডেকাগিৰিৰ বিশেষত্ব আৰু তাৎপৰ্য বিচাৰৰ প্ৰশস্ততম পৰিসৰ বা পন্থা। অসম সংৰক্ষণ আন্দোলনৰ উচ্ছ্বাসপ্ৰৱণ হোতা হ'লেও, 'তুমি' আৰু 'বেদনাৰ উল্কা'ৰ আধ্যাত্মিক কবি অম্বিকাগিৰি আছিল মূলতঃ মানৱায়তনৰ মহত্ব আৰু বিশালতাৰ মৰ্মজ্ঞ দ্ৰষ্টা।

অম্বিকাগিৰি ৰায়চৌধুৰীৰ প্ৰতিষ্ঠাৰ যি সময়ত ভৰপক, আমি তেতিয়া ল'ৰামানুহ। 'চেতনা'ৰ সম্পাদক অম্বিকাগিৰিৰ কথা বহুতো শুনিছিলোঁ যদিও আৰু নিজ মতনিষ্ঠা আৰু আদৰ্শবাদৰ বাবে কাটেক খোৱা আৰু কাটেকত থাকোঁতে বাণীকান্ত কাকতিৰ লেখীয়া ৰসজ্ঞ সমালোচকৰ উচ্চতম প্ৰশংসা আহৰণ কৰাৰ যোগ্য, ওখ থাপৰ দাৰ্শনিক কবিতা ৰচিব পৰা এই মানুহজন বহুত কথাতে অসাধাৰণ বুলি বুজিছিলোঁ যদিও তেওঁক ভালকৈ জনাৰ সুযোগ নাইবা প্ৰয়োজন হোৱা নাছিল। অম্বিকাগিৰিৰ 'বন্দো কি ছন্দেৰে' নামৰ ধ্ৰুপদী ('ক্লাছিক' অৰ্থত, মাৰ্গসংগীত অৰ্থত নহয়) গীতেৰে '২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ কাৰ্যক্ৰমণিকা আৰম্ভ হৈছিল। ডেকাগিৰি আছিল এজন ওখ থাপৰ গায়ক, বিশেষকৈ গুৰুগম্ভীৰ ৰণগীত গায়নৰ ক্ষেত্ৰত; "জাগ ডেকা তেজ, জাগ আজি জাগ,

আগ্নেয়গিৰি উজাবি জাগ", "তই ভাঙিব লাগিব শিল, তই সহিব লাগিব কিল",……"ব'জা ভাই আগুৱাই, অতি উচ্চ, অতি উন্নত, অতি সুন্দৰ ঠাই"… আদিৰ লেখীয়া উদ্দীপনাময় সংগীত অম্বিকাগিৰিয়ে ৰচিছিল—জানিছিলোঁ। অম্বিকাগিৰিয়ে ৰচনা কৰা অমৰ কবিতাৰ পংক্তি কেতবোৰ সদায়ে গুণগুণাইছিলোঁ :

*" ই যে নৰনাৰায়ণ লাঞ্ছিত হোৱা ভয়াবহ ইতিহাস*
*ই যে জীৱনৰ হকে মৰিবৰ হেতু প্ৰাণভৰা অভিলাষ।"*

আৰু—

*" কিয় শূন্য হবনো জীৱন*
*তুমি পূণ্য তালিকা বুলাই বুলাই*
*কৰি দিছা দেখো পূৰণ……"*

নাইবা—

*" এই তো নহয় হাঁহি তামাচাৰ আগৰ জুৰোৱা গান*
*ই যে জীৱনৰ মৰণ একাকাৰ কৰা অগ্নিবীণাৰ তান।"*

তথাপি সৌশৰীৰে ৰায়চৌধুৰীক দেখা সম্ভৱ হোৱা নাছিল তেতিয়াও। বহুত পিছত অম্বিকাগিৰিৰ জীৱনৰ অস্তাচলত অতীতৰ সকলো নাও অৰ্থাৎ বাস্তৱৰ সৈতে সাঁকো জ্বলাই দি অৱসাদগ্ৰস্ত হতাশা জৰ্জৰিত জীৱন-পৰ্যায় এটাত সোমাই যেতিয়া স্বাধীনতাৰ উত্তৰকালত অম্বিকাগিৰি ৰায়চৌধুৰীয়ে তেওঁৰ সেই ব্ৰহ্মাস্ত্ৰ স্বৰূপ লাঠীডাল হাতত লৈ বহুত দূৰত নিবদ্ধ এটা উদাস দৃষ্টিৰে গুৱাহাটীৰ বাটৰ ফুটপাথত অহা যোৱা কৰিছিল—তেতিয়াহে তেওঁক মই ভালকৈ দেখিবলৈ পাইছিলোঁ। আগ্নেয়গিৰিৰ ৰক্তিম আভা তেতিয়া হয়তো ডেকাগিৰিৰ মাজৰপৰা বিচ্ছুৰিত নহৈছিল। কিন্তু তেতিয়াও কাৰো উপায় নাছিল সেই চিৰন্তন বিদ্ৰোহী, চিৰন্তন সংগ্ৰামী, চিৰন্তন স্বৰ্গীয় অসন্তুষ্টি আৰু হতাশাত অধীৰ অম্বিকাগিৰিৰ জীৱন্ত, জ্বলন্ত উপস্থিতি এখন্তেকলৈকো অনুভৱ নকৰি থকাৰ। আগ্নেয়গিৰিৰ উত্তপ্ততা হয়তো নাছিল—হয়তো তেতিয়া তেওঁ এটা সুপ্ত আগ্নেয়গিৰিত পৰিণত হৈছিল—তথাপি তেতিয়াও অম্বিকাগিৰিক এটা আগ্নেয়গিৰি যেনেই লাগিছিল। উত্তাপ,

জ্যোতি, আলোক আৰু লাভা, বিপ্লৱ আৰু প্ৰশান্তিৰ অদ্ভুত সমন্বয় সধা এটা অদ্ভুত আগ্নেয়গিৰি।

কিন্তু জানো অম্বিকাগিৰিলৈ সদায় কিবা এটা অজান ভয় লাগিছিল, তেওঁক এবাৰাই ফুৰিব পাৰিলে বক্ষা পোৱা যেন পাইছিলোঁ। দেশগতচিত্ত এই মানুহজনৰ সন্মুখত নিজৰ দুৰ্বলতা আৰু অক্ষমতাবোৰ যেন হাজাৰ গুণে বেছিকৈ ওলাই পৰে তেনে এটা শংকা হৈছিল।

তাৰ পিছত তেওঁৰ লগত মোৰ শেষ এনকাউণ্টাৰ বা ভেটাভেটি হৈছিল, "বিশ্বসমাজ, বিশ্বচেতনা আৰু বিশ্বজননীতাৰ" আহি দাঙি ধৰা তেওঁৰ এখন শেহতীয়া চিন্তাশীল কিতাপ মোক ইংৰাজীলৈ ৰূপান্তৰ কৰিব দিয়াৰ সম্পৰ্কত। মই তেওঁৰ সেই অনুৰোধ ৰক্ষা কৰিব নোৱাৰি পাণ্ডুলিপিখন ঘূৰাই দিয়াবেপৰা আৰু মোৰ তেওঁৰ লগত সাক্ষাৎ নঘটিল, নিজৰপৰা তেওঁক গৈ দেখা কৰাৰ সাহস কোনোদিনে মই গোটাব নোৱাৰিলোঁ। শেষৰ এই কৰুণ আৰু কিছু পৰিমাণে কঠিন অৱস্থাৰ বাবেই নেকি সেইদিনা এবছৰৰ ইংৰাজী নৱবৰ্ষৰ দিনা তেওঁৰ মহাপ্ৰয়াণৰ কেইমিনিটমানৰ পিছতে অনাতাঁৰৰ বাতৰিত সেই শোকাবহ বাতৰি দিয়েই অনুতপ্ত হৈ প্ৰথমবাৰৰ বাবে তেওঁৰ ঘৰলৈ লৰ ধৰিলোঁ আৰু স্বৰ্গগত অম্বিকাগিৰি ৰায়চৌধুৰীৰ মানৱদৰদ-মহীয়ান, বিশ্বৰূপ দৰ্শনলিমগ্ন, উদাৰ প্ৰশান্ত মুখাবয়বলৈ চাই অকলে ভাবিছিলোঁ— অম্বিকাগিৰিয়ে যদি 'বঙাল খেদা' আন্দোলনকাৰী অসমীয়া বুলিহে পৰিচিত নহৈ তেওঁৰ প্ৰকৃত পৰিচয়েৰে বিখ্যাত আৰু গৃহীত হ'লহেঁতেন, তেতিয়া হয়তো মানুহে বুজিলেহেঁতেন কি মহান সম্পদ এটি দেশে তেওঁৰ মৃত্যুত হেৰুৱালে।

যোগী আৰু 'কমিচাৰ' অদ্ভুত সংমিশ্ৰণ, একাধাৰে দেশপ্ৰেমিক আৰু সৌন্দৰ্যপ্ৰেমিক, ৰাজনীতিবিদ আৰু দাৰ্শনিক, কবি আৰু ক্ৰান্তিকাৰী : অতলস্পৰ্শী, আধ্যাত্মিকতা, বিশ্বচৰাচৰৰ হৃদয়ত ভাটৌপুলক অতীন্দ্ৰিয় প্ৰেমৰ বাবে আকুতি, ধ্যানবিভোৰ মিষ্টিক ৰহস্যবাদী তন্ময়তা, দেশপ্ৰেমৰ অগ্নিস্ফুলিংগ, ঐকান্তিক সত্যাগ্ৰহ—এনে কিছুমান অসাধাৰণ বৈশিষ্ট্যৰ অধিকাৰী অম্বিকাগিৰি প্ৰকৃততে আছিল আমাৰ মাজত এজন

'টাইটান'—শৃংখলিত প্ৰমিথিউচ।] উত্তৰকালৰ পাকিস্তানৰ আদিম দীক্ষাগুৰু, একালৰ আমাৰ "সাৰা জাহাঁ সে আচ্ছা হিন্দুস্তাঁ হমাৰা" জাতীয় সংগীতৰ ৰচক, মহান দাৰ্শনিক কবি চাৰ মহম্মদ ইক্‌বালে ক'ৰবাত লিখিছিল: I weep on the loneliness of God. ইক্‌বালৰ নিচিনাই অধ্যাত্মবাদী, মৰমী, ৰহস্যবাদী, মানৱ শ্ৰেষ্ঠত্বৰ পূজাৰী, শক্তি আৰু বুদ্ধিৰ উপাসক, মহৎ কবি আৰু মহত্বৰ কৰ্মী অম্বিকাগিৰিৰ কথা মনত পৰিলে মোৰ ইক্‌বালৰ সেই কথাষাৰলৈ মনত পৰে। ঈশ্বৰৰ নিঃসংগতা উপলব্ধি কৰিব পৰা কবি ৰবীন্দ্ৰনাথ আছিল নে নাই নাজানো; কিন্তু অম্বিকাগিৰি ৰায়চৌধুৰী আছিল। প্ৰকৃত অৰ্থত 'যোগী' আৰু 'কৰ্মিচাৰ' ইক্‌বালৰপৰা পাকিস্তানৰ আজন্ম বিৰোধী অম্বিকাগিৰিয়ে প্ৰেৰণা পাইছিল নে নাই নাজানো; কিন্তু এই মহান কবি দাৰ্শনিক—ৰাষ্ট্ৰনীতিজ্ঞজনৰ সৈতে অম্বিকাগিৰিৰ অদ্ভুত সাদৃশ্য লক্ষ্য কৰিলে অভিভূত হব লাগে। অৱশ্যে অৰ্ধ-চুফী অৰ্ধ-পেগান চাৰ মহম্মদ ইক্‌বাল আৰু ডেকাগিৰিৰ পাৰ্থক্য যে আকাশ-পাতালৰ পাৰ্থক্য সিও নঁচা।

[ ১৭ পুহ, ১৮৯০ শক ]

# ডাঙৰীয়া অসমীয়া

জ্ঞাননাথ বৰা ঢুকোৱা বহুবছৰেকেই হ'ল। সময় সঁচাই কাঁড়পাতৰ দৰে যায়। সৌম্য-মূৰ্তি, শুভ্ৰ-বসন, জাতে-পাতে অসমীয়া, মিষ্টভাষী, পৰিবেশৰ আন সকলোবোৰপৰা কিবা কাৰণত নিলগীয়া যেন লগা সেই ডাঙৰীয়া মানুহজন যে এতিয়া আৰু গুৱাহাটীৰ দীঘলী পুখুৰীৰ চাৰিও-পাৰেদি অকলশৰে নুফুৰে—কথাটো ভাবিবলৈকে টান লাগে।

অলপতে আমাৰ ইংৰাজী দৈনিকখনত কোনোবা এগৰাকী লোকে সম্পাদকলৈ চিঠি এখন লিখি দুখ কৰিছিল—ৰাজনৈতিক নেতা, চৰকাৰী আমোলা আদিৰ নাম দি আমি আমাৰ আলি-বাটবোৰৰ নাম সদাই থাকোঁ, কিন্তু সাহিত্যিকসকললৈ আমাৰ মনত নপৰে। যি আৰ্ল ল কলেজৰ স্বৰ্গীয় বৰা ডাঙৰীয়া এসময়ত অধ্যক্ষ আছিল সেইজন ব্যক্তিৰ নামে আগৰ আইন কলেজৰ সন্মুখত আলিবাটটোৰ নামকৰণ কৰিব লাগে।

পৰামৰ্শটোত সাৰবস্তু নোহোৱা নহয়। মোৰ কিন্তু মনত অলপ খোকোজা আছে। বাট এখনৰ নাম এজনৰ নামে দিলেই প্ৰকৃততে সেই মৃত ব্যক্তিজনৰ প্ৰতি সন্মান দেখুৱা হয় জানো? গুৱাহাটীৰ আলিবাটৰ চাইনবোৰ্ডত বছৰে বছৰে বহু গুণী স্বৰ্গীয় লোকৰ নামৰ যোগ-বিয়োগ হৈ আছে। কিন্তু আমি কেইজনে সেই নতুন নতুন নামবোৰেৰে সেই বাটবোৰৰ চিনাকি লওঁ? বিছোৱা বাটৰ নাম স্বৰ্গীয় বৰা ডাঙৰীয়াৰ নামেৰে কৰিবলৈ দিহা দিয়া হৈছে সেইখোৱা বৰা ডাঙৰীয়াৰ স্বনামধন্য পিতৃ স্বৰ্গীয় সত্যনাথ বৰাৰ নামেৰে হোৱাটো অধিক উপযুক্ত হ'লহেঁতেন কিজানি। জ্ঞাননাথ বৰাৰ স্মৃতি সংৰক্ষণৰ বাবে আলিবাটৰ নামান্তৰ কৰাতকৈ আন কিবা স্থায়ী উপায়ৰ চিন্তা কৰাহে মোৰ বোধেৰে অধিক সমীচীন হ'লহেঁতেন।

জ্ঞাননাথ বৰাৰ স্মৃতি, মোৰ বিশ্বাস, তেওঁক জনাসকলৰ মাজত

এতিয়াও সম্পূর্ণ সজীৱ হৈ আছে আৰু বহুদিনলৈকে থাকিব। যিসকলে বৰাদেৱ থকা কেইবছৰে গুৱাহাটীৰ জিলা পুথিভঁৰাললৈ অহা-যোৱা কৰিছিল, তেওঁলোক এটা নিৰ্দিষ্ট সময়ত নিয়মীয়া সাজেৰে জ্ঞান বৰাৰ উপস্থিতিৰ অভাৱটোলৈ মন নকৰি নোৱাৰে। সেই বগলী-বগা খনীয়া চেলেং চাটি মাৰি লোৱা, বগলী-বগা কামিজ আৰু ধুতি পিন্ধা, শুভ্ৰ-শুৱনী মানুহজনৰ নিশেব্দ পদচাৰণাত কিবা এটা স্বকীয়তা আছিল— যাৰ প্ৰতিধ্বনি কেতিয়াও একেবাৰে মাৰ যোৱা যেন নালাগে। মোৰহাটৰ আলিবাটত এসময়ত কৃষ্ণকান্ত সন্দিকৈক ফুৰিবলৈ ওলোৱা দেখিলে ঘড়ী মিলাই লব পৰা দিন আছিল যেনেকৈ আছিল শুনামতে এসময়ত জাৰ্মান দাৰ্শনিক কাণ্টক বাটত দেখিলেই সময় ঠাৱৰ কৰিব পৰা সুযোগ। বহুত বছৰৰ পিছত গুৱাহাটীত স্বৰ্গীয় জ্ঞাননাথ বৰাকো লাইব্ৰেৰী নাইবা বাটত দেখা পালে ঘড়ী নাথাকিলেও সময় কিমান মোটামুটি ধৰি লব পৰা গৈছিল। মৃত্যুৰ আগে আগে কেইদিনমান যেতিয়া পুথিভঁৰালৰ পঢ়া খোটালিত বৰা ডাঙৰীয়াক দেখা নগৈছিল, সকলোৱে সেই কথাটো লক্ষ্য কৰিছিল আৰু মানুহজনৰ সেই মিহি, সাংগীতিক মাতটো, সেই একেবাৰে বেলেগ ধৰণৰ সুৰুলা স্বৰ আজিও বহুতৰ কাণত বাজি আছে। জ্ঞান বৰাৰ স্মৃতি যেন আমাৰ অসমীয়াৰ কোনোবা এজন 'ফাদাৰ ফিগাৰ'ৰ স্মৃতি—তেনে যেন লাগে।

স্বৰ্গীয় জ্ঞাননাথ বৰাক জানিছিলোঁ দুকুৰি বছৰৰ আগৰপৰা ১৯২৯-৩০ চনত কলিকতাত স্কুলীয়া ছাত্ৰ থকা দিনৰপৰা। তেখেতে তেতিয়া সদৰ কলিকতা হাইকোৰ্টত ওকালতি কৰিছিল। জ্ঞান বৰাৰ ককায়েক স্বৰ্গীয় অম্বিকানাথ বৰা—যি সেই সময়ত মাৰ্টিন বাৰ্ণ কোম্পানিত উচ্চ পদৰ চাকৰি কৰাৰ উপৰিও কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বাবস্থাপক অধ্যাপক আছিল আৰু ভায়েক জ্ঞাননাথ বৰাৰ নকুল-সহদেৱ সদৃশ মিলাপ্ৰীতি আৰু মাধুৰ্যপূৰ্ণ ভ্ৰাতৃত্ব তেতিয়াৰে পৰাই কিম্বদন্তী হোৱাৰ নিচিনাই হৈছিলগৈ, যদিও উভয়ৰে সন্দেহাতীত প্ৰভেদ আৰু বৈসাদৃশ্যই তেতিয়াই মোৰ মনত সাঁচ বহুৱাই-ছিল। বৰ ককায়েক অম্বিকানাথ বৰা আছিল মনমত পমি যোৱা, মাত-

কথাত সাদৰী, সদা-হাস্যময়, সৰবৰহী, প্ৰথম দৰ্শনতে ওচৰ চপাই লব পৰা পুৰুষ। সৰু ভায়েক জ্ঞান বৰা আছিল 'বিজ্ঞাৰ্ডিন', গহীন-গম্ভীৰ—মানুহৰ সংগৰপৰা পৰ্যাপক্ষত আঁতৰি থাকিবলৈ বিচৰা লোক। অন্ততঃ মোৰ মনত সেই সময়ৰ তেনে এটা স্মৃতিয়েই আছে। কিন্তু বেশ-ভূষা, অমায়িকতা, ৰুচিবানতা, হৃদ্যতা আৰু সৌম্য-প্ৰশান্ত মনোভংগীত দুয়োৰো কোনো পাৰ্থক্য নাছিল।

মোৰ ধাৰণাৰে অসমীয়া 'বেকন' সত্যনাথ বৰাৰ এই দুগৰাকী সুযোগ্য পুত্ৰৰ যিটো গুণে কাৰো দৃষ্টি এৰাই যাব নোৱাৰিছিল সেইটো আছিল তেওঁলোকৰ ইংৰাজীত যিটোক কোৱা হয় old world courtesy বুলি, তেনে ভদ্ৰতা, সৌজন্য আৰু ডাঙৰীয়াৰ গুণ—অৱশ্যে ডাঙৰীয়া বস্তুটোৰপৰা ঐতিহাসিক 'ভেম'ৰ অংশটো বিয়োগ কৰি। স্বৰ্গীয় জ্ঞান বৰাৰ সহৰ এই গুণ কৰায়েকতকৈও এখোপ চৰা আছিল। মই সদায় ভাবি আহিছো আৰু আজিও ভাবো—জ্ঞাননাথ বৰা আছিল যথাৰ্থতে আমাৰ শেষৰ গৰাকী নিৰহ-নিপানী অসমীয়া 'ডাঙৰীয়া'। সেই বুলি কলে কেনেবাকৈ আহোম আভিজাত্যৰ অৱশেষ কোনোবাৰ কথা মনলৈ আহি যায় বুলি—যিটোৰপৰা বৰা একেবাৰে মুক্ত আছিল—তেওঁক শেষজনৰ 'ডাঙৰীয়া' অসমীয়া বুলি কৈছো। কিমানে মোৰ মতত উজান দিব কব নোৱাৰো। মোৰ মতে সেইটোৱেই তেওঁৰ সৰ্বোৎকৃষ্ট পৰিচয়।

জ্ঞান বৰাক দূৰৰপৰা চিনিছিলো, জানিছিলো হয়, কিন্তু আচৰিত কথা, বৰা ডাঙৰীয়া স্বৰ্গী হোৱাৰ অলপ দিনৰ মাথোন আগতে তেওঁ বেজবৰুৱা শতবাৰ্ষিকীৰ উৎসৱত পৌৰোহিত্য কৰিবলৈ যাওঁতে শিৱসাগৰৰ চাৰিকিত হাউচত এখন্তেকৰ বাবে দুজনাৰ মে তিনি আনাৰ কথা পতাৰ বাহিৰে যোৱা চাৰি দশকত তেওঁৰ সৈতে তেনেকৈ কথা হোৱা নাছিলো। ওচৰ চাপিবলৈ হেঁপাহ এটা সদায় আছিল, মানুহজনৰ কথা-কাম, স্বাধীনচিতীয়া ভাব-বিশিষ্টতাই মোক সদায় আকৰ্ষণ কৰিছিল, মুগ্ধ কৰিছিল। যনাই অকলশৰে বাটে-ঘাটে সভাই-সমিতিয়ে লাগো পাইছিলো ; কিন্তু কোনো দিন জ্ঞান বৰাৰ লগত কথা এবাৰ

পতা হৈ থুচিল। দুদুৰাৰ দিনাও কিছু পলমকৈ হলেও, তেওঁৰ ঘৰৰকালে ঢাপলি মেলিছিলোঁ, যদিও আধাবাটিতহে শৰ-শোভাযাত্ৰাৰে ভেটাভেটি হলোঁ। তেওঁৰ ঘৰখনলৈ আৰু যাবৰ মত নগ'ল। বিজন মানুহক অতদিনে জানিও এদিন লগ ধৰিবলৈ সংকোচ নে আড়ষ্টতা নে অহংকাৰ দূৰ কৰিব নোৱাৰিলোঁ, তেওঁৰ ঘৰত ৰৈ যন্ত্ৰৰ দৰে 'মাত লগোৱা'ৰ ঔচিত্যবোধ নকৰিলোঁ।

আই-এ মহলাত পঢ়োতেই জ্ঞাননাথ বৰাৰ 'যুগতত্ত্ব' পাঠ্যপুথি হিচাপে পঢ়িছিলোঁ। বি 'যুগতত্ত্ব'ৰ জৰিয়তে আমাৰ সাহিত্যিকসকলে সততে আওকাণ কৰা বৰাদেৱৰ প্ৰতিভাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য প্ৰকাশ পাইছিল। প্ৰৱেশিকাত পিতাক সত্যনাথ বৰাৰ 'সাৰথি' পঢ়াৰ সৌভাগ্যৰে বছৰেকৰ পিছতে পুতেক জ্ঞাননাথৰ এই পুথিখনত কিবা এটা ভিন্ন প্ৰকৃতিৰ সোৱাদ তেতিয়াই অনুভৱ কৰিছিলোঁ। পিছলৈ মোৰ এই অনুভৱ এটা দৃঢ় মতত পৰিণত হৈছিল। সত্যনাথ বৰাৰ 'সাৰথি'ত যুগধৰ্মৰ স্পন্দন নাছিল—'সাৰথি'ৰ জগত আছিল গৰ্ধ, 'জেনি' নে 'ছিউডো' দাৰ্শনিক,'ডাইডেক্‌টিক' ভাবৰ জগত, সময় সম্বন্ধৰহিত, নিৰালম্ব নীতিৰ জগত—Samuel Smiles, Lord Avebury, Francis Baconৰ কল্পলোক। জ্ঞান বৰাৰ 'যুগতত্ত্ব' was nothing if not topical। সেই সময়ত আমাৰ চেঙেলীয়া মনোজগতত কলিকতীয়া অধ্যাপক বিনয় কুমাৰ সৰকাৰৰ প্ৰচণ্ড প্ৰভাৱ। বিনয় সৰকাৰে এটা বিশ্বমুখী মনেৰে, বিশাল বৈদগ্ধ্যৰে ডেকাসকলৰ মনত তেতিয়া Zeitgiest বা time spiritৰ আলোড়ন আনিছে। সত্যনাথ বৰাৰ দ'ৰা জ্ঞাননাথ বৰাই ভাষাৰ ক্ষেত্ৰত সকলো সম্ভ্ৰমপৰ শুচিতা ৰক্ষা কৰি পিতাকৰ পদাংক অনুসৰণ কৰিও যেতিয়া ভাবৰ ক্ষেত্ৰত সমসাময়িক বিশ্বৰ গতিধাৰাৰ প্ৰতি সক্ৰিয় সচেতনতা প্ৰদৰ্শালে তেতিয়া সি হৈ পৰিছিল এটা 'বিভিলেশ্যন'ৰ নিচিনা। বিনয় সৰকাৰৰ দৰে ইংৰাজী-আৰবী-ফাৰ্চী সাধু-অসাধু ভাষা প্ৰয়োগ নকৰাকৈ আমাৰ ঘৰুৱা ভাষাৰে পোন-পটীয়া সৰলতাৰে জ্ঞান বৰাই যেতিয়া আধুনিক জগতৰ ৰাজনৈতিক আৰু কূটনৈতিক বিবৰ্তনৰ আলেখ্য দাঙি ধৰিলে তেতিয়া তাৰন্থাৰা

প্ৰভাৱিত নহৈ নোৱৰা হলোঁ। দুখৰ বিষয়, জ্ঞান বৰাৰ এই সাংবাদিকতাসুলভ, সময় সচেতন ৰচনা পিছলৈ সেৰেঙা হৈ পৰিল আৰু তেওঁৰ সাহিত্যিক মূল্যাংকনৰ প্ৰসঙ্গত তেওঁৰ প্ৰতিভাৰ এই দিশটো মোটামুটিকৈ অৱহেলিত হৈ ৰ'ল। মই কিন্তু ভাবোঁ, জ্ঞাননাথ বৰা যে শেষলৈ শুধু সাহিত্যৰ ক্ষেত্ৰখনৰ সমসাময়িক ৰাজনৈতিক তথা জাতীয় ভাবধাৰাৰ সৈতে অধিক ঘনিষ্ঠভাৱে জড়িত হৈ পৰিছিল তাৰ অংকুৰ নিহিত আছিল তেওঁৰ মনোবিকলনৰ এইটো কালতে। পিছলৈ তেওঁৰ ভাষণ পুস্তিকাবোৰতো এই topicality তথা সময়-সচেতনতা পৰিস্ফুট হৈ পৰিছিল।

জ্ঞাননাথ বৰা 'প্ৰফেশ্যনালি' বা বৃত্তি অনুসাৰে এড্‌ভোকেট আছিল। পৰিণত বয়সত তেওঁ সুবিখ্যাত 'জে বৰুৱা'ই থাপি থৈ যোৱা আইন কলেজৰ অধ্যক্ষতাৰ ঐতিহ্য 'জে বৰা' নামে অব্যাহত ৰাখি একেটা অনুষ্ঠানকে নেতৃত্ব কৰি গৈছিল। দুয়োজন ল কলেজৰ কৰ্ণধাৰৰে নাম 'জ্ঞান' হোৱাটো এটা সমাপতনহে মাথোন যদিও কম আমোদজনক নে? এইটো বেচ অৰ্থপূৰ্ণও। দুয়োজন জ্ঞানীলোকে জীৱন জুৰি জ্ঞানৰে প্ৰচাৰ নকৰিলে জানো? কিন্তু ন্যায়শাস্ত্ৰ, ব্যৱহাৰ শাস্ত্ৰ, অভ্যাস অথবা পঠন-পাঠনত বৰা ডাঙৰীয়াই কিমান কৃতিত্ব দেখুৱাইছিল সেই সম্পৰ্কে কোৱাৰ মোৰ যোগ্যতাও নাই আৰু মোৰ বোধেৰে জ্ঞাননাথ বৰা মানুহজনৰ আচল ভূমিকা নিৰূপণৰ বাবে এইখিনি বৰ আৱশ্যকীয়ও নহয়। বিশিষ্ট আইনজ্ঞ হলেও ন্যায়প্ৰশিক্ষণৰ কৰ্ণধাৰ হলেও জ্ঞাননাথ বৰা অসমীয়াত নেতৃস্থানীয় হৈছিল, আইনৰ পাৰ্গতালিৰ বাবে নহয়, তেওঁৰ নিভাঁজ অসমীয়া জাতি-প্ৰীতি আৰু অসমীয়া ভাষাৰ সেৱাৰ বাবেহে। সেয়ে অৱশেষত আচৰিতভাৱে অসম সাহিত্য সভাৰ সভাপতি হোৱা আন কেবাগৰাকীও সাহিত্যিকৰ সৈতে একেদৰে—পৰলোকৰ আগে আগে—জ্ঞাননাথ বৰা অসমীয়াৰ আটাইতকৈ বৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ ১৯৬৭-৬৮ চনৰ অধিবেশনৰ সভাপতি নিৰ্বাচিত হ'ল।

অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচন পক্ৰিয়াৰ গণতান্ত্ৰিকতা উমানমূলকৈ উলাই কৰিব পৰা নাযায় যদিও এই বুলি কবলৈ মনসাহ

নালাগে যে বহু ক্ষেত্রত, কেবা বছৰো কেবাগৰাকীও ব্যক্তিৰ সাহিত্যিক অৱদানতকৈ অনা-সাহিত্যিক জনপ্রিয় অৰ্হতাৰ গুণতহে সাহিত্য সভাৰ সভাপতি পদলৈ নিৰ্বাচিত হৈছে। ইয়াক প্ৰকৃততে অবাঞ্ছনীয় কথা বুলি ভাবিবলৈ দৰ্কাৰ নকৰে, কাৰণ সাহিত্যৰ মহাসভাখনৰ অধিনায়কত্ব পাৰ্যমানে সাহিত্যিক ব্যুৎপত্তি আৰু বৈশিষ্ট্য থকালোকৰ মাজতহে আবদ্ধ থকাটোৱেই যদিও সাধাৰণভাৱে কাম্য, তথাপি সাহিত্যৰ নিৰ্ধাৰিত গণ্ডী চেৰাই যিসকলে কম সংখ্যা বা গুণৰ সাহিত্যিক অবিহণাৰেও অসম, অসমীয়া আৰু অসমীয়াৰ প্ৰতিষ্ঠাপনৰ হকে যুঁজিছে আৰু তথাকথিত অসমীয়া জাতীয়তাবাদত অসমবাসীক উদ্বুদ্ধ কৰাত সফল হৈছে, তেনে লোকক গণতান্ত্রিক ব্যৱস্থামতে সাহিত্য সভাৰ সভাপতিৰূপে গুণমুগ্ধ ভোটদাতাসকলে নিৰ্বাচন কৰাটো খুবেই স্বাভাৱিক। তদুপৰি 'নিছক' বিশুদ্ধ সাহিত্যৰ কাৰবাৰ কৰাটোকেই অসম সাহিত্য সভাৰ মুখ্য কৰ্তব্য বুলি নধৰি অনুষ্ঠানটোৰ গণ্ডী কিছু বহলাই পেলালেও মহাভাৰত অশুদ্ধ হব নালাগে। ঐতিহাসিকভাৱে অসম সাহিত্য সভাই আজি অত বছৰে সেই ভূমিকাকে লৈ আহিছে, যি ভূমিকা অকল সাহিত্যসেৱাতকৈ বহল আৰু inclusive।

শুধ সাহিত্যৰ পিনৰপৰা চালে স্বৰ্গীয় জ্ঞাননাথ বৰা অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হোৱাটো মোৰ কাৰণে অপ্ৰত্যাশিত যেনেই লাগিলহেঁতেন, যদিহে বৰা ডাঙৰীয়া অসমীয়া ভাষা সাহিত্যৰ সেৱক হোৱাৰ উপৰিও অসম আৰু অসমীয়াৰ আত্ম-প্ৰতিষ্ঠা, অসমৰ বৈশিষ্ট্য সংৰক্ষণ, আন্তঃপ্ৰাদেশিক অৰ্থনৈতিক প্ৰতিযোগিতাত সৰ্বভাৰতীয়তাৰ পৰিপ্ৰেক্ষিতত অসমৰ ন্যায্য দাবীৰ অনলস প্ৰবক্তা আৰু মুখপাত্ৰ নহ'লহেঁতেন : যদিহে সাহিত্যৰ মালা গঁথা কাম থাকোঁতেও এৰি থৈ হ'লেও বেজবৰুৱাৰ দৰে, গোহাঞিঃ বৰুৱাৰ দৰে, বাগীশ্বৰৰ দৰে, 'ৰায়চৌধুৰী'ৰ দৰে, অসমৰ জাতীয় ডাঙৰীয়াসকল যি তিষ্ঠি থকাৰ যুঁজখনত মুকলি মনেৰে তেওঁ জঁপিয়াই নপৰিলহেঁতেন।

অসমীয়া সাহিত্যৰ ভঁড়াল জ্ঞাননাথ বৰাই কিবা বৰ উল্লেখযোগ্য-ভাৱে পৰিপুষ্ট কৰি গৈছে বুলি কোৱা বোধহয় টান। তেখেতৰ সকলো

সাহিত্যকৰ্মৰ সৈতে মোৰ পৰিচয় নাথাকিব পাৰে, কিন্তু যিখিনিৰ বাবে তেওঁ সাহিত্যিক হিচাপে লব্ধপ্ৰতিষ্ঠ সেইখিনি অতিশয় মূল্যবান নহয় বুলি কোনোবাই কব পাৰে ? 'যুগতত্ত্ব'বপৰা আৰম্ভ কৰি নানা আলোচনী আৰু বাতৰি কাকতত লিখা তেখেতৰ প্ৰবন্ধৰাজি আৰু সভাই সমিতিয়ে—বিশেষকৈ অসম সাহিত্য সভাৰ আৰু বেজবৰুৱা শতবাৰ্ষিকীত দিয়া তেখেতৰ ভাষণাৱলী জুকিয়াই চালে অত্যন্ত বিশিষ্ট কোনো সৃজনী বা সমালোচনাত্মক প্ৰতিভাৰ সাক্ষ্য পোৱা নাযায়। বৰাৰ ৰচনাসমূহত সমসাময়িক ভাবধাৰা, অসমৰ আৰু দেশ-বিদেশৰ সাহিত্যৰ বিকাশ আৰু ঐতিহাসিক তাৎপৰ্যৰ সৈতে ঘনিষ্ঠ আৰু গভীৰ চিনাকিৰ স্বাক্ষৰ আছে সঁচা, কিন্তু সেই ব্যুৎপত্তি বৰ্ণনাত্মক পাৰ্গতালি, তাত কোনো গভীৰ দ্যোতনাৰ সন্ধেদ পোৱা নাযায়। সেইবিলাক মূলতঃ বৰ্ণনামুখী, ব্যাখ্যাত্মক প্ৰচাৰধৰ্মী ৰচনা। 'অসমীয়া সাহিত্যৰ ভৱিষ্যৎ' নে 'আধুনিক সাহিত্য' বোলা বৰা ডাঙৰীয়াৰ এখনি সৰু পুথি আৰু মৃত্যুৰ আগে আগে দিয়া বেজবৰুৱাৰ শতবাৰ্ষিকীৰ সভাপতিৰ অভিভাষণখনলৈ পোনতে মনত পৰে। এইখনত তেখেতে দেশ-বিদেশৰ সাহিত্য তথা পুথি আলোচনী আদি অধ্যয়ন কৰি বেলেগ বেলেগ বিভাগত অসমীয়া সাহিত্যক কেনেকৈ সমৃদ্ধিশালী কৰিব পাৰি তাৰ উপায় দিছে, আৰু তাৰ বাবে দেহে-কেহে যত্ন কৰিবলৈ অসমীয়াক আহ্বান জনাইছে। বেজবৰুৱাৰ গয়না লৈ অসমীয়া জলপান, অসমীয়া সাজ-পাৰ, অসমীয়া শংকৰদেৱ, অসমীয়া কৃষ্টি, অসমীয়া 'ধৰণ-কৰণ'ৰ উচ্ছ্বসিত বৰ্ণনাৰ সৃজনীমূলক কৃতিত্বতকৈ বৰা-দেৱৰ যুক্তিপূৰ্ণ চিন্তাৰ স্বচ্ছ অভিব্যক্তিহে মোৰ বোধেৰে অধিক মূল্যবান। আৰু এই চিন্তাৰ সুবিন্যাস আৰু যুক্তিমত্তা উৎকৃষ্টভাৱে প্ৰকাশ পাইছে তেখেতৰ ভিন্ ভিন্ পুস্তিকাবোৰত আৰু অভি-ভাষণবোৰত।

অসমীয়া ভাষাত ৰাজনৈতিক ৰচনাৰ ক্ষেত্ৰত বৰাদেৱৰ চিন্তাশীল ৰাজনৈতিক নিবন্ধসমূহে প্ৰসাদ গুণ আৰু বিচাৰ-বিশ্লেষণৰ মৌলিকতাৰ বাবে এক বিশিষ্ট স্থান অধিকাৰ কৰে। 'চেতনা', 'আৱাহন' আদি

পুৰণি আলোচনীৰ পাতত তেখেতৰ ভালেকেইটা ৰাজনৈতিক বিষয়ত লিখা অতি মূল্যবান প্ৰবন্ধ সোমাই আছে। থাওকতে মনত পৰাৰ ভিতৰত 'অসমত বিদেশী', 'অসম ভাৰতত থাকিব কিয়' আদিৰ দৰে দুই চাৰিটা নিবন্ধত বৰাদেৱৰ গভীৰ ৰাজনৈতিক অন্তৰ্দৃষ্টি, অসমৰ আৰ্থিক আৰু ব্যৱহাৰিক অৱস্থিতিৰ নিৰীক্ষণ আৰু সুসংহত চিন্তা-শীলতাৰ ছাপ পৰিছে। বহুতে অনুভৱ কৰে যে যি সাহিত্য সভাৰ সভাপতিৰ আসন স্বৰ্গীয় বৰা ডাঙৰীয়াই শেষ বয়সত ৰুগীয়া দেহা লৈও এনে দক্ষতাৰে অলংকৃত কৰিছিল তাৰ কৃতজ্ঞ স্বীকৃতি স্বৰূপে তেখেতৰ অধুনাবিস্মৃত দুষ্প্ৰাপ্য ৰচনাখিনিৰ এটা সংকলন প্ৰকাশৰ দায়িত্ব সাহিত্য সভাই লোৱা উচিত। এই অসম-হিতৈষী আদৰ্শনীয় পুৰুষগৰাকীৰ প্ৰতি আমাৰ শ্ৰদ্ধা জ্ঞাপনৰ সি উত্তম নিদৰ্শন হব।

অসম সাহিত্য সভাৰ সভাপতি হওকেই বা নহওকেই, মোৰ বোধেৰে স্বৰ্গীয় জ্ঞাননাথ বৰাৰ সুখ্যাতিৰ স্বত্ব—'টাইটল টু ফেম'—তেওঁৰ সাহিত্য কীৰ্তিসমূহ নহয়, তেওঁৰ অসম প্ৰেম আৰু অসমীয়া জাতীয়তাবাদহে। আমাৰ ৰাজ্যৰ ৰাজনীতিত এসময়ত যিসকলে এনে অসম-প্ৰেমীসকলক সংকীৰ্ণ প্ৰাদেশিকতাবাদী, এনেকি 'শ্বউভিনিষ্ট' বুলি উপলুঙা কৰিছিল, আজি দেখিয়া সেইসকলেই মুখৰোচক 'জন-গণতান্ত্ৰিক' লেবেল মাৰি নদল গঠন কৰি ৰাজ্যিক স্বাৰ্থ সংৰক্ষণৰ দাবীকে সজোৰে প্ৰতিষ্ঠিত কৰিবলৈ প্ৰয়াস কৰিছে সেইসময়ত চাৰি দশকৰো ওপৰ কাল অসমৰ আত্মনিয়ন্ত্ৰণ, অসমীয়াৰ আত্মপ্ৰতিষ্ঠা, অসমৰ সাংস্কৃতিক পুনৰ্জাগৰণ, অসমবাসীৰ জীয়াই থকাৰ আৰু অধিক শক্তিশালীৰ বিৰুদ্ধে থিয় দিয়াৰ দাবীৰ বাবে আজীৱন সংগ্ৰাম চলাই যোৱা সেই চাম একনিষ্ঠ স্বজাতিপ্ৰেমী, স্বভাষা-সাহিত্যৰ পূজাৰীলোকৰ জীৱন দৰ্শন বৰ্তমানৰ ৰাজনৈতিক গতি-বিধিয়ে নতুন প্ৰত্যয়েৰে প্ৰতিপন্ন কৰা নাই নে? ভৱিষ্যতে যদি জ্ঞাননাথ বৰাক কোনোবাই সোঁৱৰে তেনেহলে তেওঁ আজীৱন এইসকল ব্যক্তিৰ লগৰীয়া আৰু পুৰোধা আছিল বুলিয়েই সুঁৱৰিব। প্ৰতিকূল পৰিবেশ এটাত অবিচলিত আত্ম-প্ৰত্যয় আৰু দুৰ্জয় সাহসেৰে জ্ঞান বৰাই এসময়ত প্ৰশ্ন তুলিছিল—

'অসম ভাৰতৰ ভিতৰত থাকিব কিয় ?' অসমৰ সংস্কৃতি, অসমৰ ইতিহাস, অসমৰ 'জিনিয়াচ', উত্তৰ-পশ্চিম-দক্ষিণ ভাৰতৰ জীৱন আৰু ইতিহাসতকৈ সুদূৰ পূৰ্ব বহিঃভাৰতৰ ধ্যান-ধাৰণাৰহে বেছি ওচৰ বুলি তেওঁ যুক্তি আৰু জ্ঞানেৰে সজভাৱে বিশ্বাস কৰিছিল আৰু তেনে স্বাধীন অসমৰ সপোন ৰচিছিল। আজিৰ ৰাজনৈতিক পৰিক্ৰমাৰ পৰিপ্ৰেক্ষিতত ৰবাদেৱে বিশ্বাস কৰা দৰ্শনৰ নামত কোনেও শপত খাবলৈ সাহ যে নকৰিবই নে তেনে ভাৱক বিচ্ছিন্নতাবাদী 'ছেচেচন'মুখী ভাব বুলিহে কৰ, যিটো আইনতঃ নিষিদ্ধ। কিন্তু সৰ্বভাৰতীয় বৃহত্তৰ ৰাষ্ট্ৰীয়তাবাদৰ বুকুত আঞ্চলিক আৰু প্ৰান্তীয় স্বাতন্ত্ৰ্যৰ ধ্বজা উৰুৱাই নিজ নিজ ৰাজ্য আৰু অঞ্চলক আঞ্চলিক বৈষম্য আৰু কেন্দ্ৰীয় নিৰ্বিকাৰতাৰপৰা মুক্ত কৰি শক্তিশালীভাৱে প্ৰতিষ্ঠা কৰিবলৈ কৰা এনে প্ৰয়াসক ঐতিহাসিক অভিজ্ঞতাৰ আলোকত ৰোমাণ্টিক ভাব-বিলাস বুলি অৱজ্ঞা কৰিব নোৱাৰি।

জ্ঞান বৰাই অসমৰ অতীতক মনে প্ৰাণে ভাল পাইছিল যদিও প্ৰতিটো মত যুক্তি সহকাৰে থিয় কৰাইছিল—কোনোপ্ৰকাৰ ৰোমাণ্টিকতা তেওঁৰ মাজত অনুপস্থিত—আৰু তেওঁৰ অসমীয়া সচেতনাক পুনৰুত্থানমুখী উগ্ৰতা বোলাও অন্যায়।

জ্ঞান বৰা দেশ-বিদেশৰ ৰাজনীতিৰ নিষ্ঠাবান ছাত্ৰ আছিল। ভাৰতৰ প্ৰাদেশিক ৰাজনীতিত তেওঁ য়ুৰোপীয় জাতীয়তাবাদী সংঘৰ্ষৰ microcosmৰ ইংগিত পাইছিল। ভাৰতীয় ৰাজনীতিত উদাৰনৈতিকতাবাদ যুগৰ সন্তান—ছাৰ সুৰেন্দ্ৰনাথ, লাল-বাল-পাল আদিৰ ৰাজনৈতিক দৰ্শনেৰে ডেকাকালত মন গঢ় লোৱা বৰা ডাঙৰীয়াই আজিৰ ভাবাদৰ্শমূলক সংঘাতৰ ৰাজনীতিৰ পন্থাতকৈ মধ্যমপন্থী যুক্তি অনুশাসনৰ মাজেদি অসমৰ ৰাজনৈতিক সত্তা আৰু অস্তিত্ব সাব্যস্ত কৰিবলৈ বিচাৰিছিল। অসম আৰু অসমীয়াৰ মংগলৰ হকে তেওঁৰ একাগ্ৰতাই তেওঁক বাৰে বাৰে সাহিত্য-সংস্কৃতিৰ সাধনৰপৰা নাজহুৰা ৰাজনৈতিক মঞ্চলৈ টানি আনিছিল। অম্বিকাগিৰিহঁতৰ অসম জাতীয় মহাসভালৈ জ্ঞান বৰাই ৰায়চৌধুৰীৰ উগ্ৰতা আৰু aggressiveness

তৰ বিপৰীতে আনিছিল প্ৰাজ্ঞ, দূৰদৰ্শী, ধীৰ, সুচিন্তিত, objective চিন্তাৰ ধাৰা। 'অসম অসমীয়া'ৰ আন্দোলনৰ অগ্ৰগামীসকলৰ অন্যতম জ্ঞাননাথ বৰাৰ ৰাজনৈতিক দৰ্শন এতিয়া এক দৃষ্টিৰে dated যেন লাগিব পাৰে, কিন্তু সেই আন্দোলনৰ বেদীত তেওঁ যি সুগভীৰ চিন্তা আৰু সততা নিবেদন কৰিছিল তাৰ মূল্য কেতিয়াও নুটুটে।

মোৰ ধাৰণা হয়, অসম সাহিত্য সভাতকৈও অসম জাতীয় মহাসভা আদি অনুষ্ঠানৰ সভাৰ সভাপতিৰ কৰ্মোতেহে জ্ঞাননাথ বৰাৰূপী আচল মানুহজনৰ পৰিচয় প্ৰকাশ পাইছিল। সাহিত্যৰ ক্ষেত্ৰৰ দৰে ৰাজনীতিতো বৰা ডাঙৰীয়াই উচ্ছ্বাসত গা এৰা নিদি কঠোৰ বাস্তৱ আৰু অবজেক্টিভ পৰিস্থিতিৰ ওপৰত অগ্ৰাধিকাৰ দিছিল। মোৰ বিশ্বাস, অসমীয়াই জ্ঞাননাথ বৰাক তেওঁৰ উদাৰ অসমীয়া প্ৰীতিৰ বাবে সদায় মনত ৰাখিব। মোৰ বাবে জ্ঞান বৰা সাহিত্যিক বুলি নহয়, অসমীয়া জাতীয়তাবাদৰ গতি নিৰ্দেশক আৰু নিভাঁজ অসমীয়া ডাঙৰীয়া সংস্কৃতিৰ প্ৰতিনিধি হিচাপেই আধুনিক অসম গঢ়া নেতৃবৃন্দৰ এজন বুলি পৰিগণিত হৈ থাকিব।

# অগ্নিযুগৰ এটি ফিৰিঙতি

ৰোমাণ্টিক ইংৰাজ কবি শেলীৰ উপন্যাসোপম ৰমণীয় জীৱনালেখ্য 'এৰিয়েল' আৰু কেৱাখনো বিশ্বসাহিত্যৰ নামজ্বলা জীৱনীৰ লিখক আন্দ্রে মৰোই (Andre Maurois) কোৱালে কৈছিল, "ইট্ ইজ্ দি ডিউটি অৱ দি বায়োগ্রাফাৰ টু এক্‌চ্‌পোজ (expose), নট্ টু ইম্‌পোজ (impose)।" অৱশ্যে 'এক্‌চপোজ' কৰা বোলোতে মৰোই বুজোৱা নাছিল যে আজিকালিৰ 'এক্‌চপোজ্‌ৰ জাৰ্নালিজম্' বা নিৰাবৰণ সাংবাদিকতাৰ ধৰণেৰে ব্যক্তিৰ দোষ-দুৰ্বলতাখিনিহে অকল উদঙাই দেখুৱাব লাগে। মৰোৰ 'এক্‌চপোজাৰ'ৰ কল্পনা আছিল আলোকচিত্ৰৰ 'এক্‌চপোজাৰ'ৰ লগৰ—দোষে-গুণে, গালৰ তিল আৰু ব্ৰণ দুয়োটাকেই একেলগে উজ্জলাই দেখুৱা; মানুহজন যেনে ঠিক তেনেকৈ প্ৰকাশ কৰা; আনকি বাস্তৱ ক্ষেত্ৰত অসম্ভৱ এটা নতুন 'ডাইমেন্‌চনো' সম্ভৱ হলে যোগ দিয়া—অৰ্থাৎ মানুহজনৰ বা তিৰোতাগৰাকীৰ অন্তৰৰ অন্তৰ্লোকলৈকে সোমাই নিৰ্জ্জান, অৱচেতন জগতৰ আকাংক্ষা-কামনা-আত্ম-অৱদমন আৰু আত্ম-প্ৰতাৰণাকো পৰ্দা কাঢ়ি বাহিৰলৈ উলিয়াই দিয়া। নেপোলিয়ঁ, ডিচ্‌ৰেলী, মহাৰাণী ভিক্টোৰিয়াৰ আকাশ-চুম্বী, পৰম্পৰা প্ৰচলিত সুউচ্চ ৰাজছুৱা জীৱন মূৰ্তিবোৰ থিয় হৈ থকা পাদানী বা ভেটিও যে আলতীয়া বোকামাটিৰ দৰে ঢিলা বা বুৰ্বুৰীয়া হব পাৰে, ৰাজনৈতিক সামাজিক জীৱনৰ তথাকথিত বীৰ, নায়ক আৰু colossus বা দৈত্যসকলৰো যে পলসুৱা ঠেং ভৰি বা feet of clay থাকিব পাৰে, আধুনিক জীৱনী-ৰচনা-শিল্পই তালৈকে পঢ়ুৱৈসকলৰ মনবোৰ জোকাৰি দিয়াটো এক মুখ্য কৰ্তব্য বুলি ললে নিজৰ মনে গঢ়া অতিৰঞ্জিত ভাবমূৰ্তি একোটা পঢ়ুৱৈৰ মনত জাপি দিবলৈ বুলি নহয়।

আমাৰ অসমীয়াত ঠিক এই জাতৰ বা এনে ফৰ্মাচৰ জীৱনী লিখা সম্ভৱপৰ হব পাৰিলেও আমাৰ অলপধতুৱা সমাজত এনে আস্পৰ্দ্ধা

কৰাটো কাৰ্যকৰ—প্ৰেক্টিকেল হব নে? এই প্ৰশ্নৰ উত্তৰ দিয়া টান। অসমীয়াত কিয় আমাৰ অন্য প্ৰান্তীয় ভাষাতো জীৱনী ৰচনা শিল্প ইমান দূৰ আগবাঢ়িব পাৰিছে বুলি মই গম নাপাওঁ। বাস্তৱ-ধৰ্মী জীৱন-চিত্ৰ অংকন কৰাৰ নামত ক'ৰবাত কাৰোবাক 'কেৰিকেচাৰ' কৰা উপলুঙা কৰা নাইবা আমাৰ বাশি-জোৱা নহাসকলৰ কুৎসা ৰটনা কৰাৰ প্ৰয়াস বা অপচেষ্টা হয়তো হৈছে—কিন্তু ঠিক পশ্চিমীয়া আৰ্হিৰ এনে প্ৰকৃতিৰ জীৱনী লিখিত হোৱা নাই। অৱশ্যে আনহাতেদি প্ৰশস্তিমূলক তথাকথিত "শ্ৰদ্ধাপূৰ্ণ জীৱন অধ্যয়ন"ধৰ্মী জীৱনী লিখাত কোনো কৃতিশূন হোৱা নাই; আৰু আজিকালি দুই চাৰিটা বিশ্লেষণাত্মক, মনস্তত্বানুগ জীৱনচৰ্যামূলক প্ৰবন্ধও দেখিবলৈ পোৱা যায়। মোৰ ধাৰণা যে আমাৰ ইয়াত,—য'ত সমাজ প্ৰকৃত অৰ্থত permissive অৰ্থাৎ অনুমোদনশীল হৈ উঠা নাই—তাত, ওপৰত কোৱা ধৰণৰ অনা-বৰণী উদ্‌ঘাটনী জীৱনী লিখিবলৈ যোৱাটো নিৰাপদ নাইবা বাস্তৱ বুদ্ধিৰ পৰিচায়ক নোহোৱাৰে সম্ভাৱনা সৰহ।

মই পোনতে আমাৰ অসমৰ জীৱিত আৰু মৃত কেইগৰাকীমান 'বিশিষ্ট' লোকৰ (বিশিষ্ট ব্যক্তিৰ বাহিৰে আনৰ আত্মজীৱনী হব পাৰিলেও জীৱনী হোৱা মস্কিল) জীৱন-কৰ্মৰ বিষয়ে ব্যক্তিগত দৃষ্টিকোণৰপৰা চৰ্চা কৰিবলৈ লওঁতে আধুনিক অৰ্থাৎ ইংৰাজীত লীটন ষ্ট্ৰেচী, হেৰল্ড নিকোলচন, হেচকেথ পিয়াৰচন আদিয়ে প্ৰবৰ্তন কৰা নতুন জীৱনীৰ সূত্ৰ প্ৰয়োগ কৰি আমাৰ বিশিষ্টসকলৰ অধ্যয়ন কৰিম বুলিয়েই মনতে পাঙিছিলোঁ। কিন্তু নোৱাৰিলোঁ, পূৰ্ব সংস্কাৰেই হওক কিম্বা অন্তৰ্নিহিত শ্ৰেণী-চেতনা দোষতেই হওক ৺বেণুধৰ শৰ্মাৰপৰা স্বৰ্গীয় মাধৱ বেজবৰুৱালৈকে কেবাগৰাকী ব্যক্তিৰ জীৱন অধ্যয়নত মানুহ কিজনৰ দুৰ্বলতা বা গুপুত সত্যবোৰৰ ওপৰত আঙুলি থৈ সমাজক বিভ্ৰান্তি কৰ নোৱাৰিলোঁ—"এয়া চাওক, আমাৰ এই আদৰ্শনীয় নায়কসকলৰ ওপৰখিনিহে বা গা-গছডালহে ক'লোচাচৰ লেখীয়া, তলভোখৰ ঢিলা পলসুৱা মাটিৰে সজা মূৰ্তিৰ নিচিনা দুৰ্বল, অকামিলা।"

আমাৰ সমাজত হয়তো বিদেশৰ জীৱনীকাৰৰ কঠোৰ মানদণ্ড আচৰাতে প্ৰযোজ্যই নহয়। আমাৰনো প্ৰকৃততে 'ডাঙৰ মানুহ'—যি সাধৰণৰ লেখৰ ওপৰত—কেইজন? জীৱনী লিখিব পৰাকৈ বিপুল আৰু প্ৰচুৰ অ ভিজ্ঞতা নাইবা চৰিত্ৰৰ বৈভৱ-বিবিধতা থকা লোক কিমানজন? প্ৰকৃততে, গুণী মানুহকো যিখন সমাজে সমাদৰ কৰা দূৰত থাকক বিছুৱে সংক্ৰান্তিয়ে মনত পেলাবলৈকে গহবি কৰে, তেনে এখন সমাজৰ আঙুলি মূৰত লেখিব পৰা এমুঠি গুণী মানুহকো আমি যদি সম্প্ৰতিষ্ঠাৰ চেষ্টা নকৰি তেওঁলোকৰ দোষ-ত্ৰুটিবোৰহে খুচৰি ফুৰিবলৈ লওঁহক, তেনেহলে আমাৰ জীৱনী লিখিবলৈ উপযুক্ত বিষয়-ব্যক্তি থাকিব গৈ ক'ত? অতীতৰ নায়কসকলৰ জীৱন চৰ্চাত হয়তো আধুনিক জীৱনীকাৰৰ এই 'ডিচেকশ্বন' বা শৱ-ব্যৱচ্ছেদৰ কৌশল প্ৰয়োগ কৰা সহজ হব পাৰে, কিন্তু জীৱন্ত, আমাৰ মাজতে নিতৌ বিচৰণ কৰি থকা এবোজনক তেনেকুৱা সমীক্ষণ বিশ্লেষণৰ পাত্ৰ কৰা যেনেকৈ অস্বস্তিকৰ তেনেকৈ বিপদজনকো। কিন্তু 'জিনিয়াচ' (প্ৰতিভা শব্দটোৱে ঠিক genius বুবুজায়, talent হে বুজায় যেন লাগে আৰু 'টেলেন্ট' জিনিয়াচৰ দৰে আপুৰুগীয়া বা বহুমূলীয়াও নহয়) সাধৰণ সূত্ৰৰ বাহিৰ আৰু ওপৰত। জিনিয়াচে নিজৰ বিচাৰৰ সূত্ৰও নিজেই ৰচনা কৰি লয়। আজি যিজনক অসমৰ অগ্নিযুগৰ এটি অনিৰ্বাণ ফিৰিঙতি বুলি কিজানি অলপ অতিমাত্ৰিক বা অসংগতভাৱেই অভিহিত কৰিছো তেওঁ সম্প্ৰতি মৃত হলেও তেওঁক মোৰ এজন বিস্মৃত, অনাদৃত আৰু অনাঘ্ৰাত জিনিয়াচ যেনেই লাগে। জিনিয়াছৰ জীৱন-দৰ্শন বা জীৱন-চৰ্যা বিচাৰ কৰিবলৈ আমাক ইংৰাজীত যিটো Bio-data বোলে সেই বায়োডাতা বা ঘটনা-পঞ্জী সিমান নালাগে যিমান লাগে Empathy তদনুভূতি বা একাত্মবোধ। সেইবাবেই স্বৰ্গীয় অম্বিকাগিৰি, ৺জ্ঞানবৰা বা ৺মাধৱ বেজবৰুৱাৰ বেলিকা যি ভূমিকা কৰাৰ প্ৰয়োজন বোধ কৰা নাছিলোঁ। বৰ্ত্তমানজনৰ বেলিকা কিছু ভূমিকা কৰিবলগীয়া হৈছে। কোন সেইজন?

তেওঁ হ'ল "ডেকা অসমৰ" চিৰনেউজীয়া মৃত্যুঞ্জয়ী ডেকা, বয়সত

তিনি কুৰিৰ ওপৰ বসন্ত চেৰাই গলেও শীতৰ ওচৰ নচপা, বাহ্যিকভাৱে নিঃকিন যেন লাগিলেও মনেৰে আৰু চিতেৰে চিৰ উন্নত-শিৰ, বজাৰ দৰে অভিজাত আৰু সম্পদশালী হৈ চিৰ-জীৱন জীয়াই থকা 'ডেকাফুকন' স্বৰ্গীয় মইহেংডাং মহেন্দ্ৰনাথ ডেকাফুকন। এই অসাধৰণ নে অদ্ভুত মানুহজনৰ কথা ভাবিলেই মোৰ স্মৃতিৰ-চকুৰ পৰ্দাত প্ৰতিবিম্বিত হয়, কেলেইডস্কোপ'ৰ (kaleidoscope) বৰ্ণালীৰ মাজেদি দেখাৰ নিচিনা বৰ্ণচ্ছটা সমুজ্জ্বল, সদা-সঞ্চৰণশীল, মুহুৰ্মুহুঃ ৰূপান্তৰপ্ৰৱণ বিক্ষিপ্ত কিছুমান দৃশ্য যাৰ সমুখ ভাগত বা foreground ত সেই মানুহজনৰ বৰ্ণাঢ্য ব্যক্তিত্বৰ বিশাল ছাঁৰ ব্যাপ্তি। দেখোঁ —তৃতীয় দশকৰ শেষৰ ফালে তেতিয়াৰ কলিকতাৰ ওৱেলিংটন স্কোৱাৰৰ বিৰাট জন সমুদ্ৰৰে কল্লোলিত সভাথলীতেই নে বৌ বজাৰৰ কোনোবা এটা পেক্ষাগৃহৰ বক্তৃতা মঞ্চতে অজস্ৰ জনতাৰ ঢৌ ফালি নিখুঁত ওজস্বিনী হিন্দী, বঙলা, ইংৰাজীত উদাত্ত কণ্ঠেৰে, অপূৰ্ব ৰস সঞ্চাৰ কৰি অনৰ্গল বক্তৃতা দি যোৱা দেখিলে বহুতৰ ঘৰে ঘৰে থকা ছবিৰ সেই তেজোময় ডেকা ক্ষণজন্মা নৰেন্দ্ৰ নাথ দত্ত ওৰফে স্বামী বিবেকানন্দৰ নিচিনা লগা, মূৰত পাগুৰি মৰা এজন সুদৰ্শন ডেকা—যি ভাৰতীয় জাতি-সংগমত অসমীয়া বুলিও যে এটা জাতি আছে তাকে সকলোকে সোঁৱৰাই দিবলৈ বুলি মূৰ দাঙি থিয় দিছে। দেখোঁ—ধুনীয়া চেহেৰাৰ বিলাতী সাজপাৰ পিন্ধা, ভিক্টোৰীয় ঠাঁচেৰে হাতত চুটি লাঠি লোৱা এজন চাহাবী অসমীয়া 'বিজনেচ এক্‌জিকিউটিভ' কেঁকোৰা-কেঁকুৰি চুলি, চকু আৰু মুখত কিবা এটা অপাৰ্থিৱ সন্ন্যাসৰ ভাব অথচ terribly efficient ভয়ংকৰৰূপে কৃত-কৰ্মা, কলিকতাৰ সেই সময়ৰ এজন প্ৰথম শাৰীৰ দেশীয় উদ্যোগপতিৰ লগত লগ লাগি বৃহদাকাৰে শিল্প পৰিচালনাৰ দায়িত্ব পালন কৰা থলুৱা অসমীয়া কৰ্মী তথা সংগঠক। আকৌ দেখোঁ—অগ্নিকবি স্বৰ্গীয় কমলাকান্ত ভট্টাচাৰ্যৰ মৃত্যু-তিথি-বৈঠকত গদ্‌গদ্‌ স্বৰেৰে জলদ গম্ভীৰ সুৰেৰে অগ্নি-কবিৰ স্মৃতি তৰ্পণ কৰি স্বৰচিত কৱিতাৰ আবৃত্তি কৰি যোৱা চাৰণ। আৰু কোনোবা দিনা হয়তো কলিকতাৰ পাৰ্ক-চাৰ্কাছ-স্থিত চিৰকালৰ 'বাঁহী' কাৰ্যালয়ৰ মেজ-চকী

কাগজ-কলম মহতীয়াই 'চাইনা কপ'ত সোণোৱা 'বুল' বা ষাঁড়ৰ লেখিয়াকৈ কিবা সামান্য কথাতে খঙত অগ্নিশৰ্মা হৈ এফালৰপৰা সকলো বস্তু দলিয়াই খটিয়াই, পিৰিচ-পিয়লা, গিলাচ-থাল ভাঙি চুৰ্ মৈ কৰি ৰখদৈছিলাৰ' নিচিনাকৈ সোমাই সকলো লণ্ড-ভণ্ড কৰি ওলাই যোৱা আৰু তাৰ দুদিন পিছতে নিজৰ ভুল উপলব্ধি কৰি পঁচিশ পাত দীঘল সাঁচিপতীয়া পুথিৰ আকাৰত অবিস্মৰণীয় কবিতা লিখি পঠোৱা 'আন-প্ৰেডিকটেবল', কি কবিৰ নকবিৰ কৰ নোৱৰা এক অভিনৱ শক্তি, আৰু তাৰ বহুত বছৰৰ পিছত দাড়িয়ে গোঁফে ভোবোকাৰ হৈ, হাতত শিখসকলৰ দৰে বালা পিন্ধি, মূৰৰ চুলিৰ জটা বান্ধি, গাত হাফপেণ্ট আৰু চুৱেটাৰ নে হাওৱাই চাৰ্ট পিন্ধি, হাতত পুলিচৰ হুইচেল লৈ গুৱাহাটীৰ ফাঁচী বজাৰৰ চকত বিশাল মহীৰুহৰ দৰে থিয় হৈ হাত দেখুৱাই হুইচেল মাৰি ট্ৰেফিক পুলিচৰ কাম কৰাত ব্যস্ত,—অৱসাদ-গ্ৰস্ত অভাৱজীৰ্ণ, দৈন্য-জৰ্জৰিত দেহা—তথাপি অদম্য জীৱনী-শক্তিৰ অধিকাৰী, মানুহে বলীয়া বুলি পেৱলাই কৰিব খুজিলেও বিমুগ্ধ দৃষ্টিৰে ৰ' লাগি চাই থকা এজন অদ্ভুত মানুহ, যি সকলোতে অসাধাৰণ ব্যতিক্ৰমী আৰু অনন্য।

"উদাত্ত কণ্ঠ, গভীৰ আত্ম-প্ৰত্যয়, আত্ম-বিশ্বাস, আগবঢ়ুৱা স্বভাৱ, অসম আৰু অসমীয়া প্ৰেম"—এজনে এসময়ত লিখা এই প্ৰত্যেকটো কথা এই মানুহজনৰ ক্ষেত্ৰত কিমান গভীৰভাৱে সঁচা! তড়িত-প্ৰৱাহৰ দৰে বেগৱান, অদ্ভুত অসাধাৰণ, এক প্ৰকাৰ মৰিও নিজেও বা কিংবদন্তীৰূপে অমৰ হৈ পৰা এই মানুহজনৰ অতীতটো নজনা কোনেও তেওঁৰ প্ৰকৃত মাহাত্ম্য উপলব্ধি কৰিব নোৱাৰে। তেওঁ কি? চেৰাবলীয়া নে উন্মাদ? জিনিয়াচ নে শ্বাৰ্লাটান (charlatan)—বহুতৰে মনত হয়তো তেনে প্ৰশ্ন জাগিব। হয়তো এনে প্ৰশ্নৰ উত্তৰ দিবলৈকে আচলতে একো নাই। কিন্তু বলিয়ালি আৰু প্ৰতিভাৰ মাজত থকা সীমাৰেখাডাল নিচেই ক্ষীণ, নিচেই অস্পষ্ট বুলি যেতিয়া মনত পেলোৱা যায় তেতিয়া আমাৰ ধাৰণা কিমান ভুল হব পাৰে তাক ধৰি পেলাবলৈকো সবহপৰ নালাগে। প্ৰকৃততে এইখিনি উন্মাদনা আছিল বাবেই তেওঁ

আমাৰ মাজত জীয়াই আছে। শেষ মুহূৰ্তলৈকে বুকুত ঊমি-ঊমি জ্বলি থকা জুইকুৰাৰ বাবেই আজিও তেওঁৰ পৰিচয় বৈ গৈছে অগ্নিযুগৰ এটি অনিৰ্বাণ অগ্নিশিখা ৰূপে—যাৰ বুকুত সৃষ্টি আৰু সংহাৰৰ অগনি কোনো দিনে নিৰ্বাপিত নহ'ল। কোনে জানে হয়তো হাজাৰজনৰ মাজৰ এজন এই মানুহজন তেনেকৈ বেলেগ নোহোৱা হলে তেওঁক মনত ৰখাৰ কোনো যুক্তিযুক্ততাই নাথাকিলহেঁতেন। বলীয়া আৰু জিনিয়াচ প্ৰকৃততে একেটা মুদ্ৰাৰে ইলুটি-সিলুটি নহয় জানো? পৃথিৱীৰ কেইজন প্ৰকৃত চিন্তা নায়ক, কবি, ঋষি, কলাকাৰে, অলপ নহয় অলপ বিশৃংখলা নকৰাকৈ, অকণো বলিয়ালি নকৰাকৈ, প্ৰচলিত মূল্যবোধৰ প্ৰতি বুঢ়া আঙুলি নেদেখুৱাকৈ শাশ্বত, যুগমীয়া সৃষ্টি কৰিব পাৰিছে, মানুহৰ স্মৃতিত এটুকুৰা ঠাই নিগাজী কৰি লব পাৰিছে? কত যুগান্তকাৰী প্ৰতিভাই যে পগলা ফাটেকত বা মানসিক ৰোগৰ 'ক্লিনিক'ত আশ্ৰয় লবলগীয়া হৈছে তাৰ লেখ লোৱাও জানো সমাজৰ এটা অলংঘনীয় কৰ্তব্য নহয়?

## শেহতীয়া বীৰ

লাচিত বৰফুকন···আনন্দৰাম ঢেকীয়ালফুকন···তৰুণৰাম ফুকন··· আৰু মহেন্দ্ৰনাথ ডেকাফুকন। সেইসকল প্ৰাতঃস্মৰণীয়, বৰেণ্য ঐতিহাসিক মহান ব্যক্তিৰ নামেৰে সৈতে একেটা উশাহতে বহুত মানুহে শুনা এই শেহৰজন ফুকনৰ নাম লোৱা দেখি বহুতে চাগে ফিচিঙা-ফিচিঙ কৰিব, বহুতৰে হয়তো চকুৰ চেলাউৰি থ্‌প খাব, বহুতে কিজানি মোৰ বিচাৰ-বুদ্ধিকে পুতৌ কৰিব। কিন্তু মই ডেকাফুকনক অসমৰ ঐতিহাসিক ফুকনসকলৰ অন্যতম, একে heroic proportionত গঢ় লোৱা বীৰসকলৰ শেহতীয়া প্ৰতিভূ, ডেকা অসমৰ অগ্নিযুগৰ last of the giants বুলি নিঃসংকোচে গণ্য কৰোঁ। যুগজয়ী বীৰসকলৰ বহুতো গুণেৰে বিভূষিত এই এজন ব্যক্তি মোৰ মনেৰে প্ৰকৃততে অসমৰ অসাধাৰণ ব্যক্তিত্বৰ গৰাকীসকলৰ অন্যতম শেহৰ গৰাকী পুৰুষ।

ডেকাফুকন হয়তো বহুতো কথাতে 'কুইক চটিক', তেওঁ হয়তো দৰাচলতে এজন amiable eccentricহে মাথোন। এইটো কিন্তু ঠিক যে তেওঁ 'খাৰ্লাটন' নহয়, খাটি 'জিনিয়াচ'। প্ৰশ্ন হব পাৰে কিহৰ বাবেনো এই অখ্যাত মানুহজনক এনে প্ৰশস্তিৰ অৰ্ঘ্য যাচিবলগীয়া হ'ল, ডেকাফুকনৰনো বৈশিষ্ট্য কোনখিনিত? ইয়াৰ পোনপটীয়া উত্তৰ দিয়া টান। হয়তো মহেন্দ্ৰনাথ ডেকাফুকনক ইমান ওপৰ ঠাই দিবলৈ বিচৰাটো মোৰে তেওঁৰ প্ৰতি কিবা অহেতুক দুৰ্বলতাৰহে পৰিচয় মাথোন। কিন্তু এনে এটা প্ৰশ্নৰ বিপৰীতে মোৰ এই বুলি প্ৰতি-প্ৰশ্নহে কৰিবৰ মন যায়—ডেকাফুকন নহয় কি, নাছিল কি? কবি, শিল্পী, কলাকাৰ, চিত্ৰকৰ, ডিজাইনাৰ, ডিকৰেটৰ কাৰিকৰ···উদ্যোগী, আৰ্ক্টপেনৰ···শিলাকুটি, সংগীত-প্ৰেমী, সাহিত্য-প্ৰেমী, চলচিত্ৰানুৰাগী, ক্ৰীড়ানুৰাগী, ব্যয়াম-প্ৰেমী, চিন্তাশীল-দাৰ্শনিক, আধ্যাত্মিক, অন্তৰ্দৃষ্টি-সম্পন্ন দ্ৰষ্টা, মৰমী-দৰদী কবি, স্পৰ্শকাতৰ অথচ শক্তি আৰু শৌৰ্যৰ, বল আৰু বীৰ্যৰ, বাহুবল আৰু নৈতিক বলৰ উপাসক, মানৱ-প্ৰেমী, বিশ্ব-প্ৰেমী, সৌন্দৰ্য-প্ৰেমী, আলোক-সন্ধানী, সত্যান্বেষী আৰু অন্তৰ-আত্মাৰ আঁহে আঁহে অসম আৰু অসমীয়াৰ বাবে অপাৰ মৰমেৰে ভৰপূৰ এখন নতুন ডেকা অসমৰ সপোন দেখোঁতা। মহেন্দ্ৰনাথ ডেকা ফুকন নাছিল কি? তাৰ 'কেটেলগ' দি তেওঁক ভালকৈ চিনি পোৱা মানুহে সতকাই শেষ কৰি পেলাব নোৱাৰে। অতিভাষণ কিম্বা অতিৰঞ্জন যেন লাগিব পাৰিলেও সদ্য-নিৰ্বাপিত এই অনন্য সাধৰণ অনিৰ্বাণ ব্যক্তিত্বৰ অধিকাৰী মানুহজনলৈ মনত পেলালে মোৰ প্ৰায় শৃংখলিত প্ৰমিথিউচৰ ভাৱ-মূৰ্তি মনলৈ আহে; আৰু মনত পৰে ভাৰতৰ গণঅভ্যুত্থানযুগৰ বিদ্ৰোহী চাৰণ কবি কাজী নজৰুল ইচলামলৈ।

"বল বীৰ, উন্নত মম শিৰ" মন্ত্ৰৰ উদ্‌গাতা, ন্যায় আৰু সমতা স্থাপনৰ অগ্নি কবি কাজী নজৰুল ইচলামৰ সৈতে ডেকাফুকনৰ চেহেৰাটোৰো ক'ৰবাত এটা মিল থকা যেন লাগে। সঁচা ডেকাফুকনে নজৰুলৰ দৰে বৃহৎ অৱদান সাহিত্য নাইবা জন্মভূমিৰ সেৱাত আগবঢ়াব পৰা নাছিল; ইয়ো সঁচা যে ডেকাফুকনৰ কিজানি নজৰুলৰ নিচিনা

প্ৰখৰ অনস্বীকাৰ্য কবি প্ৰতিভাও নাছিল। তথাপি ক'ববাত যেন এই দুজনা আবেগ-প্ৰধান, হৃদয়ধৰ্মী, উন্মাদনা-প্ৰৱণ ব্যক্তিৰ মাজত কিবা এটা অচ্ছেদ্য যোগ-সূত্ৰ আছে ছায়া যেন তেওঁলোকৰ কীৰ্তিতকৈ তেওঁলোকে যিখিনি সাধিব পাৰিলে তাতকৈ কিবা কাৰণত অধিক মহৎ, শ্ৰেষ্ঠতৰ, তেনে এটা ধাৰণা আহি যায়। বংগদেশে নজৰুলক ৰাষ্ট্ৰীয় সম্পদ ৰূপে গণ্য কবি তেওঁক জাতীয় সন্মানৰ উচ্চতম আসনত প্ৰতিষ্ঠা কৰিছিল। অথচ ইমান বিচিত্ৰ গুণৰ অধিকাৰী, এনে মেধা, এনে প্ৰতিভা, এনে সাহস, এনে কল্পনাশক্তি, এনে দেশ-প্ৰেম, এনে সুকুমাৰ অনুভূতি, এনে হৃদয়-বত্তা বিশিষ্ট এই এজন লেখৰ অসমীয়াৰ বাবে আমি বা আমাৰ চৰকাৰে কিটো কৰিলোহ'ক ?

একালত নিজৰ সম্মোহিনী চুম্বক-সদৃশ ব্যক্তিত্বৰে যিজন ডেকা অসমীয়াই সুদূৰ ব্ৰহ্মদেশৰ ৰেংগুনতো অতীজৰ অসম আৰু মানদেশৰ ঐতিহাসিক সংস্পৰ্শ সংঘাতৰ কথা সোঁৱৰাই তাত সাংবাদিকতা কৰি থাকোঁতেও অসমৰ গৌৰৱ-নিচান উৰাই থাকিবলৈ পাহৰা নাছিল, যিজনে কলিকতীয়া ব্যৱসায়ী মহলত ওপৰ শাৰীৰ এজনৰ ঠাই লৈও বুকু ফিন্দাই, মূৰ দাঙি অসমৰ স্বাতন্ত্ৰ্য আৰু জাতীয় গৰ্ববোধ আৰু ঐতিহ্যৰ কথা অনা-অসমীয়াৰ মাজত সদৰি কৰিবলৈ সদায় তৎপৰ হৈ আছিল, যিজনে অসম আৰু অসমীয়াৰ আত্ম-প্ৰতিষ্ঠাৰ বাবে কোনো কষ্টকে স্বীকাৰ কৰিবলৈ কোনোদিনেই পিছ হোঁহকা নাছিল, সেইজন ডেকাফুকনক তেওঁৰ জীৱনৰ বিয়লি বেলিকা অকলে নিজৰ ঐশ্বৰ্যময় অতীতৰ স্মৃতি ৰোমন্থন আৰু অকাৰ্যকাৰী ভৱিষ্যতৰ স্বপ্ন-দৰ্শনত মগ্ন হৈ, জধলা বেশেৰে গুৱাহাটীৰ বাটে ঘাটে ঘূৰি ফুৰিবলগীয়া অৱস্থা এটালৈ ঠেলি দি এক অনন্য সাধাৰণ প্ৰতিভা তিল তিলকৈ অপচয়ত নিঃশেষ হৈ যাবলৈ দিয়াটো আমাৰ চৰম অকৃতজ্ঞতাৰ চানেকি নহয় জানো ?

বায়ো ডাটা

ডেকাফুকনৰ কথা বহুতো কৈছো যদিও ব্যক্তিগতভাৱে তেওঁৰ জীৱনকৰ্মৰ কথা বা বায়ো-ডাটা সম্পৰ্কে মই বেছি নাজানো বুলিলেই

হয়। এতিয়াও আমাৰ মাজত থকা তেওঁৰ লগৰ বহুতে, শ্ৰদ্ধেয় অতুলচন্দ্ৰ হজাৰিকাদেৱৰ দৰে লোকে, সেই বিষয়ে ভালদৰে জানে আৰু জনাইছেও। তেওঁ কেতিয়া ক'ত উপজিছিল, ক'ত কি পঢ়িছিল, কোন ঠাইত কি কি কৰিছিল—এনেবোৰ বিষয়ত উপকাৰত অহা তথ্য যোগোৱাৰ সামৰ্থ্য মোৰ নাই। অৱশ্যে মই এইবিলাক খুটি-নাটি বৰ বেছিকৈ জনা প্ৰয়োজনীয় বুলিও নাভাবোঁ। আমাৰ ইয়াত এনেবোৰ কথাকে কোনো লোকৰ জীৱনৰ মূল্য বিচৰাৰ থাই মাপ-কাঠি বুলি লোৱা হয় বাবে একোকে নকৰি বহি শুই জীৱনটো কটাই দিও যে একোজন মানুহে সাৰ্থকভাৱে জীয়াই থাকিব পাৰে আৰু তেনে এটা জীৱনবো যে সমকালীন তথা উত্তৰ পুৰুষৰ বাবে যথেষ্ট বৈশিষ্ট্য থাকিব পাৰে—সেইটো আমি কল্পনাকে কৰিব নোৱাৰোঁ।

মহেন্দ্ৰ ডেকাফুকনে যে মনত ৰাখিবলগীয়াকৈ অনেক কিবা কিবি কাম কৰি গৈছিল তেনে নহয়। ডেকাফুকনে তেওঁৰ 'আল্মা মেটাৰ' (alma mater) কটন কলেজৰ বাবে এটা অভিনৱ ধৰণৰ 'বেজ' বা প্ৰতীক উলিয়াইছিল সেই কথা বহুতে জানে। সেই প্ৰসংগত ডেকা-ফুকনে সৃষ্টি কৰা ধুমুহাৰ স্মৃতি এতিয়াও সমূলঞ্চে মাৰ যোৱা নাই। ডেকাফুকনৰ মঞ্চাভিনয় আৰু মঞ্চ-সজ্জাত পাৰ্গতালি আৰু প্ৰতিমা গঢ়াৰ দক্ষতা, কেবাটাও ভাষাৰ ওপৰত দখল, সৰল-সলীয়া মনোৰঞ্জক বাকপটুতা আৰু প্ৰেৰণাদায়ক বাগ্মিতা, তেওঁৰ উল্লেখনীয় ক্ৰীড়া-নৈপুণ্য—এইবিলাকৰ স্মৃতিও পাহৰণিৰ গৰ্ভত সতকাই নেহেৰায়। সবাতো ওপৰত মাৰ যোৱা নাই আৰু নাযায় ডেকাফুকনৰ অমিত বিক্ৰম আৰু দুৰ্জয় সাহসৰ স্মৃতিৰ বেঙুনি। অসম আৰু অসমীয়াৰ স্বাৰ্থত কোনোবাই আঘাত হনা যেন দেখিলে যি প্ৰচণ্ড প্ৰতিবাদ আৰু দুৰ্বাৰ প্ৰতিবোধেৰে ডেকাফুকনে সদায় আগবাঢ়ি গৈছিল সেয়ে তেওঁক ডেকা কালত বহুতৰ বাবে এক আতংকৰ নিচিনা কৰি তুলিছিল। লাচিত বৰফুকনৰ বীৰত্বৰ ঐতিহ্যবাহী ডেকাফুকনে অলপ ধতুৱা আৰু দুৰ্বল-চেতাৰ মাজত অকল নিজৰ উপস্থিতিৰেই 'পেনিক' সৃষ্টি কৰাৰ উপৰিও অসমীয়াৰ বিৰুদ্ধে, অসমৰ বিৰুদ্ধে কুচক্ৰান্ত কৰিবলৈ বিচৰা নাইবা কিবা

অন্যায় কৰিব পৰা যি কোনো—তেহলৈ সেইজন যিমান প্ৰতাপী বা উচ্চ-স্থিতই নহওক লাগিলে—লোকৰ মাজত কিবা এটা নৈতিক ত্ৰাস আৰু শাৰীৰিক প্ৰত্যাহ্বান, কিবা এক অপ্ৰতিৰোধ্য উত্তেজনাৰ সঞ্চাৰ কৰিছিল। যি অপৰাজেয় অদম্য অসমীয়াত্ববোধ আৰু অসম প্ৰেমৰ নিদ্ৰাহীন প্ৰহৰী ৰূপে ফুকনে গুৱাহাটীৰ সমাজত দপদপাই ঘূৰিছিল, সেই একে ছুৰ্নিবাৰ জয়যাত্ৰাৰ পুনৰাভিনয় কৰিছিল কলিকতাৰ আন্তৰ্জাতীয় (cosmopolitan) কচমপলিটান সমাজতো—হয়তো সুদূৰ বৰ্মাৰ ৰেংগুন, আকিয়াবতো।

### কবি ঋত্বিক

মাহেন্দ্ৰ ডেকাফুকন আছিল a born leader of men—নেতা হবলৈকে জন্ম লোৱা মানুহ, অনুগামী বা সহযাত্ৰী হবলৈ নহয়। কিন্তু তেওঁ 'নেতা' নহ'ল। তথাপি ডেকাফুকনে কেতিয়াবা কিবা 'কল' দিলে, কিবা আহ্বান জনালে কোনোবাই তাক অৱজ্ঞা কৰিব পাৰিছিল বুলি শুনা নাযায়। অসমীয়াৰ অন্তৰনিহিত চাৰিত্ৰিক শক্তি, যোগ্যতা, এনেকি শ্ৰেষ্ঠত্বৰ ওপৰতো তেওঁৰ আছিল অবিচল আস্থা, আৰু অসমৰ দুৰৱস্থা বা অৱনতিত তেওঁৰ মৰমিয়াল অন্তৰ উদ্বেলিত হৈ উঠিছিল। সেইবাবে তেওঁ মনে প্ৰাণে মিলা "অসম শ্মশান নোহে কোনে কয়" বুলি অন্তৰৰ ক্ষোভ উজাৰি দিয়া, চিন্তাৰ অনলেৰে অসমীয়া জাতিৰ সকলো দুৰ্বলতা, সকলো ক্ষুদ্ৰতা, সকলো কালিমা, দেই-পুৰি ছাই কৰি পেলাবলৈ অধৈৰ্য হোৱা, তেওঁৰেই আধ্যাত্মিক 'মেনটৰ' আৰু পূৰ্ব-সূৰী অগ্নিকবি দাৰ্শনিক, চিন্তাবিদ্ স্বৰ্গীয় কমলাকান্ত ভট্টাচাৰ্যৰ প্ৰয়াণত আবেগ নিগৰাই, 'অস্থি-বজ্ৰ'ৰ দৰে এক অভিনৱ, দুৰ্জয় শক্তিশালী, অদ্ভুত প্ৰভাৱশালী, চিত্তসঞ্চাৰক আৰু মননশীল সুদীৰ্ঘ কবিতাৰ সৃষ্টি কৰিব পাৰিছিল। কবিতা লিখা এক কথা আৰু সেই কবিতা মানুহৰ অন্তৰৰ ভিতৰলৈ সোমাই যোৱাকৈ আবৃত্তি কৰিব পৰা আন এটা কথা। কাব্য সৃষ্টি হিচাপে স্বৰ্গীয় কমলাকান্ত ভট্টাচাৰ্যৰ শ্ৰাদ্ধৰ তৰ্পণ

স্বৰূপে ৰচনা কৰা, আবহমান ভাৰতীয় ঐতিহ্যৰ অভিব্যক্তি সম্বলিত ডেকাফুকনৰ 'অস্থি-বস্ত্ৰ' বোলা দীঘলীয়া কবিতাৰ নাওমান পুথিখনৰ অনবদ্য সুষমা আৰু আবেদন উপলব্ধি কৰিব পাৰিব সেইসকলে, যিসকলে ঋষি-কবিৰ মৃত্যু তিথিত ডেকাফুকনৰ নিজ কণ্ঠেৰে কৰা স্বৰচিত কবিতাৰ আবৃত্তি শুনিবলৈ পাইছিল। কবিতা আৰু আবৃত্তিৰ এনে প্ৰাণৱন্ত, sublimated উদাত্ত ৰূপায়ণ সঁচাকৈয়ে বিৰল।

১৯৩৮-৩৯ চনত স্বৰ্গীয় মাধৱ বেজবৰুৱাই কলিকতাৰপৰা লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী' উলিয়াওঁতে আৰু সেই সময়ৰ 'বাঁহী'ৰ লৈতে নিচেই কম সময় এছোৱাৰ বাবে মই জড়িত হৈ পৰোঁতে কলিকতাত থকা মহেন্দ্ৰনাথ ডেকাফুকনেও 'বাঁহী'ৰ কাম-কাজত দিহা-পৰামৰ্শ আগবঢ়াইছিল। এদিন 'বাঁহী'ত কিবা এটা প্ৰবন্ধৰ প্ৰকাশৰ কথা লৈয়ে নেকি ডেকাফুকনৰ স্বভাৱজাত মাতব্বৰী বা bossism সহ্য কৰিব নোৱাৰি, চুণ্ডা চাই সোপা দিবলৈ উদ্যত হোৱা বাবেই নেকি, প্ৰথম নে দ্বিতীয় দৰ্শনতে মোৰ এই অত্যন্ত আত্ম-পৰায়ণ self-righteous মানুহজনৰ কোপানলত ভস্মীভূত হবলগীয়া অৱস্থা হৈছিল। এবাৰ তেওঁ মোক যিহকে পায় তাকে কলে,ময়ো তেওঁক বহুত কিবা গাজত লাগি যোৱা কথা শুনাই দিলোঁ। তাৰ পিছত কেইদিনমান আমাৰ মাতবোল বন্ধ হৈ গ'ল। পিছত মই নিজৰ ভুল বুজিয়েই হওক বা মোতকৈ বহু গুণে জ্যেষ্ঠ আৰু শ্ৰেষ্ঠ এজনৰ প্ৰতি অশোভনীয় আচৰণ কৰা বুলি অনুশোচনাতে হয়তো ক্ষমা খুজি এখন চিঠি লিখিলোঁ। তেওঁ মোৰ চিঠি পোৱাৰ কেইঘণ্টামানৰ ভিতৰতে প্ৰত্যুত্তৰ স্বৰূপে এখন চুটি চিঠিৰ লগত তাৰ ভালেদিন আগতে ওলোৱা মোৰ এটা ইংৰাজী প্ৰবন্ধৰ উচ্চ প্ৰশংসা সহ গাঁচিপতীয়া পুথিৰ আকাৰত বহলে-বহলে বন্ধা এখন বহীত, মুকুতা যেন গোট গোট আখৰেৰে অবিস্মৰণীয় দীঘল কবিতা এটা লিখি মোলৈ পঠিয়াই বুকুৰ কুটুমৰ দৰে মোক সাবটি ললে।

সেই কবিতাটো মোৰ হাতত যদিও এতিয়া নাই আজি কেইবা যুগযো পিছতো সেই বাচকবনীয়া কবিতাৰ লয়, ছন্দ, মৰ্ম আৰু মূৰ্চনা

মোৰ এতিয়াও সুন্দৰকৈ মনত আছে। সি যেন কবিতা নহয়, গ্ৰীক কবিসকলৰ সেই বৰ্ণনাতীত music of the spheres বা 'অন্তৰীক্ষৰ অলৌকিক সংগীত'হে। তেতিয়াই অনুভৱ কৰিছিলোঁ একমাত্ৰ ডেকাফুকনৰ নিচিনা বিস্ময়কৰ প্ৰতিভাৰ পক্ষেহে বোধি আৰু বুদ্ধি intuition আৰু imaginationৰ এনে অপৰূপ সমন্বয় সাধন কৰি অনুপম কাব্য সৃষ্টি কৰা সম্ভৱ। ঋষি শ্ৰীঅৰবিন্দৰ 'সাবিত্ৰী'ৰ নিচিনা মন্ত্ৰসম কবিতা; যি কেৱল ধ্যান-মগ্ন অতি-মানসৰ transcendental কল্পলোকৰপৰাহে নিসৃত হব পাৰে—অসমীয়াত মোৰ বোধেৰে একমাত্ৰ ফুকনৰ এনে এটা কবিতাইহে তাৰ ওচৰ চাপিবলৈ সাহ কৰিব পাৰিলেহেঁতেন। শ্ৰীঅৰবিন্দৰ কথা এৰিলে সৰোজনী নাইডুৰ ভাতৃ কবি হাৰীন্দ্ৰনাথ চট্টোপাধ্যায়ৰ অপাৰ্থিৱ গৰিমাময় কবিতাৰ সৈতেহে ডেকাফুকনৰ এনে অভিনৱ কবিতাৰ সামান্য বিজনি চলিব পাৰে। প্ৰকৃততেই সি আছিল এটা ধ্ৰুপদী কবিতা। কোনে জানে ডেকাফুকনৰ জীৱনত কিছু স্থিৰতা নাইবা প'ৰিপাট্য থকা হলে মহেন্দ্ৰনাথ ডেকাফুকনে হয়তো অসমীয়া সাহিত্যলৈ আপুৰুগীয়া কবিতাৰ সম্ভাৰ থৈ যাব পাৰিলেহেঁতেন। এনে এক কাব্যৰ 'এক ছত্ৰ' উপহাৰ দিব নোৱাৰাটো পৰম দুৰ্ভাগ্যৰ কথা।

অৱশেষ অমিয়া

তাহানিৰ সেইজন ডেকাফুকনৰ অনিন্দ্যসুন্দৰ কবিতাৰ নিজৰা তেওঁৰ জীৱনৰ ৰুক্ষ মধ্যাহ্ন আৰু প্ৰখৰ ৰৌদ্ৰ-তাপ-দগ্ধ অপৰাহ্নত শুকাই কৰকৰীয়া মাৰিলে বুলিয়ে কলোহেঁতেন যদিহে পুনৰ বহু দিনৰ মূৰত তেওঁৰ মনমৰ 'বান্ধ' বিষ্ণু ৰাভাৰ মৃত্যুত আৰু চন্দ্ৰ ফুকনৰ বিয়োগত প্ৰিয়তম বন্ধুৰ স্মৃতি তৰ্পণ উপলক্ষে পুনৰ দুটা স্মৰণীয় কবিতা ডেকাফুকনে নিলিখিলেহেঁতেন। মোৰ ব্যক্তিগত ধাৰণাৰে শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ "বিষ্ণুৰাভা এতিয়া কিমান ৰাতি" যিমানেই উল্লেখযোগ্য কবিতা নহওক কিয় ভট্টাচাৰ্যৰ বিষ্ণুৰাভা এটা নাম আৰু

এটা ভেজাহে মাথোন—বিষ্ণু ৰাভাৰ নামটো এটা 'পেগ' বা অৱলম্বনৰ দৰে ব্যৱহাৰ কৰি ভট্টাচাৰ্যই বিশ্বজনীন পলাতক বিপ্লৱী মনীষা একোজনবহে চিত্ৰাংকন কৰিছে। ইয়াৰ বিপৰীতে ডেকাফুকনৰ বিষ্ণু ৰাভা সম্পৰ্কীয় কবিতাত অন্তৰলোকৰ বন্ধনেৰে বান্ধ খোৱা আত্মিকতাৰে নিজৰ সগোত্ৰ বিষ্ণু ৰাভাজনৰ একক individualised ৰূপ এটা বিধৃত হৈছে। ই এজন দৰদী বন্ধুৰ বুকুৰ কুটুমলৈ জনোৱা শ্ৰদ্ধাস্নেহাসিক্ত আন্তৰিক tribute বা শ্ৰদ্ধাঞ্জলি। বহিৰ্জীৱনত বহুত বেলেগ হলেও বিষ্ণু প্ৰসাদ ৰাভা আৰু মহেন্দ্ৰনাথ ডেকাফুকনৰ অন্তৰ্জীৱন, মানসিকতা আৰু সামগ্ৰিক অভিমুখিতাত এক গভীৰ সংগতি আৰু সামঞ্জস্য আছিল। সেয়ে বোধহয় ৰাভাৰ বিয়োগে নিজৰ সৃষ্টি প্ৰতিভাৰ ধ্বংস-স্তূপৰূপী মৰিশালিত বিচৰণ কৰি থকাজন ডেকাফুকনৰ হৃদয় মুচৰি পেলাইছিল। মনত হয় ই যেন সেই ইংৰাজীৰ 'deep calling unto deep'ৰ ঘটনা—ৰাভা আৰু ডেকাফুকনৰ আগত ব্যৰ্থতা মূলতঃ এক্সেৰাৰ প্ৰক্ৰিয়াৰে অনিবাৰ্য পৰিণতি নহয় জানো? একে কথাই সত্য প্ৰয়োজন ফুকনৰ সম্বন্ধত, যদিও চন্দ্ৰ ফুকনৰ শৃংখলাপূৰ্ণ শিল্পী জীৱনৰ সৈতে ডেকাফুকনৰ বিশৃংখল জীৱনৰ অমিলো অনেক।

আগতে মহোঁৰ জীৱনীকাৰৰ কৰ্তব্য সম্পৰ্কীয় উক্তিৰে প্ৰবন্ধ আৰম্ভ কৰিছিলোঁ—উদ্দেশ্য আছিল মোৰ 'ছাৱজেক্টক একচপোজ' কৰা। কামত কিন্তু তাৰ ওলোটাটোহে কৰি ডেকাফুকনৰ মোৰ মনে গঢ়া প্ৰতিকৃতি এখন আনৰ ওপৰত জাপি দিবলৈ বা 'ইমপোজ' কৰিবলৈ চেষ্টা কৰাৰ দৰেহে হ'লগৈ। ডেকাফুকনৰ মনেপতা ৰূপ এটাকে দাঙি ধৰাৰ বাহিৰে মই অনন্যোপায়, কাৰণ মানুহজনক ওচৰৰপৰা জনাৰ বাহিৰে তেওঁ নিজে তেওঁৰ 'ইমপোজিঙ, ব্যক্তিত্বৰে, প্ৰচণ্ড 'ইগইজিমেৰে' আৰু তেতিয়াৰ দিনতে তেওঁৰ 'angry youg man' সুলভ উগ্ৰ পৰিচয়েৰে, 'কনভেনচন' উলংঘা কৰা এক-প্ৰকাৰ কালাপাহাৰী 'আইকনক্লাজমেৰে' তেওঁৰ বাহিৰে মহেন্দ্ৰ ফুকনে যিমানবোৰ গোঁজ পুতিছিল সেই সকলোবোৰ অতিক্ৰম কৰি তেওঁৰ

আচল সহাটোৰ কাৰ চপা সকল হুৰুহই নহয় একপ্ৰকাৰ অসন্তুষ্ট হৈ পৰিছিল। তেওঁক জানিছিলোঁ যদিও আৰু তেওঁৰ কাৰ্যকলাপৰ প্ৰতি অশেষ আগ্ৰহ আছিল যদিও তেওঁক যথাৰ্থভাৱে চিনি পাইছিলোঁ বুলি ন দি কব নোৱাৰোঁ। অতীতৰ কলিকতাত যি এবাৰ নে দুবাৰ লগ পাইছিলোঁ, তাৰ পিছত কেবাটাও দশকৰ মূৰতহে গুৱাহাটীত তেওঁৰ উপস্থিতিৰ সন্নিকট হৈছিলোঁ। হাতত বালা পিন্ধা, জটা বন্ধা, চুলি থকা, চাৰ্লি চেপলিন সুলভ সোলোক ডোলোক দড়িয়া মহেন্দ্ৰ ফুকনৰ লগত কিন্তু মৌখিক সৌজন্য বিনিময়ৰ বাহিৰে কোনো নিবিড় আলপনৰ সুযোগ বা প্ৰেৰণা পিছলৈ নাছিল। তাৰ পিছত কেবাবছৰো একেখন চহৰতে ছুটা চুকত আমি দুয়ো আছিলোঁ যদিও বছৰেকৰ মূৰতো আমাৰ দুয়োৰে এবাৰ দুবাৰৰ বেছি দেখা দেখি হোৱা নাছিল। আজিৰ মাষ্টাৰ প্লেন আদি বৃহৎ বৃহৎ পৰিকল্পনাগ্ৰস্ত গুৱাহাটীখনৰ মানুহৰ সৈতে, মানুহৰ এই মহানগৰীয় উপকল্প সম্বন্ধৰ ওপৰত ই এটা তাতপৰ্যপূৰ্ণ টীকা। একালৰ কটন কলেজৰ ইউনিয়ন চেক্ৰেটৰী, কলিকতাৰ জাকত জিলিকা বিজনেচ একজিকিউটিভ, সুদূৰ ব্ৰহ্মদেশত অসমীয়া সাংবাদিক আৰু অসম অসমীয়াৰ বাবে আন্দোলনৰ লাচিত সদৃশ নেতা ডেকাফুকন তেতিয়া আৰু নাছিল, আছিল মাত্ৰ তাৰ অমিয় অৱশেষহে। ডেকাফুকনৰ জীৱনৰ মমবাতিডাল তেতিয়ালৈকে দুয়োটা মূৰৰপৰাই পুৰি গৈ আছিল। অসমৰ লাচিত বৰফুকনৰ সম্ভৱতঃ এই যুগৰ সাৰ্থকতম উত্তৰাধিকাৰী বিশিষ্ট অসমীয়া ডেকাফুকন আজি আমাৰ মাজত নাই যদিও তেওঁৰ মূৰ্তি আগৰ দৰেই আকৰ্ষণীয় আৰু আগৰ দৰেই দীপ্তমান হৈয়ে আছে। ডেকাফুকন, রূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ কল্পনালোকত থকা অগ্নিযুগৰ ফিৰিঙতি, অনিৰ্বাণ অগ্নিশিখা, চিৰন্তন ডেকা অসমৰ কালজয়ী প্ৰতিনিধি। ডেকা অসমীয়াৰ অন্তৰত মহেন্দ্ৰ ফুকনৰ কোনো দিন মৰণ নাই। এই অনিৰ্বাণ ফিৰিঙতিয়েই জীয়াই থাকোঁতে আনক নতুন জীৱন গঢ়াৰ প্ৰেৰণা দিছিল আৰু জীৱনৰ অন্তৰতো সি ডেকা অসমক সদায় সক্ৰিয়াই থাকিব।

# আনজন বেজবৰুৱা,

## 'ডেকাবেজ' মাধৱ চন্দ্ৰ

মাধৱ বেজবৰুৱা বোলা এজন তেজী ডেকাই এটা সময়ত, স্বাধীনতাৰ ভেঁহজালিৰ আগৰ ত্ৰিশ আৰু চল্লিশৰ দশকৰ মাজভাগত, টাকুৰি ঘূৰাদি অসমৰ ইমূৰৰপৰা সিমূৰলৈ 'অসম অসম' কৰি ঘূৰি অসমীয়া ডেকা-গাভৰুৰ মনত এটা নতুন আত্ম-চেতনাৰ ঢল বোৱাইছিল ; অসীম সাহস আৰু অদ্ভুত স্পষ্টবাদিতাৰে আটায়ে নকৰা নানান কাম কৰিছিল ; অসমত এখন বিশ্ববিদ্যালয় লাগে, প্ৰাদেশিক স্বাতন্ত্ৰ্যৰ পূৰ্ণাংগ প্ৰতীক-সমূহ লাগে, অসমীয়া ডেকাক অসমৰ শিল্প, অসমৰ সংস্কৃতিত সম্মানৰ আসনত প্ৰতিষ্ঠা কৰিব লাগে, অসমীয়া সাহিত্য অসমীয়া ঐতিহ্যই সৰ্ব-ভাৰতীয় পৰিৱিত মৰ্যাদাপূৰ্ণ স্বীকৃতি পাব লাগে বুলি বিৰামহীনভাৱে সংগ্ৰাম চলাই বহুতো সম্ভাৱনাৰে ভৰা সোণামুৱা ডেকা কাল এটা পাত কৰি শুকালতে আয়ু নিশেষ কৰি গ'ল—সেই কথা আজিলৈকে কাৰো-বাৰ মনত আছে নে ? আছে যদি কেইজনৰ আছে তাক বোধহয় এতিয়া আঙুলিৰ মূৰেৰ লেখি পেলাব পৰা যাব।

আমাৰ বহুতে ভাবে অসমীয়াই অসমীয়াক ডাঙৰ কৰিব নাজানে, প্ৰচাৰ অভিযান চলাব নাজানে, যোগ্যজনক যোগ্য সম্মান যাচিবলৈ কৃপণালি কৰে। কথাষাৰত সত্যতা আছে কিজানি, কিন্তু মোৰ বোধেৰে আমাৰ সেইটো দোষতকৈও এটা ডাঙৰ দোষ হৈছে এই যে কাৰোবাক কেতিয়াবা ডাঙৰ কৰিলেও আমি অশোভনীয় তৎপৰতাৰে,—অকৃতজ্ঞ-তাৰে—তেওঁক পিছদিনাই বা বছৰদিয়েকৰ পিছতে পাহৰি পেলাওঁ। এদিন যাক লৈ তলৰ মাটি ওপৰ কৰোঁ তাৰ নামত দুদিনমানৰ পিছতে কোনোবাই হেঁচুকি-ঘুকটি নিদিয়ে মানে খেৰ-কুটা এডাল দিবলৈকো আমাৰ মনত নপৰে। অৱশ্যে সোঁ সিদিনা প্ৰাক-গুৱাহাটী বিশ্ববিদ্যালয় ট্ৰাষ্ট বোৰ্ড বা ন্যাস-সমিতিৰ অন্যতম কৰ্মী ড° মহেশ্বৰ নেওগে তেওঁৰ

শেহতীয়া প্রকাশনত ("বিশ্ববিদ্যালয়, ভাষা, ভাষণ আৰু ভ্ৰমণ") গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিত্তি স্থাপন কৰাত মাধৱ বেজবৰুৱাৰ অসামান্য অৱদানৰ সশ্ৰদ্ধ লেখ লৈছে। কব পাৰি ড' নেওগে কিছু পৰিমাণে হলেও 'হেজ চেট দি ৰেকৰ্ড ষ্ট্ৰেইট'—এক গুৰুত্বপূৰ্ণ বিৱৰণীৰ ত্ৰুটি-বিচ্যুতি আংশিকভাৱে হলেও দূৰ কৰিছে।

এসময়ত বাইজৰ চাঁদা বিচাৰি অসমত, নিৰ্দিষ্টকৈ গুৱাহাটীত, এখন বিশ্ববিদ্যালয় পাতিবলৈ বুলি যি বিশ্ববিদ্যালয় ন্যাসসমিতি খোলা হৈছিল তাৰ প্ৰাণবিন্দু আছিল ডেকাবেজ মাধৱচন্দ্ৰ আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ। ডেকাবেজৰ কথা দূৰতে থক, অসমৰ অন্যতম শ্ৰেষ্ঠ ৰাজনৈতিক নেতা, উদাৰ-হৃদয়, দেশপ্ৰেমিক, কেবিনেট মিশ্যনৰ কুচক্ৰান্তপ্ৰসূত গ্ৰুপিঙৰ (সমষ্টি) গৰাহত জাহ যাব খোজা অসমক জাতিৰ জনকৰ আশীৰ্বাদ লৈ ৰক্ষা কৰা, সোণৰ অসম দেশ গঠনৰ প্ৰায় সকলো ক্ষেত্ৰতে 'পায়নিয়াৰ' গোপীনাথ বৰদলৈকে আমি 'লোকপ্ৰিয়' উপাধি এটা দিয়াৰ বাহিৰে সঁচাকৈয়ে সোঁৱৰোঁ নে? আমি অসমীয়াখিনিয়ে অৱশ্যে মানুহক উপাধি একোটা দি বুৰঞ্জীৰ 'লিম্বো' লৈ দলিয়াই দিয়া কামটোত বৰ সিদ্ধহস্ত। দেশভক্ত, কৰ্মবীৰ, দেশপ্ৰাণ, লোকপ্ৰিয়, লোকবন্ধু, অসমকেশৰী, লোকসেৱক, ত্যাগবীৰ, সাহিত্যৰথী, বিহগীকবি, ৰূপকোঁৱৰ—কতজনক কত বিভূষণেৰেই যে আমি বিভূষিত কৰা নাই। কিন্তু তাৰ পিছত? আমাৰ উচ্ছ্বসিত অনুৰাগ উপাধি প্ৰদানতে লয় নাপায় জানো?

মাধৱচন্দ্ৰ বেজবৰুৱাৰ থকা 'টেক্‌নিকেলি স্পিকিং' আমাৰ অসমীয়া স্মৃতিপটৰপৰা একেবাৰে মচ খোৱা নাই। যি গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'কালিৰ' (tomorrow) বাবে মাধৱ বেজবৰুৱাই নিজৰ গাৰ পিনে নোচোৱাকৈ অকাতৰে তেওঁৰ কৰ্মক্ষম যৌৱনৰ প্ৰত্যেকটো 'আজি'কে (today) উছৰ্গা কৰিলে বুলিব পাৰি, সেই মাধৱ বেজবৰুৱাৰ নামত বিশ্ববিদ্যালয় 'কেম্পাচ'ৰ কোনোবা এটা সৰু আলিৰ মূৰত একতীয়াকৈ ওলমি থকা এখন চাইনবোৰ্ড দেখা পোৱা যায়। তেওঁৰ নামেৰে এটা ছাত্ৰাবাস জালুকবাৰীত সম্প্ৰতি গুলোটা পিনেদি কুখ্যাতি লৈ

ছাত্ৰাবাস জালুকবাৰীত সম্প্ৰতি ওলোটা পিনেদি কুখ্যাতি লৈ খ্যাতিৰ অংশীদাৰ হৈছে। সিমানেই!

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰস্তুতি-পৰ্বৰ আৰু শিক্ষান্যাস-নিৰ্মাণত লোকপ্ৰিয় বৰদলৈ প্ৰমুখ্যে আন অসমীয়া শিক্ষাজগতৰ কাণ্ডাৰীসকলৰ সৈতে স্বৰ্গীয় মাধৱ বেজবৰুৱাৰ বৰঙণি আৰু ভূমিকা সম্পৰ্কে তেওঁৰ অকাল মৃত্যুৰ পিছত যি কিছু আলোচনা-বিলোচনা আৰু লিখা-লিখি হৈছে তাৰ এটা বেদনাদায়ক দিশলৈ উল্লেখ নকৰি নোৱাৰি। নিয়তিৰ কি বিচিত্ৰ পৰিহাস, আমাৰ সাংস্কৃতিক ইতিহাসৰ কি নিষ্ঠুৰ 'আয়ৰণি' যে অসমত এটা স্বকীয়া, স্বতন্ত্ৰবীয়া বিশ্ববিদ্যালয়ৰ অহবহ সমাজিক দেখি তাৰ বাবে অহোপুৰুষাৰ্থ কৰা কেবাগৰাকীও মুখ্য অগ্ৰদূতেই ১৯৪৮ চনত প্ৰতিষ্ঠাপিত হোৱা শবাইখটীয়া বিশ্ববিদ্যালয়ৰ মুখ দেখিবলৈ নাপালে। অসমৰ শিক্ষাসমাজৰ শিৰোমণি স্বৰ্গীয় শৰৎচন্দ্ৰ গোস্বামী আৰু বিশ্ববিদ্যালয় আন্দোলনৰে আটাইতকৈ বেছি আবেগিক-ভাৱে জড়িত স্বৰ্গীয় মাধৱ বেজবৰুৱা—এই দুজনৰ নাম এই প্ৰসঙ্গত অনিবাৰ্য। স্বৰ্গীয় বিৰিঞ্চি বৰুৱা আৰু স্বৰ্গীয় হৰেন্দ্ৰ নাথ কলিতাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্মলগ্নৰপৰা পূৰ্ণবয়স্ক হোৱালৈকে দেখিবলৈ পায়ো কিমান অপূৰণ সম্ভাৱনাৰে আদবাটতে মেলানি মাগিলে সিয়ো এই কাহিনীৰ সুখদায়ক অংশ নহয়। বেজবৰুৱায়ো ইয়াতকৈ অধিক সন্মান পাব পাৰে বুলি আশা কৰাই ভুল।

কিন্তু যিজন অতুলনীয় সংগঠন শক্তি আৰু একাগ্ৰতাসম্পন্ন নিৰ্ভীক তেজস্বী, কৰ্মপ্ৰাণ ডেকাই মাথোন পঁয়ত্ৰিশ বছৰীয়া জীৱনকালতে বহুতো অশীতিপৰ বয়োবৃদ্ধ নেতাতকৈ সৰহ কাম গধুৰ সেৱা স্বদেশ আৰু স্বজাতিৰ হকে উছৰ্গা কৰিলে, আৰু যিগৰাকী লোকে জীয়াই থকা হলে আজি ক্ষমতা বা সন্মানৰ শিখৰত আৰোহণ কৰা হলেও বৰ আচৰিত হব লগীয়া নাথাকিলহঁতেন, তেনে এজন লোকৰ প্ৰতি আমাৰ কৃতজ্ঞতা ইমানকণেই বুলি কোৱা বস্তুতৰে পক্ষে কষ্টকৰ—বহুতৰ বাবে কৃতঘ্নতাৰ নামান্তৰ।

১৯৬৮ চনৰ অক্টোবৰ মাহৰপৰা পিছৰ বছৰ মাচমাহলৈকে আধাবছৰজুৰি সমগ্র অসমত তথা অসমৰ বাহিৰতো ইমান যোড়শো-পচাৰে দলদোপ-হেন্দোলদোপ লগাই লক্ষ্মীনাথ বেজবৰুৱা জন্ম-শতবাৰ্ষিকী পালন কৰা হ'ল, বেজবৰুৱাৰ গুণ-গৰিমা বখানি কত সভা কত সমাৰোহ পতা হ'ল, কিমান প্রশস্তি, অভিনন্দন-গ্রন্থ, আলোচনী প্রচাৰ কৰা হ'ল— কিন্তু সেই থৌকি-বাথৌ সময়ছোৱাত ক'ৰবাত কোনোবাই সাহিত্যৰথীৰে নিজ পুত্ৰবৎ, নিজৰে ককায়েকৰ ল'ৰা, আনজনা ডেকা বেজবৰুৱালৈ মনত পেলাইছিল নে? অথচ অসমত সাহিত্যৰথী বেজবৰুৱাৰ স্মৃতি যাউতিযুগীয়া কৰিবলৈ বুলি প্রথম ব্যাপক বৃহৎ প্রয়াস যদি কোনোবাই কৰিছিল, তেনে স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱায়ে কৰিছিল। মাধৱ বেজবৰুৱাই লক্ষীনাথৰ অতুলনীয় আত্মজীৱনী "মোৰ জীৱন সোঁৱৰণ" পোনতে প্রকাশ কৰিছিল, বেজবৰুৱাৰ মৰমৰ "বাঁহী"ক পুনৰ অবিকৃত বেজবৰুৱা স্বকীয়তাৰ সাঁচত ঢালি নতুন জীৱনৰ মিয়াদ দিছিল। সেইজন মানজন বিশিষ্ট বেজবৰুৱাক আজিৰ চামৰ কিমানজনে জানে?

কোজাগৰী লক্ষ্মী পূৰ্ণিমাৰ ঠিক এদিন আগতে নে পিছতে আজি প্রায় পোৱা শতিকা অৰ্থাৎ একুৰি পাঁচ বছৰবো ওপৰ হ'ল, ১৯৪৩ চনৰ অক্টোবৰ মাহৰ কোনোবা এটা তাৰিখে বছৰেকমান নৰিয়া পাটিত পৰি থাকি ডেকাবেজ মাধৱচন্দ্ৰ বেজবৰুৱাৰ পৰলোক হৈছিল মুঠেই ৩৪/৩৫ বছৰমান বয়সত, সুদূৰ দাক্ষিণাত্যত। অফুৰন্ত কৰ্মশক্তিৰ অধিকাৰী, আজন্ম আত্মনিৰ্ভৰশীলতা আৰু স্বতন্ত্ৰতাত বিশ্বাসী ডেকা বেজবৰুৱা জীয়াই থকা বছৰ কেইটাত যেনেদৰে সকলোৱে চিনাকি, সকলোৰে মাজত সৰবৰহী, চকুত পৰা বিধৰ লোক আছিল, তাৰ্লৈ চাই তেওঁৰ মৃত্যু অপেক্ষাকৃতভাৱে অজানিতভাৱেই হৈ যোৱাদি হ'ল,—খুব কমেই জানিলে, কমেই তেওঁৰ মৃত্যুত হোৱা ক্ষতিৰ কথা প্রকাশ্যভাৱে উপলব্ধি কৰিলে। অথচ অসমৰ কৰ্মচঞ্চল যুৱশক্তিৰ পূৰ্ণ প্রতীক স্বৰূপ আছিল এই ডেকা বেজবৰুৱা মাধৱচন্দ্ৰ, যি প্রকৃতিগত আৰু আক্ষৰিক দুয়োভাৱেই ডেকা হৈয়ে জীৱন-মঞ্চত দপ্ দপাই জীয়াই থাকি ডেকা

অৱস্থাতে জ্বলন্ত আঙুঠা এটিৰ দৰেই মৃত্যুৰ শীতল স্পৰ্শত নুমাই থাকিল।

## লিভ্ দেনজাৰাচ্লি

মাধৱ বেজবৰুৱাই তেওঁৰ কাম কৰা মেজৰ ওপৰত আঁৰি থৈছিল শক্তিৰ উপাসক, 'চুপাৰমেন' বা অতিমানৱ জাৰ্মান দাৰ্শনিক নীট্চেৰ (Nietzche) এবাৰ কথা live dangerously লিভ্ দেন্জাৰাচ্লি সাংঘাতিকভাৱে বাঁচি থাকা। ধৰ্মীয়ভাৱেবে বৰকৈ পৰিচালিত নহলেও ডেকাবেজে সদায় স্বামী বিবেকানন্দৰ কথা কৈছিল। নীট্চেৰ দৰে বিবেকানন্দয়ো জানো মানুহক এক বিপদ সংকুল জীৱন যাপন কৰিবলৈ আহ্বান জনোৱা নাছিল? তেওঁৰ দৰে অকালতে ভৱডেকাতে ঢুকোৱা বিবেকানন্দৰ জাগৃতিৰ মন্ত্ৰই মাধৱচন্দ্ৰক অনুপ্ৰাণিত কৰিছিল। স্বাধীনতাৰ আগলি বেলিকা জাতীয়তাবাদী সংগ্ৰামৰ আগচোতালত নাথাকি কিছু আঁতৰত অপেক্ষাকৃতভাৱে কম চমকপ্ৰদ অসম আৰু অসমীয়াৰ আত্মপ্ৰতিষ্ঠাৰ সপোন দেখি কাম কৰি যোৱা এইজন ডেকা অসমীয়াই তেতিয়াৰ পৰিবেশত কিমান দেন্জাৰাচ্লি বা সাংঘাতিকভাৱে বিপদৰ আগচুলিত ধৰি জীয়াই থাকিব লগা হৈছিল বা জীয়াই আছিল— সেই বিষয়ে মত দিয়া টান। কিন্তু তেওঁক ঘনিষ্ঠভাৱে জনা এজন হিচাপে সময়ৰ স্মৃতিত ভটিয়াই তেওঁৰ জীৱনটোলৈ চাই পঠিয়ালে কবলৈ অকণো দ্বিধা নহয় যে মাধৱচন্দ্ৰ বেজবৰুৱাই হুদিনীয়া তেওঁৰ জীৱনটোৰ প্ৰতিটো দিনতে কিবা এটা স্বৰ্গীয় অসন্তোষেৰে 'ডিভাইন ডিচকন্টেন্টেৰে' আকুলতাৰে, উৎকণ্ঠাৰে, প্ৰাণময় চাঞ্চল্যেৰে জীয়াই আছিল; ক'তো অকণো 'লেট আপ' বা শ্লথতা ঘটা নাছিল। মাধৱ বেজবৰুৱাৰ পৰিবেশৰ পৰিপ্ৰেক্ষিতত আজিৰ ক্ৰান্তিকাৰীৰ দৰে 'বিপদজ্জনকভাৱে' জীয়াই থকাৰ অৱকাশ কিমান আছিল কোৱা টান। কিন্তু মোৰ সন্দেহ নাই, বেজবৰুৱাই নিজৰ সন্মুখত থাপি থোৱা নীট্চেৰ সেই নিৰ্দেশ শেষ দিনলৈকে আখৰে আখৰে পালন কৰিছিল। আৰু ক্ৰান্তিকাৰীয়েই বা তেওঁ নাছিল বুলি কেনেকৈ কম? বন্দুকৰ

নলীৰ পৰা ওলোৱা পলিটিক্স নকৰা দেশপ্ৰেমিক, জাতিপ্ৰেমীয়েও জানো 'বাই আদাৰ মিনচ' (by other means) অৰাজনৈতিক পন্থাৰে ক্ৰান্তিকাৰী কাম কৰিব নোৱাৰে? সেইবাবে মাধৱ বেজবৰুৱা অকল এজন কৰ্মীয়েই আছিল বুলিলে কম কোৱা হব। তেওঁ এজন ক্ৰান্তিকাৰীও আছিল—of a sort, একপ্ৰকাৰৰ।

কোনো বিপদৰ ভয়ে, লোক-লজ্জাৰ আশংকাই, লাভ-লোকচানৰ বিচাৰ-বিবেচনাই যিজন মানুহক শুদ্ধ বুলি লোৱা, কৰো বুলি ভবা কামত বাধা দিব নোৱাৰিছিল, আনে কিবা কয় বুলি যিজনে কেতিয়াও কোনো পদতে ইতস্ততঃ নকৰি নিজে আগত ৰখা আদৰ্শ আৰু কাৰ্য্য সূচীমতে কাম কৰি গৈছিল সেইজন মানুহে যদি সাংঘাতিকভাৱে জীৱন নিৰ্বাহ কৰা নাছিল তেন্তে আন কোনে কৰিব? ধুমুহাৰ দৰে বিঘিনি উৰাই, ভূইকঁপৰ দৰে মেদিনী কঁপাই হয়তো মাধৱ বেজবৰুৱা জীয়াই থাকিব পৰা নাছিল। বৃহত্তৰ আয়তনত জাতীয় জীৱনত ভূমিকা লোৱাৰ সুযোগ জানো সকলোলৈকে আহে? আৰু পঁয়ত্ৰিশটা বছৰৰ আয়ুস জানো আমাৰ নিচিনা বয়সীয়াসকলৰ লীলাভূমি দেশ এখনত নিজক প্ৰতিষ্ঠা কৰিবৰ বাবে যথেষ্ট? তদুপৰি স্বাধীনতা লাভৰ মুঠেই দুই এবাছৰৰ আগৰ আমোলতো বিপদজ্জনকভাৱে জীয়াই থকাৰ সুযোগ সুবিধা নিশ্চয় এতিয়াৰ দৰে সুপ্ৰতুল নাছিল। মাধৱচন্দ্ৰ বেজবৰুৱাৰ জীৱনৰ বিপ্লৱী দিশটোৰ যি সীমাবদ্ধতা আছিল, সেই সীমাবদ্ধতা যিমানখিনি আছিল তেওঁৰ নিজৰ প্ৰকৃতি আৰু প্ৰচেষ্টাৰ, তাতকৈ বেছি আছিল অৱস্থা আৰু পৰিপ্ৰেক্ষিতৰ। কোনে জানে স্বাধীনোত্তৰ যুগলৈ থাকি যোৱা হলে তেওঁ হয়তো নতুন পটভূমিতো সেই একে ভূমিকাকে অধিকতৰ কৃতিত্বেৰে গ্ৰহণ কৰি বুৰঞ্জীত আঁচোৰ মাৰি যাব পাৰিলেহেঁতেন।

মাধৱ বেজবৰুৱাৰ বিষয়ে লিখা মোৰ পক্ষে সহজ নহয়। তেওঁ মোৰ পৰিয়ালৰ এজন আছিল। নিজৰ মানুহৰ সম্পৰ্কে কি প্ৰশস্তি কি বদনাম—যি কোনো প্ৰকাৰৰ লিখাৰ চেষ্টাতে সংকোচ আহে, আড়ষ্টতা আহে—ইংৰাজীৰ 'ডেলিকেট' শব্দটোৱেই বোধহয় এই অৱস্থা

বৰ্গোৰাৰ বাবে আটাইতকৈ খাপ-খোৱা। আৰু আত্মীয়ই আত্মীয়ৰ বিষয়ে জনাটোও যদিও সাধাৰণভাৱে সঁচা, তথাপি সেই বেছি জনাৰ ভিতৰত থকা অত্যুক্তি বা বিকৃতিৰ সম্ভাৱনাটোলৈ চাই নীতিগতভাৱেও কামনা বৰ সমৰ্থনযোগ্য নহয়। কোনো ব্যক্তিৰ বিষয়ে চৰ্চা কৰোঁতে যি এটা পৰিপ্ৰেক্ষিতৰ (perspective) দৰ্কাৰ, সেইটো অতি ঘনিষ্ঠতা বা নৈকট্যই নিদিয়ে। সম্বন্ধীয় হলেও ডেকা বেজবৰুৱাৰ বিষয়ে বহুত কথা নাজানো—যিবিলাক বৰ্তমান আমাৰ মাজত সৌশৰীৰ বিৰাজমান অগণন বন্ধু-বান্ধৱ,—গুণমুগ্ধ আৰু বিৰক্ত,—মাধৱচন্দ্ৰৰ সমকালীনসকলে জানে। মাধৱ বেজবৰুৱাৰ মৰণোত্তৰ সুখ্যাতি সীমাবদ্ধ হলেও মানুহজনে যে জীয়াই থকা বছৰ কেইটাত অসংখ্য প্ৰিয়জন আৰু শত্ৰু সৃষ্টি কৰিব পাৰিছিল, সেইটো এটা লেখত লবলগীয়া কথা। কত নামেই যে মনলৈ নাহে—কোনোজন উচ্চ ন্যায়ালয়ৰ মাননীয় বিচাৰপতি, কোনো মাননীয় মন্ত্ৰী, কোনো ৰাজনৈতিক দলৰ জনপ্ৰিয় গুৰি ধৰোঁতা, কোনো লব্ধপ্ৰতিষ্ঠ এম-পি, এম-এল-এ, কোনো বিখ্যাত সাহিত্যিক কবি-শিল্পী, কোনো সুখে-দুখে লগৰীয়া, কোনো সহকৰ্মী সহধৰ্মী, কোনো ব্যক্তিগত বাল্যবন্ধু, কোনো অখ্যাত-অজ্ঞাত ডেকাবেজৰ গুণমুগ্ধ আৰু কোনো হয়তো জীৱদ্দশাত তেওঁৰ সৈতে চকুৰে চকুৰে নপৰা, those who did not see eye to eye with him ; —শত্ৰু নোবোলো—মৃত্যুৰ পিছত জীৱিতকালৰ শত্ৰুকো মিত্ৰ বোলাই বিধেয়।

এটা অদ্ভুত চুম্বকশক্তি আছিল মানুহজনৰ, যি একালৰ যশস্বী বঙালী শিল্পী-সাহিত্যিক শুভ ঠাকুৰ, বাৰানসীৰ কেবাজনো সমসাময়িক যুৱনেতা, স্বৰ্গীয় ডেকাফুকন, স্বৰ্গীয় বিষ্ণুৰাভা, স্বৰ্গীয় বিৰিঞ্চি বৰুৱা, কবি দুৰ্গা নাইবা লোকপ্ৰিয় বৰদলৈদেৱৰ দৰে ভিন্ ভিন্ ধৰণৰ লোকৰ সৈতে অন্তৰঙ্গ মিত্ৰতা স্থাপন কৰিব পাৰিছিল—আকৌ একেসময়তে লক্ষ্মীনাথ বেজবৰুৱাৰ মৰমৰ নদাই-ভদাই, সতৰাম খোলোকৰ লগতো মাধৱ বেজবৰুৱাৰ একাত্মীয়তাৰ কেতিয়াও অভাৱ পৰা নাছিল।

## স্মৃতি কিয় চুটি ?

জীৱদ্দশাত 'ডেকাবেজ' বুলি অলপ দিনৰ ভিতৰতে সদৌ অসমত জনাজাত হৈ পৰা, অসমৰ পৰ্বতে-ভৈয়ামে বহুতৰে অন্তৰত এডুখৰি ঠাই কৰি লোৱা মাধৱচন্দ্ৰ বেজবৰুৱাৰ স্মৃতি ইমান ক্ষণস্থায়ী হ'ল কিয় ? ৰাজনৈতিক গৌৰৱণ বোলে 'প্ৰভাৱবিয়েলি' চুটি হয়। মাধৱ বেজবৰুৱাই 'দুৰ্জনৰ শেষ আশ্ৰয়' বুলি কোৱা ৰাজনীতিত সোমাই আঙুলি পুৰিছিল; সেইবাবেই কিজানি ৰাজনীতিৰ বাহিৰেও আৰু নানা সৎ কামত লিপ্ত হোৱা সত্বেও ডেকাবেজক খুব কমেইহে মনত ৰাখিলে। কিন্তু মাধৱ বেজবৰুৱাৰ ৰাজনীতিতো 'স্কাউণ্ড্ৰেল'ৰ ৰাজনীতি নাছিল ! অথবা সি আধুনিক ধৰণৰ 'পাৱাৰ পলিটিক্স' নাছিল, যাৰ চৰিত্ৰ হ'ল খোৱা কামোৰা কৰা, দল বাগৰা, ভেটি খোৱা আৰু আনৰ চৰিত্ৰ হনন কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰা।

মাধৱ বেজবৰুৱাৰ দিনৰ ৰাজনীতিত ৰাজনীতি কৰিয়েই 'নিজৰ বাঁহত পাখি লগোৱা'ৰ উপায় নাছিল। Feathering one's nest কৰাৰ সুযোগ নাছিল বাবেই তেতিয়া যাকে তাকে ৰাজনীতিয়ে আকৰ্ষণ নকৰিছিল—এতিয়াৰ দৰে ৰাজনীতি তেতিয়া ভৱিষ্যতৰ জীৱন-বীমা স্বৰূপ নাছিল। তথাপিতো যদি ডেকা বেজে ছাত্ৰাৱস্থাৰপৰাই ৰাজনীতিৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছিল—কৰিছিল নিজৰ ওপজা দেশখনক সকলো পিনেদি আগবঢ়াই নিয়া, চহকী কৰাৰ অনুপ্ৰেৰণাত, হাবিয়াসত। তেতিয়াও কংগ্ৰেছৰ নিচিনা বৃহৎ দলত সোমাই বেজবৰুৱাই নিজৰ ব্যক্তিগত ভৱিষ্যত সুৰক্ষিত কৰিবলৈ চেষ্টা কৰিব পাৰিলেহেঁতেন। কিন্তু নকৰিলে। ৰাজহুৱা চেতনা পুৰঠ হোৱাৰ লগে লগে তেওঁ অনুভৱ কৰিছিল—"কিয়নো পাহৰা অসমীয়া হেৰা, চিৰকাল তুমি আছিলা স্বাধীন। ভাৰতৰ মাজে বীৰ প্ৰসৱিনী তুমিয়ে জননী আছিলা এদিন ॥" হয়তো এই অসমপ্ৰেমত পৰিপক্ক ৰাজনীতি সচেতনতাতকৈ উচ্ছ্বাস আৰু আবেগৰ মাত্ৰা বেছি আছিল, ভাবালুতা অধিক উগ্ৰ আছিল। তথাপি সি আছিল নিভাঁজ, অকৃত্ৰিম, ঐকান্তিক—অসমক মহান কৰাৰ মহৎ কামনা। সেইবাবেই তেওঁ 'অসম অসমীয়াৰ

বাবে'ৰ দলত 'ভিৰিছিল।' কিন্তু আনে কিজানি ভাবিলে—'পেট্ৰিয়টিজ্‌ম ইজ্ নট্ এনাফ্'—নিজৰ মাতৃভূমিক ভাল পোৱাই যথেষ্ট নহয়।

তদুপৰি সংৰক্ষিণীৰ দৰ্শনটোতে, অসম অসমীয়াৰ নিমিত্তে ধ্বনিটোতে, এনে কিবা এটা শামুকৰ দৰে সংকীৰ্ণতা আৰু নিজৰ ভিতৰত সোমাই থকা লক্ষণ আছে যিটোৱে এনে এটা ৰাজনীতিক কৃষি শতিকাৰ মাজভাগত কোনোমতে ঠিক সাৰ্বজনীনভাৱে গ্ৰহণ-যোগ্য কৰি তুলিব নোৱাৰে। অসম অসমীয়াৰ নিমিত্তে ভাৱনাৰ সৈতে বঙাল-খেদা মনোভাৱৰ প্ৰকৃতাৰ্থত কোনো যোগ নাই। অনা অসমীয়া বহুতে ভেকাগিৰি অম্বিকাগিৰীৰ অসমৰ আত্ম-প্ৰতিষ্ঠাৰ আন্দোলনক বঙাল-খেদা আন্দোলনৰ বিকৃত ৰূপ দিছিল যদিও অম্বিকাগিৰী যে 'বঙাল-বৈৰী' নাছিল সেইটো ৰায়চৌধুৰীক ভালকৈ বুজা জনে জানে। ডেকা বেজবৰুৱাৰ অসমীয়া স্বাতন্ত্ৰ্যৰ ৰাজনীতিতো বংগ-বিদ্বেষৰ লেশমানো নাছিল। মাধৱ বেজবৰুৱাৰ ঘনিষ্ঠতা অসমীয়াৰ সৈতে যিমান আছিল বঙালীৰ সৈতে তাতোকৈ কোনো গুণে কম নাছিল, বৰঞ্চ বেছিহে আছিল। কিন্তু অম্বিকাগিৰিৰ দৰে ডেকা বেজবৰুৱাও বংগৰ তদানীন্তন সম্প্ৰসাৰণবাদী 'বৃহত্তৰ বাংলা' ভাবনাৰ বিৰোধী আছিল যি এটা মনোবৃত্তি বঙালীৰ মাজত দেখি অন্নদাশংকৰ ৰায়ৰ নিচিনা আধুনিক বঙালী বুদ্ধিজীৱীয়েও একপ্ৰকাৰ 'গীল্ট কমপ্লেক্‌চ'ত ভুতুগি থাকিব পৰা নাই।

মাধৱ বেজবৰুৱাৰ এই ৰাজনীতিত কোনো সংকীৰ্ণতা নাছিল আৰু বৃহত্তৰ বাংলাবাদৰ বিভীষিকাগ্ৰস্ত তেতিয়াৰ অসমত আত্মৰক্ষাৰ 'মেকানিজ্‌ম' হিচাপে ফিকা পনীয়া কংগ্ৰেছী সৰ্বভাৰতীয়তাবাদতকৈ এনে আঞ্চলিকতাবাদৰ প্ৰয়োজনেই আছিল বেছি। কিন্তু অম্বিকাগিৰীৰ অনা-ৰাজনৈতিক সাফল্য আৰু প্ৰতিভাৰ সৌজন্যত যেনেকৈ ৰাজনীতি কৰিও তেওঁৰ প্ৰতিষ্ঠা হ্ৰাস নাপালে, তুলনামূলকভাৱেকৈ ৰাজনীতি-বহিৰ্ভূত কৃতিত্ব মাধৱ বেজবৰুৱাৰ কম আছিল দেখি তেওঁৰ ৰাজ-নৈতিক অৱিহনা নিষ্ঠুৰ ঐতিহাসিক আৱৰ্তৰ মাজত বিলুপ্ত হ'ল। মাধৱ বেজবৰুৱাৰ ৰাজনীতি আজিৰ যুগৰ যেশ্যনেৰল ৰাজনীতি নহয়

সঁচা, সেই ৰাজনীতিত বুদ্ধিমত্তা বা ভাৱাদৰ্শৰ জিলিকনি বা চিকমিকনি নাই, সিও সঁচা। কিন্তু প্ৰতিকূল পৰিবেশ এটাত কম বয়সৰপৰা অসম আৰু অসমীয়াৰ সৰ্বাংগীন বিকাশৰ বাবে দি যোৱা তেওঁৰ অৱিহনা নিশ্চয় উপেক্ষণীয় নহয়।

পৰোক্ষভাৱে চালে, আজিৰ দিনৰ 'দ্ৰাবিড় মুন্নেত্ৰা কাজাঘাম' নাইবা প্ৰায়বোৰ প্ৰদেশতে দেখা দিয়া তেনে ধৰণৰ অন্যান্য আঞ্চলিকতা-বাদী আন্দোলনবোৰ ডেকাবেজহঁতৰ সংবক্ষিণী অভিযানৰ মৌলিক যৌক্তিকতাৰে প্ৰমাণ স্বৰূপ সাব্যস্তকৰণ নহয় নে? স্বাধীন উন্নত ভাৰতবৰ্ষত স্বতন্ত্ৰবীয়া, স্বায়ত্তশাসিত, স্বাধীন অসম—বেজবৰুৱাহঁতৰ ৰাজনৈতিক সপোন আছিল। সেয়ে আৰু বৃহত্তৰ জাতীয় ৰাজনীতিৰ সমান্তৰালভাৱে সেই সপোন বাস্তৱলৈ ৰূপায়িত কৰাৰ বাবেই তেওঁলোকে কাম কৰিছিল। সময়ে মাধৱ বেজবৰুৱাৰ নামটো মনিব নোৱাৰা কৰিলেও তেওঁৰ ৰাজনৈতিক সততা আৰু দূৰদৰ্শিতাৰ সাক্ষ্য মচি পেলাব নোৱাৰে।

কোনোবাই যুক্তি দৰ্শাব পাৰে যে সেই ভাৱনাৰ স্বাভাৱিক পৰিণতি হ'ল লাচিত-সেনা-দৰ্শন। সেই যুক্তিৰ আচলতে ঠেক নাই। কাৰণ মাধৱ বেজবৰুৱাহঁতে অসম অসমীয়াৰ নিমিত্তে বুলি কৈ কোনো পুন-ৰুত্থানবাদী আন্দোলনৰ পোষকতা কৰা নাছিল—ভৱিষ্যতৰ শক্তিশালী অসম এখন গঢ়াৰ গঠনমূলক পন্থা হিচাপেহে ইয়াৰ কল্পনা কৰিছিল। আৰু সেই সময়ৰ পৰিপ্ৰেক্ষিতত এই ভাবনাৰ তাৎপৰ্যও সুকীয়া ধৰণৰ আছিল।

ৰাজনীতি কৰিছিল সঁচা, কিন্তু মাধৱ বেজবৰুৱাৰ জীৱনত বিভিন্ন গঠনমূলক কৰ্মতৎপৰতাৰ ৰাজনীতি এটাহে মাথোন আছিল। তেওঁৰ দৃষ্টি আৰু লক্ষ্য ৰাজনীতি ভেদ কৰি আৰু বহল আৰু ওখ ক্ষেত্ৰলৈ প্ৰসাৰিত হৈছিল। আৰু সমসাময়িক বহুতো প্ৰতিভাধৰ উচ্চাকাংক্ষী-লোকে ৰাজনীতিৰ বাহিৰৰ আৰু ওপৰৰ বিকাশৰ ক্ষেত্ৰত ডেকাবেজৰ সাহচৰ্য, কৰ্মশক্তি, সাধনা আৰু ঐকান্তিকতাৰ সহযোগ পাই নানা প্ৰকাৰে উপকৃত হৈছিল। ৰাজনীতি বা সংৰক্ষিণী কাৰ্যকলাপ বাদ

দি অসমত বিশ্ববিদ্যালয় আৰু অসমীয়া ভাষা-সাহিত্যৰ বাবে প্ৰদেশ জুৰি তেওঁ যি কৰ্মচাঞ্চল্যৰ প্ৰবাহ বোৱাইছিল তাৰ বাবেও তেওঁৰ ওচৰত আমাৰ ঋণৰ সীমা নাই।

## ডেকাবেজ—ব্যক্তিগত

আগছোৱাত মাধৱ বেজবৰুৱাৰ ৰাজনীতি সম্পৰ্কে যিমানখিনি কব লাগিছিল তাতকৈ বোধহয় অলপ বেছিয়ে কোৱা হ'ল। কিয়নো ৰাজনীতি কৰা বেজবৰুৱাৰ বিষয়ে আলচ কৰা নাইবা সংৰক্ষিণী ৰাজনীতিৰ 'ৰেশ্বনালে' (rationale) অনুসন্ধান কৰি সেই দৰ্শনক পুনৰ সংস্থাপিত কৰা মোৰ অভিপ্ৰেত নাছিল – এইখিনি কথা কথাই কথাই 'বাই দ্য ৱে' হে আহি পৰিল। দৰাচলতে স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱাৰ ৰাজনীতিয়ে মোক কোনো সময়তে সিমান আকৰ্ষণ কৰিব পৰা নাছিল। বৰঞ্চ ১৯৩৭ চনত মোৰ ভাগিনী এজনীক বিয়া কৰাই আমাৰ পৰিয়ালৰ জোঁৱাই হোৱালৈকে 'সংৰক্ষিণীৰ' ডেকাবেজৰ প্ৰতি কিবা একপ্ৰকাৰ অজানিত বিকৰ্ষণৰ ভাবহে আছিল যেন পাওঁ।

বিয়াৰ পিছৰপৰা বেজবৰুৱাক যথেষ্ট ওচৰৰপৰা জনাৰ সুযোগ ওলাল আৰু লাহে লাহে অনুভৱ কৰিবলৈ ধৰিলোঁ ডেকাবেজ মানুহজনৰ মাজত এনে বহুত বস্তু আছে যিবোৰ আমাৰ বহুতৰে মাজত নাই। বুজিলোঁ—মাধৱ বেজবৰুৱা 'মাই কাণ্ট্ৰি ৰাইট অৰ্ ৰং' জাতৰ উগ্ৰ, নিৰ্বিচাৰ অসমপ্ৰেমী নহয়। বেদবাক্য বুলি মানি নলৈ ডেকাবেজে অম্বিকাগিৰী-নীলমণি ফুকনৰ 'ডেকা ডেকেৰীৰ বেদ'ৰ ভিতৰলৈ সোমাই নতুন দৰ্শনটোৰ উপযুক্ততা চালি-জাৰি চাইছিল আৰু গভীৰ চিন্তাৰ অন্তত্তহে সেই দৰ্শনৰ সৈতে নিজক যুক্ত কৰিছিল। আৰু গম পালোঁ মাধৱ বেজবৰুৱা ৰাজনীতিতকৈও অসমীয়া সাহিত্য আৰু অসমীয়া সংস্কৃতিৰ পুনৰুত্থান আৰু শ্ৰেষ্ঠত্ব প্ৰতিষ্ঠাৰ প্ৰতিহে বেছি আগ্ৰহশীল আছিল।

সেই সময়ত বি. এ. মহলালৈকে পঢ়া সম্পূৰ্ণ কৰি নগদ দুটাকৈ বছৰ মই অবাবত খেদাই আজি অ'ত কালি ত'তকৈ অথৰী আমামান

জীৱন যাপন কৰিছিলোঁ। অন্তৰত তেতিয়া নত নব আশাৰ উদ্বুলি-মুদ্বুলি— সাহিত্য কৰা, সাংবাদিকতা কৰাৰ বিপুল উৎসাহ-উদ্দীপনা। ঘটনাচক্ৰত সেই যাযাবৰী পৰ্বৰে শেষৰ ফালে তেতিয়াৰ পূৰ্ববংগ আৰু এতিয়াৰ বাংলাদেশৰ ঢাকালৈ যাব লগীয়া আৰু তাত ভালে দিনো থাকিবলগীয়া হোৱাত অনাহুকত 'বিদেশ'ত' কাল খেদোৱাত আমনি লগাত ১৯৩৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰ বি. এ. পৰীক্ষাটো দি থবলৈ মন বান্ধিলোঁ আৰু পৰীক্ষা দিলোঁ। এদিন ৰাতিপুৱা মাধৱ বেজবৰুৱাই কলিকতাৰপৰা টেলিগ্ৰাম কৰি মই বি. এ. পাছ কৰাৰ খবৰটো দিলে আৰু কেইদিনমান কলিকতাত তেওঁৰ লগত থাকি আহিবলৈ মাতিলে। মাধৱ বেজবৰুৱাৰ সৈতে মোৰ ঘনিষ্ঠতা তেতিয়াৰ পৰাহে, আৰু তাৰো শেষলৈকে অটুট থাকিল বুলিও কব নোৱাৰোঁ।

১৯৩৯ চনত কলিকতাত মাধৱ বেজবৰুৱাৰ লগত থাকি কটোৱা ঘটনা আৰু অভিজ্ঞতাবহুল মাহ কেইটাৰ স্মৃতি সতকাই মুচুকোৱা বিধৰ। লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী' তেতিয়া মৃত, কিন্তু বেজবৰুৱাৰ 'বাঁহী'ৰ 'অমিয়া জোকাৰ'ৰ অৱশেষ তেতিয়াও মূল 'বাঁহীৰ' মাত শুনি একালত মতলীয়া হোৱা বহুতৰে কাণৰ কাষে কাষে উৰি ফুৰিবলৈ এৰা নাছিল। কেতিয়াবা ভাব হয়, অসমীয়া সাহিত্যত বেজবৰুৱাৰ 'বাঁহী'ৰ ভিন ভিন পৰ্যায়ৰ ক্ৰমোন্নতি আৰু পৰিণতিৰ ইতিহাস কিজানি বঙালী 'বংগদৰ্শন' নাইবা অসমীয়া 'জোনাকী'ৰ দৰেই ৰোমাঞ্চকৰ। সাহিত্য-ৰথী বেজবৰুৱা সম্পাদক হৈ থকা কালছোৱাতে 'বাঁহী'য়ে কেবাবাৰো স্থান-চৰিত্ৰ সলনি কৰিছিল। তাৰ পিছত তিনিদশকৰ মাজভাগত 'বাঁহী' যেতিয়া বেজবৰুৱাৰ অনুৰক্ত অমিয়কুমাৰ দাসৰ হাতত পৰিছিল তেতিয়া 'বাঁহী' ঠিক ৰসৰাজৰ ভাৱনাৰ 'বাঁহী' থন হৈ আছিল নে নাই সেই বিষয়ে মতদ্বৈধ আছে। যি কোনো আলোচনীয়েই তাৰ প্ৰতিষ্ঠাপক পিতৃৰ হাতৰপৰা এৰা পৰিলে কিছু পৰিমাণে বিকৃত হবলৈ বাধ্য। অমিয়কুমাৰ দাসৰ লেখীয়া বেজবৰুৱা অনুৰাগী হলেও ভাৱে-ভাষাই বেজবৰুৱাৰ বহুত আঁতৰ, এইজনাৰ হাতত 'বাঁহী'য়ে মোট সলোৱাটোত বিচিত্ৰতা নাছিল। কিন্তু সেই পৰিবৰ্তনৰ লগে লগে

the Banhi as we knew it লোপ পালে আৰু বেজবৰুৱাৰ ব্যক্তিত্বৰ চাপ নপৰা 'বাঁহী'ৰ আন আলোচনীৰ লগত এখন হিচাপে নিজা বৈশিষ্ট্য নৰ'ল। এই কথাষাৰ সম্ভৱ মাধৱ বেজবৰুৱাৰ দৰে তীব্ৰভাবে কোনেও অনুভৱ কৰা নাছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ ভ্ৰাতৃপুত্ৰৰূপে ডেকাবেজৰ এটা স্বাভাবিক চিন্তা হ'ল বেজবৰুৱাৰ 'বাঁহী'খনক পুনৰ বেজবৰুৱাৰ ঐতিহ্য আৰু তাৰ নিজস্ব 'ইথচ'ৰে (ethos) পুনৰ্জন্ম দিব পাৰি নে নোৱাৰি। ১৯৩৮-৩৯ চনৰপৰা লক্ষ্মীনাথ বেজবৰুৱাৰ বংশধৰ, সেইকালৰ অগ্ৰগণ্য অসমীয়া উদ্যোগী চাহ খেতিয়ক চন্দ্ৰকমল বেজবৰুৱাৰ উদ্যানি আৰু তেখেতৰ কলিয়াবৰৰ আবাস স্থানৰপৰা বৃহৎ পৰিকল্পনা আৰু উচ্চাশাপূৰ্ণ আঁচনিৰে মাধৱ বেজবৰুৱাই শেষবাৰৰ বাবে 'বাঁহী'ৰ পুনঃ প্ৰতিষ্ঠাৰ বাবে দেহেকেহে লাগি গ'ল — পুৰণি বাঁহীটিত নতুনকৈ ফু দিবলৈ মন মেলিলে।

## তৃতীয় জন্মৰ 'বাঁহী'

তৃতীয় জন্মৰ মাধৱ বেজবৰুৱাৰ 'বাঁহী'ৰ সৈতে থকেকীয়াকৈ মোৰ নামটোও যুক্ত হোৱাৰ বিশেষ কাৰণ নাছিল। মাধৱ বেজবৰুৱা মিতিৰ নোহোৱা হলে হয়তো মোৰ নামটো তৃতীয় পৰ্যায়ৰ 'বাঁহী'ৰ যুটীয়া সম্পাদকৰূপে এসংখ্যাত ছপা হোৱা দুৰ্ঘটনাটো কেতিয়াও নঘটিলহেঁতেন। খুব কমৰে সেই কথা মনত থাকিব পাৰে যদিও তৃতীয় পৰ্যায়ৰ 'বাঁহী'ৰ সম্পাদক হিচাপে মাধৱ বেজবৰুৱাৰ লগতে মযো আছিলোঁ। ভাবে-চিন্তাই বহুত বেলেগ মোক মাধৱ বেজবৰুৱাই যি আদৰ আৰু সদিচ্ছাৰে তেওঁৰ স্মৰণীয় দদাইদেৱেকৰ আলোচনীখন পুনৰুদ্ধাৰ কৰিবলৈ লগ লৈছিল সেই কথা মনত পৰিলে ডেকাবেজৰ আন্তৰিক উদাৰতা আৰু বন্ধুবৎসলতাৰ শলাগ নলৈ নোৱাৰোঁ।

অকল সম্বন্ধীয়া মোকে নহয়, মাধৱ বেজবৰুৱাই লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী'ক শেষবাৰৰ বাবে নৱজীৱন দিবলৈ লোৱা ব্ৰাত্যকাৰ্যত সেই সময়ৰ প্ৰায় সকলোৱে সহযোগ আৰু আশীৰ্বাদ কামনা কৰিছিল। ডেকাবেজৰ প্ৰেৰণাদায়ক কাৰ্যকৰী পৰিশ্ৰম আৰু

অধ্যৱসায়ৰ একাগ্ৰতাই আশ্চৰ্যজনক। প্ৰতিভাৰ অধিকাৰী মহেন্দ্ৰনাথ ডেকাফুকন, শিল্পী কলাকাৰ বিষ্ণু ৰাভা, কবি যতীন্দ্ৰনাথ দুৱৰা, অধ্যাপক অম্বিকানাথ বৰা, সেই সময়ত কলিকতাত অসমৰ বেচৰকাৰী দূতস্বৰূপ অধ্যাপক হৰেন্দ্ৰনাথ কলিতা আদি কৰি সেই সময়ত কলিকতাত থকা সকলোৰে কায়িক আৰু মানসিক সহযোগ আৰু সেৱা আহৰণ কৰিবলৈ সক্ষম হৈছিল। তৃতীয় পৰ্যায়ৰ বাহীৰ গুৰিৰ সংখ্যা কেইটাত সাহিত্যৰথীৰ মানস সৃষ্টি 'বাঁহী'ৰ বিমানখিনি আছিলগৈ কোৱা টান যদিও, একেধাৰে শ্ৰীকৃষ্ণকান্ত সন্দিকৈ, বাণীকান্ত কাকতি, সূৰ্যকুমাৰ ভূঞা, বহ্নিকান্ত বৰকাকতী, শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা, শ্ৰীচৈয়দ আব্দুল মালিক, 'ঘূৰণীয়া পৃথিৱীৰ বেঁকা পথ' গ্ৰন্থখ্যাত শিক্ষাবিদ শ্ৰীউমাকান্ত শৰ্মা আদিৰ সহায়স্থানসমৃদ্ধ 'বাঁহী' যে এটা লেখত লবলগীয়া নতুন ধৰণৰ বস্তু হৈছিল তাক কোনেও দুই নকৰে। স্বৰ্গীয় বিষ্ণু ৰাভাই বেজবৰুৱাৰ ঘৰতে বহি বহি অসীম ধৈৰ্য আৰু উদ্দীপনাৰে আঁকি দিয়া তৃতীয় পৰ্যায়ৰ 'বাঁহী'ৰ বেটুপাতৰ বৰ্ণবৈচিত্ৰ্য আৰু অৰ্থ-ব্যঞ্জনায়ো ডেকাবেজৰ 'বাঁহী'ক অভিনৱত্ব প্ৰদান কৰাত সহায় কৰিছিল।

মাধৱ বেজবৰুৱাই যি বিচিত্ৰ, বিপুল কল্পনাৰে 'বাঁহী' এখনৰ ছবি অন্তৰত পুহি কামত আগবাঢ়িছিল তালৈ মনত পেলালে মানুহজনৰ আদৰ্শবাদ আৰু আত্মপ্ৰতীতিত মুগ্ধ নহৈ নোৱাৰি। তৃতীয় পৰ্যায়ৰ 'বাঁহী' সৰহ দিন নিটিকিল যদিও টানি আজুৰি মাধৱ বেজবৰুৱাই প্ৰায় তেওঁৰ মৃত্যুৰ সময়লৈকে 'বাঁহী' উলিয়াই আছিল আৰু সময়ৰ জোখেৰে এই 'বাঁহী'ৰ আয়ুস অমিয়কুমাৰ দাস সম্পাদিত 'বাঁহী'তকৈ দীঘল আছিল। আৰু কাকতখনৰ চৰিত্ৰৰ ফালৰ পৰা মাধৱ বেজবৰুৱা দাস ডাঙৰীয়াতকৈ তাৰ মানস পিতৃৰ বেছি ওচৰ চাপিছিল যেন লাগে। দ্বিতীয় পৰ্যায়ৰ 'বাঁহী' সাহিত্যতকৈ ৰাজনীতিৰ পিনেহে ঢাল খোৱা যেন বোধ হৈছিল। ডেকাবেজে 'বাঁহী'ক পুনৰ সাহিত্যিক বেজবৰুৱাৰ অন্তৰৰ অনুগামী সাহিত্যালোচনীৰ ৰূপ দিয়াত যথেষ্ট কৃতকাৰ্য হৈছিল। অথচ মাধৱ বেজবৰুৱা কোনোদিনেই ঠিক সাহিত্যিক নাছিল—

সাহিত্যানুৰাগ যদিও যথেষ্ট আছিল। জন্মগতে বেজবৰুৱাৰ এই সাহিত্যানুৰাগেনে সংক্ৰমিত হৈয়ে মহো 'বাঁহী'খনক এখন অভিজাত পত্ৰিকা কৰিবলৈ প্ৰয়াস কৰিছিলোঁ।

মনত আছে—প্ৰথম সংখ্যা 'বাঁহী'ৰ বাবে নতুন যুগসন্ধিত লক্ষ্মীনাথ বেজবৰুৱাৰ আদৰ্শ আৰু অৱিহণাৰ নৱ মূল্যায়নৰ ৰূপৰেখা টানি মই এটা দীঘলীয়া সম্পাদকীয় লিখিছিলোঁ। প্ৰথম সংখ্যাত যুগ্ম সম্পাদক হিচাপে মোৰ নামটো ব'ল কিন্তু সম্পাদকীয়ত মোৰটো নোলাল— ডেকাবেজবৰুৱাৰ এটাহে ওলাল। তেতিয়াৰ পৰাই ৰসৰাজ বেজবৰুৱাক কেন্দ্ৰ কৰি ডেকাবেজ আৰু মোৰ মত-পাৰ্থক্যটোহে বেছি প্ৰকট হৈ আহিবলৈ ল'লে আৰু আমি আদবাটতে এৰা-এৰি হ'লোঁ— We agreed to differ আমি ভিন্ন মত পোষণ কৰিবলৈ একমত হলোঁহক। পিছৰ আৰু তিনি চাৰি সংখ্যালৈকে মই এৰি যোৱা আৰু গোটাই থোৱা সমলেৰেই যদিও 'বাঁহী' ওলাই থাকিল, লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতিৰ যথাযোগ্য সম্মান ৰক্ষাৰ বাবে বংশানুক্ৰমিকভাৱে বেজবৰুৱাই অধিক উপযুক্ত হব বুলি মই নিজেই আঁতৰি আহিলোঁ। মোৰ পিছত 'বিহগঞনি' খ্যাতিৰ শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী আৰু শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই বেজবৰুৱাৰ সৈতে 'বাঁহী' উলিয়াই থকাত সহযোগ কৰিছিল।

সাহিত্যিক দৃষ্টিভংগীত মাধৱ বেজবৰুৱা আৰু মোৰ পাৰ্থক্য মেৰু সদৃশ হলেও কেনেকৈ যে একে উদ্দেশ্য লৈ তেওঁৰ ওচৰ চাপিছিলোঁ আৰু ক্ষন্তেকীয়া হলেও সেই সময়ৰ এলানি প্ৰতিভাশালী লোকৰ সহযোগত এটা আচৰিত ৰকমে প্ৰেৰণাদায়ক পৰিবেশত কঠোৰ পৰিশ্ৰম কৰিছিলোঁ, তালৈ মনত পৰিলে বেজবৰুৱাৰ সৈতে মতভেদ হৈ আঁতৰি পৰাতকৈ তেওঁৰ যিটো সন্মোহিনী গুণৰ বলত তেনে এটা পৰিবেশ সম্ভৱ হৈছিল তাৰ কাৰণেহে মোৰ অন্তৰ বিস্ময়বিমুগ্ধ হৈ পৰে। অপৰিসীম মানুহজনৰ অদ্ভুত কষ্টকৰাৰ শক্তিয়ে লোক স্তম্ভিত কৰিছিল। অপৰিসীম আগ্ৰহেৰে বেজবৰুৱাই যেতিয়া প্ৰেছৰপৰা ঘৰ, ঘৰৰ পৰা বিজ্ঞাপন দিয়া বেপাৰী মহল, কলিকতা নিবাসী অসমীয়াৰ মাজত পুনৰ পৰা

গধুলিলৈকে মাকোৰ নিচিনাকৈ তাঁত বাতি কাটিছিল, মই তেতিয়া সম্পাদকীয় ডেস্কত বহি আবাহনৰ প্ৰবন্ধৰ কথা চিন্তা কৰিছিলোঁ। আজি কুৰিবছৰৰ মূৰত অতীতলৈ ঘূৰি চাই নকৈ নোৱাৰোঁ যে মাধৱ বেজবৰুৱাই লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী'ক পুনৰুজ্জীৱিত কৰিবৰ বাবে যি একনিষ্ঠ বিৰতিহীন সেৱা আগবঢ়াইছিল অকল তাৰ বাবেই তেওঁ অসমীয়া সাহিত্যৰ সেৱকসকলৰ মাজত যুগমীয়া স্থান লাভ কৰা উচিত, তেহেলৈ তেওঁৰ সাহিত্য কীৰ্তি থাকক নাথাকক।

বিষ্ণু ৰাভাই নতুন চাম 'বাঁহী'ৰ বাকলি পাতত ৰং-মেধেলুৰ বৰ্ণালিৰ ইন্দ্ৰজাল বিস্তাৰ কৰিছে, কলিকতীয়া অসমীয়া ডেকাসকলে 'বাঁহী'ৰ বাবে নানাধৰণৰ প্ৰবন্ধ গল্প যুগুতাইছে, কলিকতাৰ পাৰ্ক চাৰ্কাচৰ সেই ঘৰটোত সন্ধিয়ালৈকে মহেন্দ্ৰ নাথ ডেকাফুকনৰ দৰে তাণ্ডৱ-মূৰ্তিধাৰ একোজনো ধুমুহাৰ দৰে সোমাই স্তব্ধ হৈ বেজবৰুৱাৰ ধ্যানবিভোৰ হৈ কেনেকৈ লিখিলে, কেনেকৈ আঁকিলে সাহিত্যৰথীৰ আত্মাৰ তৃপ্তি হব ধীৰে স্থিৰে তাৰ চিন্তা কৰিছে, দিহা পৰামৰ্শ দিছে; স্বৰ্গীয় অম্বিকানাথ বৰা, স্বৰ্গীয় যতীন্দ্ৰনাথ দুৱৰা স্বৰ্গীয় হলিৰাম ডেকা আদি সাহিত্যিকসকলে নিয়মিত পাক একোটা মাৰি 'বাঁহী'ৰ নৱজন্ম লাভ উৎসৱত বৰগুণি যোগাইছে, আৰু সকলোৰে মাজত আৰু সকলোৰে আঁৰত অদম্য কৰ্মযোগী ডেকাবেজ মাধৱ বেজবৰুৱাৰ কায়া আৰু ছায়াই এটা মহান অৰ্কেষ্ট্ৰা পৰিচালনাকাৰীৰ দৰে যেন ভিন্নজনক বিবিধ কামত প্ৰবৃত্ত কৰাইছে— সেই সময়ৰ সেই স্মৃতি এতিয়াও মোৰ মনত সজীৱ হৈ আছে। এখন মাহেকীয়া কাকতৰ বাবে এজন মানুহৰ এনেকুৱা ঐকান্তিক আগ্ৰহৰ তুলনা মই বিচাৰি নাপাওঁ। সঁচা, অম্বিকাগিৰি ৰায়চৌধুৰীয়ে প্ৰাণৰ আহুতি যাচি নিজৰ পৰিয়ালটোৰ সৰ্বাত্মক সেৱাৰে 'ডেকা অসম'ক জীয়াই ৰাখিছিল। কিন্তু 'ডেকা অসম' আছিল ৰায়চৌধুৰীৰ নিজৰ সৃষ্টি, নিজৰ সম্পত্তি। মাধৱ বেজবৰুৱাৰ 'বাঁহী' আছিল স্বৰ্গগত আন এজনা স্মৰণীয় বেজবৰুৱাৰ সৃষ্টি। মাধৱ বেজবৰুৱাই ধাত্ৰীৰ ৰাব লৈ মৃতপ্ৰায় 'বাঁহী'ক পুনৰুজ্জীৱিত কৰিবলৈ অমানুষিক পৰিশ্ৰম কৰি নিজৰ চিৰ প্ৰস্থানৰ দিন ওচৰ

চপাবলৈকো হেলা নকৰিলে। মাধৱ বেজবৰুৱাৰ পিছত আৰু কোনোবাই জানো 'বাঁহী'ক আকৌ সঞ্জীৱনী দি জীয়াবলৈ চেষ্টা কৰিলে? আনজন বেজবৰুৱা মাধৱ বেজবৰুৱাৰ জীৱন অৱসানৰ লগে লগে যাইজনা বেজবৰুৱাৰ পাকজন্ম 'বাঁহী'ৰ মাতো চিৰতিকাললৈ লুপ্ত হ'ল।

মাধৱচন্দ্ৰ বেজবৰুৱাৰ সাহিত্যিক অৱিহণা কেৱল খুৰাকৰ 'বাঁহী'খন পুনৰুজ্জীৱিত কৰাতে সীমিত নাছিল যদিও মোৰ বোধেৰে সেয়ে আছিল চিৰচেনেহী ভাষা জননীৰ বেদীত তেওঁৰ শ্ৰেষ্ঠতম অৰ্ঘ্য। লক্ষ্মীনাথ বেজবৰুৱাৰ অনন্য সাহিত্য কীৰ্তি 'মোৰ জীৱন সোঁৱৰণ'খন মুখ্যতঃ ডেকাবেজৰ চেষ্টাতে সাহিত্য ৰসিকসকলে দেখা পাইছিল। জাতীয় অধ্যাপক পণ্ডিত সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ নিচিনা লোকে বেজবৰুৱাৰ 'জীৱন সোঁৱৰণ'ক ভাৰতৰ কুলীন সাহিত্যৰ মাজত ঠাই দি তাৰ ভূয়সী প্ৰশংসা কৰিছে। এনে এখন বাছকবনীয়া পুথি উলিয়াই দিয়াৰ বাবে অসাহিত্যিক মাধৱ বেজবৰুৱাৰ ওচৰতে আমি ধৰুৱা। আয়ুস সৰহ পোৱাহেঁতেন মাধৱ বেজবৰুৱাই লক্ষ্মীনাথ বেজবৰুৱাৰ বিৰাট প্ৰতিভা সগৌৰৱে সদৌ দেশৰ আগত প্ৰতিষ্ঠা কৰাৰ উপৰিও অসমীয়া সাহিত্যলৈ আৰু অনেক উপহাৰ আগবঢ়ালেহেঁতেন বুলি আমি নিশ্চয়ভাৱে আশা কৰিব পাৰোঁ। জীয়াই থকা তাকৰীয়া সময়কণত মাধৱ বেজবৰুৱাই জনাত কোনোবাই অসম, অসমীয়া মানুহ, আৰু অসমীয়া ভাষা-সাহিত্যৰ ওপৰত আঘাত হানি নিৰাপদে সাৰি যাব পৰা দেখা নাছিলোঁ। প্ৰতিটো আক্ৰমণৰ বিৰুদ্ধে ডেকাবেজে বজনজনাই উঠিছিল। কেইজন অসমীয়া ডেকাই মাধৱ বেজবৰুৱাৰ দৰে স্বদেশ আৰু স্বজাতিৰ হকে চিৰজাগ্ৰত পহৰা—eternal vigilance দিয়াৰ গৌৰৱ কৰিব পাৰে?

অসমত বিশ্ববিদ্যালয় স্থাপন অসমীয়াৰ সাংস্কৃতিক আৰু ৰাজনৈতিক স্বাৰ্থসংৰক্ষণ আদিৰ হকে মাধৱ বেজবৰুৱাই যিখিনি বৰঙণি দি গৈছে তাৰ মূল্যাংকন কৰাৰ যোগ্যতা মোৰ সিমান নাই। অসমৰ বিশ্ববিদ্যালয় এটাৰ সম্পৰ্কে কিবা যে বৰ বেছি ব্যাপক নাইবা স্পষ্ট ধাৰণা লৈ বেজবৰুৱাই কাম কৰিছিল সেই বুলি ডাঠি কোৱাৰো উপায়

নাই। কিন্তু এই এটা প্ৰাদেশিক স্বাতন্ত্ৰ্যবোধৰ ভূষণ লাভ কৰাৰ বাবে মাধৱ বেজবৰুৱাই যি অপৰিসীম অধ্যৱসায়, যি ঐকান্তিক 'পেশ্যন' (তীব্ৰ অনুৰাগ?) নিবেদন কৰি কাম কৰিছিল সেই একনিষ্ঠতা আৰু উদ্যমেই মাধৱ বেজবৰুৱাৰ নাম অসমত উচ্চ শিক্ষাৰ প্ৰসাৰৰ লগতে ভৱিষ্যতৰ বাবেও সদায় সংযুক্ত কৰি ৰাখিব— ৰখা উচিত।

আৰু শেহান্তৰত আদৰ্শৰ বাবে, নিজৰ মনৰ অভিলাষ পৰিপূৰণৰ বাবে নিজৰ শৰীৰ আৰু শক্তিৰ ওপৰত মাধৱ বেজবৰুৱাই যি অত্যাচাৰ কৰিলে সেয়ে জীৱনৰ সম্ভাৱনা সম্পূৰ্ণ স্ফুৰণৰ মাজবাটতে এই নিৰোদত কৰ্মপ্ৰাণ ডেকাজনক মষিমূৰ কৰি পেলালে। মাধৱ বেজবৰুৱাৰ জীৱনত কতো স্থিতি দেখা পোৱা নাছিলোঁ। কতৰকম অৱস্থাত, কিমান বিভিন্ন পৰিবেশত, কেনে বেলেগ বেলেগ ধৰণেৰে যে এই মানুহজনে নিজৰ আদৰ্শৰ পাছে পাছে লৰি ফুৰা নাছিল। আজি কলিকতাৰ প্ৰাসাদোপম ঘৰৰ বিস্তাৰত, কাইলৈ গুৱাহাটী চহৰৰ এচুকত চেপ-চুপ খেৰীঘৰৰ সংকীৰ্ণতাত, পৰহিলৈ নিকদ্দেশ স্থানৰ পৰা স্থানান্তৰ পৰিক্ৰমাত—মাধৱ বেজবৰুৱাই নিজৰ চিত্ত-স্থিত এক অদৃশ্য 'ডেমন'ৰ (দৈত্য?) তাড়নাত জীৱন-মৃত্যু তুচ্ছ কৰি অনাই-বনাই ফুৰিছিল। হয়তো এটা অপৰাজেয় আশাবাদ আৰু অলৌকিক স্বপ্ন-স্বাদে ডেকাবেজ মাধৱচন্দ্ৰক সকলো ব্যৰ্থতা, সকলো পৰাজয় নেওচি কেৱল আগবাঢ়ি গৈ থাকিবলৈকে তাগিদা দিছিল। আৰু মাধৱ বেজবৰুৱাই কোনো দিনে পিছলৈ ঘূৰি চাবলৈ আহৰি নাপালে, চাবলৈ নিবিচাৰিলে:—"হি নেভাৰ লুকড বেক্" বুলি কলে ইংৰাজীত যি সফলতাৰ সঙ্কেত বুজায় সেই অৰ্থত নহয়, তেওঁ নিজে বাচি লোৱা পথৰ শুদ্ধতা সম্পৰ্কে কোনো বিফলতাই তেওঁক বিচলিত কৰিব নোৱাৰা অৰ্থত।

'ডাইনামিজম'—গতিশীলতাৰ ব্যঞ্জনা আজিকালি বহুত বেলেগ হৈছে। তথাপি মোৰ কিয় জানো মাজে মাজে মনত হয়—অসমত প্ৰকৃততে গতিশীল ক্ৰিয়াচঞ্চল, নিবেদিত জনসেৱক আৰু নেতা যি কেইজন আছিল তাৰ ভিতৰত ডেকাবেজ মাধৱ বেজবৰুৱা অন্যতম। মা-সম্পত্তি কৰাৰ কথা নাভাবি, নিজৰ স্বাৰ্থক ৰাজহুৱা স্বাৰ্থতকৈ আগ

ঠাই নিদি, হতাশা-ব্যৰ্থতালৈ কেৰেপ নকৰি এই এজন দুদিনমানৰ বাবে জীয়াই থকা ক্ষণজন্মা অসমীয়া ডেকাই যিখিনি কৰি থৈ গ'ল তাৰ কৃতজ্ঞ স্বীকৃতিস্বৰূপে কোনোবাই হয়তো কোনোবাদিনা আন একো নহলেও অন্ততঃ এখন স্মৃতি-গ্ৰন্থ যুগুত কৰিবলৈ মন মেলিব। মাধৱ বেজবৰুৱাৰ জীৱিত সহযোগী, বান্ধৱ আৰু সুহৃদে কোনোবাই অসম অসম কৰি মৃত্যু বৰণ কৰা সেই মানুহজনৰ সোঁৱৰণী হেৰাই যাবলৈ নিদি তেনে কিবা এটা কৰিব। স্বৰ্গীয় লক্ষ্মীধৰ শৰ্মাই 'ব্যৰ্থতাৰ দান' আমালৈ টেষ্টামেণ্ট (testament) ৰূপে থৈ গৈছে। ডেকাবেজ মাধৱচন্দ্ৰ বেজবৰুৱাৰ তেনে কোনো আকাৰিক স্মাৰক অৱশেষ নাই। কিন্তু তেওঁৰ জীৱনটোকে 'ব্যৰ্থতাৰ দান' হিচাপে থৈ গৈছে। সেই দানৰ প্ৰতিদান আমি অসমীয়াই এতিয়াও দিবলৈ বাকী।

অলপ লিখিব পৰা হলে। ......কিন্তু মোৰা কেইবাবছৰে মনত ৰাখিবলগীয়া চিৰ-সতেজ, চিৰ-জীৱন্ত, চিৰ-সচেতন, প্ৰখৰ, ধীৰ আৰু মেধা সমুজ্জ্বল এই মানুহ গৰাকীৰ বিষয়ে কোনো বুজন ধৰণৰ লিখা মোৰ তেনেকৈ চকুত পৰা নাই। অৱশ্যে ডেকাৰ মৃত্যুৰ অলপ পিছতে তেওঁক ওচৰৰপৰা ভালদৰে জনা, সুসাহিত্যিক শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই তেওঁৰ বিষয়ে বাস্তৱিকাকতত প্ৰবন্ধ লিখিছিল আৰু তেনে প্ৰবন্ধ পিছলৈ এখন কিতাপতো অন্তৰ্ভুক্ত হৈছে। মই যে ৺ডেকাক বৰ ভালদৰে বুজিছিলোঁ বা জানিছিলোঁ সেইটোও নহয়। কিন্তু কিয় জানো এই লেখত লবলগীয়া অসমীয়া 'ইন্টেলেক্চুৱেল' বুদ্ধিজীৱী গৰাকীৰ আৰু প্ৰতিভাৰ স্মৃতি অৱহেলা আৰু অনাদাৰত লোপ পোৱাৰ বিৰুদ্ধে যি হওক অলপ লিখিবলৈ চেষ্টা কৰাটো মোৰ একান্ত কৰ্তব্য যেন লাগি আছে।

কলেজীয়া জীৱন আৰু পিছৰ কৰ্ম তথা ব্যৱসায় তথা 'সাংসাৰিক' (?) জীৱনৰ দোমোজাত আগৰ পৰ্যায়ৰ 'আৱাহনত' যেতিয়া চিত্ৰসেন যখৰীয়া নামৰ এজন সূক্ষ্ম হাস্যৰসসম্পন্ন, বুদ্ধি-দীপ্ত, 'উইট'ৰ তিৰবিৰণিৰে চিকৃচিকীয়া, কুঠাৰ বা ব্লেজ হেমাৰৰ সলনি কটিকটা বা কটাৰীৰ দৰে পাতল, কোমল, বেপেৰে মৃদু অথচ তীক্ষ্ণ ব্যংগৰ আঘাত হনা ৰসজ্ঞ আৰু ৰসিক লিখকৰ আৱিৰ্ভাৱ হৈছিল তেতিয়া পোনে পোনেই সন্দেহ হৈছিল তেওঁ হলীৰাম ডেকাৰ বাহিৰে আইন কোনো হব নোৱাৰে। সেই সময়ৰ 'আৱাহনতে' মোৰ নিজা একে শ্ৰেণীৰ নিকৃষ্টতৰ লঘু ৰস ৰচনা প্ৰয়াস 'কনফেশ্যনচ'ত মই তেতিয়া নকৈ ওলোৱা সামাজিক বিদূষক বা Jester, ব্যংগ সমালোচক চিত্ৰসেন যখৰীয়াৰ 'যখৰীয়াইজম্'ৰ বিৰুদ্ধে 'ডন কুইক্চটে' উইও্‌মিলক জোকাবলৈ যোৱাৰ দৰে জোকাই চাবলৈ মৰসাহ কৰিছিলোঁ। মোৰ সেই ক্ষীণ প্ৰচেষ্টাই যখৰীয়াৰ ব্যংগৰ চোকা থাবৰ চোকা বা আল কিছু কমাব পাৰিছিল নে নাই, নাইবা তেওঁৰ চোকা কটাৰীৰ ধাৰ কিমান দূৰ বহুৱা কৰিব পাৰিছিল কব নোৱাৰোঁ। স্বৰ্গীয় ডেকাদেৱে এদিন যেতিয়া তেওঁৰ সেই ৺বাণী কাকতিৰ

হাঁহিটোৰ লেখীয়া দুই-চাৰিৰ ভাল লগা কিন্তু বেছি ভাগৰে কেনেবা-কেনেবা যেন লগা. বুকুলৈকে বিন্ধি যোৱা হাঁহিটো মাৰি, মোক কৈছিল—'তুমি দেখোন হেৰডকো Out-Herod কৰিবলৈ ওলালাহে!' তেতিয়াহে নিশ্চিত হলো হলীৰাম ডেকাই নিশ্চয় চিত্ৰসেন যথৰীয়া আৰু বুজিলোঁ যে ডেকাই মোৰ 'কনফেশ্যনচৰ' খোচ কেইটা হেলাৰঙে আওকাণ কৰিব পৰা নাছিল একালেদি যেনেকৈ এনে এজন বিয়াগোম ব্যক্তি সিংহক তেওঁৰ নিজা সাহিত্যিক চোতালে সুমাই এসেকা দিয়াৰ বিজয় গৌৰৱত ওফন্দি উঠিছিলোঁ, তেনেকৈ সেই মানুহজনৰ অসাধাৰণ ক্ষিপ্ৰ মনটোৰ ওচৰত মূৰ দোঁৱাবলৈকে বাধ্য হৈছিলোঁ। অথচ এনে এজন 'ব্ৰিলিয়ান্ট' সম্মোহিনী ব্যক্তিৰ বিষয়ে আমাৰ মাজত হেনে কোনো কৌতূহল বা আগ্ৰহ তেনেকৈ দেখা নগৈছিল।

আমাৰ ডেকা কালত দুজন তীক্ষ্ণধী অসমীয়াৰ বুদ্ধিমত্তা আৰু ব্যক্তিত্বই আমাৰ পুৰুষটোক বৰকৈ অভিভূত কৰিছিল। এজন আছিল লক্ষ্মীধৰ শৰ্মা আৰু আনজন আছিল হলীৰাম ডেকা। বাণী কান্ত কাকতি, সূৰ্য্য কুমাৰ ভূঞা আৰু হিৰণ্য চন্দ্ৰ ভূঞাই (লগতে শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ নামো লব লাগিব) অসমৰ academic বা বিশ্ববিদ্যালয়ী জীৱনৰ শিখৰত উঠি যাইকৈ ছাত্ৰসকলৰ মনোৰাজ্যত বিস্তাৰ কৰা প্ৰভাৱতকৈ এই দুজন 'আউট-চাইডৰ' অৰ্থাৎ academe বাহিৰৰ লোকৰ সেই সময়ৰ শিক্ষিত ডেকাচামৰ ওপৰত পৰা প্ৰভাৱ এক হিচাপে অধিক চমকপ্ৰদ আছিল। কিয়নো সেই পুৰুষৰ সৈতে সৰহভাগেই কোনো ধৰণৰ প্ৰত্যক্ষ সম্বন্ধ লৈ আহিবলৈ নোপোৱাকৈয়ে তেওঁলোক দুয়ো আঁতৰৰপৰাই নিজ প্ৰতিভাৰ যাদুবলতে আমাৰ সমাজৰ প্ৰথম শাৰীৰ বুদ্ধি-জীৱীৰূপে নিজক প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল।

ত্ৰিশৰ দশকৰ প্ৰথম কেইবছৰৰ 'আৱাহন'বোৰৰ কথা মনত পেলালে নিজ নামৰ পিছত 'এম.এ.,বি.এল' বুলি লিখা এই দুগৰাকী স্থানীয় আইনজীৱী যোগ কথাসাহিত্যিকৰ গল্পবিলাকৰ শৈলী, গাঁথনি,

সামাজিক 'মেজাজ' আৰু ভংগীৰ সাদৃশ্যৰ কথাও একেলগে মনলৈ আহে। লক্ষ্মীধৰ শৰ্মাৰ ৰচনা কিঞ্চিৎ গধুৰ আৰু গহীন আছিল আৰু তাত 'হিউমাৰ' বা ৰসালাপৰ সিমান প্ৰাচুৰ্ভাৱ নাছিল যিমান আছিল সেই স্মিতহাস মানুহ গৰাকীৰ কথাত হৃদয়গ্ৰাহী বক্তৃতাত আৰু তেওঁৰ বহল ব্যক্তিগত 'সংস্কৃতিত'। কিন্তু হলীৰাম ডেকাৰ চোকা হাস্যৰস আৰু বুদ্ধিদীপ্ত কৌতুকোজ্জ্বল ৰচনা আৰু ৰসালাপত তেওঁৰ লৈতে ফেৰ মৰা সামৰ্থ্য শৰ্মাৰ নাছিল। লক্ষ্মীধৰ শৰ্মাৰ দৰে হলীৰাম ডেকাকো সম্ভৱ অসমীয়াৰ মানসিক জীৱনৰ বিবৰ্তনৰ এক 'transitional' স্তৰৰ অন্যতম বুদ্ধিজীৱী বুলি আখ্যা দিব পাৰি,—যিসকল পিছৰ পঞ্চম-ষষ্ঠ দশকৰ নাইবা আজিৰ 'ইন্টেলেকচুৱেল' বুদ্ধিজীৱীৰ প্ৰকৃত পূৰ্বসূৰী, যিসকল বিশ্ববিদ্যালয়ৰ অধ্যাপক বা পণ্ডিতম্মন্য নাছিল কিন্তু প্ৰকৃতাৰ্থত বৌদ্ধিক আছিল। এই প্ৰসংগত 'আৱাহন' যুগৰে স্বৰ্গীয় মহীচন্দ্ৰ বৰা আৰু শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীৰ নামো উল্লেখযোগ্য।

হলীৰাম ডেকাক বাজহুৱাভাৱে মনত পেলাবলৈ হলে যে কথা-সাহিত্যিক ৰস-সাহিত্যিক বা 'হিউমাৰিষ্ট' বা 'conversationalist' বুলি নাইবা অসমৰ এজন আগশাৰীৰ আইনজীৱী আৰু বিশিষ্ট বিচাৰপতি বুলিহে মনত পেলাব লাগিব তাত সন্দেহ নাই। কিন্তু মোৰ ব্যক্তিগত স্মৃতিত জীৱন্ত হৈ থকা ডেকাজন সেইজন নহয়। হলীৰাম ডেকাক মই পাহৰিব নোৱাৰোঁ তেওঁৰ ব্যক্তিত্বৰ দুৰ্লভ আকৰ্ষণীয়তা, তেওঁৰ 'expansive' ফেৰ-মেলা, বিস্তাৰ প্ৰগ্ৰহণ, ৰসাৰ্দ্ৰ সংগপ্ৰিয় মনটোৰ বাবে, আমোদ ভৰা ৰসাল কথোপকথনৰ বাবে আৰু বয়সতো অকণো পোতোকা নপৰা, মামৰে নধৰা তেওঁৰ মৌলিক, স্বকীয় শাণিত উইট আৰু বাক্যবাণৰ বাবে, আৰু তেওঁৰ সৰ্বগ্ৰাহী উদাৰ 'কেথলিক' মাৰ্জিত ৰুচিবোধৰ বাবে।

১৯২৪-৩০ চনৰ (?) পিনে ৺ডেকাই যেতিয়া কলিকতা হাইকৰ্টত পোনতে আইন ব্যৱসায় আৰম্ভ কৰিছিল তেতিয়াৰ কথা সিমান নাজানো। কিন্তু পিছত ১৯৩৯-৪০ চন মানত উত্তৰ কলিকতাৰ

বিবেকানন্দ ৰোড আৰু মাণিকতলাৰ সংগম স্থলৰ ঘৰটোত বাস কৰা ডেকাজনৰ আকৰ্ষণ আন বহুতৰ দৰে মোৰ বাবেও এক প্ৰকাৰ দুৰ্নিবাৰ—'ইৰেজিষ্টিবল' হৈ পৰিছিল। একাধাৰে একে সময়তে অতি ৰসাল কথাৰ থুন্থুপাক মেলিব পৰা আৰু গভীৰ চিন্তাৰ জ্যোতি বিকীৰণ কৰিব পৰা সেইজন হলীৰাম ডেকাক পাহৰি যোৱা সহজ নহয়। কলেজত পঢ়োঁতে বিহগী কবিৰ এখন কবিতাৰ পাঠ্য পুথিৰ ডেকাই বাণীকান্ত কাকতীৰ ঠাঁচত লিখা 'পাতনি' নে 'ভূমিকা' পঢ়ি তেওঁৰ বিষয়ে যিটো ধাৰণা হৈছিল তাৰ বিপৰীতে এজন প্ৰাণৱন্ত কুশাগ্ৰ বুদ্ধি মানুহৰ সৈতে কলিকতাত চিনাকি হৈছিলোঁ আৰু তেওঁৰ এই পৰিচয়টো ডেকাৰ পৰৱৰ্তী জীৱনৰ উচ্চতম চৰকাৰী মৰ্যাদা সম্পন্ন সুদীৰ্ঘ সময় ভেদ কৰি আজিকোপতি মোৰ মনত জিলিকি আছে। হলীৰাম ডেকাৰ ৰাজহুৱা স্বীকৃতি আৰু প্ৰসিদ্ধিৰ দীঘলীয়া কালছোৱা মোৰ আৰু তেওঁৰ সংস্পৰ্শৰ আন্ধাৰ পৰ্ব, কাৰণ সেই সময়ছোৱাত নিজৰ ঘৰৰ বাহিৰে আন ঠাইত বা বাটে-ঘাটে মেল মাৰি থকা তেওঁৰ পক্ষে সম্ভৱ নাছিল আৰুময়ো বিচাৰপতি ডেকাৰ বাসভৱনলৈ গৈ আগৰ দৰে 'আড্ডা মৰা' বা আলাপ কৰাৰ কথা স্বাভাৱিকতে ভাবিব পৰা নাছিলোঁ। 'আৱাহনৰ' বহুতো যুগমীয়া বাচকবনীয়া গল্পৰ লিখক হলীৰাম ডেকাৰ প্ৰতি মোৰ প্ৰৱল আকৰ্ষণ তেতিয়াও অটুট আছিল যদিও বৰ্ণবস—চঞ্চল ডেকা ব্যক্তিজনৰ প্ৰতি মোৰ আকৰ্ষণ তেখেতৰ পিছ জীৱনৰ বেলেগ পৰিস্থিতিৰ অন্যান্য বিবেচনাৰে কিছু পৰিমাণে ভেজাল বা diluted নোহোৱাকৈ নাছিল।

কিন্তু চিত্ৰসেন বৰুৱীয়া ৰূপী হলীৰাম ডেকাৰ সাহিত্যিক আত্মপ্ৰকাশে মোক আটাইতকৈ বেছি মুগ্ধ আৰু চমৎকৃত কৰি আহিছে। হলীৰাম ডেকাৰ সকলোবোৰ গল্প, সকলো প্ৰৱন্ধ নাইবা ৰস ৰচনাৰ ভিতৰত অসম সাহিত্য সভাৰ কোনো এক বছৰেকীয়া অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰূপে দিয়া আপেক্ষিকভাৱে চুটি এখন অভিভাষণৰ সোৱাদ মই এতিয়াও পাহৰিব পৰা নাই।

বহুত অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ পঢ়িছোঁ ; কিন্তু এনে হৃদয়গ্ৰাহী, মনোৰঞ্জক, প্ৰাঞ্জল অথচ ভাব-মধুৰ ভাষণ মই কমেই পঢ়িবলৈ পাইছোঁ। অভিভাষণ হিচাপে এইখন আছিল 'suigeneris' একক।

সুদীৰ্ঘ কলিকতা অৱস্থানৰ অন্তত যেতিয়া বহু বছৰৰ মূৰত স্বৰ্গীয় ডেকা অসমলৈ ঘূৰি আহিল আৰু ৰাজ্যৰ বিচাৰ বিভাগীয় 'হায়াৰাৰ্কি'ৰ জখলাত এখোপৰপৰা আনখোপলৈ দ্ৰুতগতিৰে উঠি গৈ শেষত গুৱাহাটী উচ্চন্যায়ালয়ৰ সৰ্ব প্ৰথম অসমীয়া মুখ্য বিচাৰপতিৰূপে সন্মানৰ উৰ্ধতম শিখৰত আৰোহণ কৰি ৰাউতিযুগীয়া খ্যাতি আৰ্জিলে—তেতিয়ালৈকে বহু বছৰ তেওঁৰ চহকী ব্যক্তিত্বৰ বৈশিষ্ট্য আৰু প্ৰতিভাৰ বিশেষত্বই মোক প্ৰবলভাৱে প্ৰভাৱিত কৰি আহিছে।

সাহিত্যিক হিচাপে হলীৰাম ডেকাৰ যোগ্য ঠাই নিৰ্ণয় কৰাৰ যোগ্যতা মোৰ বৰ নাই। তদুপৰি, মোৰ বোধেৰে, স্বৰ্গীয় ডেকাই এনে কোনো এলানি সংবদ্ধ লিখনী এৰি যোৱা নাই যাৰ ওপৰত ভিত্তি কৰি তেওঁৰ সাহিত্যিক প্ৰতিভাৰ যথাৰ্থ মূল্যাংকণৰ সাৰ্থক প্ৰয়াস হব পাৰে কিন্তু এটা কথা মনতে অনুভৱ কৰি আহিছোঁ যে সৰহ পৰিমাণে লিখাৰ আহৰি নাপালেও হলীৰাম ডেকাৰ আছিল এটা অতি সুপৰিপুষ্ট অধ্যয়ন-সমৃদ্ধ, সু-স্পষ্ট সাহিত্যিক দৰ্শন, আৰু আছিল কৃতিত্বপূৰ্ণ সাহিত্যকৰ্মৰ প্ৰতি এক সহজাত গভীৰ অনুৰাগ আৰু উদাৰ স্বীকৃতি। বয়সত আগবাঢ়ি যোৱা সত্বেও ডেকাৰ মানসিক ক্ৰিয়া প্ৰতিক্ৰিয়াৰ সজীৱতা আৰু গতিশীলতাৰ আজীৱন কোনো হেৰফেৰ হোৱা নাছিল নাইবা তেওঁ মনেৰে কোনোদিন বুঢ়া হোৱা নাছিল, কোনো সময়তে বয়সৰ অজুহাত দেখুৱাই ডেকাই নিৰুত্তাপ উদাসীনতা নাইবা পলায়নবাদী নিষ্ক্ৰিয় 'বিলাজিয়চিটি'ত আশ্ৰয় লোৱাৰ চেষ্টা কৰা নাছিল, যিটো অসমীয়া সাহিত্যৰ ৰথী-মহাৰথীসকলৰ বহুতেই পঞ্চাশোৰ্ধৰ পিছতে কৰা দেখা যায়। আদিৰেপৰা অন্তলৈকে হলীৰাম ডেকা বাহিৰত নহলেও ভিতৰি ভিতৰি

আধুনিক হৈ থাকিল— সময়ৰ পৰিবৰ্তন আৰু প্ৰত্যাহ্বানৰ প্ৰতি সময়োচিত সঁহাৰি জনোৱাত তেওঁ কোনোদিন পশ্চাৎপদ নহ'ল। মোৰ বোধেৰে হলীৰাম ডেকা সেইসকল বিশিষ্ট সাহিত্যিকৰ এজন যি নিজে বিশেষ কোনো বৃজন অবিহণা আগ নবঢ়োৱাকৈয়ে এক নতুন সাহিত্যদৃষ্টিৰ পথ মুকলি কৰিব পাৰে, এটাম প্ৰতিভাশালী লোকৰ অনাৱিষ্কৃত প্ৰতিভাৰ সঞ্জীৱনী স্পৰ্শেৰে সঞ্জীৱিত আৰু আলোড়িত কৰি তুলিব পাৰে। নতুন প্ৰতিভা বিচাৰি উলিওৱা, উল্লেখনীয় বৈশিষ্ট্য উপলব্ধি কৰা আৰু বিশেষকৈ ডেকাসকলক কৰ্মমুখী স্বাস্থ্যকৰ, দেশহিতৈষী চেতনাৰে উদ্বুদ্ধ কৰিব পৰা ডেকাৰ এক অলৌকিক uncanny ক্ষমতা আছিল।

ডেকাই লিখা কিতাপৰ সংখ্যা আঙুলি মূৰত লেখিব পৰা। কিন্তু প্ৰত্যেকখন পুথিয়েই আছিল এক এক স্বকীয় সোৱাদৰ বস্তু। চিত্ৰসেন ৰথবীয়াৰ 'আত্ম-বিবৃতি' হয়তো অতিপাত ব্যক্তিগত আৰু 'টপিকেল' আছিল—যি কেইটা গুণ বা দোষে সাংবাদিকৰ ক্ষেত্ৰত হলেও সাহিত্যৰ ক্ষেত্ৰত সাধাৰণতকৈ স্থায়ী মূল্য নাপায়। তথাপি 'আৱাহন'ত ওলোৱা সেই ৰচনাখিনিৰ সৌন্দৰ্য, শৈলী, সম্পদ আৰু আবেদন এনে এক উচ্চ ৰসবোধেৰে স্পন্দিত আৰু অন্তৰ্দৃষ্টিৰে আলোকিত হৈছিল যে সংগৃহীত হৈ গ্ৰন্থৰ আকাৰে প্ৰকাশিত হোৱা হলে কিজানি বঙলা 'বীৰবল' বা পৰশুৰামৰ দৰে দৰকাৰী, আলাপী, 'মজলিচি' লিখকৰ যশস্যা ডেকাৰো লাভ হ'লহেঁতেন। পিছৰ কথোপকথন ভংগীত লিখা যৎকিঞ্চিৎ বোলা অকণমান পুথিখন তেওঁৰ আগৰ চুটি গল্পবোৰ আৰু মাজৰ 'অকণালৈ চিঠি' আৰু 'অলকালৈ চিঠি' প্ৰভৃতি ডেকাৰ প্ৰত্যেকটো সাহিত্য কৰ্ম একাধিক অৰ্থত নতুন আৰু ব্যতিক্ৰম আছিল।

স্বৰ্গীয় ডেকাৰ সাহিত্য কৰ্মৰ এটা দিশৰ প্ৰতি কিছু অপ্ৰিয় হলেও সত্যৰ খাতিৰত উলিকিওৱা দৰ্কাৰ যেন পাওঁ। তেওঁৰ লিখাত এটা উগ্ৰ যৌন-চেতনা, প্ৰণয়-ঘটিত কাণ্ডৰ প্ৰতি দুৰ্বলতা আৰু আদি ৰসৰ প্ৰতি অহৈতুক আসক্তি থকা সন্দেহ নকৰি নোৱাৰি। ই দুৰ্বলতাই নঁচা—

কিন্তু সময়ৰ পৰিপ্ৰেক্ষিতত চালে হয়তো দুৰ্বলতা নহয়ও। যি হওক সেয়ে মানুহজনৰ ৰচনাখিনিত এনে এটা অন্তৰংগতা আৰু অকপট মুক্ততা দিছে যে তাৰ প্ৰসাদত তেওঁৰ অৰিহণাখিনি তত্ত্ব-বহুল নহলেও উপভোগ্য আৰু ৰমণীয় হব পাৰিছে। ডেকাৰ ৰসিকতা, বৌদ্ধিকতা আৰু ভণ্ডামি বা 'Humbug'ৰপৰা সম্পূৰ্ণ মুক্তিয়ে অসমীয়া সাহিত্যত এটা নতুন 'ডাইমেনশ্যন' যোগ দিছিল।

তথাপি হলীৰাম ডেকা মানুহজনৰ সান্নিধ্যলৈ নহাকৈ, তেওঁৰ লৈতে কথা নপতাকৈ, তেওঁ হাঁহি হাঁহি মৰা বাক্য-বাণ আৰু নিৰ্দোষ বিদ্ৰূপৰ ভুক্তভোগী নোহোৱাকৈ, কেইখনমান ৰচনাৰ জৰিয়তে হলীৰাম ডেকাক জুখি চাব নোৱাৰি আৰু তেনে কৰিবলৈ যোৱাটো যুক্তি সংগতো নহব। প্ৰকৃতাৰ্থত হলীৰাম ডেকাৰ কীৰ্ত্তিতকৈ তেওঁ মানুহজনৰ প্ৰশস্ত, ঘনিষ্ঠ, বিপুল আৰু গভীৰ জীৱন উপভোগৰ ক্ষমতাহে অধিক তাৎপৰ্যপূৰ্ণ।

ব্যৱহাৰজীৱী বা বিচাৰপতি হিচাপে হলীৰাম ডেকা কেনে আছিল সেই বিষয়ে মাত মতাৰ অৰ্হতা মোৰ নাই যদিও 'মিষ্টাৰ জাষ্টিচ' হলীৰাম ডেকাৰ কথা স্মৰণ কৰোঁতে তেওঁৰ সমসাময়িক ভাৰতৰ অন্যতম বিশিষ্ট আইনজ্ঞ তথা জুৰিষ্ট স্বৰ্গীয় ড' ৰাধাবিনোদ পালে ডেকাৰ ওকালতি জীৱনৰ আৰম্ভতে নিজেই তেওঁ ভৱিষ্যতলৈ হাইকৰ্টৰ বিচাৰপতি হোৱাটো অৱশ্যম্ভাৱী বুলি ভৱিষ্যৎ বাণী কৰাৰপৰাই বুজিব পাৰি যে সেই ক্ষেত্ৰতো ডেকাৰ প্ৰতিষ্ঠা সমসাময়িক সকলতকৈ কোনো গুণে কম নাছিল। তাৰ বাহিৰেও এই বুলি ভাবিয়েই ৰং লাগে যে—"হিয়াৰ ওৱাজ্ এ প্ৰভোকেটিভ, অলমোষ্ট পাগ্‌নেচিয়াচ লিগেল লিউমিনেৰী হু ওৱাজ অলচো এ লিটেৰেৰী এনজেল।" আমাৰ আইন জগতৰ কেবাগৰাকীও ৰসিক, বৰ্ণাঢ্য, বৈচিত্ৰ্যপূৰ্ণ দিকপালৰ লৈতে ডেকা একে লগে স্মৰণযোগ্য।

"প্ৰভকেটিভ আৰু পাগনেচিয়াচ—জোকাই লোৱা আৰু সদায় যুঁজ কৰিবলৈ বিচাৰি ফুৰা—এই দুটা ইংৰাজী শব্দৰ মাজতে হলীৰাম ডেকাৰ চৰিত্ৰৰ প্ৰায় সম্পূৰ্ণ পৰিচয় এটি ধৰা পৰে। কি সাহিত্য, কি আইন

সকলোতে ডেকা আছিল বিতর্ক সৃষ্টিকাৰী সজীৱ ক্ৰিয়াশীল, সদা-জাগ্ৰত, সদা-সতৰ্ক। আইনজীৱীৰ 'gift of the gab' বা মুখৰ বল ডেকাৰ যেনেকৈ আছিল তেনেকৈ আছিল বিচাৰকৰ যোগ্য দূৰদৃষ্টি, উদাৰতা, অন্তদৃষ্টি, সহানুভূতি আৰু ন্যায়-নিষ্ঠা। অখ্যাত আৰম্ভণিৰপ'া নিজৰ প্ৰতিভা আৰু অধ্যৱসায়ৰ বলেৰে সামাজিক সোপানৰ শীৰ্ষতম স্থানত নিজক প্ৰতিষ্ঠিত কৰিব পৰা ডেকাৰ নিচিনা বিশিষ্ট ব্যক্তি আমাৰ মাজত কেইজন ওলাব? এনে এজন প্ৰতিভাধৰ অসমীয়াৰ প্ৰতি অসমৰ সাৰস্বত সমাজে উচিত মতে ঋণ পৰিশোধ কৰিবলৈ এতিয়াও বাকী আছে যেন লাগে।

ডেকাৰ অন্যতম সম-সাময়িক ড° বাণীকান্ত কাকতী আমাৰ শিক্ষিত সমাজত বিদগ্ধ পণ্ডিতৰূপে এক সাধুকথা বা কীংবদন্তীত পৰিণত হলেও সৰহভাগৰে বাবে 'চিনিক' বুলি থকা তেওঁৰ পৰিচয়টো কম জনাজাত নহয়। স্বৰ্গীয় হলীৰাম ডেকা কাকতিৰ দৰে পণ্ডিত ঠিক নাছিল যদিও ডেকা এজন আগশাৰীৰ বুদ্ধিজীৱী আছিল, বৌদ্ধিক আছিল আৰু তেওঁৰো 'চিনিক' বোলা সুনাম বা দুৰ্ণাম দুৰ্ণাম ড° কাকতীতকৈ কম নাছিল। কিন্তু মোৰ বোধেৰে উত্তৰ পুৰুষৰ বাবে স্বৰ্গীয় হলীৰাম ডেকাৰ যিটো পৰিচয় এটাইতকৈ উচিত পৰিচয় সি হ'ল— 'gadfly' বা ডাঁহ বা গৰু ম'হৰ গাত বিন্ধি জ্বালাতন কৰা বৰমাখি-ৰূপে। পশ্চিমীয়া দেশত পণ্ডিত নহৈয়ো বৌদ্ধিক জগতত কেৱল 'gadfly' হৈয়ো অনেক মেধাৱী লোকে প্ৰসিদ্ধি আৰু প্ৰতিষ্ঠা লাভ কৰে। মোৰ বোধেৰে স্বৰ্গীয় হলীৰাম ডেকা আছিল আধুনিক অসমৰ বৌদ্ধিক জগতৰ তেনে এগৰাকী অনুকৰণীয়, স্মৰণীয় 'gadfly'।

# সৎসংগৰ সোঁৱৰণী

১৯৭৩ চনৰ জানুৱাৰী মাহৰ তিনি তাৰিখে বাতিপুৱা গুৱাহাটীৰ অসমীয়া দৈনিকখন মেলি লওঁতেই পোনতে চকুত পৰিছিল সাহিত্য একাডেমীৰ বঁটা লাভ কৰা সৰহৰবহী কথা-সাহিত্যিক চৈয়দ আব্দুল মালিকৰ প্ৰতিকৃতিটোও। অতিশয় আদৰৰ এজন লিখকে আগতেই পাবলগীয়া স্বীকৃতিখিনি ইমানতে পোৱাত অন্তৰ আনন্দৰে ভৰি পৰিছিল। সেই মুহূৰ্তত ভবা নাছিলোঁ সেই একেটা পাতৰে আনহাতে আছে এটা গভীৰ বেদনাৰ বাতৰি আৰু তাৰ দুদিন পূৰ্বে নৱবৰ্ষৰ প্ৰথম দিনতে চৰম আঘাত দি চিৰকাললৈ আতৰি যোৱা এজন পৰম সুহৃদৰ মুখখনিৰ করুণ ছবি। সদাহাস্যময়, মৃদুভাষী, সদালাপী গুৰু, শান্তিৰ প্ৰতিমূৰ্তি, সৰবৰহী, পৰোপকাৰী হৰেন্দ্ৰনাথ কলিতা আৰু আমাৰ মাজত নাই। এই গুৱাহাটী নগৰীৰে এমূৰে দুনিশাৰ আগতে কলিতাই শেষ নিশ্বাস পেলোৱা খবৰটো কিয় ইমান পলমকৈ পালোঁ, তাকে ভাবি নিজক বৰ দোষী দোষী যেন লাগিছিল।

হৰেন কলিতাৰ বিয়োগৰ বাতৰিলৈ কাকতে-পত্ৰে শোক বাৰ্তা বা শ্ৰদ্ধাঞ্জলিৰ জাউৰি উঠা নাই নৈচা, মোৰ কিন্তু অকণো সংশয় নাই এই জন মানুহৰ হানিয়ে বহুতৰে মন কেবাটাও দশকৰ পিছলৈ ঘূৰাই নিব, অনেকৰ অন্তৰত অসীম আবেগিক শূন্যতাৰ সৃষ্টি কৰিব।

কলিতাই বাছকবনীয়া জনপ্ৰিয় বিজ্ঞান বিষয়ক পুথি লিখি কেন্দ্ৰীয় চৰকাৰৰ পুৰস্কাৰ লাভ কৰিছিল; তেওঁ অতীতৰ 'আৱাহন যুগৰ' এজন অধুনা নীৰৱ উজ্জ্বল সাক্ষীৰূপে ১৯৭২ চনৰ শেষ দিনটোলৈকে আমাৰ মাজত জিলিকি আছিল; স্বৰ্গীয় নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, স্বৰ্গীয় হলীৰাম ডেকা, স্বৰ্গীয় বিৰিঞ্চি কুমাৰ বৰুৱা, স্বৰ্গীয় মাধৱ চন্দ্ৰ বেজবৰুৱা প্ৰমুখ্যে আধুনিক অসমীয়া সাহিত্য-সংস্কৃতিৰ ভালেকেইগৰাকী স্মৰণীয় সেৱকৰ সৈতে আধুনিক অসমৰ যোগসূত্ৰডাল নিছিগাকৈ ৰাখি আছিল।

কলিতাই গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা তথা অসমীয়া ভাষা সাহিত্যৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। এই সকলোবোৰ আৰু ইয়াৰ উপৰিও আন বহুতো কৃতিত্বৰ তেওঁ অধিকাৰী আছিল।

কিন্তু মোৰ বোধেৰে কলিতাৰ এইবিলাক কৃতিত্বতকৈ ডাঙৰ পৰিচয় আছিল এই বুলি যে হৰেন কলিতাই সুদীৰ্ঘ কাল কলিকতা মহানগৰীত বাস কৰি তেওঁ শেষলৈ গুৱাহাটীলৈ গুচি অহাৰ আগলৈকে প্ৰায় তিনি-টামান দশক জুৰি কলিকতাত তথা বহিঃঅসমত, অসমৰ একপ্ৰকাৰ 'আনঅফিচিয়েল' বে-চৰকাৰী সাংস্কৃতিক ৰাষ্ট্ৰদূত—'এম্বেচেডৰ' স্বৰূপ আছিল।

এটা দিন আছিল যেতিয়া কলিকতা প্ৰবাসী অসমীয়া বুলিলে হৰেন কলিতাৰ নাম নোলোৱাকৈ থকা কমেই আছিল। কিছুমান বছৰ ধৰি কিমান অসমৰ উৎসীয়া আলহীয়ে যে কলিকতা মহানগৰীত কেবা-দশকো থকা অসমৰ নিগাজী আলহী, অসমীয়াৰ সততে সহায়ক, হৰেন কলিতাৰ গৃহস্থ (হোষ্ট) সুলভ আতিথেয়তা আৰু আদৰ-যত্নৰ ভাগ পাইছিল তাৰ সোঁৱৰণী তেওঁৰ সান্নিধ্যলৈ অহা অসংখ্যজনৰ অন্তৰত নিঃসন্দেহে মছিব নোৱাৰাকৈ অংকিত হৈ থাকিব। ৺ডেকাফুকন মহেন্দ্ৰনাথে যেনেকৈ এসময়ত কলিকতা মহানগৰীত অসমীয়া সংস্কৃতিৰ বিজয় পতাকা উৰুৱাই বংগীয় সমাজত লাচিত বৰফুকন, শংকৰদেৱৰ ঐতিহ্যবাহী অসমীয়াৰ প্ৰতি এক শ্ৰদ্ধাকৰ সমীহৰ ভাব জাগৰূক কৰি ৰাখিছিল সেইদৰে স্বৰ্গীয় হৰেন কলিতায়ো প্ৰত্যেকজন কলিকতা প্ৰবাসী অসমীয়াৰ মনত এক প্ৰবল আশ্বাস, আত্ম-বিশ্বাস আৰু সংগীবহুলতাৰ ভাব সঞ্চাৰ কৰিছিল।

মনে প্ৰাণে ৰোমাণ্টিক প্ৰকৃতিৰ কলিতাই আগডোখৰত যি কেইটা ৰোমাণ্টিক প্ৰেমৰ গল্প লিখিছিল, সেই কেইটা ক্ৰান্তি কালৰ পিছত এতিয়ালৈ সিমান বাহুকৰনীয়া যেন নেলাগিলেও সেই সময়ৰ পৰিপ্ৰে-ক্ষিতত প্ৰকাশৰ সাহসিকতা আৰু স্বাভাৱিকতাৰ গুণত সেই গল্প সমূহে কলিতাক অসমীয়া ৰোমাণ্টিক গল্পকাৰসকলৰ ভিতৰত এটুকুৰা

আচুতীয়া ঠাইৰ অধিকাৰী কৰি থৈছে। ৺হলিৰাম ডেকা, শ্ৰীত্ৰৈলোক্য গোস্বামী, ৰমা দাস, শ্ৰীগোবিন্দ পৈৰা, শ্ৰীকৃষ্ণ ভূঞা, শ্ৰীহৰিপ্ৰসাদ গোৰ্খাবায় প্ৰভৃতিয়ে গৰকি যোৱা বাটেদি গৈ কলিতাই যি কেইটা গল্প লিখিছিল সেই গল্প কেইটাৰ নতুন সোৱাদ 'আৱাহন' যুগৰ সৈতে জড়িত পঢ়ুৱৈসকলৰ বাবে পাহৰিব নোৱৰা হৈ আছে। একেটা প্ৰসংগতে দশক চেৰেকৰ আগতে কলিকতালৈ যোৱা সৰহভাগ অসমীয়াৰ মক্কাস্বৰূপ হৈ পৰা "আইডিয়েল হ'ম" আৰু তাৰ সৈতে কলিতাৰ সুদীৰ্ঘ একাত্মীয়তাৰ কথা মনত নেপেলাই নোৱাৰি। এটা সময়ত কলিতা নিগাজীকৈ থকা বাবেই "আইডিয়েল হ'ম" কলিকতালৈ যোৱা অসমীয়া ছাত্ৰৰ প্ৰধান আকৰ্ষণ স্বৰূপ হৈ পৰিছিল,— প্ৰবাসী অসমীয়াৰ আদৰ্শ চোং বা বাহলৈ ৰূপান্তৰিত হৈছিল। কলিতাৰ অতিথি সৎকাৰ প্ৰৱণতা আৰু অন্তৰংগতাৰ গুণতে তেওঁৰ সাহিত্য স্পৃহাক কেন্দ্ৰ কৰি এই শতিকাৰ চাৰি-পাঁচ দশকৰ "আইডিয়েল হ'ম" বহুত দিনেদি তাহানিৰ আমহাৰ্ষ্ট ষ্ট্ৰীটৰ "আসাম মেছ'ৰ লেখীয়া কলিকতা প্ৰবাসী অসমীয়াৰ সংস্কৃতি কেন্দ্ৰ হৈ উঠিছিল বুলি কলেও ভুল কোৱা নহব।

দেশ বিভাজনৰ আগৰ শিয়ালদহ ৰেলষ্টেচনত কোনোবা অসমীয়া যাত্ৰী পালে আদৰি লৈ যোৱাৰপৰা, "আইডিয়েল হ'ম"তে সৰহভাগ ওচৰতে লাগি থাকি সকলো প্ৰকাৰে সেৱা-শুশ্ৰূষা কৰা হৰেন কলিতাৰ সোঁৱৰণী যেনেকৈ অতি মধুৰ তেনেকৈ হঠাৎ অকস্মাতে এৰি গুচি যোৱাটো বৰ্ণনাতীতভাৱে নিষ্ঠুৰ আৰু নিদাৰুণ। সুদীৰ্ঘ কাল কলিকতাত থকাৰ অন্তত গুৱাহাটী বিশ্ববিদ্যালয়ৰ হোষ্টেলক কৰ্ম কেন্দ্ৰ কৰি লৈ গুৱাহাটীত থকা হৰেন কলিতাজন ঠিক তাহানিৰ কলিকতীয়া কলিতা যেন কিমানৰ লাগিছিল নাজানো, মোৰ কিন্তু নালাগিছিল। বহুত সময়ত ভাব হৈছিল প্ৰবাসত কলিতাৰ যি অবৰ্ণনীয় চুম্বক শক্তি আছিল স্বদেশত স্বজনৰ মাজত সেই শক্তি যেন বহু পৰিমাণে স্তিমিত হৈ গৈছে। কিন্তু তাৰ বাবে জগৰীয়া হৰেন কলিতা ব্যক্তিগৰাকী নাছিল আছিল সময়, জীৱন যুদ্ধ আৰু পৰিৱেশ।

গুৱাহাটীলৈ অহাৰ পিচত জীৱন যুদ্ধৰ কঠোৰতা আৰু অৱসাদে তেওঁক হয়তো বহু সময়তে গ্ৰাস কৰি পেলাবলৈ বিচাৰিছিল। তথাপিও সেই সহজ-সৰল স্পৰ্শকাতৰ, সুৰুচিসম্পন্ন কলিতা মানুহজন প্ৰকৃততে একেই আছিল।

যেতিয়াই তেওঁক লগ পোৱা গৈছিল হাঁহি মুখেৰে লগ পোৱা গৈছিল; সদায় কিবা এটা নহয় কিবা এটা ফলদায়ক কামতেই তেওঁ আজৰি সময়খিনি কামত লগাইছিল। গুৱাহাটীৰ কোনো সাহিত্য-সংস্কৃতি সম্পৰ্কীয় অনুষ্ঠানত, কোনো মহৎলোকৰ স্মৃতি সভাত, কোনো সাকৰা স্পন্দিত মধুৰ আলাপ আলোচনাত হৰেন কলিতাক অনুপস্থিত দেখা নগৈছিল। পশ্চিমমুৰৰ ভৰলুমুখ কুমাৰপাৰাবপৰা কলিতাই নগৰৰ মাজ মজিয়াত অৱস্থিত অসম সাহিত্য সভাৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত সকলো পতাকা উত্তোলন অনুষ্ঠানত পোহৰি পুৱাই আহি সময়তে যোগ দিছিল। গুৱাহাটীত তেওঁ থকা কেইবছৰত হোৱা প্ৰত্যেকজন বৰেণ্য ব্যক্তিৰ পৰলোকৰ সংক্ৰান্ত শৱ-যাত্ৰাত কলিতা অনিবাৰ্যভাৱে উপস্থিত থাকিছিল। প্ৰায়ভাগেই তেওঁ খোজ কাঢ়িয়েই আহিছিল, খোজ কাঢ়িয়ে গৈছিল।

জীৱনত কলিতাই সুখৰ মুখ যেনেকৈ দেখিছিল, দুখৰ মুখো তেনেকৈ দেখিছিল। কিন্তু কোনোদিন তেওঁক মন মৰা যেন দেখা নাছিলোঁ, কোনোদিনা কাৰোবাক কিবা প্ৰকাৰে সহায় কৰাৰপৰা বিৰত থকা নেদেখিছিলোঁ, কোনোদিন অদৃষ্টৰ কথা কোৱা শুনা নাছিলোঁ, অৱস্থাৰ বিপৰ্যয়ৰ বাবে ঈশ্বৰ বা সংসাৰৰ ওপৰত অভিযোগ কৰা শুনা নাছিলোঁ। আশাসুধীয়া, নিষ্ঠাবান, নিৰ্মলচিত্ত জীৱন-পৰিব্ৰাজক হিচাপে হৰেন কলিতাই নিজৰ কোনো কৰ্তব্য-ফলৰ কোনো আশাত মুভুক্ষি নিৰাসক্ত-ভাৱে কৰি গৈছিল। তেওঁ আছিল নীৰৱ অনলস সাধনাৰ এক মূৰ্ত প্ৰতীক।

হৰেন কলিতাক প্ৰায়বোৰ সাহিত্যিক অনুষ্ঠানত লগ পাইছিলোঁ আৰু পাইছিলোঁ ভগৱৎ-চিন্তাৰ সংসৰ্গ থকা অনুষ্ঠানতো। জীৱনৰ পাছৰছোৱা কলিতাৰ মন ক্ৰমবৰ্ধমানভাৱে ঈশ্বৰৰ পিনে ঢাল খাইছিল।

কোনো দাৰ্শনিক সৃষ্টিতত্ত্বৰ মাজলৈ ন'গৈ কলিতাই ঋজু পথেৰে সত্যৰ সন্ধানলৈ আৰু ভাগৱতী জীৱনলৈ মন মেলিছিল। নিজৰ অন্তৰত এক প্ৰকাৰ একক প্ৰশান্তিৰ বায়ুমণ্ডল সৃষ্টি কৰি লৈ কামত আগবাঢ়িছিল বাবেই কলিতাৰ কৰ্মব্যস্ত জীৱনতো সময়ৰ অভাৱ নহৈছিল। নানানটা লেঠাৰ মাজেদিয়েই তেওঁ নিয়মিতভাৱে সাহিত্য চৰ্চা কৰি, দেশৰ সেৱা কৰি ভালেকেইখন মূল্যবান পুথি লিখিব পাৰিছিল, কেবাখনো বিশ্ববিখ্যাত গ্ৰন্থ ভাঙিব পাৰিছিল, সভাই-সমিতিয়ে অৰিহণা যোগাব পাৰিছিল, সকলোকে বিপদে-আপদে এবাৰ মাত দিব পাৰিছিল আৰু সীমিত সম্বলেৰে সৈতে এটি আদৰ্শ পৰিয়াল গঢ়ি তুলিব পাৰিছিল।

৺হৰেন্দ্ৰ নাথ কলিতাই চাৰি গৰাকী উপযুক্ত জীয়ৰীৰে সৈতে বিধৱা পত্নীক এৰি থৈ গৈছে। মই অনুভৱ কৰোঁ এনে হেন এগৰাকী নীৰৱ, স্থিৰচিত্ত, সৎ, সমাজ-সাহিত্য আৰু দেশ জননীৰ নিষ্ঠাবান সেৱকৰ নিঠৰুৱা পৰিয়ালটোৰ প্ৰতি আমাৰ এটা জাতীয় দায়িত্ব আৰু এৰাব নোৱৰা কৰ্তব্য আছে। কলিতাৰ পৰিয়ালটোৰ প্ৰতি আমাৰ কৰ্তব্য কৰিব পাৰিলেহে আমি তেওঁৰ স্বৰ্গগত আত্মাক প্ৰকৃততে সন্তোষ আৰু তৃপ্তি দিব পাৰিম।

# এহাতে তৰবাৰি
## আনহাতে লিখনী

বংগীয় সাহিত্যিক অন্নদাশংকৰ ৰায়ৰ সৌজন্যত এখন হাতত তৰোৱাল আৰু আনখন হাতত কলম, আন কথাত অসি আৰু মসিৰ যুগ্মস্থিতি-সূচক সম্ভৱ য়ুৰোপীয় ৰেনেচাঁ যুগৰ একাধাৰে অস্ত্ৰধাৰী যোদ্ধা আৰু কবিৰ আহিৰে, বিষ্ণু ৰাভাৰ যি এক ভাৱমূৰ্তি আমাৰ মাজত সৰবৰহী হ'ল মোৰ কিয় জানো ধাৰণা হয় তাতকৈ সত্য পৰিচয় সেই মহতী প্ৰতিভাৰ বাবে আৰু একো হ'ব নোৱাৰে। ৰাভাৰ কথা মনত পেলালেই সেই ভাৱমূৰ্তিটো মোৰ চকুৰ আগত ভাঁহি উঠে।

ৰাভাৰ জীৱন চৰ্চাত, বহিঃপ্ৰকাশশীল কৰ্মকাণ্ডত, তেওঁৰ আন মানুহৰ সৈতে সম্পৰ্কত অতি 'স্পেক্টেকুলাৰ,' অতি দেখনিয়াৰ বা চমক-প্ৰদ লক্ষণ খুব বেছি দেখা গৈছিল যেন মোৰ নালাগে,—যি চমকপ্ৰদতাই হ'ল এই যুগৰ চে' গুৱেভাৰা, ফাইডেল কাষ্ট্ৰো, হো-চি-মিন প্ৰভৃতি এচাম 'কেৰিচমেটিক' যাদুকৰী জননায়কসকলৰ জনপ্ৰিয়তাৰ অন্যতম উৎস ; হয়তো এনে ব্যক্তিত্বৰ আকৰ্ষণীয়তাৰ তিনিপোৱাভাগেই এনে এটা Charismaৰ ওপৰতে নিৰ্ভৰশীল।

সৰুকালিৰেপৰা ৰাভাক চিনি পাইছিলোঁ, তেতিয়াই মোৰ কুমলীয়া মনক তেওঁ কিবা এক অজানিত আকৰ্ষণেৰে টানিছিল। বহুতৰ এজন হৈয়ো ৰাভা আছিল আদিৰেপৰা একক-পৃথক, স্বতন্ত্ৰবীয়া এজন। পৰিণত বয়সত ৰাভাৰ ব্যক্তিত্বই সিমান বেছি প্ৰভাৱ বিস্তাৰ কৰা নাছিল, যিমান কৰিছিল চোকা 'ইমোশ্যনৰ' উদ্ৰেক—তীব্ৰ ভাললগা বেয়ালগাৰ সঞ্চাৰ সাজপাৰ, কথাবাৰ্তা, এইবোৰত ৰাভাৰ চমকপ্ৰদতা নাছিল। তথাপি বিয়েই ৰাভাৰ সংস্পৰ্শ লৈ আহিছিল সেয়ে তেওঁৰ অস্তিত্ব, এইখন সমাজৰ বুকুতে কোনোবাখিনিত তেওঁৰ দৰে অ-সামাজিক ( সেই বুলি 'এন্টি-চোছিয়েল' নহয় আকৌ ) বৰ্ণাঢ্য ব্যক্তিৰ উপস্থিতি

আওকাণ কৰিব নোৱাৰিছিল। "হি মেড্ হিজ একজিচটেন্স ফেল্ট'ল—সৰ্বত্ৰা সদায়।

বিষ্ণু ৰাভা এতিয়া নাই। তথাপি তেওঁৰ অশৰীৰী উপস্থিতি এতিয়া আছে বহুজনৰ অন্তৰত। মোৰ নিজৰ অন্তৰতো কিজানি এই বয়সত আগৰ নবীনতা, সতেজতা নাই। কিন্তু বাৰে বাৰে দেখিছোঁ—জীয়াই থাকোঁতে যেনেকৈ বহুতে ৰাভাৰ আহ্বানত এলাহ নিহালি ত্যাগ কৰি জঁাপ মাৰি থিয় হোৱাৰ প্ৰেৰণা পাইছিল, জীয়াই নাথাকোঁতেও বহুতৰে হৃদয়-মন ৰাভাৰ নামত চঞ্চল হৈ উঠে, জীৱন্ত হয়, বহুতে ন-জীৱন পোৱাদি পায়। কিহত আছিল বিষ্ণু ৰাভাৰ এই দুৰ্নিবাৰ ব্যক্তিক 'মেগনেটিজ্‌ম' ? কিহৰ বাবে তেওঁৰ লৈতে পুৰাপুৰি মতৰ মিল নথকা, দূৰৰপৰা মাথোন 'এডমায়াৰ' কৰা কবিয়েও আকুলভাৱে উচ্চাৰণ কৰিবলৈ অনুপ্ৰেৰিত হৈছিল—"বিষ্ণু ৰাভা, এতিয়া কিমান ৰাতি ?" ক'ত লুকাই আছিল তেওঁৰ অন্তৰ আৰু বহুজনৰ অন্তৰৰ মাজৰ অদৃশ্য যোগসূত্ৰ ?

বিষ্ণু ৰাভাৰ লৈতে কেবাদশকো জোৰা চিনাকিৰ সূত্ৰত যেতিয়া পিছলৈ উভতি চাওঁ তেতিয়া পুনৰ নিজৰপৰা এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি চোৱাৰ হাবিয়াস হয়। ৰাভা বহুত কিবাকিবি আছিল, তেওঁ বহুত কিবাকিবি কৰিলে, বহুত কৰিবপৰা কিবাকিবি নকৰিলে। তেওঁ সংগীত সাধনা কৰিলে, নৃত্য আৰু নাট্যত পাৰ্গতালি আৰ্জিলে, চিনেমা কৰিলে, ছবি আঁকিলে, কবিতা লিখিলে, কলা-সংস্কৃতি সম্পৰ্কে পাণ্ডিত্যপূৰ্ণ মৌলিক পুথিৰ পাণ্ডুলিপি প্ৰস্তুত কৰিলে, আগবয়সত স্কুল-কলেজতে বিদ্ৰোহৰ অগনি সিঁচিলে, জনজাতি আৰু মূক জনতাৰ বুকু ফালি হিয়াৰ তলিৰ সংবাদ আহৰণ কৰিলে, জনজাতীয় কৃষ্টিৰ গভীৰ অন্তৰ্দৃষ্টি সহকাৰে নৱ-মূল্যায়ন কৰি তাক প্ৰামাণ্য মৰ্যাদা দান কৰিলে, অগণন জনৰ মাজত আত্মসচেতনা জগাই তুলিলে, আৰু শেষলৈ অনানুষ্ঠানিক unorthodox আৰু সাংবিধানিক legitimate দুয়োবিধ ৰাজনীতি কৰি জনতাৰ বুকুৰ মাণিক, চেনেহৰ সঁফুৰা হৈ অবিস্মৰণীয়, কিংবদন্তী-সুলভ জননায়ক হিচাপে, বিপ্লৱী বীৰ হিচাপে জনমানসত নিজক

সুপ্ৰতিষ্ঠিত কৰিলে। কিন্তু এই বিচিত্ৰ কৰ্মক্ষেত্ৰৰ কোনখনত ৰাভা সঁচাকৈ শীৰ্ষতম বিন্দুলৈকে উঠিল? মোৰ বিবেচনাৰে নিৰ্দিষ্ট কোন এক ক্ষেত্ৰতে নহয়। ৰাভাৰ জ'প reach আৰু সিদ্ধিৰ মাজত সকলোতে এক ব্যৱধান বৈ গ'ল।]

আজি আমি ৰাভাক 'কলা-গুৰু' বুলি সন্মান যাচোঁ। কলাৰ জগতত বিষ্ণু ৰাভা গুৰুস্থানীয় আছিল সঁচা, কিন্তু কেৱল কলাগুৰুৰ লেবেল লগাই দিয়ে জানো ৰাভাৰ মহৎ প্ৰতিভাৰ প্ৰতি সুবিচাৰ কৰিব পাৰি? অকল কলাগুৰু বুলি ক'লে বিশাল জনতাৰ প্ৰাণৰো প্ৰাণৰ, হিয়াৰো হিয়াৰ, তাণ্ডৱ-মধুৰ লীলাৰে লীলায়িত জননায়ক, গণ-নট বিষ্ণু ৰাভাজনৰ প্ৰতি অনাদৰ কৰা নহ'ব জানো? ব্যক্তিগতভাৱে গুৰুবাদ নামানো বাবে যেনেকৈ ৰাভাক গুৰুৰ শাৰীলৈ উত্তোলন কৰিবলৈ মই পৰাংমুখ সেইদৰে, এজন প্ৰকৃতাৰ্থত জনতাৰ সংগী জনতাৰ গাৰ ছায়া-সদৃশ কমবেডক নিলগীয়া, উন্নাসিক উদাসীন গুৰুত পৰ্যবসিত কৰিবলৈকো মই কুণ্ঠা বোধ কৰোঁ। 'গুৰু ৰাভা'—মোৰ বোধেৰে একপ্ৰকাৰ contradiction in terms।

আনহাতেদি অকল ৰাজনীতিক বুলি আজি কালি যি এক শ্ৰেণীৰ ধুৰন্ধৰলোকসমূহ জনসাধাৰণৰ অবিশ্বাস আৰু অনাগ্ৰহৰ পাত্ৰ হৈ পৰিছে তেনে এজন কেৱল বিধান সভাত বক্তৃতাৰ ফুলজাৰি মৰা, দল-বাগৰা ৰাজনীতি কৰা, স্বাৰ্থান্বেষী, সুযোগ সন্ধানী ৰাজনীতিক বুলি ৰাভাৰ চিনাকি লোৱা বা দিয়া সমানেই অকল্পনীয়। "মন্ত্ৰীত্বই যাৰ শেষ কল্পনা" বুলি একালত ৰাজনীতিকক উপলুঙা কৰি অৱশেষত নিজে মন্ত্ৰীত্বৰ মায়াজাল ভেদ কৰি জনতাৰ মাজলৈ আগবাঢ়ি আহিবলৈ নৈতিক সাহস হেৰুৱাই পেলোৱা ধৰণৰ এশ্ৰেণী সাহিত্যিক ৰাজ-নীতিকো শিল্পী ৰাভা কোনোদিনেই নাছিল। বিধান সভাৰ ভেকুৰা stuffy মজিয়ালৈ বাহিৰৰ মুক্ত পৃথিৱীৰ বুকুত ঘটা বিপ্লৱৰ বা-মাৰলি কঢ়িয়াই নিয়াৰ জোখাৰে সময় নাপালেও এককালীন এম-এল-এ বিষ্ণু ৰাভা ৰাজনীতিকতকৈও আগতে আছিল বিপ্লৱী, জনতাৰ সৈনিক সেৱক, শিল্পী-কলাকাৰহে।

ৰাজনীতিক বুলিয়েই হওক, শিল্পী-কলাকাৰ বুলিয়ে হওক, সংগীত বিশাৰদ বা নাট্য-শাস্ত্ৰী বুলিয়ে হওক বিষ্ণু ৰাভাৰ বৰ্ণ-বৈচিত্ৰ্যময় ব্যক্তিত্বৰ কোনো দিশৰ অৱদানৰে যথাৰ্থ মূল্যাংকণ কৰাৰ যোগ্যতা মোৰ নাই। তেনে যোগ্যতা নাথাকিলেও কিন্তু ক'বলৈ দ্বিধা নহয় যে কোনো বিশেষ দিশতে যুগান্তকাৰী কৃতিত্ব আৰ্জিব নোৱাৰিলেও ৰাভাই যিহতে হাত দিছিল তাকে সোণামুৱা কৰি তোলাৰ অলৌকিক ক্ষমতা ধাৰণ কৰিছিল।

অভিনেতা ৰাভাৰ "হিষ্ট্ৰীয়নিক" প্ৰতিভাৰ শীৰ্ষবিন্দুৰ পৰিচায়ক নিশ্চয় "এৰাবাটৰ সুৰৰ" সেই ভুজলুং ককাইজনৰ ভাওটোৱেই নাছিল, তাতকৈ বহুত ওপৰ শ্ৰেণীৰ অভিনয়-কুশলতা দেখুৱাব শক্তি ৰাভাৰ আছিল। সংগীতত বিষ্ণুপ্ৰসাদৰ ব্যুৎপত্তি জ্যোতিপ্ৰসাদৰ কৃতিত্বৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰাৰ ফলতহে কিঞ্চিৎ হীনপ্ৰভ যেন লাগিছিল নে, দৰাচলতে জ্যোতিপ্ৰসাদতকৈও ৰাভাৰ সংগীত প্ৰতিভা ওখ খাপৰ আছিল তাৰ বিচাৰ কৰাৰ ধৃষ্টতা নকৰোঁ। তাৰ ভাৰ প্ৰকৃত চমজদাৰসকলৰ ওপৰত। চিত্ৰশিল্পৰ নিদৰ্শন স্বৰূপে মহাপুৰুষ শ্ৰীশংকৰৰ প্ৰতিকৃতি আৰু নৃত্য-বিদ্যা-কুশলতাৰ নমুনা হিচাপে ৰাভাৰ বহুখ্যাত তাণ্ডৱ-নৃত্য-প্ৰদৰ্শনিকো ৰাভাৰ সম্ভাব্য ক্ষমতাৰ পিনৰপৰা নিশ্চয় "লাষ্ট ৱৰ্ড" বা চূড়ান্ত কৃতিত্ব বুলি কলেও অন্যায় কৰা হ'ব।

প্ৰকৃতপক্ষে বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন-কৰ্ম-এক বিৰাট সম্ভাৱনাপূৰ্ণ প্ৰতিভাৰ পূৰ্ণাংগ স্ফুৰণৰ arrested development বা ব্যাহত বিকাশৰ কাহিনী। বিষ্ণু ৰাভাই যিখিনি কৰিলে বা পালে সেইখিনি যে তেওঁ আচলতে কৰিব পৰা আৰু পাৰলগীয়া বিশাল, বিবিধ বহুতৰ এক সামান্য অংশহে, সেইটো সকলোৱে অনুভৱ কৰে। কিন্তু দেখনিয়াৰকৈ তেনেকৈ একো কৰিব নোৱাৰিলেও তেওঁ যে অসংখ্য গুণমুগ্ধ আৰু অনেক গুণ সন্দিগ্ধ লোকৰ মনতো এটা প্ৰত্যয়ৰ ভাব সৃষ্টি কৰিছিল সেইটোৱে তেওঁৰ অসাধাৰণ প্ৰতিভাৰ সন্দেহাতীত সাক্ষী। বিষ্ণু ৰাভা যেন কবি ব্ৰাউনিঙৰ সেই ব্যতিক্ৰমী প্ৰতিভা যি কি কৰিব পাৰিলে সেইটো গৌণ, কি কৰিব পাৰিলেহেঁতেন সেইটোহে মুখ্য।

ঠিক ইও নহয়, সিও নহয় বুলি বিষ্ণু ৰাভাৰ বিভিন্ন বৈশিষ্ট্য আৰু বিচিত্ৰ কৃতিত্ব যেতিয়া এটা এটাকৈ খঁহিয়াই চোৱা যায় তেতিয়া কিহে, ৰাভাৰ কোনবিলাক আভাই সকলোকে মুগ্ধ কৰে, বিস্মিত কৰে, পুলকিত কৰে? সম্ভৱতঃ When all is said and done, বিষ্ণু ৰাভা মানুহ-জনৰ অদ্ভুতভাৱে অনাসক্ত, নিৰ্বিকাৰ, নিৰ্মল অথচ উদ্দাম, জীৱন্ত, মানৱীয় ব্যক্তিত্ব আৰু তেওঁৰ সেই স্বকীয় জনমানস আৰু জনজীৱনত নিজক নিঃশেষ কৰি বিলাই দিব পৰা ক্ষমতাৰ মাজতে নিহিত আছে উত্তৰ কালৰ বাবে ৰাভাৰ জীৱনকৰ্মৰ ৰোমাঞ্চকৰ ৰহস্য।

আজিকালি এক বিশেষ প্ৰকৃতিৰ ৰাজনীতি চেতনাবিশিষ্ট শ্ৰেণীৰ লোকে "পিপল্‌চ থিয়েটাৰ" পাতে, গণনাট্যৰ অনুষ্ঠান কৰে, সময়ত গণ-যুদ্ধত নামে, জনগণৰ প্ৰতিনিধিত্বৰ একাধিকাৰ দাবী কৰে। বিষ্ণু ৰাভাই সচেতনভাৱে নাইবা ৰাজহুৱাভাৱে নিজক জনশিল্পী নাইবা জনতাৰ প্ৰতিনিধি স্বৰূপে নিজক নিজে আগবঢ়াইছিল নে নাই নাজানো কিন্তু মোৰ বোধেৰে একমাত্ৰ ৰাভাৰে তেনে দাবী আগবঢ়োৱাৰ অধিকাৰ আছিল আন সমসাময়িক সকলোতকৈ অধিক। ৰাভাতকৈ যথাৰ্থ, ৰাভাতকৈ স্বাভাৱিক ৰাভাতকৈ সহজে জনশিল্পী গণ-কলাকাৰ আমাৰ আৰু কোনজন আছিল? সঁচাকৈয়ে সেয়ে আছিল বাবেই ৰাভাই কোনোদিন নিজৰ সুখ, নিজৰ সম্পত্তি, নিজৰ ভৱিষ্যত ভাবি উদ্বিগ্ন হোৱা নাছিল। সেইবাবেই তেওঁৰ সংসাৰৰ ভৱিষ্যতৰ দায়িত্ব স্বতঃসিদ্ধভাৱে আহি পৰিছিল তেওঁ ভালপোৱা সমাজ আৰু সমূহ জনতাৰ ওপৰলৈ। স্বৰূপাৰ্থত সৰ্বত্যাগী, সৰ্বহাৰা, সুন্দৰ আৰু মংগলময়ৰ সাধক আছিল বাবেই কোনো বিশেষ ক্ষেত্ৰত কোনোপ্ৰকাৰ বিশেষত্ব প্ৰদৰ্শন নকৰাকৈয়ো বিষ্ণুৰাভা জনতাৰ হব পাৰিছিল আৰু একেলগতে জাতি-শ্ৰেণী প্ৰদেশৰ বিচাৰ নেওচি জনগণৰ অন্তৰে অন্তৰে নিজৰ আস্থা গজগজীয়া কৰি ল'ব পাৰিছিল। সেই বাবেই জনসাধাৰণে শিল্পী ৰাভাগৰাকীৰ অভাৱতো পিতৃহাৰা, বাস্তুহাৰা, দিশহাৰা অনুভৱ কৰে।

অসমত বিষ্ণু ৰাভাতকৈ ডাঙৰ কলাকাৰ, তেওঁতকৈ চতুৰ আৰু

পৈণত ৰাজনীতিক নোহোৱা নহয়। কিন্তু কেইজনে ৰাভাৰ দৰে হাঁহে পানীক মোৰ বুলি লোৱাৰ দৰে জনতাৰ ইমান ওচৰ চাপি যাব পাৰিছে, জনতাৰ জীৱনক মোৰ বুলি ল'ব পাৰিছে? আমি সাহিত্য-কলা সেৱী-বোৰ, আমি নাচ-গান ভাওনা-থিয়েটাৰ ওস্তাবোৰ, আমি সংস্কৃতি আৰু সুকুমাৰ-কলাৰ লেনদেন কৰাবোৰে, লিখিবলৈ, আঁকিবলৈ, গাবলৈ, নাচিবলৈ গ'লে সৰহভাগেই জনসাধাৰণৰপৰা আঁতৰি পৰোঁ, নির্জনতা বিচাৰোঁ, জনজীৱনৰ সমস্যা, সংঘাত আৰু উদ্বেগৰপৰা আমাৰ সাহিত্য শিল্প-কলাক শুচিবায়ুগ্ৰস্তৰ দৰে একাষৰীয়া কৰি ৰাখিবলৈ, শাৰীৰিক স্পর্শৰপৰা আঁতৰত থাকিবলৈ সচেষ্ট হৈ পৰোঁ। ফলত আমাৰ আৰু জনজীৱনৰ মাজত সুবুজাৰ, ভুল-বুজাৰ দুৰ্লংঘ, প্ৰাচীৰ থিয় হয়।

[ বিষ্ণু ৰাভাই শিল্প-কলাৰ চৰ্চা কৰিছিল কাপ-মৈলাম হাতত লৈছিল দূৰৰপৰা মানুহলৈ বাণী ছতিয়াবলৈ নহয়, আনকো তেওঁৰ লগলৈ টানি আনিবলৈ, সাধাৰণৰ সুখ দুখৰ ভাগ ল'বলৈ, আনকো তেওঁৰ নিচিনাকৈ নতুন দিনৰ সূৰ্যৰ পোহৰ বিচাৰিবলৈ, পূৰ্ণাঙ্গ জীৱনৰ সপোন দেখিবলৈ উদ্দীপ্ত কৰিবলৈ বুলিহে। অন্যায়ৰ বিৰুদ্ধে অবিচাৰৰ বিৰুদ্ধে অনুদাৰৰ বিৰুদ্ধে, জনকল্যাণৰ হকে, মানৱাধিকাৰৰ হকে লগত অস্ত্ৰ হাতত লৈ সংগ্ৰামী হ'বলৈ শিৱ আৰু সুন্দৰৰ জোৰবান্ধি হাতত লৈ জনজীৱনক মুক্তৰ আৰু মহত্ত্বৰ পৰ্যায়লৈ চাৱলিমেট কৰিবলৈ প্ৰতিশ্ৰুত হ'বলৈ সকলোকে উদ্বুদ্ধ কৰাই আছিল বিষ্ণু ৰাভাৰ জীৱন আৰু কৰ্মৰ মূলমন্ত্ৰ আৰু মৰ্মবাণী। এনে এজন জীৱন শিল্পীৰ স্মৃতি মানুহৰ মনৰপৰা সততাই মচ খাব নোৱাৰে। সেইজন ৰাভাই মোৰ বাবে এটাইতকৈ স্মৰণীয় ৰাভা, মৃত্যুঞ্জয়ী ৰাভা। ]

১৮৬১ শকৰ বহাগ মহীয়া, এতিয়াৰপৰা বহু বছৰ আগতে, তৃতীয় পৰ্যায়ৰ বেজবৰুৱাৰ "বাঁহী" ওলোৱাৰ সময়ত বিষ্ণু ৰাভাই কলিকতা মহানগৰৰ এটা ঘৰৰ এচুকত তন্ময় হৈ বহি বাঁহীৰ প্ৰচ্ছদপট আঁকিছিল খলপীয়া সিংহাসনত বহা বেজবৰুৱাৰ ত্ৰিবৰ্ণ আলেখ্য। তেতিয়াৰ বাঁহীৰ সম্পাদক আন এজন কনিষ্ঠ বেজবৰুৱাই লিখিছিল 'এই সংখ্যা বাঁহীৰ কাৰণে আমি এটাইতকৈ বেছি ঋণী অসমৰ গুণী শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাৰ ওচৰত।' সেইজনা গুণী শিল্পী, সাধক, মানৱ প্ৰেমিক জননায়ক ৰাভাৰ ওচৰত আমি সদৌ অসমীয়া জাতিটো কিমান প্ৰকাৰে যে ঋণী হৈ থাকিলোঁ তাক দোহৰাৰ দৰকাৰ আছে জানো?

# নট-সূৰ্যৰ জীৱন-নাটৰ সামৰণি

আমাৰ কোনোবা কৃতীলোকৰ জীৱনাৱসান হ'লে সভাই-সমিতিয়ে শ্ৰদ্ধা তৰ্পণে শোক প্ৰস্তাৱে যি এষাৰ কথা নিৰ্বিচাৰভাৱে এটাইতকৈ বেছিকৈ কোৱা হয় সেইষাৰ হৈছে 'অমুকৰ মৃত্যুত অপূৰণীয় অথবা পূৰাব নোৱৰা ক্ষতি হ'ল।' সচৰাচৰে এনে উক্তি এনেকুৱা যান্ত্ৰিকভাৱে আৰু প্ৰাণহীনভাৱে পুনৰাবৃত্তি কৰা হয় যে এনে এষাৰ কথাৰ যে গভীৰ তাৎপৰ্য আছে তালৈ কেইজন কওঁতা বা লিখোঁতাই ভ্ৰূক্ষেপ কৰে সেইটো ভাবি চাবলগীয়া। প্ৰকৃতপক্ষে পৰলোকগত গুণীলোকৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা কোনোবা এষাৰ অৰ্থপূৰ্ণ কথা যদি আজি কালি ক্ৰমাৎ অৰ্থহীন উপকৰা বাক্য-ব্যয়ত পৰিণত হৈছে তেনেহলে 'অমুকৰ অভাৱ অপূৰণীয়' বোলাষাৰেই তেনেকুৱা কথা। ইংৰাজীত কোৱাৰ দৰে এনে বাক্য প্ৰকৃতাৰ্থত এক cliche বা কৃত্ৰিম বাক্য প্ৰয়োগত পৰিণত হৈছে—ইয়াৰ আচল অৰ্থ বা প্ৰাণ নাই, খোলটোহে আছেগৈ।

এনে এষাৰ ক্লীশেও কিন্তু মোৰ মনেৰে প্ৰৱল অৰ্থ পৰিগ্ৰহণ কৰে যেতিয়া ফণী শৰ্মাৰ লেখীয়া শিল্পীৰ বিয়োগত নিৰ্দিষ্ট ক্ষেত্ৰত মৰ্মে মৰ্মে বিশাল শূন্যতা অনুভৱ কৰি আমি কৈ উঠোঁ যে, তেওঁৰ মৃত্যুত আমাৰ যি ক্ষতি হ'ল সি সঁচাই অপূৰণীয়,— সেই অভাৱ পূৰোৱাৰ কোনো উপায়, কোনো আশা নাই। নাট ৰচনা বা নাট্য শিল্পৰ আন বিভাগৰ কথা নকওঁ, যদিও তাতো নটসূৰ্য ফণী শৰ্মাৰ বৰঙণি কম নহয়। কিন্তু অসমত অভিনয়ৰ ক্ষেত্ৰত, মঞ্চাভিনেতা আৰু কথাচিত্ৰাভিনেতা স্বৰূপে আজি তিনিবছৰৰ আগতে ফণী শৰ্মাৰ মৃত্যুৱে যি আসন শূন্য কৰিলে সি এতিয়াও শূন্য হৈয়েই আছে আৰু কোনোবা দিনা যে সি পূৰণ হ'ব তাৰে আশা দেখা যোৱা নাই। সঁচাকৈয়ে নটসূৰ্য ফণী শৰ্মা আছিল একক আৰু অনন্য।

অভিনয়, নাট্যচৰ্চা আৰু বহলভাৱে অসমীয়া সংস্কৃতি, কলা শিল্পৰ সেৱা সকলোতে নটসূৰ্যৰ তিন মহিৰ নোৱৰাকৈ বৈ গৈছে। অসম সাহিত্য সভাৰ সাংস্কৃতিক সভাৰ সভাপতিত্ব ফণী শৰ্মাৰ বহুমুখী সাংস্কৃতিক অৱদানৰ অপৰিহাৰ্য স্বীকৃতিহে মাথোন।

আমাৰ বহুতো বৰেণ্য শিল্পীয়ে কলা শিল্পৰ জগতলৈ, নাটক সংগীত নৃত্যৰ দৰে সুকুমাৰ কলাৰ ক্ষেত্ৰলৈ নানা তৰহৰ বাৰেবৰণীয়া অৰিহণা যোগাইছে,—কিন্তু ফণী শৰ্মাই আছিল একমাত্ৰ নাট্যশিল্পী, একে গৰাকী অভিনেতা যাৰ বাবে অভিনয়েই আছিল নিশ্বাস-প্ৰশ্বাসৰ লেখীয়া সমগ্ৰ জীৱনৰ একমাত্ৰ ধৰ্ম, একেটা ব্ৰত, অদৃষ্টই নিৰ্ণয় কৰা কৰ্ম। আন সকলোৰে প্ৰতিভা আৰু কৃতিত্ব ভিন ভিন দিশে বিস্তাৰিত হৈছে, কেন্দ্ৰ বিন্দুৰপৰা অপসাৰিত হৈছে। কোনোৱে নাট্য কলাতেই আৱদ্ধ নাথাকি আন কাৰ্যক্ষেত্ৰলৈ ধাবিত হৈছে। কিন্তু স্বৰ্গীয় ফণী শৰ্মা—তেওঁৰ নিয়তি নিৰ্দিষ্ট পথৰপৰা সংক্ষিপ্ত জীৱন কালতো কোনো দিনেই এবাৰো বিচ্যুত নহ'ল, আজীৱন সেই একে ক্ষেত্ৰতে তেওঁৰ জীৱনৰ সাধনা কেন্দ্ৰীভূত কৰি গ'ল। অসমৰ দৰে ব্যৱসায়িক মঞ্চ নথকা, অভিনয়ক জীৱনৰ বৃত্তি কৰি লব নোৱৰা এখন ঠাইত ফণী শৰ্মাই যি অতুলনীয় একাগ্ৰতা, নিষ্ঠা আৰু সৰ্বাত্মক নিবেদনৰে কেৱল অভিনয়ৰ অনুশীলন আৰু উৎকৰ্ষৰ বাবেই তেওঁৰ সকলো কৰ্মশক্তি নিয়োজিত কৰিলে তেনে দৃষ্টান্ত কেৱল অসমৰ মঞ্চ বুৰঞ্জীত কিয় সমগ্ৰ ভাৰতৰ মঞ্চ ইতিহাসতে বিৰল। এই হিচাপে স্বৰ্গগত ফণী শৰ্মা সদৌ দেশৰ নাট্য জগতৰ এগৰাকী আদৰ্শনীয় ব্যক্তি।

পাশ্চাত্য পৰম্পৰা আৰু গ্ৰীক নাট্যাদৰ্শৰ নাট অভিনয়ৰ ন গৰাকী muse বা কলা অধিষ্ঠাত্ৰী দেৱীৰ প্ৰায় তিনি গৰাকীয়েই নাট্য দেৱী স্বৰূপে গৃহীত—ট্ৰেজেডি, কমেডি আৰু নৃত্যৰ বাবে সুকীয়া সুকীয়াকৈ। আমাৰ ভৰত মুনিয়ে থাপি থৈ যোৱা নাট্য শিল্পত তেনে নাট্য দেৱীৰ পৰিকল্পনা আছে নে নাই ঠিক নাজানো। তথাপি বিজাতীয় ৰিজণি দি হলেও কব পাৰি ফণী শৰ্মা আছিল দুগৰাকী নাট্য অধিষ্ঠাত্ৰী দেৱীৰ ঐকান্তিক ভক্ত, চেনেহৰ লাড়ু।

ফণী শৰ্মা অসমৰ এজন চিৰস্মৰণীয় Thespian ; জন্মতে Thespian—আমৰণ Thespian—মৃত্যুৰ পিছতো মৃত্যুঞ্জয় Thespian।

সম্ভৱতঃ অসমৰ আন কোনো এগৰাকী নাট্য শিল্পীৰ বেলিকা ঠিক এনে এযাৰ কথা ক'ব নোৱাৰি। ভাল অভিনেতা আমাৰ অনেক আছিল আৰু আছে, কোনো বিশেষ ক্ষেত্ৰত ফণী শৰ্মাক চেৰ পেলাই যোৱা অভিনেতাও আছে। অভিনেতা হিচাপে যে ফণী শৰ্মা সকলো প্ৰকাৰ দোষ-ত্ৰুটিৰ উৰ্ধত আছিল সিও নহয়—কিন্তু কেৱল অভিনয়কে জীৱনৰ একমাত্ৰ পাথেয় একমাত্ৰ সংকল্প হিচাপে লৈ তাতে আত্মোৎসৰ্গ কৰা অসমীয়া নটনেতা আছিল একমাত্ৰ তেওঁয়েই। ফণী শৰ্মাই কেবাখনো মঞ্চ সফল নাটো লিখিছিল, চলচ্চিত্ৰ শিল্পতো আগবণুৱা আছিল। তথাপি উত্তৰ কালৰ বাবে তেওঁৰ এটাইতকৈ মুখ্য চিনাকি হ'ল অভিনেতাৰূপে বা নট-ৰূপে ; অসমৰ তথা ভাৰতৰ নাট্যালোকৰ এক নটসূৰ্য, এক চিৰ দীপ্তিমান নক্ষত্ৰৰূপে অসম সাহিত্য সভাৰ ধিং অধিবেশনৰ সাংস্কৃতিক শাখাৰ সভাপতিৰ ভাষণত শৰ্মাদেৱে নাট্যকলা আৰু অসমীয়া সংস্কৃতিৰ প্ৰতি তেওঁৰ যি সীমাহীন শ্ৰদ্ধা আৰু ঐকান্তিকতাৰ স্বাক্ষৰ ঢালি গৈছে তাৰ মাজতো নাট্যকাৰ বা আন শিল্প কৰ্মতকৈ অভিনয় কলা আৰু তেওঁৰ নট জীৱনৰ অভিজ্ঞতাতহে বিশেষ গুৰুত্ব আৰোপ কৰিছে।

ফণী শৰ্মাৰ অভিনয়ৰ কুশলতাৰ সম্যক বিচাৰ কৰিব পৰা যোগ্যতা মোৰ নাই। কিন্তু যেতিয়াই বাহিৰৰ নামজ্বলা অভিনেতা অভিনেত্ৰীৰ অভিনয় চাই কেতিয়াবা কাৰোবাৰ ওচৰ চাপিছোঁ—যেনে কলিকতাৰ শম্ভু মিত্ৰ, উৎপল দত্ত প্ৰভৃতি, তেতিয়াই অনিবাৰ্যভাৱে অসমৰ ফণী শৰ্মাৰ কথা শুনাইছে আৰু সেইসকলৰ প্ৰত্যেকে যি অপৰিসীম শ্ৰদ্ধা আৰু বিনয়াৱনত গুণস্বীকৃতিৰে তেওঁলোকৰ নিজ ভাষাত এই dedicated বা শিল্পাৰ্পিত জীৱন অভিনেতাগৰাকীৰ প্ৰতি অভিনন্দন জনাইছিল তাৰপৰা বুজিছিলোঁ হেজাৰৰ ভিতৰতো এজন নোহোৱা হলে ফণী শৰ্মাই সেইসকলৰ নিচিনা কৃতী-গুণীলোকৰপৰা এনে ভূয়সী প্ৰশংসা আৰু উচ্চ সম্মান আহৰণ কৰিব নোৱাৰিলেহেঁতেন।

আন অভিনয়ৰ কথা এৰিলেও ফণী শৰ্মাই 'চিৰাজ' আৰু 'পিয়লি ফুকনত' কৰা অভিনয় আন দ্বিতীয় এজনে সমান মৰ্মস্পৰ্শীকৈ কৰা অসম্ভৱ নহলেও একপ্ৰকাৰ অকল্পনীয়। অথচ কিমান পৃথক আছিল এই দুটা চৰিত্ৰৰ মানসিক জগত দুখন। পৌৰাণিক চৰিত্ৰৰ ভূমিকাতো যেনে নৰকাসুৰ—তেওঁ কৰা অভিনয় অসমৰ মঞ্চ আৰু চিত্ৰ জগতত বহুদিনলৈ নিশ্চয় তুলনাহীন হৈ থাকিব। একমাত্ৰ প্ৰকৃততে প্ৰথম শ্ৰেণীৰ অভিনেতাৰ বাহিৰে আন কাৰো পক্ষে এনে বিপৰীতমুখী চৰিত্ৰত সমানে দক্ষতা দৰ্শোৱা সম্ভৱনে? শুনা যায় ফণী শৰ্মাৰ 'চিৰাজ' ছবিখন পুনৰ্নিৰ্মাণ কৰাটোৱেই তেওঁৰ অন্তিমকালৰ একমাত্ৰ ধ্যান-ধাৰণা হৈ পৰিছিল। চৰিত্ৰ অভিনেতা হিচাপে চিৰাজৰ চৰিত্ৰাভিনয়ে তেওঁক যেনেকৈ স্পৰ্শ কৰিছিল তেনেকৈ আন কোনো চৰিত্ৰই কৰা নাছিল। তাৰ বাহিৰে 'মণিৰাম দেৱান', 'এমুঠি চাউল' প্ৰভৃতি নাটৰ অভিনয়ো অসমৰ দৰ্শকে সদায় শ্ৰদ্ধাৰে সুঁৱৰিব।

মোৰ বিশ্বাস বাহিৰত যথেষ্ট প্ৰচাৰ লাভ কৰিব পৰা হ'লে ফণী শৰ্মাৰ লেখীয়া এগৰাকী অভিনেতাই তেওঁৰ জীৱদ্দশাতে অন্যতম শ্ৰেষ্ঠ ভাৰতীয় অভিনেতাৰ সন্মান নিৰ্বিবাদে অৰ্জন কৰি অসম তথা দেশৰ মুখ উজ্জ্বল কৰিব পাৰিলেহেঁতেন। সংগীত নাটক একাডেমীৰ বছেৰেকীয়া বাছনিত অসমৰ শিল্পী একেবাৰে মুঠাকৈ থকা নাই সঁচা, কিন্তু শ্ৰেষ্ঠ নাট্যশিল্পীৰ সন্মান অসমীয়া অভিনেতা-অভিনেত্ৰীৰ ভাগত এতিয়াও পৰা নাই। অসমৰ সৰ্ববাদীসন্মত নটসূৰ্য ফণী শৰ্মাই যে সমসাময়িক অসমৰ তেনে এক জাতীয় সন্মান লাভ কৰাৰ যোগ্যতম ব্যক্তি আছিল তাত মোৰ অকণো সন্দেহ নাই। কোনে জানে নিষ্ঠুৰ কালে আদবাটতে নটসূৰ্যক জীৱন-নাট সামৰিবলৈ বাধ্য নকৰা হ'লে সেই সন্মান নিজেই আজুৰি আনি তেওঁ অসমী আইৰ যশস্যা অক্ষয় কৰিলেহেঁতেন। ভাৰতীয় মঞ্চ জগতত তেওঁৰ যোগ্য আসনত ফণী শৰ্মা প্ৰতিষ্ঠিত হ'ব নোৱৰাটো এক হিচাপে আমাৰ জাতীয় দুৰ্ভাগ্যই বুলিব লাগিব।

# 'মনোদা'ৰ সজল স্মৃতিত

'মনোদা' মানে সিদিনা মঙলবাৰে সন্ধিয়া গুৱাহাটীৰ মেডিকেল কলেজ হস্পিটেলত প্ৰায় কোনেও নজনাকৈ নিচিনাকৈ হঠাৎ ঢুকাই থকা সৰবৰহী, সুদৰ্শন, চিৰযুৱা সাতায়ন্ন বছৰীয়া মনোভিৰাম বৰুৱা: অসমীয়াৰ অতি আদৰৰ, অতিকৈ আপোন স্বৰ্গীয় জ্ঞানদাভিৰাম বৰুৱাৰ ওৰফে প্ৰসিদ্ধ 'জে. বৰুৱা'ৰ বৰ ল'ৰা, অসমহিতৈষী গুণাভিৰাম বৰুৱাৰ নাতি আৰু মাতুলৰ বংশৰপৰা কবিগুৰু ৰবীন্দ্ৰনাথৰো নাতি।

স্বৰ্গীয় মনোভিৰাম বৰুৱাক 'মনোদা' বুলি মাতিছিলোঁ। পাৰিবাৰিক সম্বন্ধও তেওঁৰ সৈতে মোৰ আছিল যদিও তেওঁক এনেয়ে নিজৰ ককাইৰ দৰে লাগিছিল দেখি আৰু অগ্ৰজৰ মান পোৱাৰ তেওঁক উপযুক্ত পাত্ৰ যেন লাগিছিল বাবে। মোৰ এই মনোদাজনৰ মোৰ বাহিৰে আনৰ বাবে, সমাজৰ বাবে, অসমীয়াৰ বাবে কিবা গুৰুত্ব বা স্মৰণযোগ্যতা আছিল নে? মনোদাৰ সম্পৰ্কে বাতৰিকাকতত লিখিবলগীয়া বা বাতৰিকাকতে উল্লেখ কৰিবলগীয়া কিবা থাকিব পাৰেনে?

বংশ পৰিচয়েই মনোভি বৰুৱাৰ এটাইতকৈ ডাঙৰ পৰিচয় হলেও অকল বংশ পৰিচয়ৰ বাবেই মনোদাৰ সজল স্মৃতিত শ্ৰদ্ধাঞ্জলি জনাবলৈ একো নাথাকিলেহেঁতেন, যদিহে তেওঁৰ আৰু বহুত সুকীয়া, লেখত লবলগীয়া পৰিচয় নাথাকিলহেঁতেন। বিখ্যাত মনোদা নাছিল—কুখ্যাতো নাছিল—যিটো হলেও বাতৰিকাকতৰ 'হেড লাইন' পাব পাৰি। তথাপি মোৰ ভাব হয় মনোদা মনত ৰাখিবলগীয়া এজন আছিল—এজন ভৱিষ্যতেও মনত পেলাবলগীয়া মানুহ আছিল।

ল'ৰালিতে মনোদাৰ সান্নিধ্যলৈ আহিছিলোঁ। খেল ভাল পোৱা, গান-বাজনাত বাপ থকা, থিয়েটাৰ চিনেমাত চখ থকা, মনোদাই সকতে বহুদিন মোক নিউফিল্ডত খেল চাবলৈ লৈ গৈছিল, গান-বাজনালৈ

আকৰ্ষণ কৰিছিল আৰু সকলোতকৈ ওপৰত তেওঁৰ স্বনামধন্য পিতৃৰ পৰা শিকা সৌজন্য, শিষ্টাচাৰ আৰু ৰুচি-মাৰ্জিতাৰ প্ৰতি সচেতন কৰিছিল।

মনোদাই বৰ উচ্চ শিক্ষা ল'ব নোৱাৰিলে। ঠিক বাপেকৰ পুতেক ৰূপে নিজক গঢ়ি তুলিব বুলি আশা পালি থকা বহুতকে কিজানি হতাশ কৰিলে, হয়তো স্বৰ্গগত জে. বৰুৱাকো কৰিছিল। মাজ বয়সত হয়তো অলপ ত্ৰুটি-বিচ্যুতিও কৰিলে—sowed his wild oats। সেই পৰ্বৰ সৈতে মোৰ চিনাকি নিচেই তাকৰ। শিক্ষা সম্পূৰ্ণ নকৰাকৈয়ে তেওঁ সামৰিক বিভাগৰ সৈতে সংশ্লিষ্ট চাকৰিও কৰিলে—ঠিক কি পদ মনত নাই।

ঘূৰ্ণীয়া হৈ ক'ৰবাত কোনোবা হস্পিটেলত পৰি থাকোঁতেই তেওঁৰ জীৱনলৈ প্ৰেম আহিল—অলপ অপ্ৰত্যাশিত ধৰণৰ বিয়া এখন কৰাই পেলালে। তাৰ পিছত বহুত পলমকৈ মাথোন পাঁচ বছৰ আগতে তেওঁ ওকালতিৰ বৃত্তি লৈছিল। আইনজীৱী হৈ থাকোঁতেই অকালতে সামান্য অসুখত তেওঁ চকু মুদিলে, পিছত অকলশৰীয়া পত্নীক এৰি থৈ।

প্ৰকৃততে মনোদা নিজে অকলশৰীয়া নাছিল। তেওঁৰ দুজন ভায়েক আছে। এগৰাকী ভনী আছে, সুপৰিচিতা শৰ্মিলা (আৰু টিংকু) ঠাকুৰ যাৰ জীয়ৰী। কিন্তু যোৱা কেইবছৰে যেতিয়াই গধূলি পৰত চেহেৰাত বয়সৰ আঁচোৰ এটাও নপৰা বেলেগ ধৰণৰ ব্যক্তিত্ব এটা থকা, শুভ্ৰ-সুদৰ্শন, সদাহাস্যমুখ, মিষ্টভাষী, মাৰ্জিতৰুচি, শিল্পী-শিল্পীলগা এই মানুহজনক ঘৰৰ ওচৰৰ ফুটপাথত বৈ থকা দেখিছোঁ, তেওঁ কেতিয়াও বাদ নিদিয়া চহৰৰ সকলো সাংস্কৃতিক অনুষ্ঠানত শেষলৈকে বহি থাকি উপভোগ কৰা দেখিছোঁ, নাইবা প'র্টফলিও বেগটো লৈ উকীলৰ সাজ পিন্ধি চিটি বাছত উঠি হাইকোৰ্টলৈ অহা যোৱা কৰা দেখিছোঁ—তেতিয়াই সদায় মনত হৈছে যেন he was going it alone. তেওঁৰ যেন ক'তো কোনো নাই। বিপুল জনসমাবেশৰ মাজতো যেন মনোদা একেবাৰে অকলশৰীয়া। হয়তো সেইবাবেও মনোদাই মোৰ মন চুই গৈছিল।

জ্ঞানদাভিৰাম বৰুৱাৰ ঠাই মনোদাই লব নোৱাৰিলে সঁচা, কিন্তু পুতেকৰ মাজতো পিতাকৰ সেই সংক্ৰামক hail fellow well met ভাব, সুমধুৰ ভদ্ৰতা, উদাৰতা, সহৃদয়তা, চিৰ-তৰুণতা সৰলতা আৰু আটাইতকৈ ওপৰত—ইংৰাজীত যিটোক gracious living—তেনে-কুৱা শোভনীয় জীৱন-যাত্ৰা—এই সকলোবোৰৰ উপস্থিতি মনোদাক ভালকৈ চিনা-জনাসকলে অনুভৱ নকৰি নোৱাৰিছিল। তেওঁৰ ব্যক্তিত্বৰ সুমিষ্টতা এটা অপ্ৰতিৰোধ্য আকৰ্ষণ আছিল। সেইবাবেই কিবা বিশিষ্ট অৱদান বা বৰঙণি তেওঁৰ থাকক নাথকক, মানুহজনৰ ব্যক্তিত্ব-টোৰ বাবেই তেওঁৰ অভাৱ বহুতে বহুদিনলৈ অনুভৱ কৰিব। সেই বাবেই তেওঁৰ এফেৰা স্নেহ-শ্ৰদ্ধাঞ্জলি প্ৰাপ্য বহুতৰেপৰা।

অকল মাৰ্জিত ৰুচিবোধেই নহয়, মনোদাৰ সুবৃহৎ কিতাপ আলো-চনীৰ সংগ্ৰহ আৰু সেইবিলাকৰ প্ৰতি তেওঁৰ আগ্ৰহ যি দেখিছে তেওঁ এই মানুহজনৰ বিকশিত মন আৰু চিন্তাৰ বাবেও যেন শুহুঁৰিব নোৱাৰিব।

আৰু বৰঙণিয়েই বা নাই বুলি কম কেনেকৈ ? লিন উটাঙৰ কথা মানিলে নিজৰ জীৱনটো আটোম-টোকাৰিকৈ জীয়াই ৰখাটো এটা ডাঙৰ কাম, তাতে 'ইম্‌পৰ্‌টেন্স অৱ লিভিং'। ভালকৈ বয়স নোপোৱাকৈয়ে মনোদাই অলপ দিনৰ ভিতৰতে চিত্ৰতাৰকা হিচাপে যথেষ্ট জনপ্ৰিয়তা আৰু সমাদৰ আৰ্জিছিল। জ্যোতিপ্ৰসাদৰ 'ইন্দ্ৰমালতী' আৰু 'জয়মতী' ছবিত মনোভিৰাম নায়কৰ ভাওত মনোদাৰ আৱিৰ্ভাৱৰ স্মৃতি সঁচাকৈয়ে মলিন নহব। মোৰ বোধেৰে বিষ্ণু ৰাভাৰ পিছতে মনো বৰুৱাৰ বিয়োগে দেশৰ শিল্পকলা জগতৰ অভাৱনীয় ক্ষতি সাধিলে। নাটক, অভিনয়, সংগীত ইত্যাদিৰ প্ৰতি তেওঁৰ আছিল কিবা এটা সহজাত অনুৰক্তি। অসমৰ গণ নাট্যসংঘৰ মুখিয়াল হৈ মনোভি বৰুৱাই IPTA (ইপ্টা) ৰ কোনো মঞ্চানুষ্ঠান বাদ দিয়া মনত নপৰে। উৎপল দত্ত নাট্য-গোষ্ঠীৰ অভিনয়, শম্ভু মিত্ৰৰ অভিনয় সকলোতে তেওঁ যেনে উৎসুক একাগ্ৰ দৰ্শক আছিল তেনেকৈয়ে সংশ্লিষ্ট আছিল সকলো অবৈতনিক নাট্যানুষ্ঠানৰ প্ৰচেষ্টাত। কে-পি-এছ মেননৰ

দৰে খ্যাতিমন্ত লোক জড়িত থকা ইন্দো-ছোভিয়েট সাংস্কৃতিক সংঘৰ (ইচকাছ্) ৰাজ্যিক সভাপতিৰ আসন অপেক্ষাকৃতভাৱে অপৰিচিত আমাৰ মনোদাই পোৱাটো জানো কম উল্লেখযোগ্য কথা ?

পিছলৈ দেখা গ'ল সেই একে মনোযোগ, নিষ্ঠা আৰু একাগ্ৰতাৰে মনোদাই পঞ্চাশ বছৰৰ পিছত 'বাৰ'ত সোমাই পাঁচ বছৰৰ ভিতৰতে আইনজীৱী হিচাপেও সুখ্যাতি লভিলে। আইনৰ চাৰিসীমাৰ বাহিৰে থকা আমাৰ বাবে ব্যাৱহাৰজীৱী হিচাপে মনোভিৰাম বৰুৱাৰ পৰিচয় তেওঁৰ ব্যক্তিত্বৰ least important দিশ যদিও এই ক্ষেত্ৰতো তেওঁ কম কৃতিত্ব দেখুৱা নাই। আইনৰপৰা ৰাজনীতি সৰহ দূৰৈত নহয়। মনোদা সৌ সিদিনা ঢুকোৱা বিষ্ণু ৰাভাৰ দৰেই ৰামপন্থী ৰাজনীতিত আছিল। কথাটো বহুতৰে বাবে নতুন যেন লাগিলেও ৰাজনৈতিক সচেতনতা আৰু সক্ৰিয়তা সৃষ্টিতো তেওঁ দলৰ বাবে কমখিনি কৰি যোৱা নাই। সুখৰ বিষয় ন্যায় আৰু ৰাজনীতি দুয়োটা বৃত্তিয়েই মনোদাক দিবলগীয়া স্বীকৃতি দি যথাৰ্থ সম্মান কৰিছে।

মনোভি বৰুৱা অকালতে অন্তৰ্ধান হ'ল যদিও তেওঁৰ গুণমুগ্ধ অনেকে মনোদাক বহুত দিনলৈকে মনত ৰাখিব। তেওঁৰ আত্মাই শান্তি লভক।

( মনোভিৰাম বৰুৱা : মৃত্যু—৩০ ছেপ্তেম্বৰ, ১৯৬৯ )

# অমূল্যৰ অমূল্য-স্মৃতি

দেশে স্বাধীনতা অর্জন কৰাৰো আগতে আজি ডেড়কুৰি বছৰেও এক দুঃস্বপ্ন হৈ থকা আমাৰ ৰাষ্ট্ৰীয় বিৱৰ্তনৰ এক কলংকিত অধ্যায়ত, নাৰকীয় পৰিৱেশৰ মাজত, সুদূৰ কলিকতাত, কাললৈ কুখ্যাত Great Calcutta Killing বা কলিকতীয়া মহা-নৰমেধৰ সময়ত, অসমৰ চেনেহৰ ডেকা কবি অমূল্য বৰুৱাৰ আকস্মিক জীৱনাৱসানৰ কথালৈ মনত পেলালে ভাব হয়—অমূল্যৰ জীৱন-মৰণ যেন এটা প্ৰচণ্ড 'আয়ৰণি,' এটা দুৰ্বোধ্য পেৰাডক্স। অমূল্য যেনেকৈ আছিল আমাৰ সাহিত্য ভঁড়ালৰ দুপতীয়াতে অৱলুপ্ত এক অমূল্য সম্পদ, অমূল্যৰ সোণসেৰীয়া ক্ষণকালীন জীৱনৰ স্মৃতিও তেনেকৈয়ে আখৰে আখৰে অমূল্য।

দেশ স্বাধীন হোৱাৰ মুঠেই এটা বছৰৰ আগতে নৱ নৱ আলোকৰ সম্ভাৱনাৰে উজ্জ্বল স্বাধীন ভাৰতৰ সপোন দেখি থকা কচুপতীয়া জীৱনটোক সমুখৰ বাৰটা মাহৰ মূৰতে নিষ্ঠুৰ নিয়তিৰ ক'লা ছাঁই হঠাতে আগছি ধৰা, আত্মাৰ পোহৰ সন্ধানী, আশাবাদী, আদৰ্শবাদী অমূল্যই সম্ভৱ উমান ধৰিব পৰা নাছিল বাবেই কিজানি "ভাৰতীৰ জয়যাত্ৰা" আৰু আত্ম-প্ৰতিষ্ঠাৰ চাৰণ কবি অমূল্যই সেই মহিমামণ্ডিত দেশৰ স্বাধীন বতাহত উশাহ লোৱাৰ এনে হাবিয়াস কৰিছিল। মহাকালে সেই আকুল আকাংক্ষা পূৰণৰপৰাই অমূল্যক নিষ্ঠুৰভাৱে বঞ্চিত কৰিলে। ইয়াতকৈ ডাঙৰ কটাক্ষ বা 'আয়ৰণি' আৰু কি হব পাৰে যে অমূল্যৰ সপোনৰ আৰু সাধনাৰ ভাৰতে কায়িক ৰূপ লবলৈ নৌ পাওঁতেই আততায়ীৰ নৃশংশ আক্ৰমণে তেওঁক চিৰকালৰ বাবে এনে এটা মহাক্ষণত জীয়াই থকাৰপৰা বঞ্চিত কৰিব, যি ক্ষণত bliss was it in that dawn to be alive, but to be young was very heaven "যিটো মুক্তিৰ উদয় লগনত জীয়াই থাকিবলৈ পোৱাটোৱেই এক পৰম প্ৰশস্তি তেনে এক ক্ষণত ডেকা হৈ বাচি

থকাটো নিশ্চয় হাতত লৰগ চুকি পোৱাৰ সমতুল্য”…ভাবি চালে এনেহে লাগে যেন কবি ৱৰ্ডছৱৰ্থে ফৰাচী বিপ্লৱৰ জন্মলগ্নক অভিনন্দন জনাই লিখা সেই দুকাকি অবিস্মৰণীয় কবিতা ভাবী কালৰ অমূল্যৰ সমবেদনাতে অপূৰ্ব যথাৰ্থতাৰে কবি কণ্ঠৰপৰা নিগৰি আহিছিল। এবছৰৰ পিছতে মাথোন অহা স্বাধীনতাৰ ৰক্তৰাগৰঞ্জিত সেই একেবাৰলৈ অহা অবিস্মৰণীয় প্ৰত্যুষলৈকে অমূল্য যদি জীয়াই থাকিলহেঁতেন জীৱনৰ এক চৰম চৰিতাৰ্থতা হয়তো তেওঁৰ প্ৰাপ্তি হ'লহেঁতেন। “টুবি ইয়ং”—পৃথিৱীত কিমানজন তৰুণ জীৱন্ত-যৌৱন উদ্দীপ্ত কবিৰ জীৱন, অমূল্যৰ দৰে যৌৱনৰ ভাস্কৰ মধ্যাহ্নত হঠাৎকৈ হেৰাই যাব লগা হৈছে! ১৯৪৬ চনত আততায়ীৰ হাতত প্ৰাণ দিয়া অমূল্য বৰুৱাৰ যৌৱন তেতিয়া ঠিক সেই সীমনাত যেতিয়া ডেকা হৈ থকামানে সৰগক হাতৰ মুঠিত লৈ থাকিবলৈ পোৱা। স্বাধীনতাৰ স্বৰ্গসুখ উপভোগ কৰিব পৰা ভৰবয়স পায়ো মাথোন দিনচেৰেকৰ লেখেৰে অমূল্য বৰুৱাৰ মাতৃভূমিৰ মুক্তি প্ৰভাতৰ সূৰ্যলোকত উশাহ লোৱাৰ সৌভাগ্য নহ'ল।

আকৌ যি সাম্প্ৰদায়িকতাৰ বিষবাষ্পৰপৰা দেশ আৰু জাতিক ৰক্ষা কৰিবলৈ অমূল্যই স্মৰণীয় কবিতাৰ ঝংকাৰ তুলিছিল, যি হিন্দু মুছলমান মৈত্ৰীৰ হকে তেওঁৰ কাব্য সাধনা উছৰ্গা কৰিছিল সেই সাম্প্ৰদায়িক পাশৱিকতাৰে যে নিয়তিৰ বিচিত্ৰ বিধানত অমূল্যৰ অমূল্য জীৱন এনেকৈ অভাৱনীয়ভাৱে বলি হবগৈ লাগিব তাকনো ‘পেৰাডক্স’ বা সীথৰ দুবুলি আৰু কি বুলিব পাৰি? মানৱতাৰ গৰিমা আৰু মহত্বক ইমান সৰল, ইমান সতেজ, অথচ ইমান কোমল ইমান মধুৰ কবিতাৰ ভাষাত এদিন যি অকুতোভয় কবিয়ে স্মৰণীয় বাণী দিলে সেইজন অমূল্য বৰুৱাই সাম্প্ৰদায়িক পাশৱিকতাৰ দাবানলত জাহ যাবলগীয়া হোৱাটো একালে যেনেকৈ এটা চৰম ব্যক্তিগত ট্ৰেজেদি, সেইদৰেই আমাৰ অসমৰ সাংস্কৃতিক জীৱনৰ পক্ষেও বিৰাট দুৰ্যোগ আৰু বিপৰ্যয়।

দুদিনমানৰ বাবে অমূল্যৰ শিক্ষক হোৱাৰ সৌভাগ্য মোৰ ঘটিছিল। ভাবি ৰং লাগে যে ছাত্ৰ অমূল্যৰপৰা সেই অলপীয়া সময়তে শিক্ষক মই নানা প্ৰকাৰে নানা শিক্ষা লাভৰ সুযোগ পাইছিলোঁ। অমূল্যৰ

উপস্থিতিত এটা তীক্ষ্ণ, উন্মুক্ত, জিজ্ঞাসু মন আৰু সচেতন কবি চিত্তৰ সান্নিধ্য পোৱা যেন অনুভৱ কৰিছিলোঁ। যি সময়ত আমাৰ গল্প-কবিতা কূপমণ্ডূকতাৰ দোষেৰে দূষিত আছিল, যি সময়ত অক্ষম অনুকৰণৰ বাহিৰে দেশ-বিদেশৰ নতুন ভাব চিন্তাধাৰাক আয়ত্ত কৰি আত্মস্থ কৰাৰ প্ৰয়াস আমাৰ নাছিল, সেই শতিকাৰ চতুৰ্থ দশকতে অমূল্য বৰুৱাই প্ৰাদেশিক আৰু ভাষিক সংকীৰ্ণতাৰ ওপৰলৈ উঠি মন-অন্তৰৰ দুৱাৰ-খিৰিকি বিৰাট বিশ্বৰ প্ৰতি, সমগ্ৰ মানৱতাৰ প্ৰতি মুকলি কৰি দিবলৈ সাহ কৰিছিল।

ৰবীন্দ্ৰনাথৰ পৰম্পৰাতে আধাৰিত হলেও অমূল্য কাজী নজৰুল আৰু জ্যোতিপ্ৰসাদৰ বিদ্ৰোহী ভাবাদৰ্শৰদ্বাৰাও প্ৰবলভাৱে আলোড়িত হৈছিল। অথচ এনে সময়তো অমূল্যই স্বৰ্গীয় সুধীন্দ্ৰ নাথ দত্ত, জীৱনানন্দ দাসৰ দৰে বৌদ্ধিক আৰু প্ৰাবুত্তিক কবিৰ কবিতাৰ সোৱাদ লবলৈকো আওকাণ কৰা নাছিল। গণেশ গগৈ আৰু যতীন দুৱৰাৰ প্ৰতি একপ্ৰকাৰ মোহগ্ৰস্ত অমূল্যৰ কবিমানসতো এনে অপ্ৰত্যাশিত স্বকীয়া প্ৰভাৱ দেখি মুগ্ধ নহৈ নোৱাৰিছিলোঁ। লগৰ আৰু সমকালীন পুৰুষৰ সকলো উদীয়মান কবিৰ সৈতে অমূল্যৰ যেনেকৈ আত্মিক যোগাযোগ আছিল তেনেকৈয়ে আছিল ৰবীন্দ্ৰনাথৰ "সকল দেশের সকল কালের" কবিসকলৰ প্ৰতি অসীম শ্ৰদ্ধা আৰু গভীৰ নিষ্ঠা। তেতিয়াৰ সময়তে অমূল্যই ৰেমো, আৰাগ, ইলিয়ট, অডেন আদিৰ কবিকৃতিৰ খবৰ ৰাখিবলৈ, ৰসাস্বাদন কৰিবলৈ বিচাৰি ফুৰিছিল। মায়াকোভস্কীয়ে অমূল্যক কিমানখিনি অনুপ্ৰাণিত কৰিছিল মোৰ মনত নাই; কিন্তু মোৰ এই প্ৰত্যয় নহয় যে পিছৰ কালৰ বহুতো প্ৰথাৰ থিত progressive প্ৰগতিশীল কবিতকৈ অমূল্য প্ৰকৃততে অধিক প্ৰগতিশীল কবি আছিল। মানৱতাৰ জয়গান আৰু তীব্ৰ সমাজচেতনা যদি প্ৰগতিশীল কবিতাৰ এটা মৌল লক্ষণ হয় তেনেহলে অমূল্য বৰুৱা যে আমাৰ প্ৰগতিশীল কবিসকলৰ কেৱল অন্যতম আছিল, সেয়ে নহয় প্ৰকৃততে এজন অগ্ৰণীও আছিল। অমূল্যৰ স্মৃতিয়ে অনিবাৰ্যভাৱে আৰু দুজন দেশী-বিদেশী কবিৰ সুমহান ক্ৰান্তিকাৰী অথচ প্ৰেমোচ্ছল ঐতিহ্যৰ বাৰ্তা কঢ়িয়াই আনে। এজন চিলীৰ পেব্লো নেৰুডা আৰু

আনজন বংগৰ সুকান্ত ভট্টাচাৰ্য। দুয়োজন সুকীয়া সুকীয়া ধাৰণাৰ শ্বহীদ কবি, অমূল্যও শ্বহীদ। কিন্তু তাতোকৈ অমৰ এইবাবে যে সেই দুজন কবিৰ কবিতাৰ দৰে অমূল্যৰ কবিতাতো ঘটিছিল বিপ্লৱ আৰু সৌন্দৰ্য কাতৰতাৰ এক আশ্চৰ্য সমন্বয়।

কিয় জানো অমূল্যৰ ক্ষন্তেকীয়া কবি জীৱন আৰু কাব্যকৃতিৰ কথা মনত পেলালে মোৰ গ্যাৰ্চিয়া লৰ্কালৈ মনত পৰে। সেইজন ক্ষমতাশালী অল্পায়ু কবিৰ সৈতে অমূল্যৰ যেন ক'ৰবাত এটা আত্মাৰ সংযোগ আছিল তেনে যেন লাগে। অসমৰ অন্যতম সাৰ্থক কবি, নৱযুগৰ আগমনী কল্লোল কাণ পাতি শুনা প্ৰগতিশীল কবি অমূল্য বৰুৱা মোৰ মানত অসমৰ artistic conscience স্বৰূপ—আমাৰ সাহিত্যকৃতিৰ বিবেক যি স্বাধীনতাৰ আৰু চিত্ত-মুক্তিৰ আৱাহনী সংগীত গায়ো অমূল্যই মুক্তিৰ প্লাৱনত অৱগাহন কৰিবলৈ সুযোগ নাপালে সেই সৌভাগ্য লাভ কৰা অসমৰ অমূল্যৰ উত্তৰসূৰী প্ৰত্যেকজন কবিৰ মাজত অমূল্য জীয়াই থাকক, অমূল্য সকলোৰে বাবে অমূল্য হৈ ৰওক—সেয়ে কামনা।

# নেতা-সাংবাদিক ঃ কৃতী সাহিত্যিক

সৌ সিদিনাখন মাথোন স্বৰ্গত হোৱা অসমৰ ওজা-সাংবাদিক, যশস্বী সাহিত্যিক আৰু তাতোকৈ আমাৰ জাতীয় নৱজাগৰণৰ এগৰাকী হোতা লক্ষ্মীনাথ ফুকন ইমান সোনকালে বিস্মৃত হৈ গ'ল বুলি কলে আমাৰ জাতিটোৰ গাতে কৃতঘ্নতাৰ ছেকা লাগিব। ফুকন বিস্মৃত হয়তো হোৱা নাই এতিয়াও। কিন্তু জীৱন কালত আমি অসমীয়াইতে আমাৰ সৌমাজতে জিলিকি থকা ফুকনৰ দৰে এগৰাকী বহুগুণী, কৃত বিদ্য, দেশপ্ৰেমিক, স্বাধীনচেতীয়া অসাধাৰণ লোকক যে প্ৰাপ্য স্বীকৃতি আৰু যোগ্য সন্মান যাচিবলৈ পাহৰিলোঁহঁক তাক নুই কৰাৰ উপায় নাই। লক্ষ্মীনাথ ফুকনৰ নাতিক্ৰমী ব্যক্তিত্ব আৰু অৱদান আমি সদায় বিস্মৃত হৈয়ে ৰলোঁ আৰু বম বুলি মোৰ সময়ত সন্দেহ হয়।

১৯৭৫ চনৰ এপ্ৰিল মাহৰ চাৰি তাৰিখে চাৰিকুৰি বছৰৰ দেওনা পাৰ হোৱা শ্ৰীলক্ষ্মীনাথ ফুকনৰ জীৱনাৱসানৰ লগে লগে আধুনিক অসমৰ সাংবাদিকতাৰ এজন গুৰিয়াল হানি হ'ল, অসমৰ সাংবাদিক বুৰঞ্জীৰ এটা দীঘলীয়া অধ্যায়ৰ সামৰণি পৰিল আৰু আমাৰ বৌদ্ধিক জগতৰ এটা বিৰাট স্তম্ভ উভালি খাই পৰিল। এই ক্ষতি কেতিয়াবা পূৰণ হব নে?

অসমত সাহিত্যিক-সাংবাদিকৰ অভাৱ কোনো দিনেই হোৱা নাই। 'অৰুণোদয়,' 'জোনাকী,' 'বিজুলী,' 'বাঁহী,' 'মিলন,' 'আৱাহন,' 'ৰামধেনু' প্ৰমুখ্যে প্ৰত্যেকখন চিহ্নযোগ্য অসমীয়া আলোচনীৰ প্ৰৱৰ্তক আৰু প্ৰাণ-প্ৰতিষ্ঠাপকসকল প্ৰত্যেকেই মুখ্যত সাহিত্যিক আছিল যদিও নিয়মীয়া সাংবাদিকতাৰ বাৰুকৈ প্ৰসাৰ নঘটা এইখন প্ৰান্তৰ সেইসকলেই আছিল আমাৰ বাটকটীয়া সাংবাদিকো।

ই এক উল্লেখযোগ্য কথা যে অসমৰ প্ৰত্যেকজন স্মৰণীয় আৰু বৰণীয় সাহিত্যিকেই সাংবাদিকতা তথা আলোচনী সম্পাদনাৰ গুৰুনা

লৈয়ে তেওঁবিলাকৰ সাহিত্যিক প্ৰতিষ্ঠা লাভৰ বাটত অগ্ৰসৰ হবলৈ সক্ষম হৈছিল। ৺চন্দ্ৰকুমাৰ আগৰৱালা, ৺পদ্মনাথ গোহাঞি বৰুৱা, ৺লক্ষ্মীনাথ বেজবৰুৱা, ৺পদ্মধৰ চলিহা, কৰ্ম্মা শ্ৰীনীলমণি ফুকন, শ্ৰীবেণুধৰ শৰ্মা এওঁলোকক সম্পাদকতাবপৰা আঁতৰাই চালে তেওঁলোকৰ সাহিত্যিক মৰ্যাদাই খৰ্ব হয়। আমাৰ প্ৰায়সকল অগ্ৰগামী সাহিত্যিকেই জীৱনৰ এছোৱা নহয় এছোৱাত সাংবাদিকতাৰ সৈতে জড়িত হৈছিল আৰু সেইসকলৰ সাহিত্যিক যশস্যাৰ তাকৰীয়াকৈ হ'লেও একাংশ সংবাদ সেৱাৰ মাধ্যমেৰেই অৰ্জিত হৈছিল।

তাৰ বিপৰীতে অতীতত অসমত যিসকলে স্বৰূপাৰ্থত সাংবাদিক ৰূপে স্বীকৃতি লাভ কৰিছে, যেনে ৺ৰাধানাথ চাংকাকতি, ৺মথুৰা মোহন বৰুৱা, ৺কেদাৰনাথ গোস্বামী প্ৰভৃতি- সেইসকলৰ সাহিত্যিক হিচাপে খ্যাতি সিমান প্ৰশস্ত নহয়। আমাৰ সাহিত্যিক-সাংবাদিক অনেক, কিন্তু সাংবাদিক-সাহিত্যিক তাকৰ।

লক্ষ্মীনাথ ফুকনেই মোৰ বোধেৰে আমাৰ এক দীঘলীয়া ঐতিহ্যৰ উল্লেখযোগ্য ব্যতিক্ৰম, আনকি একক বৈশিষ্ট্যৰ অধিকাৰী বুলি কলেও ভুল কোৱা নহব। স্বৰ্গীয় হৰিবিলাস আগৰৱালাই সাহিত্যিক ৺লম্বোদৰ বৰাৰ জীৱনী লিখোঁতে ৺লম্বোদৰ বৰাক 'নেতা সাহিত্যিক' আখ্যা দিছিল। মোৰ ধাৰণাৰে ৺লম্বোদৰ বৰা যি অৰ্থত 'নেতা সাহিত্যিক' আছিল আধুনিক অসমত ৺লক্ষ্মীনাথ ফুকন আছিল একে অৰ্থত 'নেতা সাংবাদিক'। আদশতিকাজোৰা সাংবাদিকতাৰ অভিজ্ঞতাৰে পুষ্ট ব্যক্তি স্বৰূপে তেওঁ যে অসমীয়া সাংবাদিতাৰ নেতা, পিতৃ-পুৰুষ, গুৰিয়াল স্বৰূপ,—'ফ্ৰেণ্ড, ফিলছফাৰ এণ্ড গাইড' বা 'ডয়েন' আছিল সেয়ে নহয়, অসমৰ কি অসমীয়া কি ইংৰাজী সৰ্ববিধ সাংবাদিকতাৰ প্ৰতি তেওঁৰ অপৰিসীম অৱিহণাৰ পৰিমাণ আৰু গুণ-মানৰ পিনৰপৰাও আধুনিক সময়ত ফুকনৰ সমকক্ষ আৰু কোনো এজন সাংবাদিক ওলাইছিল বুলি ভাঠি কোৱা টান।

"এই শতিকাৰ আদি দশককেইটাতে অসমৰ তৎকালিন লেখৰ "আলোচনী" কাকতৰ উপৰিও কেবাখনো সাদিনীয়া-পখেকীয়া

সাময়িক বাতৰি কাকতৰ সৈতে সাংবাদিক জীৱন আৰম্ভ কৰি, অসমৰ প্ৰথম অসমীয়া দৈনিক "বাতৰি"ৰ জন্মলগ্নত ধাত্ৰীৰূপে আল ধৰি, শেষত অসমত পোন প্ৰথম নিয়মীয়া, 'প্ৰফেশ্যনেল' বা বৃত্তিমূলক, সংগঠিত সাংবাদিকতাৰ ভেটিপ্ৰতিষ্ঠা কৰা ইংৰাজী দৈনিকখনৰ সৰ্ব প্ৰথম সম্পাদক হিচাপে লক্ষ্মীনাথ ফুকন অসমৰ দৈনিক প্ৰেছৰ গুৰি ধৰোঁতা আৰু আধুনিক অসমীয়া সাংবাদিকতাৰ একাধাৰে 'ফাউণ্ডিং ফাডাৰ' আৰু 'পেচ্-চেটাৰ' প্ৰাণ-প্ৰতিষ্ঠাতা আৰু গতি নিৰ্ণায়ক পুৰুষ।

অসমৰ সাংবাদিকতাৰ বৰ্তমান শতিকাৰ মাজভাগলৈকে বৰ্তি থকা সংবাদ সাহিত্যৰ স্তৰৰ অৱস্থাৰপৰা আধুনিক অৰ্থত সাংবাদিকতাৰ স্তৰলৈ ৰূপান্তৰৰ ফুকন সৰ্বপ্ৰথম আৰু সৰ্বপ্ৰধান সাক্ষী। একালেদি তেওঁ যেনেকৈ অতীত যুগৰ উত্তৰাধিকাৰী আনপিনেদি তেনেকৈ তেওঁ আন এটা সমাগত যুগৰ সৈতে সংযোগসূত্ৰ, অসমৰ আধুনিক সাংবাদিকতাৰ পথিকৃৎ। দৰাচলতে কব পাৰি অসমত সাংবাদিকতা বুলিলেই লক্ষ্মীনাথ ফুকনৰ নামটোও লগতে লাগি আছে আৰু বহু বহু বছৰলৈকে একেদৰে সেই নাম উচ্চাৰিত হৈ থাকিব।

অসমৰ সাংবাদিক হিচাবে ফুকনৰ এটা উল্লেখনীয় বৈশিষ্ট্য এয়ে যে সম্ভৱতঃ তেৱেঁই আমাৰ পোন প্ৰথম প্ৰকৃতাৰ্থত হাড়ে-হিমজুৱে সাংবাদিক আৰু অবিচ্ছিন্নভাৱে সংবাদ সেৱা কৰি যোৱা সাংবাদিক।

আমাৰ সাংবাদিক বহুত ওলাইছে। কিন্তু আন কোনেও ফুকনৰ দৰে আদিৰপৰা অন্তলৈকে সংবাদ-পত্ৰৰ অধিষ্ঠাত্ৰী দেৱীৰ ওচৰত (সাংবাদিকতাৰ 'মিউজ' দেৱ-দেৱী আছে নে চাগৈ ?) জীৱনজোৰা সেৱা-উছৰ্গা কৰা নাই এজনেও তেওঁৰ লেখীয়াকৈ ব্যক্তিগত জীৱনৰ আন সকলো প্ৰকাৰ উত্তৰণৰ সম্ভাৱনালৈ পিঠি দি একাণপতীয়াকৈ দিনৰ পিছত দিন, নিশাৰ পিছত নিশা বাতৰি কাকতৰ দৈনন্দিন আনুষ্ঠানিক ব্যৱস্থাপনাৰ, এশ এটা জেওৰা মৰাত নিজক নিবদ্ধ ৰখা নাই। তদুপৰি যি সময়ত অসমত সাংবাদিকতাক জীৱিকাৰূপে লোৱা একপ্ৰকাৰ কল্পনাতীত আছিল তেনে এক সময়তে ফুকনে সাংবাদিকতাক বৃত্তি কৰি লবলৈ আগবাঢ়ি অহাটো কম কথা নাছিল।

৺লক্ষ্মীনাথ ফুকনৰ সাংবাদিকতাত অতীত কালৰ ব্ৰতচাৰী সেৱামুখী সাংবাদিকতাৰ নৈতিক আদৰ্শবাদ আৰু মূল্যবোধ আৰু আধুনিক কালৰ উদ্যোগধৰ্মী, ব্যৱসায়িক, কাৰিকৰী প্ৰতিযোগিতাপ্ৰৱণ সাংবাদিকতাৰ অভূতপূৰ্ব সমন্বয় দেখিবলৈ পোৱা যায় আৰু এইটো আটাইতকৈ উল্লেখযোগ্য কথা যে বৰ্তমান যুগৰ সাংবাদিকতাৰ সকলো প্ৰকাৰৰ ব্যৱসায় বুদ্ধি, 'এক্সপাৰটাইজ' কৌশল-কিটিপ আয়ত্ত কৰাৰ প্ৰতি সততে সচেষ্ট থাকিও ফুকন কোনো সময়তে ধ্ৰুপদী ভাৰতীয় সাংবাদিকতাৰ সংগ্ৰামী ঐতিহ্য, ৰচনাত্মক আদৰ্শবাদৰ প্ৰতি অমনোযোগী হোৱা নাছিল নাইবা দেশ আৰু জাতীয়তাৰ সেৱাতকৈ বৃত্তি ব্যৱসায়ৰ সেৱাক অগ্ৰাধিকাৰ দিবলৈ উৎসুক হোৱা নাছিল।

অসমৰ বাহিৰতো কেৱাখনো জাক ডজিলিকা জাতীয় বাতৰি কাকতত সুদীৰ্ঘকাল কাম কৰি অহা ফুকনে দেশৰ সাংবাদিকতাৰ ঐতিহ্যৰ প্ৰতি নিজ আনুগত্য যেনেকৈ অটুট ৰাখিছিল তেনেকৈ অসমৰ বিশেষ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসমত সংবাদসেৱাৰ ভূমিকা পোৱাৰ কোনো লক্ষ্যৰ পিনে পৰিচালিত হোৱা আৱশ্যকতালৈকো তীক্ষ্ণ দৃষ্টি ৰাখিছিল। নানান পিনৰপৰা লক্ষ্মীনাথ ফুকন আছিল এগৰাকী দৃষ্টান্তস্থলভ আৰ্হি সাংবাদিক। ফুকনৰ নিষ্ঠা, নিৰ্ভীকতা আৰু নিৰপেক্ষতাৰে অনুপ্ৰাণিত সাংবাদিকতা চৰ্চা ভৱিষ্যতৰ বাবেও আমাৰ প্ৰত্যেকজন উঠি অহা সাংবাদিকৰ বাবে প্ৰেৰণাৰ উৎস আৰু মহৎ আৰ্হি হৈ থাকিব। ফুকন মাথোন সাংবাদিকেই নাছিল—তেওঁ আছিল সাংবাদিকতাৰ জৰিয়তে দেশৰ সেৱা কৰা এগৰাকী সচেতন দেশপ্ৰেমিক।

তাতোকৈ ডাঙৰ কথা এই যে সাংবাদিকতাও ব্যক্তিগত কুশলতা অৰ্জনৰ আকাংক্ষাই ফুকনক কেতিয়াও নিজ জাতি আৰু নিজ দেশৰ প্ৰতি থকা তেওঁৰ প্ৰাথমিক আনুগত্যৰপৰা বিচ্যুত কৰিব পৰা নাছিল। ফুকন নেতা-সাংবাদিক আছিল লগতে আছিল অসমীয়া জাতীয়তা সংগ্ৰামৰো এগৰাকী আগশাৰীৰ যুঁজাৰু।

আমাৰ সাহিত্যিক সাংবাদিক অনেক আছিল আৰু আছে কিন্তু অতি কমেইহে ফুকনৰ দৰে সাহিত্য আৰু সাংবাদিকতাৰ দুয়োটা পৃথক

অনুশাসনত সমধিক বহুমূলীয়া অৱদান আগবঢ়াই প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে।

সাহিত্যিক লক্ষ্মীনাথ ফুকনো সাংবাদিক ফুকনৰ দৰেই অসমীয়া সাহিত্যৰ জগতত এটা পাহৰিব নোৱৰা নাম। সুদীৰ্ঘ তিনি দশক কাল বাহুকবনীয়া চুটি গল্প, কবিতা, কথাসাহিত্য আৰু জীৱনীমূলক আলেখ্যৰ সম্ভাৰেৰে ফুকনে অসমীয়া সাহিত্যৰ ভঁৰাললৈ যি বৰঙণি দি থৈ গৈছে, সেই বৰঙণিয়ে স্বভাৱতে সাময়িকতাৰ বলি সাংবাদিকজনক কেনেবাকৈ কেতিয়াবা বিস্মৃতিৰ গৰাহত হেৰোবলগীয়া হলেও সাহিত্যিক হিচাবে তেওঁক যুগজয়ীকৈ জীয়াই ৰাখিব। বিশেষকৈ অসমীয়া চুটি গল্পৰ ক্ষেত্ৰত ফুকনে নিজা বৰীয়াকৈ যুগমীয়া উচ্চ আসন অধিকাৰ ক ৰ থাকিব লাগে। ফুকন আমাৰ সুপৰিচিত এজন সাংবাদিক-সাহিত্যিকেই নহয়, তেওঁ এগৰাকী অগ্ৰণী সাংবাদিক, অগ্ৰগণ্য সাহিত্যিক—স্বয়ং সম্পূৰ্ণ স্বকীয় পৰিচয়েৰে পৰিস্ফুট, উভয় ক্ষেত্ৰত সমানে সুদক্ষ যুগ্মব্যক্তিত্বৰ নিদৰ্শন।

লক্ষ্মীনাথ ফুকন যেনেকৈ শিৰোমণি, সাংবাদিক আছিল তেনেকৈয়ে আছিল অফুৰন্ত সংবাদ তথা তথ্য আৰু বিচিত্ৰ বিপুল অভিজ্ঞতা আৰু স্মৃতি কথাৰ এক আকৰ স্বৰূপ। সাংবাদিক হৈয়ো প্ৰচাৰ বিমুখ প্ৰকৃতিৰ এইগৰাকী মহৎ ব্যক্তি উত্তৰকালৰ বাবে সমসাময়িক ভাৰত-ইতিহাসৰ নেতা আৰু নেতৃস্থানীয় ব্যক্তি আৰু নানান ঐতিহাসিক ঘটনাৰ প্ৰত্যক্ষ সাক্ষী স্বৰূপ আছিল। এই হিচাপে সাংবাদিক ফুকন নিজেই আছিল তাৎপৰ্যপূৰ্ণ সংবাদৰ লোভনীয় সংগ্ৰহালয়।

* * *

এজন ফৰাচী লিখকৰ এষাৰ কথা ইংৰাজীত ঘনাই প্ৰায় আপ্ত বাক্যৰ দৰে ব্যৱহাৰ হয়: "নো মেন ইজ এ হিৰো টু হিজ ভেলিট্" অৰ্থাৎ কোনো লোকেই তেওঁৰ নিতৌ আলপৈচান ধৰা পৰিচাৰক বা অনুচৰৰ ওচৰত 'বীৰ' বা মহৎ ব্যক্তি হৈ নাথাকে। লক্ষ্মীনাথ ফুকনৰ সৈতে মোৰ ব্যক্তিগত ওচৰ সম্বন্ধৰ কথা মনত পেলালে মই অনুভৱ কৰোঁ কথাষাৰ প্ৰকৃততে সিমান সঁচা নহয়। সাহিত্যিক আৰু

সামাজিক জীৱনত আমাৰ অগ্ৰজ সমসাময়িকসকলৰ ভিতৰত নিচেই কম জনকেই মই স্বৰ্গীয় ফুকনক চিনি পোৱাৰ দৰে ইমান ওচৰৰ পৰা, ইমান দীঘলীয়াকৈ আৰু ইমান আপোনভাৱে চিনা-জনাৰ সুযোগ পাইছিলোঁ। ফুকনৰ ব্যক্তিগত মানসিক জীৱনৰ, কৰ্মজীৱনৰ, আশা-আশাভংগৰ, তেওঁৰ সামাজিক সম্পৰ্কৰ আনকি তেওঁৰ পাৰিবাৰিক জীৱন-পৰিক্ৰমাৰো যি পৰিমাণ কথা মই জানিছিলোঁ, নিচেই সহচৰ কাপোৰ-কানি যতনাই দিয়া 'ভেলিট'ৰ বাহিৰে আন বাহিৰা মানুহে সাধাৰণতে সিমানখিনি জানিবলৈ নাপায়। তথাপিতো মোৰ বাবে লক্ষ্মীনাথ ফুকন আজীৱন 'হিৰো' হৈয়ে থাকিল। আমাৰ নিকট চা-চিনাকিয়েও কোনো সময়তে বিৰাগৰ উদ্ৰেকতো নকৰিলেই নে তেওঁৰ প্ৰতি গঢ় লোৱা মোৰ গভীৰ শ্ৰদ্ধাৰো এক বিন্দু ইফাল সিফাল নঘটালে। কিন্তু অতি চিনাকিয়ে যে এজনৰ 'হিৰো'ৰ চিত্ৰকল্পক আন এজনৰ বাবে সত্যতকৈ বৃহদাকাৰ ('লাৰ্জাৰ দেন লাইফ' larger than life) কৰি তুলিব পাৰে সেই সম্পৰ্কে মই সম্পূৰ্ণ অৱহিত।

আপ্ত বাক্যটোৰ সত্যাসত্য যিমানেই হওক-নহওক মোৰ দৰে ইমান বেছিকৈ ফুকনক জনাৰ ফলস্বৰূপে এজন ব্যক্তিৰ জীৱন-কৰ্মৰ যথোপযুক্ত মূল্যায়ন কৰিবলৈ হলে যি পৰিমাণৰ বস্তুনিষ্ঠতা বা 'অব্‌'জেকটিভিটি' আৰু নিৰ্লিপ্ততা বা 'ডিটাচমেণ্ট' আয়ত্তাধীন থকাৰ প্ৰয়োজন সিমানখিনি মোৰ নাই বুলিহে তেখেতৰ বিষয়ে লিখিব পৰাৰ জোখাৰে যথেষ্ট সাহস গোটাব নোৱাৰোঁ। ফুকনক তথাকথিত নিৰপেক্ষ পৰ্যবেক্ষকৰ দৰে নিরুত্তাপ, অজড়িত অনাশক্তিৰে জুখি চোৱা মোৰ পক্ষে বৰ টান।

তথাপি আৱশ্যকীয় দূৰত্বলৈ আঁতৰি গৈ নই যেতিয়া নিজকে সোধো লক্ষ্মীনাথ ফুকনৰ ব্যক্তিত্ব আৰু অৱদানৰ আটাইতকৈ উল্লেখনীয় গুণগত বৈশিষ্ট্য কোনটো?—তেতিয়া তাৰ উত্তৰত পাওঁ মানুহজনৰ অকাট্য নিৰাসক্ততা—কি সাংবাদিকতা, কি সাহিত্য-চৰ্চা, কি স্বদেশ-চিন্তা, সকলোতে জাজ্জ্বল্যমান তেওঁৰ নৈৰ্ব্যক্তিক নোহোৱাকৈয়ো নিৰাসক্ত নিৰ্লিপ্ততা। ইংৰাজী জীৱনী সাহিত্যত যুগান্তৰ সৃষ্টিকাৰী উত্তৰ

ভিক্টোৰীয় লিখক লীটন ষ্ট্ৰেচীয়ে মহৎজনৰ চাৰিত্ৰিক 'ডিটাচমেণ্টক' যি কোনো বৈশিষ্ট্যপূৰ্ণ ব্যক্তিত্বৰ এটাইতকৈ উল্লেখযোগ্য লক্ষণ বুলি দৰ্শাইছে। মোৰ বোধেৰে আমাৰ ভিতৰত স্বৰ্গীয় লক্ষ্মীনাথ ফুকনৰ চিন্তা-কৰ্ম আৰু কৃতিতে ষ্ট্ৰেচীয়ে ব্যক্তি-বৈশিষ্ট্যৰ নিদৰ্শন স্বৰূপে দাঙি ধৰা এইডাল মাপকাঠিৰে যথোপযুক্ততা অতি সাৰ্থকভাৱে প্ৰতিয়মান। নিৰাসক্ততা আৰু আত্মপ্ৰকাশৰ ভিন্ ভিন্ দিশসমূহৰ মাজত পাৰস্পৰিক স্বতন্ত্ৰতা অক্ষুণ্ণ আৰু সুস্পষ্ট কৰি ৰখাত পৰম সফলতাই মোৰ বোধেৰে লক্ষ্মীনাথ ফুকনৰ ব্যক্তি-জীৱনৰ মুখ্য বৈশিষ্ট্য।

ষ্ট্ৰেচীয়ে তেওঁৰ জীৱনীমূলক সাহিত্য সৃষ্টিৰ ভংগী হিচাপে লোৱাৰ উপৰিও 'ডিটাচমেণ্টকে' সজ্ঞানে তেওঁৰ বিষয়-ব্যক্তিসমূহৰো মূল বৈশিষ্ট্যৰূপে বিচাৰ কৰিছিল। ষ্ট্ৰেচীৰ বিপৰীতে ফুকনৰ মুখ্য পৰিচয় সাহিত্যিক হিচাবে নাছিল, ফুকন আছিল সৰ্বাগ্ৰে সাংবাদিক। তেওঁৰ সাংবাদিক জীৱনচৰ্যা বিশ্লেষণ কৰি চালে দেখা যায় তেওঁৰ সাংবাদিকতা-মূলক লিখনিতে মাথোন নহয় প্ৰাকৃতিক আৰু জাগতিক আচৰণৰো বহু বিচিত্ৰ প্ৰকাশৰ মূল ধাৰাত আছিল এনে এক অসমীয়া বুদ্ধিজীৱী সমাজত বিৰল নিৰ্বিকাৰ, নিৰ্মোহ, নিৰাসক্ত নিৰ্লিপ্ততা। যোৱা শতিকাৰ শেষ চৰণৰপৰা যাত্ৰাৰম্ভ কৰা ফুকনে তেওঁৰ সমসাময়িক প্ৰায় সকলেই গছকি যোৱা উদগতিৰ নিৰ্দিষ্ট সংকীৰ্ণ বাট পৰিহাৰ কৰি, উচ্চ শিক্ষা লাভ কৰি হাকিম-মুঞ্চুপ হোৱাৰ নাইবা চাহ বাগিচাত মুৰ গুমুৰাই সমাজৰ আঢ্যৱন্ত শ্ৰেণীত নাম ভৰ্তি কৰাৰ হাবিলাস পৰিত্যাগ কৰি, ইংৰাজীত যাক কয় calculated risk তেনেবিধ 'ঝুকি' লৈ মৰসাহেৰে জঁপিয়াই পৰিল সাংবাদিক জীৱনৰ অঠাই সাগৰত। দেৱ-গাঁৱৰ এচুকৰপৰা ওলাই অসমত যি সময়ত সাংবাদিকতাক জীৱিকাৰূপে লোৱা কথা কোনো মধ্যবিত্ত পৰিয়ালৰ ল'ৰাই কিজানি সপোনতো ভাবিব নোৱাৰিছিল, ফুকনে সেই সময়তে সংবাদ সেৱাত তেওঁৰ ভৱিষ্যৎ ভাগ্যৰ লিখন দেখা পালে। সাংসাৰিক বৈষয়িক এক উন্নতিৰ প্ৰতি সামাজিক climber হোৱাৰ প্ৰতি তেওঁৰ চৰিত্ৰত এক প্ৰকাৰ 'ইন্‌বিল্ট' সহজাত বিৰূপতা আৰু অনীহা, আন কথাত নিস্পৃহ

নির্লিপ্ততা নথকা হ'লে তেওঁ সেইবাট নললেহেঁতেন কিজানি। তাকো সাংবাদিকতাক জীৱিকাৰ উপায় হিচাপে বৰণ কৰি লৈয়ো সেই সময়ত আৰু পিছলৈ আমাৰ সাংবাদিকসকলৰ সমুখত দেখা দিয়া কোনো প্ৰকাৰ প্ৰলোভনৰ ওচৰত তেওঁ সেও নামানিলে। ফুকনৰ লগৰ সম-সাময়িক সংবাদসেৱীসকলে পিছলৈ সাংবাদিকতাত বাজে আন নানান বৃত্তি বাছি ললে। কোনো ৰাজনীতিত নামি মন্ত্ৰীত্বকে "শেষ কল্পনা" কৰি ল'লে, কোনো বৃত্ত আৰু বুদ্ধি ভঙাই ভঙাই সমাজৰ 'নেতা' হ'ল, কোনোৱে বা সাংবাদিকতাৰ কাঁইটীয়া বননি এৰি সাহিত্যৰ ফুলনিত লয়লাসে বিচৰণ কৰাটোকে মোৰ বুলি ললে। সেইদৰে ফুকনৰ উধোৱা নহ'ল,—দেশী চাহাৰ হোৱাও নহ'ল, আমোলা বিষয়া হোৱাও নহ'ল, ধন বোটলাও নহ'ল, আনকি নিজৰ বুলিবলৈ ঘৰ-মাটিও নহ'ল।

সাংবাদিকতাক ব্ৰত আৰু বৃত্তি হিচাপে লোৱাৰ বাবেই প্ৰকৃততে ফুকনৰ সাংসাৰিকভাৱে একো নহ'ল অথচ সাংবাদিক হৈয়ো ফুকনে নিজৰ আদৰ্শ অগ্ৰগামী সাংবাদিকসকলৰ দৰে দেশব্ৰতী সাংবাদিকতাতো মন-প্ৰাণ ঢালি দিব নোৱাৰিলে।

আন পিনেদি সাংবাদিকতাৰ 'প্ৰফেশ্যন' লৈয়ো লক্ষ্মীনাথ ফুকন ঠিক 'প্ৰফেশ্যনেল' দেখনিয়াৰ সাংবাদিকো নহ'ল,—সাংবাদিকী সমৃদ্ধিৰো বা সামাজিক প্ৰতিপত্তিৰো মুখ নেদেখিলে। সাংবাদিক-সাহিত্যিক হোমেন বৰগোহাঞীয়ে গল্পকাৰ ফুকনৰ এটি সম্যক আলোচনাত (প্ৰকাশন পৰিষদৰ 'অসমীয়া গল্প সংকলন') ফুকনৰ "সহজাত চিনিকেল মনোভংগী, উন্নাসিক ভংগী আৰু নগ্ন নিৰ্মোহ দৃষ্টি"ৰ কথা উন্মুকিয়াইছে। লক্ষ্মীনাথ ফুকনৰ সাহিত্য কৰ্মৰ বাহিৰেও তেওঁৰ সমগ্ৰ জীৱনচৰ্যা অনুধাৱন কৰি চালে মই দেখোঁ উন্নাসিক নহয়, নিৰাবেগ নহয়, চিনিকেল নহয়—গভীৰ উপলব্ধিপ্ৰসূত এক সৰস সহনশীল কিন্তু সংযত নিকস্থাস, নিৰ্লিপ্ততে তেওঁৰ সাধনা আৰু সৃষ্টিকৰ্মৰ আঁহে আঁহে সোমাই আছে। তেওঁৰ আপাতদৃষ্ট চিনিচিজম মানৱ বিদ্বেষী বা সংশয়জাত নহয়, সিও মানৱ দৰদী উদাৰ সংবেদনশীলতাৰে চপচপীয়া। এপিনে সস্নেহ আবেগিক উপলব্ধি আৰু আন ফালেদি ব্যংগাত্মক

নিৰাবেগ সমালোচনাৰ যুগপৎ স্থিতিয়ে তেওঁৰ সাংবাদিক চৰিত্ৰ আৰু শিল্পী চৰিত্ৰ দুয়োটাতে এক অ-প্ৰত্যাশিত মাত্ৰা যোগ দিছে।

আমাৰ এজন ওজা সাংবাদিক, কৃতী সাহিত্যকৰ, লেখৰ স্বজাতি আৰু স্বদেশপ্ৰেমী লক্ষ্মীনাথ ফুকনক লীটিন ষ্ট্ৰেচীৰ বিচাৰ-বুদ্ধিৰে মূল্যায়ন কৰি চালে তেওঁৰ জীৱনচৰ্যা আৰু চৰিত্ৰৰ অকল এই নিৰ্লিপ্ততা ৰূপ দুৰ্লভ গুণটোৰ বাবেই ফুকনক এজন বিশিষ্ট সমকালীন ব্যক্তি ৰূপে চিহ্নিত কৰিব পাৰি। লগতে ফুকনৰ জীৱনকৰ্মৰ আৰু এটা স্মৰণযোগ্য দিশলৈ দৃষ্টিপাত কৰা প্ৰয়োজন। সম্ভৱতঃ মূলতে তেওঁৰ এই সহজাত আৰু বুনিয়াদী নিৰ্লিপ্ততা বোধৰপৰাই উদ্ভূত আনটো অনন্য সাধাৰণ বিশেষত্ব হ'ল সাহিত্য চৰ্চা, সংবাদ সেৱা, ৰাজহুৱা স্বাৰ্থৰ হকে আগবঢ়োৱা অৱিহণা আৰু অসমীয়া বীৰ-পূজা এই বিবিধ বিভিন্ন 'আৰ্জ' বা প্ৰৱণতাৰ মাজত সদায় ৰাখি চলা স্বতন্ত্ৰতা আৰু ভাৱসাম্য। আমাৰ প্ৰায় ভাগৰে কাম-কাজত বিভিন্ন প্ৰৱণতাৰ এটাই আনটোক প্ৰভাৱিত কৰে। আমাৰ সাহিত্যিক সাংবাদিক নামেৰে জনাজাত বুজন সম্প্ৰদায়ৰ সৰহ-সংখ্যকৰে সাহিত্যিক কৰ্মত সাংবাদিকতা নাইবা প্ৰচাৰ-প্ৰৱণতা, ৰাজনীতিৰ সৈতে ধৰ্মীয়তা, পাণ্ডিত্যৰ সৈতে ব্যক্তিমুখী 'এংগুলাৰিটি' বা একদেশদৰ্শীতা ইত্যাদি এনেকৈ সানমিহলি হৈ পৰে যে সামগ্ৰিকভাৱে তেওঁলোকৰ কাম-কাজত একপ্ৰকাৰ তৰলতা ওপৰে-ওপৰে যোৱা দৃষ্টিভংগী, চিন্তা আৰু লক্ষ্যৰ খেলিমেলি অনুভৱ নকৰি নোৱাৰি। ফুকনে যেতিয়া সংবাদপত্ৰ সম্পাদনা কৰে তেতিয়া সাংবাদিক মূল্যমানৰ ওচৰত আন সকলো মূল্যমান তল পৰে। দেশপ্ৰেমৰ তাগিদা নাইবা সাহিত্যিক কাৰুকাৰ্যৰ স্বাৰ্থত তেওঁ কেতিয়াও সাংবাদিকতা কৰ্মৰ মান বিসৰ্জন নিদিয়ে। গল্প লিখোঁতে নাইবা কবিতা লিখোঁতে নাইবা কাৰবাৰ জীৱনালেখ্য যুগুত কৰোঁতে এনেকুৱা বোধহয় তেওঁ যেন পানী নসৰকা সুকীয়া সুকীয়া খোটালিত সোমাই লৈহে কাম কৰিছে। গল্পকাৰৰ মাজত সাংবাদিকতাৰ নাইবা সাংবাদিকৰ সম্পাদকীয় মন্তব্যত ৰাজনৈতিক মতবাদীৰ ছা নপৰে। লক্ষ্মীনাথ ফুকনৰ সৃষ্টি কৰ্মত সুস্পষ্ট এই প্ৰশংসনীয় 'নিউট্ৰেলিটি' বা

অনসংশ্লিষ্টতা যিটো হয়তো তেওঁৰ উপৰোক্ত নিৰ্লিপ্ততাৰে আনটো পিঠিহে, তেওঁৰ ব্যতিক্রমী ব্যক্তিত্ব আৰু কৃতিৰ আন এটা উল্লেখযোগ্য নিদৰ্শন।

"লক্ষ্মীনাথ ফুকনৰ সাংবাদিক কৃতিত্ব, সাহিত্যিক কুশলতা আৰু চাৰিত্রিক বিশিষ্টতাৰ উপৰিও ফুকনে আজীৱন সংগসুখ লাভ কৰা প্ৰদেশৰ আৰু দেশৰ ভিন্ ভিন্ ক্ষেত্ৰৰ যিসকল বৰেণ্য আৰু আকৰ্ষণীয় ব্যক্তিৰ প্ৰতিকৃতি মাত্ৰাজ্ঞান মাৰ্জিত, সুৰুচিসম্পন্ন, স্মৰণীয় বেথা চিত্ৰৰে আমাৰ মনত নিগাজীকৈ থাপি থৈ গৈছে সেই আপুৰুগীয়া অৱিহণাৰ যথোচিত মূল্য দিয়াৰ একমাত্ৰ উপায় হব তেওঁৰ নিজৰ উল্লেখযোগ্য ব্যক্তিত্বক উপযুক্তভাৱে ভৱিষ্যতৰ অসমীয়া মাত্ৰৰে মানসত স্থায়ীৰূপত সংস্থাপন কৰা।" লক্ষ্মীনাথ ফুকনৰ স্মৃতি আমি মৰহি যাবলৈ এৰি দিব নোৱাৰোহঁক।

# শ্ৰীহেম বৰুৱা ঃ আগৰ আৰু আজিৰ

[ এই প্ৰবন্ধটো হেম বৰুৱা জীৱিত তথা 'শ্ৰী' হৈ থাকোঁতেই তেওঁৰ শেষ অৱস্থাত অভিনন্দনসূচক প্ৰবন্ধ হিচাপে লিখিছিলোঁ। আন কেবাগৰাকীও ব্যক্তিৰ ক্ষেত্ৰত হোৱাৰ দৰে মোৰ কেবাটাও অভিনন্দন জনাবলৈ লিখা প্ৰবন্ধ বিষয়-ব্যক্তিৰ পৰলোকৰ পিছতহে প্ৰকাশ পাবলগীয়া হৈছে। সেইবাবে আৰু তাৰ বাহিৰে প্ৰায় সমবয়সী হেম বৰুৱাক স্বৰ্গত বুলি সুৰ্বিবলৈ বেয়া লাগে কাৰণে, প্ৰবন্ধটো যেনেকৈ গুলাইছিল হুবহু তেনেকৈয়ে ৰাখিলোঁ। ই এজন মৃত ব্যক্তিৰ প্ৰতি জীৱিত বন্ধুৰ স্নেহাঞ্জলি নহয়—এজন মৃতপ্ৰায় জীৱিত বন্ধুৰ অতীত আৰু বৰ্তমানৰ বৈপৰীত্য দৰ্শোৱা এখন সকৰুণ চিত্ৰহে। মূল্যায়নটো গৌণ,—নীৰিক্ষণটোহে মুখ্য। ]

৺হেম বৰুৱাৰ নামৰ আগত 'শ্ৰী' লিখা সাধাৰণতে চকুত নপৰে। মই ইচ্ছা কৰিয়েই সেইটো লগাই দিছোঁ। কাৰণ একালৰ অফুৰন্ত প্ৰাণশক্তিৰে চপচপীয়া, তজবজীয়া, অসমৰপৰা গৈ ভাৰতৰ জাকত জিলিকা সংসদী সদস্য হোৱা, একালত প্ৰায় প্ৰতিদিনেই বাতৰি কাকতৰ 'হেডলাইন' অৰ্জন কৰা হেম বৰুৱাজন আজি প্ৰায় একদশক কাল এনে লক্ষ্যণীয়ভাৱে বাতৰি কাকতৰ শিৰোনামা কিয় আমাৰ ৰাজহুৱা জীৱনৰপৰাই আঁতৰি পৰিছে, তেওঁৰ নাম এনে অপ্ৰত্যাশিতভাৱে ৰাজহুৱা স্মৃতিৰপৰা অন্তৰ্হিত হৈছে যে ই অস্বাভাৱিক নহয় যে অন্ততঃ গুৱাহাটী মহানগৰীৰ বাহিৰৰ আন বহু ঠাইত বহুতে খা-খবৰ লোৱা অসম্ভৱ নহয়—হেম বৰুৱা আছেনে, ক'ত আছে, কেনে আছে ? এসময়ত স্কুল-কলেজত একেলগে পঢ়া বন্ধুবৰ হেম বৰুৱা গুৱাহাটীত অতীতৰ দৰেই বৰ্তমানেও মোৰ গাৰ ওচৰতে থাকে। সেইবাবে মই জানো হেম বৰুৱা আছে, জীয়াই আছে। কিন্তু অকল 'জীয়াই থকাই'

জানো প্ৰকৃততে 'থকা'? অস্তিত্ববাদী দৰ্শনৰ মতে 'একজিছটেন্ছ'ৰ গূঢ়াৰ্থ উপলব্ধি কৰা সহজ নহয়। মই কিন্তু সদায় ভাবোঁ, আন বহুতেও অনুভৱ কৰে—হেম বৰুৱা আছে, জীৱিত আছে, কিন্তু জীৱন্ত শ্ৰীহেম বৰুৱা হয়তো নাই। ভেলটো আছে, এক বৰ্ণাঢ্য জীৱনৰ তথা জীৱন্ত মানসৰ অৱশেষখিনি আছে, কিন্তু সাহটো নাই; য'ত এসময়ত এটা আগ্নেয়গিৰি আছিল সি যুমাই ছাই হৈ গৈছে। সেইবাবেই আজি তেওঁক এক অখণ্ড, একীভূত, একেজন মানুহ হিচাপে চোৱা টান। একেজনতে দুজন, দ্বৈতসত্বা 'স্কীজোফ্ৰেনিক' (schizophrenic) নহয়, কিন্তু নহলেও বাস্তৱত এজন আৰু বাস্তৱত আন এজন, হয়তো একপ্ৰকাৰ স্কীজোফ্ৰেনিয়াই। হেম বৰুৱাৰ নাম ললে অনিবাৰ্যভাৱে আগৰ আৰু আজিৰ দুয়োজন মানুহ যুগপৎ চেতনাৰ সন্মুখলৈ আহি পৰে।

অতীতৰ হেম বৰুৱাজন অসমৰ তথা দেশৰ ৰাজহুৱা তথা সাংস্কৃতিক বৌদ্ধিক পৰিক্ৰমাত ইমান বেছি পৰিচিত আৰু প্ৰতিষ্ঠিত যে তেওঁৰ জীৱনৰ এতিয়াৰ ষষ্ঠ দশকৰপৰা এৰি গৈ অহা অতিক্ৰম দশকবোৰলৈ ঘূৰি চাই মণি-মুকুতা আজুৰি দেখুৱাৰ কোনো আৱশ্যক নকৰে। ৰাজনীতিক হ'লেও কবি-সাহিত্যিক হেম বৰুৱাৰ অন্তৰ্জীৱন এটা এতিয়া যেনেকৈ একমাত্ৰ জীৱন হৈ আছে তেনেকৈ নাথাকিলেও আনপ্ৰকাৰে হলেও আগতেও আছিল। কিন্তু অতীতৰ হেম বৰুৱাৰ বহিঃজীৱন এনে সুদূৰপ্ৰসাৰী আৰু ইমান প্ৰকটিত আছিল যে সেইজনৰ কাৰ্যাৱলী আৰু সুবিস্তীৰ্ণ লেখা-মেলাৰ জৰিয়তেই তেওঁ সকলোৰে বাবেই এখন মেল খাই থকা কিতাপৰ দৰে হৈ আছে। সেইজনৰ লিপিবদ্ধ কৃতিবোৰ উকটিৱাৰ মোৰ আগ্ৰহ নাই। মই মাথোন মোৰ এজন লগৰীয়া হিচাপে আজিৰ জন কায়িকভাৱে বৰ্তমান অথচ আধ্যাত্মিক-ভাৱে অতীত হেম বৰুৱাৰ বিষয়েহে দুটা কথা লিখিব খুজিছোঁ।

আজিৰ হেম বৰুৱাৰ কথা ভাবিলেই মোৰ এৰাব নোৱৰাকৈ দুজনৰ শিল্পী সত্বালৈ মনত পৰে। আজিৰ হেম বৰুৱাই মনত পেলায় একালৰ বিদ্ৰোহী গতি চঞ্চল 'অগ্নিবীণা'ৰ কবি অথচ বাকৰুদ্ধ, নিঃসংগ,

জীৱন্মৃত কাজী নজৰুল ইচলামলৈ আৰু মনত পৰে শ্বেকচপীয়েৰৰ পিছত সম্ভৱতঃ বিশ্বৰ এটাইতকৈ মহান নাট্যকাৰ নৰৱেৰ হেনৰিক ইবচেনলৈ। ইবচেন সম্পৰ্কে সৰুতে পঢ়া এষাৰ কথা মোৰ ঘনাই মনলৈ আহি থাকে। বৃদ্ধাৱস্থালৈকে এটা কিশোৰসুলভ মন লৈ বাচি থকা অথচ যৌৱনৰ উদ্দাম সৃজনীশক্তি হেৰুৱাই পেলোৱা ইবচেনক বোলে জীৱন সায়াহ্নত কোনোবা এজনে সুধিছিল—ইবচেন, আপুনি "পীয়াৰ গীট" আৰু "ৱাইল্ড ডাক"ত প্ৰকৃততে কি ক'ব খুজিছিল? প্ৰশ্নকৰ্তাজন আছিল বোধহয় কবি—সৌন্দৰ্যতাত্ত্বিক—ৰসিক আৰু সৰ্বাধিক জনাজাত ইবচেন অনুবাদক ৱিলিয়াম আৰ্চাৰ (W. G Archer)। বহুত পৰ বৈ অৱসাদগ্ৰস্ত, পৰাজিত প্ৰতিভা ইবচেনে বোলে উত্তৰ দিছিল, "সেইকথা ইবচেনক সোধক।" অৰ্থাৎ তেতিয়াৰ জন ইবচেন সেইজন ইবচেন নাছিল যিজনে বিশ্বসাহিত্যৰ ভঁড়াললৈ অনবদ্য বাস্তৱবাদী আৰু সাংকেতিক ইমানকিখন যুগজয়ী নাটৰ অৰিহণা দিছিল। সেই সৃষ্টিকাৰ ইবচেনৰ মনৰ কথা জীৱনৰ বিয়লিবেলাৰ কেৱল দেহাধাৰী ইবচেনজনে কেনেকৈ ক'ব? আৰু নজৰুল! কি আচৰিত হ'বলগা কথা নজৰুলৰ মনত পেলোৱাৰ কেইদিনমান পিছতে অৱশিষ্ট 'অগ্নিবীণা'ৰ তাঁৰকেইডালো চিৰস্তব্ধ হৈ গ'ল। শ্ৰীহেম বৰুৱা মোৰ আজিও নিচেই ওচৰতে থাকে। তেওঁৰ ওচৰলৈ মই কাচিৎ কেতিয়াবাহে যাওঁ। যেতিয়াই যাওঁ বচনহীন বৰুৱাৰ ওচৰত নিৰ্বাক হৈ বহুপৰ বহি থকাৰ পিছত নজৰুল আৰু ইবচেনৰ কথা পাগুলি পাগুলি ঘৰলৈ ঘূৰি আহোঁ। আগৰজন হেম বৰুৱাৰ আজিৰ হেম বৰুৱালৈ পৰ্যবসান কেৱল এজন অসাধাৰণ মানুহৰ হঠাৎ-স্তব্ধতাৰ শোচনীয় দুৰ্ভাগ্যই নহয়, ই আমাৰ এক জাতীয় বেদনাৰ বিষয়, এক বিপৰ্যয়।

হেম বৰুৱাৰ কথা মনলৈ আনিলে যিজন আমাৰ অসমীয়া মানুহলৈ মনত পৰি যায় সেইজন হ'ল 'ত্যাগবীৰ' বুলি বিশেষায়িত হোৱা আনজন স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা। দুইজনৰ ভিতৰত হয়তো নামটোৰ বাহিৰে আনবোৰ কথাত কমেই মিল আছিল, বয়সৰ ব্যৱধানো বৰ

বেছি। ত্যাগবীৰৰ প্ৰকৃত 'প্ৰটোটাইপ' বিচাৰিবলৈ হ'লে সম্ভৱ এতিয়াৰজন হেম বৰুৱাতকৈ তাহানিৰ 'হেমৰ কোযেৰে ওখ দ'ল বন্ধা' হেমচন্দ্ৰ বৰুৱালৈহে যোৱা সমীচিন হব। দুয়োৰে একে তীব্ৰ, সংস্কাৰকামী যুক্তিবাদী সামাজিক অচলাৱস্থা বিৰোধী অথচ দৰাচলতে সমাজপ্ৰেমী, মানৱদৰদী, আদৰ্শবাদী অথচ কাৰ্যকৰী ব্যক্তিত্ব। ওপৰে ওপৰে চালে হয়তো শ্ৰী হেম বৰুৱা আৰু ত্যাগবীৰৰ মাজত তেনেকুৱা মিল নাই। তথাপি এইজন হেম বৰুৱাই অসমৰ ৰাজনৈতিক আকাশত এসময়ত অত্যুজ্জল জ্যোতিষ্কৰূপে আবিৰ্ভূত হৈ অকালত মৰহি যোৱা সেইজন হেমচন্দ্ৰ বৰুৱালৈ মনত নেপেলোৱাকৈ নাথায়। দুয়ো হেম বৰুৱা, একে ভাৰতীয় গণবিপ্লৱৰ সন্তান। মোৰ সংগাঠী, সমকালীন হেম বৰুৱা অন্তৰৰপৰা নাহিবা মানসিক তাড়নাৰপৰা হোৱা ৰাজনীতিক আছিলনে নাই মোৰ সন্দেহ হৈ গৈছে। হেম বৰুৱা যে ত্যাগবীৰৰ দৰে মনে-প্ৰাণে বিচক্ষণ দল-নিষ্ঠ ৰাজনীতিক কোনো দিনেই নাছিল সেই বিষয়ে কিন্তু মোৰ অকণো সন্দেহ নাই। হেমচন্দ্ৰ বৰুৱা সাহিত্যপ্ৰেমী, ৰসজ্ঞান-পূৰ্ণ, মানৱিক বুদ্ধিজীৱী আছিল সঁচা কিন্তু তেওঁৰ প্ৰথম পৰিচয় আছিল ৰাজনীতিবিদ, দলনেতা স্বৰূপে। শিল্পীৰ অন্তৰ এখন, সেইজন হেমচন্দ্ৰ বৰুৱাৰো আছিল বুলি তেওঁৰ ওচৰলৈ অহা মানুহ মাত্ৰেই জানে। কিন্তু আমাৰ হেম বৰুৱাই প্ৰায় গোটেইটো প্ৰাপ্তবয়স্ক জীৱনেই ৰাজনীতি কৰিলে যদিও ৰাজনীতিৰ প্ৰতি অন্তৰৰ টান তেওঁৰ কোনো কালেই নাছিল। হেম বৰুৱা আছিল মূলতঃ শিল্পী, সাহিত্যিক, জীৱনৰ যোগাত্মক ফালটোৰ অনুৰাগী। সেয়ে হঠাৎ এই মৌলিক বিভিন্নতাৰ স্তৰটো অতিক্ৰম কৰিলেই আন বহুতো দিশত দুয়োজন হেম বৰুৱাৰ অনেক মিল আহি পৰে। হেমচন্দ্ৰ বৰুৱাই হয়তো পৰাধীন দেশত জাতীয়তাৰ ধনুৱা হ'ম বুলি মাতৃগৰ্ভতে থিৰ কৰিছিল। হেম বৰুৱাক ৰাজনীতিলৈ আনিলে অৱস্থাই আৰু ঘটনাৰ এক আবেগিক মুহূৰ্তৰ উন্মাদনাই। কিন্তু একে আগষ্টৰ আন্দোলনে দুয়োকে ৰাজনীতিৰ লৈতে জীৱনজুৰি সাঙুৰি ৰাখিলে।

হেমচন্দ্ৰ বৰুৱাই সাংবিধানিক ৰাজনীতি কৰিলে, দল আৰু 'কেডাৰ'

গাঢ়িলে, মন্ত্ৰীসভা নিয়ন্ত্ৰণ কৰিলে, কিন্তু catalytic agentৰ দৰে প্ৰশাসনৰ সংক্ৰমণৰপৰা নিজক নিলগাই ৰাখিলে। হেম বৰুৱায়ো যি কংগ্ৰেছৰ হৈ পোনতে ফাটেক খাটি সংগ্ৰামী ৰাজনীতিত সোমাইছিল সেই কংগ্ৰেছতে থাকি ভাৰতৰ প্ৰশাসনীয় ৰাজনীতিৰ শক্তিকেন্দ্ৰতে থাকিব পাৰিলেহেঁতেন। কিন্তু নাথাকিল। হেম বৰুৱাই কংগ্ৰেছকে ত্যাগ কৰিলে, তথাপি সংগ্ৰামী প্ৰতিবাদী ৰাজনীতি নেৰিলে। শেষলৈকে হেমচন্দ্ৰ বৰুৱাৰ দৰে ঐকান্তিক সততা আৰু আনুগত্যৰে নিজৰ দললৈকে তেওঁৰ পৰিণত জীৱনৰ সকলো ৰাজনৈতিক উদ্যম আৰু সেৱা আগবঢ়ালে যদিও হেম বৰুৱা কোনোদিনেই ঠিক দলীয় ৰাজনীতিক নহ'ল। তেওঁ অবিচলিতভাৱে শত বিপৰ্যয় অনেক ভাগ্যবিড়ম্বনাৰ মাজতো তেওঁৰ আনুগত্য নসলালে। এইখিনিতে হুয়োজন হেম বৰুৱাৰ ৰাজনীতি কৰিও ৰাজনীতিতে লেপেটা লাগি নথকাৰ মহত্ব। দুয়ো সদায় ৰাজনীতিতকৈ ওপৰ, দলতকৈয়ো বেছি কিহবাৰ লক্ষ্য অনুসৰণ কৰি ব্যতিক্ৰমী ব্যক্তিত পৰিণত হৈছে।

সুদক্ষ সংসদী ব্যক্তি হিচাপে আৰু দলীয় নীতিত আস্থাৰ পিনৰ পৰা হেম বৰুৱাৰ ৰাজনীতিক যদিও সদায় সমৰ্থনৰ চকুৰে চাই আহিছোঁ তথাপি হেম বৰুৱাৰ ৰাজনৈতিক কৃতিত্বৰ বিষয়ে উচ্ছ্বসিত হোৱাৰ কোনো কাৰণ মই কেতিয়াও দেখা নাই। কিন্তু ৰাজনীতি কৰিও দলোৰ্ধ ব্যক্তিত্বৰ নিৰ্মলতা আৰু সৰলতা ৰক্ষা কৰি যাব পৰা বৈশিষ্টই ৰাজনীতিতো হেম বৰুৱাক এডোখৰ স্বকীয় স্থিতি দিছে।

হেম বৰুৱা ঠিক তথাকথিত ৰাজনৈতিক নেতাৰ পৰ্যায়লৈ উঠিলেনে নাই, তেওঁৰ সুদীৰ্ঘ ৰাজনীতি চৰ্চা আৰু সফল সংসদী কাৰ্যনিৰ্বাহ নিৰ্বিশেষে এতিয়াও মতৈক্যৰ বিষয় হব পৰা নাই। ৰাজনৈতিক মঞ্চ-বক্তা বা সংসদী তাৰ্কিক হিচাপে লোকসভাৰ সদস্য হৈ থাকোঁতে হেম বৰুৱাই অৰ্জা খ্যাতি আৰু গৌৰৱ আমাৰ জাতীয় গৌৰৱৰ বিষয়। অসমৰ এচুকৰপৰা গৈ দেশৰ ৰাজনীতিৰ স্নায়ুকেন্দ্ৰ সংসদৰ মজিয়াত যি বলিষ্ঠতা আৰু বুদ্ধিমত্তাৰে তেওঁ দেশৰ সমস্যা বিশ্লেষণ কৰিছিল তেনে বলিষ্ঠতা সংসদৰ অৰ্ধ সহস্ৰ সদস্যৰ ভিতৰত মাথোন

আঙুলিৰ মূৰত লেখিব পৰা কেইজনমানেহে দেখুৱাব পাৰিছিল। কিন্তু দুটা গুণৰ বাবে বৰুৱাৰ ৰাজনৈতিক জীৱনো উল্লেখযোগ্য হৈ ৰ'ব। এটা হ'ল, নেতৃত্বৰ মৰ্যদা লভক বা নলভক, বৰুৱাৰ অভূতপূৰ্ব জন-প্ৰিয়তা আমাৰ ৰাজনীতিকসকলৰ বাবে সদায় কৌতূহল আৰু ঈৰ্ষাৰ বিষয় হৈ ৰ'ব। ৰাজনৈতিক ক্ষমতা নোহোৱাকৈয়ো ব্যক্তিগত আকৰ্ষণীয়তা আৰু সেৱাভাৱৰ সততাৰ গুণে অতি কম সময়ৰ ভিতৰতে তেওঁ যেনেকৈ জনতাৰ মাজত তেওঁৰ বিগ্ৰহ সুপ্ৰতিষ্ঠিত কৰিব পাৰিলে সেইটো বহুতৰ বাবেই বিমুগ্ধ আগ্ৰহৰ বিষয়। তেওঁৰ ৰাজনৈতিক কৃতিত্বৰ আনটো প্ৰমাণ হ'ল নিজে পণ্ডিত আৰু শিল্পী-জনোচিত নিৰাসক্ত ভাবাপন্ন লোক হৈয়ো সৰ্বসাধাৰণ জনতাৰ সৈতে একে পৰ্যায়তে সমানে সমানে সহযোগী হিচাপে একাত্মবোধেৰে কাম কৰিব পৰাৰ তেওঁৰ দুৰ্লভ ক্ষমতা। বিদ্বান হলেও; মনোবৃত্তিত বৌদ্ধিক আভিজাত্য থাকিলেও হেম বৰুৱাৰ নিচিনাকৈ অতি কম সাহিত্যিকেই জনতাৰ ইমান ওচৰ চাপিব আৰু ওচৰত থাকিব পাৰিছে। এইকালৰপৰা তেওঁ এজন প্ৰকৃত "গ্ৰাচ-ৰুট পলিটিচিয়ান"—অথচ একে সময়তে তেওঁ এজন কলাকাৰী সচেতনতা সম্পন্ন বিশিষ্ট ব্যক্তিবিশেষো।

ৰাজনীতিৰপৰা মুখ ঘূৰাই হেম বৰুৱাৰ বাকী ব্যক্তিত্বলৈ দৃষ্টিপাত কৰিলে সাহিত্যিক আৰু সাংস্কৃতিক হেম বৰুৱাজনক এক ৰিভিলেশ্বন, অলৌকিক আবিষ্কাৰ যেন লাগি যায়। স্কুল-কলেজত কেবাবছৰো একেলগে বহি পাঠ লৈছিলোঁ, প্ৰবেশিকা পৰীক্ষাৰ আগত আৰু বৰুৱাৰ এম এ পাছ কৰি কৰা যোৰহাটত কলেজীয়া শিক্ষক জীৱনৰ প্ৰাৰম্ভত অত্যন্ত ঘনিষ্ঠভাৱে একেলগে ফুৰিছিলোঁ, কথাবাৰ্তা হৈছিলোঁ। সম্ভৱ বি. এ. পাছ কৰালৈকে বৰুৱা যেনেকৈ কলেজত কোনোপ্ৰকাৰ মুখা-ফুটা ছাত্ৰ নাছিল তেনেকৈয়ে দিয়া নাছিল ভৱিষ্যতৰ অসম সাহিত্য সভাৰ সভাপতি হ'বলগীয়া কোনো সাহিত্যিক প্ৰতিশ্ৰুতি। লাজকুৰীয়া বিনয়ী সদায় আঁৰত লুকাই থাকিব খোজা হেম বৰুৱাই

প্ৰায় ডেকা বয়সলৈকে ভৱিষ্যতৰ অগ্নিগৰ্ভ বক্তৃতা দিয়া অথবা এইচ. ভি. কামাথ বা নাথ পাইৰ দৰে আকৰ্ষণীয় 'পাৰ্লিয়ামেণ্টেৰিয়ান' হোৱাৰ কোনো ছুপতীয়া চিনৰ আশ্বাস দিয়া নাছিল। এক কথাত ক'বলৈ গ'লে প্ৰায় মাজবয়সলৈকে হেম বৰুৱা আছিল আমাৰ সৰহ ভাগৰ দৰে "এভাৰেজ" সাধাৰণ মানুহ। ত্ৰিশৰ দশকত তেতিয়াৰ হেমকান্ত বৰুৱাই "আৱাহন" আলোচনীৰ পাতত পাশ্চাত্যৰ লিখক আৰু লিখাৰ বিষয়ে আলোচনামূলক প্ৰবন্ধ-পাতি লিখি সাহিত্যিক প্ৰতিষ্ঠাৰ বাটত হেহো-নেহোঁকৈ খৰক-বৰক খোজ পেলাবলৈ ধৰিছিল যদিও তেওঁ যে সাহিত্যত লাগি থাকিব তেনে কোনো প্ৰত্যয় নাইবা সাহিত্যৰ প্ৰতিযোগিতাত আগঠাই ল'বলৈ যুঁজ দিব তেনেকুৱা আত্মবিশ্বাসো তেওঁৰ অহা নাছিল। মনত পৰে, ৰবৰু, সেই সময়ত সাহিত্য চৰ্চাৰ উৎসাহটো মোৰহে বৰুৱাতকৈ অলপ ছাব আছিল আৰু মইহে লাজুক, পিছহোঁহকা হেম বৰুৱাক আৰু বনাই আৰু বেছিকৈ লিখা-মেলা কৰিবলৈ হেচুকিব লগীয়াত পৰিছিলোঁ। বক্তৃতা দিয়া বিষয়তো সুস্ত্ৰ সাহিত্যিক শ্ৰীমান ৰাজেন্দ্ৰনাথ হাজৰিকা আৰু কবি ৺অমূল্য বৰুৱাই যোৰহাটত আয়োজন কৰা প্ৰথম অনুষ্টুপীয়া সাহিত্যিকৰ মেলত ধামি-জামি দিয়া চুটি বক্তৃতাই বৰুৱাৰ বক্তা জীৱনৰ অথিৰ আৰম্ভণি আছিল।

এম. এ পাছ কৰাৰ পিছত জীৱনত তিষ্ঠি থাকিবলৈ যোৰহাটত যুঁজ দিয়া বছৰকেইটা আনুমানিক ১৯৩৯-৪২ চন মোৰ মনেৰে হেম বৰুৱাৰ জীৱনৰ পট পৰিবৰ্তনৰ সময়। গোটেই মানুহজনলৈ অহা ইংৰাজীত যিটোক কোৱা হয় sea-change তেনে সমুদ্ৰ ৰূপান্তৰৰ কাল, ক্ৰান্তিকাল। ভাব হয়, সেই কেইবছৰৰ চৰম বিপৰ্যয় ভাগ্য পৰিবৰ্তন আৰু আশাভংগ তেওঁৰ জীৱনলৈ নহা হলে যিজন হেম বৰুৱাক লৈ অসমীয়াই আজি গৰ্ব কৰে সেইজন হেম বৰুৱাৰ পাতনি হয়তো নহ'লহেঁতেন। তেওঁৰ জীৱনত তেনে এক বিৰাট পৰ্ব সংঘটিত নোহোৱা হ'লে হেমকান্ত বৰুৱা হয়তো তদানীন্তন অসমৰ অলেখ বেচৰকাৰী কলেজৰ ভৱিষ্যতহীন, প্ৰেৰণাহীন অধ্যাপকৰ

দৰে মাথোন এজন অধ্যাপকেই হৈ ৰ'লহেঁতেন। হয়তো সময়ত পি. এইচ. ডি. উপাধি লৈ পঢ়া-শুনা কাতি কৰি থৈ সংসাৰী সফলতাৰ বাবে লালায়িত হৈ ঘৰবাৰী কৰি থিতাপি লাগি আওপকীয়া অৰ্থত দৰ্শনৰ 'গুড লাইফ' সংজীৱন যাপন কৰি থাকিলেহেঁতেন। পৰীক্ষা আৰু ছাত্ৰৰ বাহিৰে আন বিষয়তো তেওঁক 'মাৰ্ক' কৰাৰ দৰকাৰ কাৰো কিজানি নহ'লহেঁতেন। সেই কেইবছৰৰ তিক্ত অভিজ্ঞতাই হেম বৰুৱাক নিজৰ সুপ্ত প্ৰতিভাৰ বিষয়ে সজাগ হ'বলৈ শিকালে, চতুৰ্থ দশকৰ সামাজিক অৱক্ষয়ৰ স্বৰূপ বুজিবলৈ সক্ষম কৰিলে, ব্যৱহাৰিক জীৱনৰ সীমাবদ্ধতাৰ গৰাহৰপৰা নিজক উদ্ধৰ্তিত কৰি উত্তৰণ সাধি জীৱন ধাৰণৰ মহত্তৰ ব্যক্তি-উৰ্ধ প্ৰেৰণা আৰু লক্ষ্যসমূহৰ সৈতে নিজক জড়িত কৰিবলৈ উদগনি দিলে। তেতিয়াৰপৰা অ-সাহিত্যিক হেম বৰুৱা হৈ পৰিল সাহিত্যিক, কবি। অকল সেয়ে নহয় বিয়াল্লিছৰ গণজাগৃতিৰ আলোড়নৰ কামত বৰুৱাই দেশ আৰু জনতাৰ আহ্বান শুনি ব্যক্তিগত জীৱনৰ বিফলতাতকৈ বিৰাট আৰু মহৎ জাতীয় দুৰৱস্থাৰ অংশীদাৰ হ'বলৈ আগবাঢ়িল— বৰুৱা দেশসেৱক হ'ল, ৰাজনীতিক হ'ল। বিয়াল্লিছত আচম্বিতে সম্পূৰ্ণ অপ্ৰত্যাশিতভাৱে এখন ৰাজহুৱা সভাত অগ্নিবৰ্ষী বক্তৃতা দি হেম বৰুৱা ৰাজনৈতিক বন্দী হ'ল। ভাবীকালৰ ৰাজনৈতিক বৰুৱাৰ জন্ম হ'ল। যোৰহাট জেলত বন্দী হৈ থাকোঁতে সেয়ে পোনপ্ৰথম অজান অপৰিচিত হেম বৰুৱা অসমৰ প্ৰায় সকলো প্ৰথম শাৰীৰ নেতাৰ সৈতে ঘনিষ্ঠ সম্পৰ্কলৈ আহিল আৰু আনকালেদি আৰম্ভ কৰিলে কঠোৰ অধ্যয়ন-তপস্যা। সচেতন সময়খিনিৰ প্ৰায় প্ৰত্যেকটো মুহূৰ্তকে কিতাপ পঢ়াৰ কামত লগাবলৈ হেম বৰুৱাই তেতিয়াই কৰা অভ্যাস সৌ-সিদিনা নিজে পঢ়িব নোৱৰা হোৱালৈকে এদিনো লৰচৰ নহ'ল। আৰু তেতিয়াৰপৰাই হেম বৰুৱাৰ জীৱনৰ এটা ডাঙৰ সম্পদ—সময়ৰ মূল্য উপলব্ধি, এখন্তেকো অবাবত নেখেদাবলৈ এক সহজাতপ্ৰায়প্ৰকৃতি অৰ্জিত হ'ল। হেম বৰুৱাৰ আজিৰ দুৰ্ভাগ্যজনক পৰিস্থিতিত এনে এটা অভ্যাস যদিও নিষ্ঠুৰ 'আয়ৰণি' যেনহে হৈছে—নপঢ়াকৈ দিন

কটাবলৈ কায়িকভাৱে অসমৰ্থ এজন মানুহে এতিয়া আনে পঢ়ি শুনোৱাৰ ওপৰত নিৰ্ভৰ কৰি সময় নিয়াৰ লাগে—তথাপি এনেবোৰ অভ্যাসৰ বলতেই হেম বৰুৱা 'হেম বৰুৱা' হ'ল।

সেই সময়তে আমাৰ মহান নেতা লোকপ্ৰিয় বৰদলৈৰ সান্নিধ্যই হেম বৰুৱাৰ জীৱনৰ সমস্ত ধাৰাটোকে সলাই পেলালে। বৰদলৈদেৱে হেম বৰুৱাক যোৰহাটৰপৰা আনি অসমৰ প্ৰাণকেন্দ্ৰ গুৱাহাটীত থাপিলে, ভোলা বৰুৱা কলেজৰ গুৰিয়াল পাতিলে। তেতিয়াৰপৰাই আৰম্ভ হ'ল সাহিত্যিক, পণ্ডিত, বুদ্ধিজীৱী, সাংস্কৃতিক, সমাজবাদী, ৰাজনীতিক, জনতাৰ হিয়াৰ আমঠু, সৰ্বজনপৰিচিত, সৰ্বজনপ্ৰিয় হেম বৰুৱাৰ জীৱনৰ অগ্ৰগতি। যোৰহাটৰপৰা গুৱাহাটীলৈ স্থানান্তৰ আৰু শেষলৈ গুৱাহাটীৰপৰা দিল্লীলৈ 'ট্ৰেনশ্লেশ্যন' হেম বৰুৱাৰ জীৱন কাৰ্যক্ৰম প্ৰতিষ্ঠাৰ বৃহৎ ৰূপান্তৰৰ যাত্ৰাপথ। গুৱাহাটীলৈ আহিবৰ পৰা হেম বৰুৱাই আৰু পিছফালে ঘূৰি চোৱাৰ, Look back কৰাৰ দৰকাৰ হোৱা নাছিল যেতিয়ালৈকে নিৰ্বাচনত পৰাজিত হোৱাৰ-পৰা তেওঁৰ আৱৰ্তনৰ চকৰী অতীতৰ সিদ্ধি আৰু বৰ্তমানৰ বিপৰ্যয়ৰ মাজত অদ্ভুতভাৱে স্থিতিস্থাপক হৈ নিশ্চল হৈ পৰিল।

এসময়ৰ লাজকুৰীয়া, পিছলৈ হটিযোৱা, কোনো প্ৰকাৰ 'কেৰিচমা' নথকা হেম বৰুৱা যে পিছলৈ এদিন এনে সৰৱৰহী, এনে 'মেগনেট' সদৃশ বাইজৰ মানুহ হব আৰু হব একেসময়তে অসমীয়া আধুনিক কবিতাৰ দুৱাৰ মুকলি কৰোঁতা আৰু দেশৰ সাংস্কৃতিক পৰিক্ৰমাৰ এজন নায়ক, সেই কথা তেওঁৰ লৈতে একেলগে ডাঙৰ-দীঘল হোৱা মইহে নালাগে তেওঁৰ সমকালীন আন কোনোবাই ভাবিব পাৰিছিল বুলি মোৰ মনত নধৰে। সেইবাবেই কৈছোঁ পিছৰজন হেম বৰুৱা এক 'ৰিভিলেশ্যন' যেন লাগে। 'ৰিভিলেশ্যন' এই বাবেই যে আগৰজন সাদা-চিধা' হেম বৰুৱাৰ মাজতে ভ্ৰূণাৱস্থাত পিছৰ ভাৰত বিখ্যাত সুপৰিচিত 'সাদা-চিধা' হেম বৰুৱাজন লুকাই নথকা হলে হঠাৎ ওপৰৰপৰা বা বাহিৰৰপৰা কৃত্ৰিমভাৱে আগৰ উকা হেম বৰুৱাজনৰ ওপৰত পিছৰ সৰ্বটাক হেম বৰুৱাজন 'চুপাৰ ইমপোৰ্জড' বা ঊৰ্ধ

স্থাপিত হব নোৱাৰিলেহেঁতেন। আৰু লগতে এইটো ঠিক যে কৃতিত্বৰে এম. এ. পাছ কৰাৰ পিছতো কেবাবছৰো নিবনুৱা হৈ বহি থাকিবলগীয়া নোহোৱা হলে তেতিয়াৰ চালুকীয়া যোৰহাট জে. বি. কলেজত ভালেমান দিন কাম কৰিও স্থায়ী চাকৰি এটা পোৱাৰ বেলিকা ভগ্নমনোৰথ নোহোৱা হলে, সেই কেইবছৰত আমাৰ সমাজৰ বাহিৰৰ ভণ্ডামিৰ আঁৰত থকা প্ৰকৃত হৃদয়হীন মানুহৰ মোল নুবুজা স্বৰূপটোৰ সৈতে মুখা-মুখি পৰিচয় নোহোৱা হলে আৰু বয়স্ক জীৱনত পদে পদে প্ৰতিষ্ঠিত ব্যৱস্থাৰ বিৰুদ্ধে মুখ দাঙি থিয় হোৱাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হবলগীয়া নোহোৱাহেঁতেন ভৱবয়সৰ সমাজ সমালোচক, বিপ্লৱী ভাবধাৰাৰ বাহক ৰাজনৈতিক বিৰোধী, ভাবাদৰ্শত প্ৰগতিশীল, জনজীৱনৰ সৈতে একাত্মবোধেৰে আপোন, গুৱাহাটী তথা অসমৰ সাংস্কৃতিক-বৌদ্ধিক পৰিৱেশক গঢ় দিব পাৰোঁতা হেম বৰুৱাজনক দেশে দহে নাপালেহেঁতেন।

হেম বৰুৱাৰ অতীতৰ বিষয়ে মই যিমানখিনি জানো আন বহুতেই তাতকৈ বেছি জানে। কিন্তু হেম বৰুৱা জীৱন পৰিক্ৰমা যিটো স্তৰত এই তিনিকুৰি বছৰতে আহি থমকি ৰৈছেহি তাত অতীতৰ মানুহজনৰ উদ্দেশ্য আৰু আজিৰ সেই একেজন মানুহৰ ভগ্নাৱশেষৰ সম্যক মূল্যায়ন বৈপৰীত্যৰ অধ্যয়ন, 'ষ্টাডি ইন কনট্ৰাষ্ট' পন্থাৰ ব্যতিৰেকে ফলপ্ৰসূ হব নোৱাৰে বাবেই নকওঁ বুলিও সেইখিনি কবলগীয়া হ'ল। হেম বৰুৱাৰ জীৱনত নিয়তিৰ খেলাৰে মন কৰিলে বহুত সময়ত মোৰ তেওঁৰ জীৱনটো এখন 'এপিক ট্ৰেজেডি'ৰ ৰূপায়ন যেন লাগে। এনে 'এপিক' বা মহাকাব্যিক পৰিণতি প্ৰসংগত নিয়তিৰ হাতৰ পুতলা নানাজন মহানলোকৰ কথা মনলৈ অহা স্বাভাৱিক। বৰুৱাৰ একেটা জীৱনৰ অৰ্ধশতবৰ্ষৰ ভিতৰতে সম্পূৰ্ণ সুকীয়া বিপৰীত জীৱনৰ প্ৰদৰ্শন আমি দেখিবলৈ পালোঁ। হেম বৰুৱা এদিন আছিল মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ তুংগত বিৰাজমান এক প্ৰাণোচ্ছল, জীৱন্ত, গতিশীল, ল'ৰা-বুঢ়া সকলোৰে প্ৰতি সহানুভূতি আৰু অনুৰাগেৰে ভৰপূৰ সুতীক্ষ্ণ উদ্দাম প্ৰতিক্ৰিয়াৰে জীৱন্ত, চিৰনবীন, চিৰ সতেজ যৌৱনোচ্ছাসৰ তজবজীয়া

প্ৰতিমূৰ্তি, খোজে-কাটলে, কথাই-কামে, হাঁহিয়ে-ৰগৰে হেম বৰুৱাক ফেৰ মাৰিবপৰা মানুহ গুৱাহাটীত কমেই আছিল। তেওঁ যেনেকৈ জীৱনৰ আৰু মানুহৰ সংকট আৰু সমস্যাৰ প্ৰতি সদাসচেতন আছিল, তেনেকৈয়ে আছিল জীৱনৰ অনন্ত মুহূৰ্তবোৰৰ সোৱাদ বা ৰস চেপি লব জনা নিৰুদ্বেগ, নিবিড় জীৱন-ৰসিক, ভোগী। হেম বৰুৱাই সদায় পৰিৱেশৰ আৰু পৰিস্থিতিৰ ওপৰত নিজৰ ব্যক্তিত্বৰ ছাপ বহুৱাব পাৰিছিল। একসময়ত হেম বৰুৱাই সাধাৰণ মেচ এটাৰ এখোটালিত এজাক মানুহৰ মাজত থাকি সকলো ৰং-ৰহইচ আৰু আলোচনা-বিলোচনাত যোগ দিও একেটা দিনতে ঘণ্টাৰ পিছত ঘণ্টাকৈ পঢ়িছিল, ল'ৰা পঢ়ুৱাইছিল, আলোচনীৰ সম্পাদনা কৰিছিল, দৈনিক বাতৰি কাকতৰ সম্পাদকীয় লিখিছিল, প্ৰবন্ধ লেখিছিল, সকলোৰে খা-খবৰ লৈছিল, দেশৰ হকে মাতিছিল, সভাই-সমিতিয়ে বক্তৃতা দিছিল তাৰ ওপৰতো মাইলৰ পিছত মাইল হলং হলডকৈ বাটে-ঘাটে টিঘিলা-ঘিলাইছিল। আৰু তাতোকৈ আচৰিত দিনটো ইমানবোৰ ব্যস্ততাৰ মাজতো ছিদ্ৰবিহীন দৈনন্দিন কাৰ্যসূচী পালন কৰি যোৱাৰ মাজতো, হেম বৰুৱাই কলেজৰপৰা নাইবা ফুৰি আহোঁতে এপাক তেওঁৰ বৰ আদৰৰ পাণদোকানী ল'ৰাজনৰ দোকানত চুণে-চাদাই সেলেঙি লগাই তামোল এখন কোৱাৰি ভৰাকৈ ভৰাই সুখ-দুখৰ কথা বিনিময় কৰিব-লৈকো কেতিয়াও হেলা নকৰিছিল। হেম বৰুৱাৰ অফুৰন্ত কাম কৰিবপৰা ক্ষমতা আৰু অন্তহীন কামৰ প্ৰতি আগ্ৰহ বা 'এনথুচিয়েজম' দেখি তবধ মানিবলগীয়া হৈছিল। তেওঁ পণ্ডিত আছিল ; কিন্তু কোনোদিনে অ-সামাজিক গজদন্তমিনাৰবাসী নাছিল ; তেওঁ নিজে অনুশাসিত, সংযমী, কঠোৰ কৰ্তব্যবোধী মানুহ আছিল, কিন্তু জীৱনৰ আৰু মানুহৰ কোনো কথাৰ প্ৰতি তেওঁ উদাসীন নাছিল। তেওঁ বাহিৰত ৰাজনৈতিক আছিল, সংগপ্ৰিয় extrovert ৰসিকলোক আছিল, কিন্তু ভিতৰি ভিতৰি আছিল স্পৰ্শকাতৰ, সামান্য ইংগিততে প্ৰতিক্ৰিয়া হোৱা নিবলা আৰু সৰল ভালপোৱা-বেয়াপোৱাৰ কবি, বিশ্বৰ আৰু জীৱনৰ সৌন্দৰ্য আৰু মাধুৰ্যত আপ্লুত হৈ থাকিবপৰা, পাৰমাৰ্থিক তুৰীয়

'আনন্দম'ৰ বেশ অনুভৱ কৰিব পৰা অন্তৰ্মুখী ভাবুক।

আৰু আজি? তেওঁৰ জীৱনৰ সুস্পষ্ট তিনিটা পৰ্যায়ৰ শেহৰটোত আজিৰ হেম বৰুৱা নিস্পন্দ, নিৰ্বাক, এক অতীতৰ 'মনুমেন্ট' মাথোন, যাৰ বৰ্তমানৰ সৈতে সক্ৰিয় সংযোগ নাই, যাৰ ভৱিষ্যত সন্ত-মৃত still-born। কে আহিছো, ওচৰতে থাকোঁ যদিও একেলগৰ মই তেওঁক বহুখিনি ভালেই আছোঁ, যদিও হেম বৰুৱাৰ ওচৰলৈ মই কমেই যাওঁ। লগ পালে হয়তো বৰুৱাই ভালেই পায়; আজিকালি খুব কমেই তেওঁক লগ ধৰিবলৈ যাওঁ। কিন্তু মোৰ বেয়া লাগে, অস্ফুট মাতেৰে হেম বৰুৱাক কথা কবলৈ বাধ্য কৰিলে নাইবা ছাঁৰ দৰে লগলাগি থকা সহধৰ্মিনী অনু বৰুৱাৰ মুখেদি হেম বৰুৱাৰ বক্তব্য উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিলে হেম বৰুৱাক নীপিড়ন কৰা যেন লাগে। অত্যন্ত ক্লেশ দিয়া যেন লাগে। কিন্তু হেম বৰুৱা মানুহজন যেনেকৈ বিৰাট ভাগ্য বিপৰ্যয়ৰ মাজতো একেজন মানুহ হৈয়ে আছে, গোটেই পৃথিৱী ভ্ৰমিও যি হেম বৰুৱা, আজিও সেই একান্ত ঘৰুৱা, অনাড়ম্বৰ অমায়িক হেম বৰুৱাজনেই হৈ আছে, বিৰূপ অভিজ্ঞতায়ো যাক সংসাৰৰ প্ৰতি বীতৰাগ কৰা নাই—সেইদৰেই জীৱনৰ মধ্যাহ্ন লগ্নত সিদ্ধি আৰু খ্যাতিৰ শীৰ্ষলৈ উধোৱা হেম বৰুৱা আজি যদি জীৱনৰ অপৰাহ্নত অকলশৰীয়া আৰু অক্ষম হৈ মাথোন সো-শৰীৰে জীয়াই আছে—হেম বৰুৱাক ভালদৰে জনা আৰু ভালপোৱা প্ৰত্যেকৰ বাবে অতীতৰ তেওঁৰেই বৰ্তমানৰো হেম বৰুৱা হৈ আছে আৰু ভৱিষ্যতেও থাকিব।

# আমাৰ মেথুচেলা ককা ফুকন

দীৰ্ঘায়ু, নিৰামিষাহাৰী, সংসাৰী হৈয়ো একপ্ৰকাৰ বৈৰাগী, চিৰ-সজীৱ, চিৰউজ্জ্বল এইকালৰ এজন অদ্ভুত ধৰণৰ ঋষি, চাঞ্চল্যকৰ ব্যক্তি, বিশ্বৰ অন্যতম শ্ৰেষ্ঠ নাট্যকাৰ জৰ্জ বাৰ্ণাৰ্ড শ্বই তেওঁৰ দাৰ্শনিক কল্পনা প্ৰসূত ৰহস্যময় জীৱন শক্তিৰ বলতেই হওক অথবা তথাকথিত 'এলান ভাইটাল'ৰ ( Elan Vital ) ক্ৰিয়াৰ ফলস্বৰূপেই হওক, নাইবা স্থূল বিশ্বৰ কিবা কল্পনাতীত বিস্ময়কৰ মহৌষধৰ সৌজন্যতে হওক—আজিৰ অল্পায়ু মানুহক বাইবেলৰ মেথুচেলাৰ আয়ুস পোৱাৰ বাট দেখুৱাই দিবলৈ লৈছিল, নৈসৰ্গিক আশ্চৰ্যৰ দৰে বিস্ময়জনক সুদীৰ্ঘ সহস্ৰায়ু জীৱন লাভৰ 'নো-হাউ' অৰ্থাৎ কিটিপবোৰ শিকাই দিবলৈ বিচাৰিছিল। "বেক টু মেথুচেলা।" বাইবেলৰ নোৱাৰ ককাক মেথুচেলাই বোলে ভাবিব নোৱাৰা নশ উনসত্তৰ (৯৬৯) বছৰ আয়ুস পাইছিল।

আমাৰ চেমনীয়া, চেঙেলীয়া আদহীয়া আনকি কলিকালৰ কালিকাত বুঢ়া নৌ হব লগা হওঁতেই বুঢ়া হোৱা বহুত বুঢ়াৰো সাৰ্বজনীন ককা, চিৰকুমাৰ চিৰ তৰুণ শ্ৰীনীলমণি ফুকনে বোলে পঁচানব্বৈ বছৰত ভৰি দিলে। পঁচানব্বৈ আৰু নশ উনসত্তৰৰ ভিতৰত ব্যৱধান বিৰাট। তথাপি কিয় জানো, ককা ফুকনৰ বয়সৰ ন (৯) সংখ্যাটোলৈ লক্ষ্য কৰাৰ বাবেই নেকি, ককাৰে নিচিনা আয়ুস পোৱা, ককাৰ লেখীয়া মনে প্ৰাণে চিৰচঞ্চল চিৰসেউজীয়া খ'ৰ মনলৈ অহা মেথুচেলাৰ কথা মোৰ মনলৈ আহি গ'ল। সহস্ৰ বছৰ জীয়াই থকাৰ ভাগ্য উপকথাত বা ৰূপকথাত বাজে অন্য ক'তো মানুহৰ হোৱা নাই। সহস্ৰায়ু হব নালাগে—আনৱিক বিভীষিকাই আধামৰা কৰা এইখন আজিৰ পৃথিৱীত হেজাৰ বছৰ জীয়াই থকাৰ অভিশাপ সাত শতুৰুকেও কাকো নিদিয়াই ভাল। আমাৰ ককা ফুকন শতায়ু হওক, শতোৰ্ধ আয়ু

হওক, আজিৰ এই শুভ দিনটো ঘূৰি ঘূৰি আহি থাকক। নীলমণি ফুকন, আমাৰ মেথুচেলা সদৃশ হৈ থক।

বাৰ্নাৰ্ড শ্বই বোলে কৈছিল: "ইউ শ্ব্ড লিভ টো ডেট্ হুৱেন ইউ ডাই গড্ ইজ্ ইন্ ইয়োৰ ডেট্।" এনেকৈ জীয়াই থাকিবা যাতে মৰিবৰ সময়ত 'খোদ' ঈশ্বৰক তুমি তোমাৰ ওচৰত ধৰুৱা কৰি থৈ যাব পাৰা। বাইবেলৰ চাৰি কুৰি দহ বছৰৰ—'ফোৰ স্কোৰ ইয়াৰ্চ এণ্ড টেন'বো ওপৰৰ কৰ্মময়, চিন্তাময়, উপলব্ধিময়, কৃতিত্বময়, গৌৰৱময় জীৱনত কৰা ফুকনৰ সমানকৈ আমাৰ জান কেইজনে এই শ্বেভীয়ান দৰ্শনক বাস্তৱত ৰূপায়িত কৰিব পাৰিছে মই নাজানো। ভগৱানে ফুকনক যি আয়ুস দিছে তাৰ প্ৰতিটো মুহূৰ্তৰ ঋণ ককাই সুদে-মূলে পৰিশোধ কৰি গৈছে। কৈশোৰৰপৰা পঞ্চাশোৰ্ধ বয়সলৈকে ওচৰৰপৰা, আঁতৰৰপৰা নীলমণি ফুকনক দেখি আৰু জানি মোৰ এইয়ে ধাৰণা হৈছে যে কৰ্ম আৰু চিন্তা সুন্দৰৰ সাধনা আৰু কৰ্মৰ উন্মাদনাৰ ফুকন যি অভূতপূৰ্ব সমন্বয়ৰ প্ৰতীক তেনে সমন্বয় আমাৰ মাজত নিতান্ত দুৰ্লভ।

আজি প্ৰায় চাৰি দশকৰ আগেয়ে যেতিয়া তেতিয়াৰ ডিব্ৰুগড় নিবাসী জৰ্জ ইনষ্টিটিউশ্যনৰ প্ৰতিষ্ঠাতা, বিশিষ্ট শিক্ষাবিদ আৰু শিক্ষা-নুৰাগী হিচাপে প্ৰসিদ্ধ, উজনিৰ ফুকন নীলমণি আহি অসমৰ সৰ্বপ্ৰথম দৈনিক-বাতৰি কাকত 'বাতৰি'ৰ প্ৰধান সম্পাদক-সাংবাদিকৰ বেলেগ ভূমিকাত যোৰহাটৰ ৰাজহুৱা জীৱন মঞ্চত আবিৰ্ভূত হ'ল, সেই সময়ৰ ককা ফুকনজনৰ 'ইমেজ' বা ভাবমূৰ্তি আজিৰ গৰাকী ফুকনৰ সৈতে হয়তো সুমেৰু আৰু কুমেৰুৰ সমানেই পৃথক, আঁতৰ। সঁচা মিছা নাজানিছিলোঁ, শুনিছিলোঁ আৰু ধাৰণা কৰিছিলোঁ আইন সভাৰ সদস্য (ফুকন সম্ভৱ এম. এল. চি. আছিল) শিক্ষাবিদ নীলমণি ফুকন, এজন চাহাবী চেহতত অনুৰক্ত মধ্যমপন্থী, সৌজন্য, শিষ্টাচাৰ আৰু ভদ্ৰতাৰ প্ৰতিমূৰ্তি, অসমীয়াৰ ডা ডাঙৰীয়া আছিল। ফুকনৰ বক্তৃতাৰ কথা পঢ়িছিলোঁ, তেওঁৰ অতুলনীয় বাগ্মিতাৰ কথা শুনিছিলোঁ, আৰু গম পাইছিলোঁ তেওঁ এজন বিৰাট ব্যক্তিত্বসম্পন্ন স্বাধীনচেতা, অসম সাহসী

মণিৰাম দেৱানৰ সুযোগ্য বংশধৰ।

সেই কালত অনিবাৰ্যভাৱে আমাৰ কুমলীয়া মনে উজনিৰ এই 'মাতব্বৰ' ফুকনজনক নামনিৰ স্বনামধন্য সিংহপুৰুষ আনজন ফুকনৰ সৈতে বিজাই চাইছিল। খলুৱা অনুভূতিৰে পৰিপূৰ্ণ অৰ্ধচেতন মনেৰে যদিওবা তেতিয়া কিজানি আত্মতুষ্টি অনুভৱ কৰিছিলোঁ যে আমাৰ উজনিতো তৰুণৰাম ফুকনেৰে ফেৰ মাৰিব পৰা এজন ফুকন আছে, যি সমানেই স্বাধীনচিতীয়া, সমানেই সভাশুৱনী, সমানেই তীক্ষবুদ্ধি, সমানেই বাগ্মিতাবিশাৰদ, সমানেই দেশানুৰাগী ;—তথাপি সংচেতন মনেৰে হয়তো নীলমণি ফুকনক ঠিক তৰুণৰাম ফুকনৰ সৈতে একে শাৰীতে থব পৰা নাছিলোঁ। বিশেষকৈ তেতিয়াৰ আমাৰ ভাগ্য নিয়ন্তা বিদেশী প্ৰভুসকলৰ সৈতে উজনিৰ জনা ফুকনৰ অলপ বেছি হলি গলি থকা বুলি ভুলেই হওক ঠিকেই হওক শুনিবলৈ পাই নামনিৰ জনা ফুকনৰ সৈতে তুলনাত তেওঁক অলপ হীনপ্ৰভ যেন লাগিছিল। আৰু বাগ্মিতাৰ বিষয়তো দুই ফুকনৰ যি প্ৰকাৰগত পাৰ্থক্য আছিল বুলি শুনিছিলোঁ সিও উজনিৰজনৰ কিছু বিপক্ষেই গৈছিল।

পিছলৈ যেতিয়া 'বাতৰি'ৰ সম্পাদকৰূপে প্ৰথমে ঠেঙালবাৰী বাগিচাত আৰু পিছলৈ যোৰহাটৰ বিখ্যাত ৰায়বাহাদুৰৰ বঙলালৈ ডিব্ৰুগড়ৰপৰা গুচি অহা নীলমণি ফুকনগৰাকীক সৌশৰীৰে লগ পালোঁ, তেতিয়া পূৰ্বৰ বহুতো ধাৰণাৰে সালসলনি কৰিবলগীয়া হ'ল। ভ্ৰান্ত-কল্পনাৰ ফুকনজন আৰু দিঠকৰ ফুকনজনৰ মাজত থকা ভালেখিনি অমিলে তেওঁৰ ব্যক্তিত্বৰ এটা বেলেগ ৰূপৰ সৈতে পৰিচয় ঘটালে।

একালৰ শিক্ষাবিদ ফুকনে যেতিয়া অসমৰ অগ্ৰগণ্য সাংবাদিকৰূপে আত্মপ্ৰকাশ কৰিলে তেতিয়া আমি যেনেকৈ অবাক হৈছিলোঁ তেনেকৈয়ে মুগ্ধ হৈছিলোঁ নীলমণি ফুকনৰ কিছু বেলেগ ধৰণৰ স্বৰূপ দেখি। নীলমণি ফুকন অৱশ্যে তাৰ বহুত আগতে সুপ্ৰসিদ্ধ 'আলোচনী' কাকতৰো সম্পাদক আছিল। কিন্তু ফুকন প্ৰকৃততে সাংবাদিক আছিলনে? আজিৰ সময়ৰ দূৰত্বৰপৰা চাই পঠিয়ালে ককাই হয়তো মোৰ সৈতে একমত হৈ হাঁহিমুখে স্বীকাৰ কৰিব—তেওঁ সাংবাদিক

নাছিল, তেওঁ সাংবাদিক হ'বলগীয়াহে হৈছিল। সাংবাদিকতা কৰিবলৈ নীলমণি ফুকন 'দৈনিক বাতৰি'ৰ সম্পাদক হোৱা নাছিল. নাইবা অসমৰ সেইকালৰ মতিলাল ঘোষ বা চি-ৱাই-চিন্তামণি হৈ অসমী আইৰ মুখ উজলোৱাৰ হাবিয়াসো তেওঁৰ সম্ভৱ নাছিল। ফুকনে তেতিয়া মৰ্মে মৰ্মে অনুভৱ কৰিবলৈ ধৰা অসমীয়া স্বাতন্ত্ৰ্যবোধ, অসমীয়া সংৰক্ষণী দৰ্শন, অসম মুলতে অসমীয়াৰ বাবে এনে ভাবাদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এটি অতি কামিলা বাহন পাই তেওঁ সাংবাদিকতাত জঁপিয়াই পৰিছিল। ফুকনৰ সহকাৰী হিচাপে সেই সময়তে 'বাতৰি'ত ওপজাতেই 'জাৰ্নেলিষ্ট' হৈ অহা সাংবাদিক আৰু এজন ফুকনে কাম কৰিছিল—লক্ষ্মীনাথ ফুকন। তেওঁ বাতৰি কাকতৰ বৃত্তিতে এইাগুধা-য়াকৈ শেষলৈকে লাগি থকাটোৱে আৰু নীলমনি ফুকনে 'মিশ্যনাৰী' উৎসাহেৰে সম্পাদকৰ দায়িত্ব লৈ তাৰ মোহ অচিৰে এৰি পেলোৱা-টোৱেই কিজানি মোৰ এই মতৰ বঢ়িয়া প্ৰমাণ। কিন্তু বিজুলীৰ চিক্‌মিকনিৰ নিচিনাকৈ হলেও নীলমণি ফুকনে আগ কুৰি শতিকাত অসমীয়া সাংবাদিকতাত এটা নতুন বাট মোকোলাই স্মৰণীয় হৈ ৰ'ল। অৱশ্যে সাংবাদিকতা ফুকনৰ ব্যক্তিত্বৰ কাষৰীয়া এটা দিশহে মাথোন, আন বহুত দিশৰ এটা।

জীৱনৰ বেলেগ বেলেগ পৰ্যায়ত একোটা ন ন ভূমিকা গ্ৰহণ কৰা আৰু যিহকে গ্ৰহণ কৰক তাতে নতুনত্ব আৰু অভিনৱত্বৰ সঞ্চাৰ কৰি মানুহক চমক খুৱাই দিব পৰা versatility প্ৰতিভা,… নীলমণি ফুকন ককাৰ সেয়ে অসাধাৰণ কৃতকাৰ্যতা—সেইটোৱেই তেওঁৰ জীৱন আৰু ব্যক্তিত্বৰ এটাইতকৈ ডাঙৰ বিশেষত্ব বুলি কলে বোধহয় ভুল কৰা নহব। আৰু এটা জীৱনৰপৰা আন এটা জীৱনলৈ সোমাওঁতে তেওঁ যি অনায়াস স্বচ্ছন্দতাৰে হাঁহে পানীলৈ চোঁচা লোৱাৰ দৰে সোমাই পৰিছিল, সেই কৃতিত্বই আমাক কিজানি কোনোদিনেই অভিভূত নকৰাকৈ নেৰিব।

'দৈনিক বাতৰি'ৰ অপমৃত্যু ঘটিল আৰু বিশুদ্ধ সাংবাদিক হিচাপে নীলমণি ফুকনৰ প্ৰতিষ্ঠাৰ সামৰণি পৰিল— সেইটো সৌ সিদিনাৰ কথা

নহয়, বহুদিনৰ আগৰ কথা। কিন্তু সাংবাদিক ফুকনৰ এছোৱা একেবাৰে লোপ নাপালে। বাতৰি সাংবাদিকতাৰপৰা বিদায় লৈ ককাই সাহিত্যিক সাংবাদিকতাত হাত দিলে—যিটো তেওঁ 'বাতৰি'ৰ পূৰ্বেও কৰিছিল। যোৰহাটৰপৰা 'ন-জোন' মাহেকীয়া ওলাল। 'ন-জোনে' ইয়াৰ ক্ষুদ্ৰস্থায়ী অস্তিত্বকালত সাহিত্য জগত কিবা যুগান্তৰ আনিলে বুলি কোৱা নাযায়, কিন্তু ব্যক্তিগতভাৱে 'ন-জোন'ৰ কথা সদায় অকুণ্ঠ কৃতজ্ঞতাৰে মনত পৰে এইবাবেই যে এই কাকতখনৰ যোগেদিয়েই পোনপ্ৰথম আজিলৈকে মনত বৈ যোৱাজন আচল নীলমণি ফুকনৰ সৈতে মোৰ তথা অসমৰ নতুন পুৰুষৰ চিনাকি হৈছিল আৰু এই কাকতৰ ছত্ৰছায়াতে বাঢ়ি অসমীয়া সাময়িক সাহিত্যত এখন নতুন জগতৰ এডভেঞ্চাৰ কৰিবলৈ চিৰযুৱা ফুকনে এটা নতুন পুৰুষক অনুপ্ৰাণিত কৰিলে, আস্থাবান আৰু আশাবাদী কৰিলে। নিজে চিৰযৌৱনধৰ্মী, ভৱিষ্য-উন্মুখী ফুকন ককাই আমাৰ নিচিনা আন্ধাৰত খেপিয়াই ফুৰা নতুন প্ৰয়াসীবোৰকো দুই বাহু মেলি আকোৱালি ললে, আমাৰ ভাবনা-ধাৰণা প্ৰকাশ কৰিবলৈ সুবিধা দি নতুন-সন্ধানী এটা চমক আত্মবিশ্বাস আৰু স্বীকৃতি দিলে।

মনত পৰে ধৰমশালাৰ নিচিনা যোৰহাটৰ ফুকন ভৱনৰ সন্মুখৰ বাৰবিডোখৰত আজিকালিৰ ছুটা মাইকৰ মান মাত উলিয়াই 'গুলজাৰ' কৰি থকা ফুকন ককাৰ ওচৰলৈ কিমান ভয়ে-ভয়ে আমাৰ অপৈণত সাহিত্য-যশ-অৰ্জন প্ৰয়াসবোৰ লৈ গৈছিলোঁইক আৰু একৰকম নিয়মীয়াভাৱে কেনেকৈ ককাই সেই ঠাইতে বহি বহি লিখি থকা সৰু সৰু 'এফাৰিজিম-সদৃশ' কবিতা, কথা-কবিতা আদি অসীম ধৈৰ্যৰে শুনিবলৈ আমাক বাধ্য কৰাৰ পিছত পোষকতাৰ হাঁহি মাৰি আমাৰ লিখাবোৰো সীমাহীন ধৈৰ্যৰে চাই দিছিল, শুধৰাই দিছিল, পোনাই দিছিল। চিৰ-দঙ্‌ৰা ফুকন ককাৰ যোৰহাটৰ ঘৰৰ বাৰাণ্ডা-বৈঠকত শুনা অগনিবৰবা কথা আৰু অনিবাৰ্য চাহৰ পিয়লাবোৰৰ স্মৃতি মনত পৰিলে গাটো এতিয়াও 'ৰঞ্জিত ৰঞ্জিত' লাগে। পাৰিপাৰ্শ্বিকৰ প্ৰতি সম্পূৰ্ণ নিৰ্লিপ্ততা অৱলম্বন কৰি যোৰহাট চক বজাৰৰ পাছফালে থকা বিৰাট

ঘৰটোৰ সন্মুখৰ মুকলি ঠাইকণত বহি ফুকনে কেনেকৈ নিগূঢ় ৰহস্যবাদী কবিতাৰপৰা আৰম্ভ কৰি ৰাজনৈতিক প্ৰচাৰ পুস্তিকাৰ পৰিকল্পনা কৰিব পাৰিছিল, 'পেমাক্ৰেটিয়াৰিং' আৰু কাব্যসাধনা যুগপৎ চলাই যাব পাৰিছিল—ভাবিলে মোৰ এতিয়াও আচৰিত লাগে। ভাবোঁ, কার্লাইল যদি চেলছীৰ ঋষি আছিল ফুকনো যোৰহাটৰ ঋষি বুলি অভিহিত কৰা যায়।

সাংবাদিকতা আৰু ৰাজনীতিৰ মাজত আমাৰ দেশতে নহয় পৃথিৱীৰ ক'তো ৰবৰেছি ব্যৱধান নাই। গতিকে অতীতত একালত ৰাজনীতিত মূৰ সুমোৱা, মাজতে সম্পাদক, ফুকনে যেতিয়া লাহে লাহে বাগ্মিতা আৰু ৰাজনীতিৰ পিনে বেছিকৈ ঢাল খালে, তেতিয়া তাত আচৰিত হবলগীয়া বিশেষ নাছিল। আচৰিত হবলগীয়া হ'ল এইবাবেহে যে সেই একে সময়তে বাগ্মীবৰ নীলমণি ফুকন হঠাৎকাৰে অসমীয়া সাহিত্য আকাশত এটি উজ্জ্বল অমিতাভ জ্যোতিষ্কৰূপেও আবিৰ্ভূত হ'ল। 'জ্যোতিকণা'ৰ অপূৰ্ব জ্যোতিয়ে আৰু এজন নতুন ফুকন আৰু ৰাজনীতিৰ সিপাৰে থকা তেওঁৰ আৰু এখন নতুন জগত আমাৰ আগত উদ্ভাসিত কৰি দিলে। পিছলৈ সেই ফুকনেই অসম সাহিত্য সভাৰ সভাপতিয়ে ৰাষ্ট্ৰীয় সাহিত্য একাডেমীৰ একমাত্ৰ অসমীয়া 'ফেলো' হৈ তেওঁ ৰাজনৈতিক অতীতক এৰি থৈ জাতীয় সাহিত্যিকৰূপে প্ৰতিষ্ঠিত হ'ল।

ককা ফুকনৰ ব্যক্তিত্বত আৰু মানসিক ক্ৰমবিকাশত আজিকালিৰ মনোবৈজ্ঞানিকে ৰবকৈ নাম লোৱা 'চিজোফ্ৰেনিয়া' (দ্বিধাবিভক্তিৰ) কিবা লক্ষণ আছে নেকি? তেওঁৰ সমগ্ৰ সচেতন জীৱনৰ আদিৰেপৰা এতিয়ালৈকে সক্ৰিয় ৰাজনীতি আৰু সুকুমাৰ কলাপ্ৰীতিৰ যি এটা সমান্তৰাল সমসাময়িক প্ৰগতি আৰু স্ফুৰণৰ স্বাক্ষৰ আছে সেইটো আমাৰজন ফুকন তথা ৰাজহুৱা জীৱনৰ শীৰ্ষস্থানীয়সকলৰ ক্ষেত্ৰত এটা অভিনৱ ৰোমাঞ্চকৰ ব্যতিক্ৰম। ৰাজনীতি, কবিতা বা 'সাহিত্য কৰা' বিশিষ্ট লোক দেশত অনেক আছে, আমাৰ ৰাজ্যতো আছে। কিন্তু ফুকনৰ বাহিৰে আন কোনোবাজনৰ জীৱনত এনে দুটা স্পষ্টভাৱে পৃথকীকৃত জীৱনচৰ্যাৰ ধাৰা সমান সৰলতা আৰু সতেজতাৰে প্ৰবাহিত হৈ থকাৰ

প্ৰমাণ বিচাৰি পোৱা টান। আমাৰ একোজন সম্ভাৱনাশালী প্ৰতিভাধৰ কবিসাহিত্যিকে ৰাজনীতিৰ চাকনৈয়াত কক্‌বকাই তেওঁলোকৰ কাব্যপ্ৰতিভা বা সাহিত্যিক পাৰ্গতালি ড্ৰইং কমৰ মজলিচৰ মাজত নিঃশেষ কৰিছে, নাইবা সাহিত্যক নেওচা দি ক্ষমতাৰ ৰাজনীতিৰ লোভচ এণ্ড ফিশোছৰ' (চব্যচুষ্য ?) ভাগ লবলৈ গৈ ইকুল সিকুল দুয়োকুল হেৰুৱাবলগীয়া হৈছে। ফুকনেই সম্ভৱ আমাৰ একমাত্ৰ সক্ৰিয় ৰাজনীতিজ্ঞ যাৰ ৰাজনীতিয়ে কোনোদিনে তেওঁৰ সাহিত্য চৰ্চাত মাধমাৰ মাৰিব পৰা নাই; এনে এজন শিল্পী-কবি-ভাবুক যি জীৱনৰ বিয়লি বেলিকা সাহিত্যৰ জগতত সোমায়ো দেশৰ সাহিত্যৰ দৰবাৰত উচ্চতম আসনত নিজক থাপিব পাৰিছে – অসমীয়া সাহিত্যলৈকো শ্ৰেষ্ঠতম সন্মান কঢ়িয়াই আনিছে।

আপেক্ষাকৃতভাৱে চেকেণ্ডাৰী' পৰ্যায়ৰ ৰাজনীতিৰপৰা উচ্চ পৰ্যায়ৰ সাহিত্যকৃতিৰ ময়দানলৈ ফুকনৰ 'ট্ৰেনশ্ৰেচন' বা পৰিবৰ্তন যেনেকৈ বিস্ময়কৰ, তেনেকৈয়ে কৌতূহলোদ্দীপক ৰাজনীতিৰ সীমাবদ্ধ জগততো তেওঁৰ এক স্থিতিৰপৰা আন স্থিতিলৈ অকুণ্ঠ যাতায়াত। ৰাজনৈতিক জীৱনৰ আগভাগত নীলমণি ফুকন অসমীয়াৰ স্বকীয়তা আৰু আত্মপ্ৰতিষ্ঠা আন্দোলনৰ প্ৰবক্তা আৰু পথপ্ৰদৰ্শকস্বৰূপ আছিল। একসময়ত কংগ্ৰেছৰ তথাকথিত সৰ্বভাৰতীয় পনীয়া ধৰণৰ ৰাজনীতিৰ বিৰুদ্ধে অসমীয়াৰ প্ৰতিষ্ঠাৰ যি প্ৰবল প্ৰত্যাহ্বান জনাই স্বৰ্গীয় অম্বিকাগিৰী, জ্ঞান বৰা, মাধৱ বেজবৰুৱা আদিক নেতৃত্ব দি ফুকনে অসমৰ এমূৰৰপৰা সিমূৰলৈকে 'সংৰক্ষিণী'ৰ বা মাৰলি বিয়পাই দিছিল আজিৰ ভাবাদৰ্শৰ সংঘাত আৰু বৌদ্ধিক শূন্যতা জৰ্জৰ ৰাজনীতিৰ যুগত তেনে ৰাজনীতি 'আউটডেটেদ' যেন লাগিব পাৰে। কিন্তু চিৰ-সতেজ চিৰ-গতিশীল ফুকনৰ ৰাজনীতিৰ এয়ে লক্ষণীয় বৈশিষ্ট্য যে সময়ৰ সৈতে নিজক খাপ খুৱাই লবলৈ, নতুনৰ সৈতে সন্ধি কৰিবলৈ ফুকনে কোনোদিন পিছ হুহুঁকিলে। এই 'ফ্লেক্‌চিবিলিটি'ৰ গুণতে নীলমণি ফুকনে একালত দেখিব নোৱৰা কংগ্ৰেছলৈ পিছত স্বেচ্ছাই আগবাঢ়ি আহিল আৰু অনন্য বাগ্মিতা আৰু অব্যাহত একাগ্ৰতাৰে দেশৰ জাতীয় আন্দোলনৰ আগশাৰীত ঠাই ললে, দুখ বৰণ কৰিলে, বৈধানিক ৰাজনীতিতো মূল্যবান বৰঙণি যোগালে।

# মানৱিক পণ্ডিত সন্দিকৈ

আমাৰ সমকালীন অগ্ৰজসকলৰ ভিতৰত বেণুধৰ শৰ্মা, অমিয়কুমাৰ দাস, লক্ষ্মীনাথ ফুকন আৰু শ্ৰীকৃষ্ণকান্ত সন্দিকৈ—এই চাৰিগৰাকী লোকৰ জীৱনচৰ্যা আৰু চিন্তা-কৰ্মই মোৰ মনৰ ওপৰত গভীৰভাৱে ৰেখাপাত কৰিছিল। এওঁলোকৰ বাহিৰেও জ্যোতিপ্ৰসাদ, বতুকান্ত বৰকাকতী, বাণীকান্ত কাকতি, সূৰ্যকুমাৰ ভূঞা, কেদাৰনাথ গোস্বামী, মহেন্দ্ৰনাথ ডেকা ফুকন আৰু শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ নিচিনা আন কেইজনমান ব্যক্তিৰ প্ৰভাৱ-বৃত্তৰ মাজত যে বাককৈয়ে সোমাইছিলোঁ সেইকথাও উল্লেখ নকৰি নোৱাৰি। তথাপি পিছৰ কেইজনৰ প্ৰভাৱ শতিকাৰ তৃতীয় চতুৰ্থ দশকৰ আমাৰ চাম পুৰুষৰ সৰহভাগৰ ওপৰতে যি পৰিমাণে কেন্দ্ৰীয়ভাৱে পৰিছিল মোৰ ওপৰত সেই প্ৰভাৱ সিমান কেন্দ্ৰীয় নহৈ কিছুদূৰ আংশিক আৰু 'পেৰিফেৰেল' বা প্ৰান্তীয় প্ৰকৃতিৰ হোৱা হেতুকে উল্লেখটো আগৰ চাৰিজনৰ সৈতে একে উশাহে নকৰিলোঁ।

বহুদিনীয়া হেঁপাহ আছিল চাৰিওজনৰ বিষয়ে তেওঁলোকৰ জীৱদ্দশাতে সমসাময়িক অনুজ হিচাপে মোৰ শ্ৰদ্ধাৰ্ঘ্য অকপটে আৰু যথাসম্ভৱ বিস্তাৰিতভাৱে জনাই থম। কোনো লোক 'শ্ৰীময়' হৈ থাকোঁতে তেওঁলোকৰ জীৱনৰ আলোচনা কৰাৰ প্ৰতি সৰহসংখ্যকৰে কিবা এটা সংকোচ বা অনীহাৰ ভাব সদায় লক্ষ্য কৰি আহিছোঁ আৰু সেই মনোভাব জাগতিক দৃষ্টিৰে যথেষ্ট যথাৰ্থ আৰু সমৰ্থনযোগ্যও। আনহাতেদি 'আদাৰ থিংছ বিইং ইকুৱেল' মোৰ ব্যক্তিগত 'হিৰো' কেইগৰাকীয়ে মৰণোত্তৰভাৱেও যথাযোগ্য মনযোগ আকৰ্ষণ কৰিব নে নকৰে সেই সম্পৰ্কে সম্পূৰ্ণ সংশয়মুক্ত নাছিলোঁ বাবেই একপ্ৰকাৰ সময়ৰ বিপৰীতে 'ৰেচ' দি হলেও লিখি থোৱাৰ এনে তীব্ৰ বাসনা হৈছিল। ১৯৭০-৭৩ চনত এই কামলৈ মন মেলাৰপৰা পাঁচোটা বছৰৰ ভিতৰতে হুথৰ বিষয়

চাৰিজনৰ প্ৰথম আৰু শেষৰ জনৰ বাহিৰে আন দুজনৰ নামৰ আগৰ 'শ্ৰী' হানি হ'ল। মই এটাইতকৈ বেছি ওচৰ চাপিবলৈ পোৱা আৰু ভাল পোৱা দুকনৰ বিষয়ে তেওঁ থাকোঁতেই কিছু লিখিব পাৰিলোঁ যদিও মোৰ পৰম শ্ৰদ্ধা ভাজন আৰু যৌৱনকালৰ অন্যতম 'আইডল' অমিয়কুমাৰ দাসৰ বিষয়ে লিখিবলৈ কুৰুং-কাবাং কৰি থাকোঁতেই তেখেতে আমাক এৰি গ'ল। মৰণোত্তৰ অমিয়কুমাৰ সম্পৰ্কে,—যিজনৰ প্ৰতিষ্ঠা আৰু প্ৰসিদ্ধি যাইকৈ ৰাজনীতি আৰু ৰাজহুৱা জীৱনৰ ওপৰতহে আধাৰিত,— লিখাৰ যোগ্যতা মোৰ নাই; আন বহু যোগ্য জনৰ আছে, সেইসকলে লিখিছে আৰু লিখিব। সুখৰ বিষয় আৰু আমাৰ ই এক জাতীয় সৌভাগ্য যে সেই চতুঃষ্টয়ৰ শেষৰ গৰাকী আৰু শ্ৰীকৃষ্ণকান্ত সন্দিকৈ এতিয়াও আমাৰ মাজত জীৱন্ত হৈ জীৱিত আছে।

উল্লেখযোগ্য যে যোৱা শতিকাৰ শেষবটো দশকত মুঠেই চাৰি পাঁচ বছৰৰ ব্যৱধানতে অগা-পিছাকৈ জন্ম লোৱা এই চাৰিজনীয়া 'কোৱা-টেঁট'ৰ বয়সত শ্ৰীশৰ্মাই জেষ্ঠতম (জন্ম : ১৮৯৪)। শ্ৰীশৰ্মাৰ প্ৰতি মোৰ অসীম শ্ৰদ্ধা আৰু আবেগমিশ্ৰিত আকৰ্ষণৰ বিষয়ে অক্ষমভাৱে হলেও তেখেতৰ ৭৫ বছৰীয়া জন্মদিনত অলপ লিখিব পাৰি নিজকে ধন্য মানিছোঁ। সেইকণ কৰিব পৰাটো এগৰাকী নেতৃস্থানীয় লোকৰ প্ৰতি কেৱল মাত্ৰ মোৰ ব্যক্তিগত কৰ্তব্য পালন বুলিয়ে নহয়, উত্তৰ পুৰুষৰ ফালৰপৰা এক জাতীয় ঋণ পৰিশোধ স্বৰূপে পৰম সৌভাগ্যৰ বিষয়। বেণু শৰ্মা অকল এজন অতুলনীয় কথাশিল্পী অথবা অসমৰ 'বুৰঞ্জী বিবেক বত্ন' নহয়, এজন প্ৰতিনিধি প্ৰতিম অসমীয়া ৰাজহুৱা পুৰুষেই নহয়—তেওঁ আমাৰ সমসাময়িক জাতি গঢ়োতাসবৰ অন্যতম, আমাৰ ঐতিহাসিক অতীত আৰু গৌৰৱ-সম্ভৱ ভৱিষ্যতৰ সাৰ্থক সংযোগ-সূত্ৰ। লগতে মোৰ পক্ষে ব্যক্তিগতভাৱে ই এক দুৰ্ভাগ্যৰ বিষয় যে ভালেমান বছৰৰ আগৰপৰা টোৰাইভিবাই থকা সত্বেও আজিকোপতি সমকালৰ আমাৰ আনগৰাকী জাতীয় গৌৰৱ, প্ৰকাশ-প্ৰচাৰৰ অন্তৰালত আৰু ৰাজহুৱা চাঞ্চল্যৰ স্পৰ্শৰেখাৰ মাজত আৰু উৰ্ধত থকা সাৰস্বত মনীষী, যুগপৎ বানপ্ৰস্থী, সন্ন্যাসী, স্থিতপ্ৰজ্ঞ, জ্ঞানতপস্বী শ্ৰীকৃষ্ণকান্ত

সন্দিকৈদেৱৰ জীৱন-জোৰা সেৱা আৰু সাধনাৰ প্ৰতি অভিনন্দন জনাই এক অৱশ্য দায়িত্ব পালন কৰিবলৈ মই সামৰ্থ হোৱা নাই। সন্দিকৈৰ তিনি কুৰি পোন্ধৰ বছৰীয়া জন্মদিনৰ শুভক্ষণ অতিবাহিত হৈ যোৱা আজি বহু বছৰ হৈ গ'ল। যোৱা বছৰ মে' (১৯৭৫) মাহত আব্দুত ছাত্তাৰে সন্দিকৈৰ সৈতে ব্যক্তিগত সাক্ষাতৰ ভিত্তিত তেওঁৰ আপুৰুগীয়া জীৱনী গ্ৰন্থ "কৃষ্ণকান্ত সন্দিকৈ" প্ৰকাশ কৰিলে। পলমকৈ হলেও, লগ্ন কিঞ্চিৎ অতীত হৈ গ'লেও ইং ২০ জুলাই কৃষ্ণকান্ত সন্দিকৈৰ আঠসত্তৰ বছেৰেকীয়া জন্মদিনৰ শুভপ্ৰাক্কালকে মোৰ মানসিকভাৱে অৱশ্য কৰ্তব্য সম্পাদনৰ মাহেন্দ্ৰযোগ বুলি লোৱাত আপত্তি কি? 'কোৱাৰ্টেট' অৰ্থাৎ চতুঃমূৰ্তি হিচাপে একেলগ কৰি চালেও শৰ্মা, দাস, ফুকন, সন্দিকৈৰ শেষৰ আৰু কনিষ্ঠতমজনক (সন্দিকৈৰ জন্ম ১৮৯৮ চন) পলমকৈ হলেও শেহত লোৱাৰ যুক্তিও থাকে।

## চাৰিগৰাকীৰ কোৱাৰ্টেট

১৮৯৪-১৮৯৮ চতুঃবৰ্ষৰ ভিতৰত আমাৰ প্ৰজন্মক প্ৰভাৱিত কৰা পুৰুষ-চতুঃষ্টয়ৰ সমকালীন আবিৰ্ভাৱ আৰু আচৰণ একেবাৰে একে জাতৰ বা সমগোত্ৰীয় (হম'জেনাচ) নহ'লেও চাৰিওজনৰ চিন্তাভাবনা আৰু কামকাজৰ মাজৰ আপাত-বৈপৰীত্যৰ গৰ্ভতো প্ৰছন্ন হৈ থকা একপ্ৰকাৰ ঐক্য বা মিল, চাৰিওজনৰ পাৰস্পৰিক যোগাযোগ আৰু ব্যক্তিত্বৰ আন্তঃসম্পৰ্ক তথা আন্তঃক্ৰিয়া, চাৰিওজনৰ সাংস্কৃতিক 'ইথজ' আৰু নৈতিক 'এথিকৰ' সমধৰ্মিতা বা একমুখিতা, চাৰিওজনৰ দৃষ্টিভংগী আৰু জীৱন দৰ্শনৰ অন্তৰ্নিহিত সুৰ সমন্বয়— এনে কেতবোৰ দিশ ভালদৰে নিৰীক্ষণ কৰিলে এই চাৰিজন লোক চাৰিটা লগালগি বছৰ ১৮৯৪-৯৮তে ওপজা কথাটো কেৱল কাকতালীয় সংযোগ যেন নালাগে। এনে এটা সংঘটন দৈৱ ঐশ্বৰিক বা তিলিয়লজিকেল। উদ্দেশ্যবাদ আৰোপ নকৰাকৈ চালেও ঘটনাটো নিতান্ত তাৎপৰ্যহীন

বুলিব নোৱাৰি। আমাৰ সাহিত্যৰ 'জোনাকীযুগ'ৰ বিখ্যাত ত্ৰিমূৰ্তিৰ দৰে নাইবা তেনেকুৱা আৰু বিচিত্ৰ কিছুমান মণিকাঞ্চন সংযোগৰ সৈতে অন্তিম ঊনবিংশ দশকীয় আমাৰ এই চতুঃমূৰ্তিৰ বৰ সাদৃশ্য নাই সঁচা। জেষ্ঠতম বেণুধৰ একাধাৰে সাহিত্যিক আৰু বুৰঞ্জীৰ প্ৰমুখ কাণ্ডাৰী, অমিয়কুমাৰ প্ৰথমে মুক্তিযুঁজাৰু নেতা ৰাজনীতিক দ্বিতীয়তে সাংবাদিক সাহিত্যিক, লক্ষ্মীনাথ মুখ্যতঃ সাংবাদিক গৌণতঃ সাহিত্যিক (সন্দিকৈৰ মতে ফুকনৰ পৰিচয় ক্ৰমটো এনেকৈহে হ'ব লাগিছিল—ফুকন ধ্ৰুপতিত-ৰোমান্টিক জীৱিকাৰ বাবে আওবটীয়াকৈ সাংবাদিক)। সন্দিকৈ সৰ্বাগ্ৰে পণ্ডিত গবেষক, জ্ঞানমাৰ্গী, যুগপৎ শিক্ষাবিদ সাহিত্যিক। কেউজনৰ আচল ব্যাপাৰ বা বণিজ (!) (ফৰাচী metier) সুকীয়া সুকীয়া, কিন্তু কেউজন মোটামুটিকৈ একেপথৰে পথিক— তেওঁলোকৰ আটাইৰে বৃত্তি আৰু বিচৰণক্ষেত্ৰ জ্ঞান-বিজ্ঞান, সাহিত্য-সংস্কৃতি, চিন্তন-মনন-লিখন। তেওঁলোকৰ প্ৰত্যেকেই স্বকীয় ক্ষেত্ৰৰ জখলাত ওপৰৰপৰা ওপৰৰ খাপলৈ বগাবলৈ চেষ্টাকৰিছিল, বগাইছিলো, উচ্চতম স্থানো লভিছিল। ইজন সিজনৰপৰা কায়িকভাৱে বহুত আঁতৰে আঁতৰে থাকিও বৃহত্তৰ ক্ষেত্ৰত একেধৰণৰ আদৰ্শবাদ আৰু একে জাতীয় একাগ্ৰতাৰে মুখপাত্ৰ আৰু প্ৰতীকস্বৰূপ আছিল। গাইগুটীয়াকৈ তেওঁলোকৰ যেনেকৈ একোটাইত আছুতীয়া পৰিচয় আছিল তেনেকৈয়ে আছিল যৌথভাৱে এটা সমূহীয়া পৰিচয়। আজিকালিৰ পৰিভাষাৰে তেওঁলোক কেইজনকে বহুলভাৱে 'ইনটেলেক-চুৱাল' বা বুদ্ধিজীৱী (ইংৰাজী 'ইনটেলিজেনচিয়া' আৰু 'ইনটেলেক-চুৱাল'ৰ অৰ্থ বহুত সময়ত একে ভাবৰ হোৱা দেখা গ'লেও দুয়োটাৰ সূক্ষ্ম প্ৰভেদলৈ লক্ষ্য ৰাখিছো) বোলা যায় নে নাযায় কব নোৱাৰোঁ। তথাপি তেওঁলোকৰ সমূহীয়া পৰিচয়ৰ কিবা 'বেজ' বা চানেকী কল্পনা কৰিবলৈ হ'লে সম্ভৱতঃ বৌদ্ধিক কৰ্মী বুলিয়ে কৰিব লাগিব। অমিয়কুমাৰ দাসৰ কৰ্মময়তা আৰু সন্দিকৈৰ চিন্তাশীলতা দেখাত মেৰু সদৃশ পৃথক যেন লাগিলেও মূলত সিমান বেলেগ নাছিল।

কৃষ্ণকান্ত সন্দিকৈৰ চিন্তা-কৃতিৰ আলোচনা কৰিবলৈ লোৱাৰ পূৰ্বে

তেওঁৰ আন কেইজনমান লগৰীয়াৰ কথা উল্লেখ কৰাৰ কাৰণ হ'ল এয়ে যে মই সন্দিকৈক মাথোন এজন আচুতীয়া দুৰধিগম্য বিদগ্ধ পণ্ডিত বুলি কোৱাতকৈ তেওঁক আমাৰ সাংস্কৃতিক বিৱৰ্তনৰ এটা বিশিষ্ট পৰ্যায়ৰ আৰু সুস্পষ্ট পৰম্পৰাৰ ধাৰক আৰু বাহক হিচাপে, এটা সংক্ৰান্তিকালৰ সন্তানৰূপে আটাইকেইজনৰ সৈতে লগ লগাইহে চাবলৈ বিচাৰোঁ। এক হিচাপে কেউজনৰ ভিতৰত সন্দিকৈতকৈ নিলগ, সন্দিকৈতকৈ স্বতন্ত্ৰ আৰু এজনো নাই। কিন্তু সন্দিকৈৰ অৱদানৰ মূল্যায়ন তেতিয়াহে সম্যক আৰু সাৰ্থক হ'ব যেন লাগে যেতিয়া তেওঁক জোনাকী যুগৰ উত্তৰ সাধকসকলৰ এজন হিচাপে, আন তিনিজনৰ পৰিপূৰক হিচাপেহে আমি তেওঁক চাবলৈ যত্ন কৰিমহঁক। কৃষ্ণকান্ত সন্দিকৈ সৰহভাগ বিবেচনাৰে, একক অথবা প্ৰাতিস্বিক সন্দেহ নাই। কিন্তু তেওঁৰ এই উপকৰা নিঃসংগ বা নৈৰ্ব্যক্তিক stereotype টো নিৰ্ভুল আৰু যথাৰ্থ সত্য নহয়। সন্দিকৈৰ ব্যক্তিত্ব আৰু কৰ্মৰ সামাজিক আৰু যৌগিক আয়তনটোলৈ আওহেলা কৰি অকল অকলশৰীয়া গ্ৰন্থকীট বুলি নিলগাই চালে তেওঁৰ জীৱন-কৰ্মৰ প্ৰকৃত প্ৰাসংগিকতা অস্পষ্ট হৈ ৰব পাৰে।

[ অসমীয়া মনীষা আৰু পাণ্ডিত্যৰ আকাশত কৃষ্ণকান্ত সন্দিকৈ যে এক স্বতন্ত্ৰ আৰু স্বৰাট জোটা তৰা তথা ধ্ৰুৱ নক্ষত্ৰ সেই কথা দোহৰা নিষ্প্ৰয়োজন। লগে লগে উনবিংশ শতিকাৰ শেষ দশকত অসমৰ সাংস্কৃতিক আৰু বৌদ্ধিক দিনান্তৰ আগতে উম্লুকিওৱা আৰু তাৰ ওপৰঞ্চি ভালেকেইটি উজ্জ্বল তাৰকাৰ যিটো হাতীপটি বা মণ্ডল উজলি উঠিছিল সন্দিকৈ যে সেই নক্ষত্ৰপুঞ্জৰে এক উজ্জ্বল আৰু 'ইনটেগ্ৰেড' বা অংগীভূত গোট আছিল সেই কথা সোঁৱৰাৰ যথেষ্ট আৱশ্যক আছে। ব্যক্তিগত-ভাৱে মোৰ কেতিয়াবা ধাৰণা হয় অসমৰ সংস্কৃতিৰ ইতিহাসত এনেকুৱা অনন্ত সাধাৰণ বিকাশপৰ্বসমূহৰ উদ্ভৱ আৰু লয়ৰ কিবা 'চাইক্লিক' আৱৰ্তক ক্ৰমো থাকিব পাৰে। এমূৰে শংকৰ-মাধৱ, মাজত আনন্দৰাম-দ্বয়, তাৰ পিছত জোনাকী-ত্ৰয়ী ; ইমূৰে এনে চতুঃষ্টয় : চক্ৰাকাৰে আহি গৈ থকা নাই নে? সন্দিকৈৰ জীৱন আৰু চিন্তা-কৰ্ম ( ইং ৱৰ্কচতকৈ 'ৱৰ্ক' ) চৰ্চা কৰিবলৈ ললে কেতবোৰ সমস্যাৰ সম্মুখীন

হ'বলগীয়া হয়। এগৰাকী জ্ঞানযোগী অধ্যয়ন নিমগ্ন পণ্ডিত হিচাপে সন্দিকৈৰ ব্যক্তিগত জীৱনত 'কাহিনী' বুলিবলৈ কিবা থাকিলেও তাকে লৈ নিয়মীয়া জীৱনীকাৰে গ্ৰন্থ লিখিব পৰা সমল দৰাচলতে থাকিব পাৰে নে, নাইবা থাকিলেও আমাৰ বাবে, সন্দিকৈৰ গুণগ্ৰাহী আৰু তেওঁৰ নিজৰ বিষয়ে কৌতূহলীসকলৰ বাবে, তেনে ঘটনা অভিলেখৰ প্ৰকৃততে কিবা উপযোগিতা আছে নে? আব্দুছ ছাত্তাৰে সন্দিকৈৰ 'জীৱন-চৰিত' লিখিবলৈ লৈছে বুলি শুনোতেও মোৰ মনত এই প্ৰশ্নই ভুমুকি মাৰিছিল। তাৰ পিছত যেতিয়া ছাত্তাৰৰ 'কৃষ্ণকান্ত সন্দিকৈ' খন পঢ়িবলৈ পালোঁ তেতিয়া ধাৰণা হ'ল মোৰ সংশয় একেবাৰে অমূলক নাছিল। 'জীৱন-চৰিত' বুলি কোৱা হৈছে যদিও এই গ্ৰন্থ সন্দিকৈ ডাঙৰীয়াৰ লৈতে ব্যক্তিগত সাক্ষাৎকাৰ আৰু প্ৰশ্নোত্তৰৰ ভিত্তিত যুগুত কৰা সন্দিকৈৰ জীৱনালেখ্য আৰু তেখেতৰ গ্ৰন্থকৃতিৰ অধ্যয়নহে। দৰাচলতে 'জীৱনী' শব্দটোতে এনে এটা 'কাইনেলিটি' বা চূড়ান্তৰ ইংগিত আছে যে কোনো জীৱিত লোকৰ ঠিক জীৱনী লিখা সম্ভৱ বা সংগত নহয়, লিখিলেও সি সম্পূৰ্ণ নহয়। দ্বিতীয়তে প্ৰশ্ন উদয় হয় কোনো ব্যক্তিৰ জীৱন পৰ্যালোচনা কৰিবলৈ যিমানখিনি ঘনিষ্ঠ পৰিচয় আৰু বিষয়ীৰ জীৱনধাৰাৰ অৱগতি প্ৰয়োজন মোৰ জানো সিমান আছে? যদি নাই তেনেহ'লে আলোচনা এফালেদি বিকৃতি (কেৰিকেচাৰ) আনহাতেদি অতিমাত্ৰা কল্পনায়নত (আইডিয়েলাই-জেশ্যন) পৰিণত হোৱাৰ আশংকা নাথাকে জানো?

আগতে কৈছোঁ, মোক বিশেষভাৱে প্ৰভাৱান্বিত কৰা চাৰিজন আধুনিক অসমীয়াৰ ভিতৰত স্বৰ্গীয় লক্ষ্মীনাথ ফুকনৰ যদি মই এটাইতকৈ বেছি ওচৰ চাপিছিলোঁ বুলি কব পাৰোঁ তেনেহলে সন্দিকৈ ডাঙৰীয়াৰপৰাই প্ৰাকৃতিক অৰ্থত আটাইতকৈ বেছি দূৰত আছিলোঁ বুলি কব লাগিব। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে অসমত সম্ভৱতঃ স্বৰ্গীয় লক্ষ্মীনাথ ফুকনৰ দৰে ঘনিষ্টভাৱে আৰু অন্তৰংগভাৱে সন্দিকৈক জনা ঘৰৰ বাহিৰৰ মানুহ আৰু দ্বিতীয়জন নাই। ফুকন সন্দিকৈৰ বন্ধুলাত আলহী থাকিছিল। কলিকতাত একেলগে

তেতিয়াৰ ইম্পেৰিয়েল লাইব্ৰেৰীলৈ গৈছিল। 'ষ্টাৰ' আৰু 'মিনাৰ্ভা'ত থিয়েটাৰ চাইছিল। একেলগে ফুৰাচকা কৰিছিল, ফুকনৰ গল্পৰ কিতাপ সন্দিকৈয়ে প্ৰথমে ছপাই দিছিল। ছাত্ৰাৱৰ জীৱনীৰ বহু ঠাইত সন্দিকৈয়ে ফুকনৰ কথা আৱেগেৰে উল্লেখ কৰিছে। ফুকনে সম্ভাৱনাময় সাহিত্যিক ক্ষেত্ৰ এৰি জীৱিকাৰ বাবে সাংবাদিকৰ জীৱন বাছি লোৱাৰ বাবেও সন্দিকৈয়ে আক্ষেপ কৰিছে।

কৃষ্ণকান্ত সন্দিকৈৰ ঘনিষ্ঠ সান্নিধ্যলৈ নহাটো মোৰ বুলি নহয় সৰহভাগৰ ক্ষেত্ৰতে সঁচা। তথাপি মই সন্দিকৈ যোৰহাটত থকাঁোতে একেখন চহৰতে থাকি সেই নগৰৰ আলিবাটেদি নিত্যনৈমিত্তিক 'কনষ্টিটিউশ্যনেল'লৈ সন্দিকৈয়ে খোজকাঢ়ি ফুৰোঁতে প্ৰায়ে লগ পাওঁ, সন্দিকৈয়ে তেওঁৰ কৰ্মজীৱন আৰম্ভ কৰা তেতিয়াৰ যোৰহাট কলেজত তৃতীয় দশকৰ আদিতে তেখেতৰ অধ্যাপনাৰ সুৰ্বণসুযোগ লাভ কৰিও আৰু পিছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কটোৱা সন্দিকৈদেৱৰ সুদীৰ্ঘ কালছোৱাতো তেখেতৰ নিকট সান্নিধ্য লাভ কৰিব নোৱাৰাটো দুৰ্ভাগ্যই নহয় দুৰ্ঘটনা ( ডিজেষ্টাৰ ) বুলিয়ে কৰ লাগিব। এনে স্থলত আৰু বিশেষকৈ ইংৰাজীত কোৱাৰ দৰে 'খোদ ঘোঁৰাৰ মুখৰপৰা ওলোৱা' কথাৰ ওপৰত (straight from the horse's mouth) সুদৃঢ় ভেজা দি ছাত্ৰাৱে লিখাৰ অন্তত—সন্দিকৈৰ বিষয়ে চৰ্চা কৰা নিতান্ত অনধিকাৰ চৰ্চাই নহ'ব জানো ?

কৃষ্ণকান্ত সন্দিকৈ অসমৰ দানবীৰ ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ (দানবীৰৰ জীৱনালেখ্যও লক্ষ্মীনাথ ফুকনে প্ৰথম বছৰ দ্বিতীয় সংখ্যা 'সংজ্ঞা'ত মনোগ্ৰাহীকৈ লিখিছে) আৰু আই মহিলা নাৰায়ণী সন্দিকৈৰ পুত্ৰ; তেওঁ লক্ষ্মী আৰু সৰস্বতী উভয়ৰে বৰপুত্ৰ। সন্দিকৈ এগৰাকী বিদগ্ধ পণ্ডিত, আগশাৰীৰ প্ৰাচ্যবিদ। সন্দিকৈ এসময়ৰ অসম সাহিত্য সভাৰ সভাপতি আৰু একালৰ প্ৰখ্যাত অসমীয়া সাহিত্য সেৱক, ছাত্ৰসমাজৰ পথপ্ৰদৰ্শক। সন্দিকৈ সংস্কৃত সাহিত্য সম্পৰ্কীয় কেবাখনো ক্লাছিক গ্ৰন্থৰ (মহাগ্ৰন্থ) গ্ৰন্থকাৰ। সন্দিকৈৰ ব্যক্তিগত পুথিভঁৰাল আমাৰ এক অমূল্য সম্পদ, সন্দিকৈ দেশী বিদেশী নানা

ভাষাত পাৰ্গত,—সন্দিকৈৰ জীৱন সম্বন্ধীয় এনে নানান সম্পদ সন্দিকৈৰ নামটো মাথোঁ শুনা জনেই জীৱনী নপঢ়াকৈয়ে জানে। তেওঁৰ জীৱনৰ বিষয়ে আৰু তথ্য জনাটো তেওঁৰ মূল্যায়ন কৰাৰ পক্ষে সম্ভৱ অপৰিহাৰ্য হৈ থকা নাই। কৃষ্ণকান্ত সন্দিকৈৰ জীৱনত তেওঁ কৰা কাম বা কৃতিত্বৰ লেখ লোৱাতকৈ তেওঁৰ চিন্তা-চৰ্চা, তেওঁৰ গৱেষণা, অনুশীলনৰ পৰিচয় আৰু উপলব্ধি লাভ কৰাটো নিশ্চয় অধিক গুৰুত্বপূৰ্ণ। আব্দুছ ছাত্তাৰে উচিতভাৱে সন্দিকৈদেৱৰ মূলগ্ৰন্থৰাজিৰ সমীক্ষা বিচাৰ কৰিছে। 'পণ্ডিত' সন্দিকৈজনৰ গধুৰ হেঁচাত যদি ছাত্তাৰৰ কিতাপত 'মানুহ' সন্দিকৈজন, কিছু পৰিমাণে তল পৰি গৈছে তাৰো ভাবসামা মনোমহাকৈ ঘূৰাই আনিছে অধ্যাপক অজিত কুমাৰ শৰ্মাই তেওঁৰ 'আপুনি কৃষ্ণকান্ত সন্দিকৈক দেখিছে নে?'—শিতানৰ বাতৰি কাকতৰ পাতত ওলোৱা এটা অনুপম মানৱিক প্ৰবন্ধত। ('কৃষ্ণকান্ত সন্দিকৈ' পুথিৰ পৰিশিষ্টত 'শিক্ষাবিদ সন্দিকৈৰ ব্যক্তিত্ব' এই শিৰোনামাৰে সংযোজিত)।

## সন্দিকৈ 'মিষ্টিক-লিজেণ্ড'

একালেদি পণ্ডিত মানুহ সন্দিকৈৰ বিষয়ে যোগাজোকে যথেষ্ট খৰচি মাৰি লিখাৰ পিছত আৰু মোৰ নিজৰ সন্দিকৈ সম্বন্ধে চৰ্চা কৰাৰ অৰ্হতাৰ এনে বহুত দেখ দেখ সীমাবদ্ধতা থকা সত্ত্বেও লিখাৰ অৱকাশ কিবা থাকিবগৈ জানো,—এই প্ৰধান প্ৰশ্নটো নিজকে কৰিলে মই উত্তৰ পাওঁ—আছে। কাৰণ, পণ্ডিত, শিক্ষাবিদ সন্দিকৈ আৰু মহৎ মানুহ কৃষ্ণকান্ত সন্দিকৈৰ বিষয়ে খুকীয়া খুকীয়াকৈ লিখা হৈছে, কিন্তু সেই দুই দিশ আৰু ওপৰঞ্চি কিছু আয়তন বা বিভাব সমাহৃত কৰি সেইবিলাক যোগফলৰ অতিৰিক্ত, যিগৰাকী সন্দিকৈক আমি পাইছোঁহক তেওঁৰ যথাৰ্থ প্ৰতিকৃতি এটি পাবলৈ এতিয়াও বাকী আছে। কৃষ্ণকান্ত সন্দিকৈক মানুহে সহজে লগ নাপায় তেওঁ দুৰধিগম্য, তেওঁ সমাজৰ মাজলৈ ওলাই নাহে, অসামাজিক নহ'লেও

সমাজনিস্পৃহ, মধ্যযুগীয় ধৰ্মীয় মঠ-মনেষ্টেৰিৰ ঋত্বিকৰ দৰে তেওঁৰ পাণ্ডিত্যৰ cloistered গুহাত সাধাৰণৰপৰা বিচ্ছিন্ন হৈ থাকে। সন্দিকৈয়ে কেইবাখনো প্ৰগাঢ় পাণ্ডিত্যপূৰ্ণ, বিশ্বজ্ঞানৰ ভঁৰাল চহকী কৰা বিশ্ববন্দিত গ্ৰন্থ লিখিছে, প্ৰাচ্য পাণ্ডিত্যৰ ক্ষেত্ৰত বৈ থোৱা ভালেমান আঁৰ ভাঙি তেওঁ বিশ্ব সুধীসকলকে ঋণী কৰিছে···ইত্যাদি নানা ধৰণৰ কথা বহুতে সন্দিকৈৰ বিষয়ে কোৱা শুনিছে। কিন্তু তেওঁ সদায় আমাৰ সকলোৰে এক অসীম শ্ৰদ্ধাৰ অজ্ঞেয় আকৰ্ষণৰ লক্ষ্যস্থল হৈয়ে আছে। সেই ৰহস্যৰ ভেদ ভাঙিবলৈ কোনো ব্যাকুল হোৱা নাই অথচ কোনেও তেওঁৰ অদৃশ্য উপস্থিতিক অগ্ৰাহ্য কৰিবলৈকো সাহ কৰা নাই। সন্দিকৈক নেদেখিলেও তেওঁৰ অসন্দিগ্ধ 'প্ৰেজেন্স' খুব কমেইহে অনুভৱ নকৰাকৈ আছে। সন্দিকৈৰ এই দুৰ্বোধ্য দূৰত্ব, এই একাকীত্ব, এই দুৰধিগম্যতা বা ইনএক্চেচিবিলিটিয়ে (inaccessibility) আন যি কোনোৰ ক্ষেত্ৰত সৃষ্টি কৰিলেহেঁতেন এক 'মীথ'ৰ ৰূপকৰ, এক 'লিজেণ্ড' বা কিংবদন্তিৰ। কিন্তু মোৰ বিবেচনাৰে তেওঁৰ এই বাহ্যিক, সামাজিক মূৰ্তিয়ে 'মীথ'ৰ সৃষ্টি নকৰি কৰিছে এনে এটা কৌতূহলি, আনন্দদায়ক ৰহস্যৰ যিটোক সম্ভৱ 'Handique mystique' বুলি বৰ্ণালেও অতিকথন নহ'ব। তেওঁৰ ওচৰ চাপিব নোৱাৰি, তেওঁৰ সম্বন্ধে জানিবলৈ বিচাৰি জানিবলৈ নাপায়ো তেওঁৰ প্ৰতি সৰহ ভাগৰে এই গভীৰ শ্ৰদ্ধা আৰু অনুসন্ধিৎসাৰ মূলত কি আছে ভাবি বিমোৰত পৰিব লাগে। প্ৰকৃতপক্ষে সন্দিকৈৰ দৈহিক স্থিতি আমাৰ বহুতৰ বাবে এক ছায়া সদৃশ হলেও তেওঁৰ মানসিক অস্তিত্বটো বহুত সময়ত বেছি বাস্তৱ, বেছি স্পষ্ট যেন লাগে। ই এটা পেৰাডক্স, কিন্তু অনিবাৰ্যভাৱে আৰম্ভিক compulsive মীথৰ।

বৰ্তমান প্ৰবন্ধত মই কৃষ্ণকান্ত সন্দিকৈৰ পাণ্ডিত্যৰ বিশ্লেষণ বা মূল্যায়ন কৰাৰ ধৃষ্টতাও কৰিব খোজা নাই, নাইবা ব্যক্তি সন্দিকৈজনৰ ব্যক্তিত্ব আৰু জীৱনচৰ্যা কোনো প্ৰকাৰ ৰসাল, ব্যক্তিনিষ্ঠ, অন্তৰংগ চিত্ৰ চমকপ্ৰদভাৱে পৰিবেশন কৰাৰ অপচেষ্টাও কৰিবলৈ বিচৰা নাই। মই মাথো সামান্যভাৱে অনুসন্ধান কৰিবলৈ বিচাৰিছো কিহত লুকাই

আছে মানুহবগৰা আঁতৰি থাকিও কাৰো মনত নিজৰ প্ৰতি বিৰাগ, সন্দেহ বা উদাসীনতাৰ ভাব সৃষ্টি নকৰাকৈ কেৱল নিৰাসক্ত নিস্বাৰ্থ পাণ্ডিত্য আৰু উচ্চ চিন্তাৰদ্বাৰা মানুহৰ অন্তৰ জয় কৰি এনে সন্মানৰ আসনত নিজক প্ৰতিষ্ঠিত কৰাত, সন্দিকৈৰ এই আশ্চৰ্য সাফল্যৰ সাঁচাৰকাঠি ? মোৰ উপলব্ধিৰে সন্দিকৈৰ ব্যক্তিত্বৰ এই ৰহস্যজনক জনমানস জয়ৰ গুৰিত আছে সন্দিকৈৰ বিশেষত্বৰছল চৰিত্ৰ। চৰিত্ৰ বোলোঁতে মই চেমুৱেল স্মাইলচে তাহানিয়ে বিজ্ঞাপিত কৰা নীতি-বাগীশ চৰিত্ৰৰ কথা ভবা নাই, নাইবা গ্ৰীক ট্ৰেজেডিৰ চৰিত্ৰ আৰু নিয়তিৰ সমীকৰণৰ কথাও মনত পেলোৱা নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমটো সমাৱৰ্তনতে সন্দিকৈদেৱে উপাচাৰ্যৰূপে দিয়া নিচেই চুটি ভাষণৰ সামৰণি মাৰোঁতে জ্ঞান-বিজ্ঞানৰ বিশাল 'বিস্ফোৰণৰ' কথা নকৈ, বিশাল পাণ্ডিত্যৰ প্ৰদৰ্শন নকৰি, 'ছাত্ৰানাং অধ্যয়নং তপঃ'ৰ মন্ত্ৰ নামাতি, 'আজিৰ ছাত্ৰ কাইলৈ দেশ গঢ়োতা'ৰ মৰ্মে বাণী নিদিয়াকৈ, অকল চৰিত্ৰ গঢ়াৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিবলৈ সঁকিয়াই দিয়া মোৰ সততে মনত পৰে। মই সেই 'চৰিত্ৰৰ' কথা কৈছো আৰু মই অনুভৱ কৰোঁ কৃষ্ণকান্ত সন্দিকৈৰ প্ৰখৰ মেধা, দিগ্‌গজ পাণ্ডিত্য, বিশাল মনীষা, বিপুল অধ্যয়ন, বিস্তীৰ্ণ ভ্ৰমণ, বহুমুখী কৃতিত্ব ইত্যাদি অনেক বৈশিষ্ট্যকো অতিক্ৰম কৰি যিটো কথাই তেওঁক সকলোৰে স্বতঃস্ফূৰ্ত সন্মানৰ অধিকাৰী কৰিছে সেইটো হ'ল তেওঁৰ চৰিত্ৰৰ ঐশ্বৰ্য আৰু প্ৰভাৱ।

এই চৰিত্ৰ শক্তি কোনো অতিমানৱিক শক্তি নহয়, ই তেওঁৰ মানৱিক, নিচেই সহজ সৰল স্বচ্ছ নিৰ্মল মানসিকতাৰ ফলশ্ৰুতি। আমি বহুতেই তেওঁক কেৱল এজন জ্ঞানপিপাসু, কঠোৰ সাধনাৰত আন দহজন মানুহৰ ভালপোৱা নোপোৱাৰ উৰ্ধত থকা, ৰুক্ষ মেধা-সৰ্বস্ব পণ্ডিত বুলি ভ্ৰম কৰোঁ। সন্দিকৈ পণ্ডিত মানুহ, কিন্তু প্ৰকৃততে তেওঁ পণ্ডিতো আৰু হৃদয়ৱান মানুহো। মোৰ বোধেৰে সন্দিকৈৰ এটাইতকৈ যথাৰ্থ পৰিচয় হ'ল তেওঁ এই যুগৰ আমাৰ দেশৰ এজন মহান 'হিউমেনিষ্ট,' বিদগ্ধপণ্ডিতৰ যি এক অ-মানৱিক ভাবমূৰ্তি বা 'ষ্টিৰিয়'-

টাইপ' আমাৰ মাজত বদ্ধমূল হৈছে তেনে পাৰবাহত সন্দিকৈক সুমাবলৈ গলে অন্যায় কৰা হ'ব। মোৰ ধাৰণাৰে সুপ্ৰসিদ্ধ ভাৰতীয় ইংৰাজী লিখক নীৰদ চি. চৌধুৰীয়ে তেওঁৰ সাহিত্য একাডেমী পুৰস্কাৰ প্ৰাপ্ত কিতাপ 'স্কলাৰ একৃচট্ৰা অৰ্ডিনাৰীত' *(Scholar Extra-ordinary)* যি অৰ্থত বিদগ্ধ ভাৰতবিদ মনীষী মেক্সমূলাৰক সেই উপাধি প্ৰদান কৰিছে ঠিক সেই একে অৰ্থতে আমি আমাৰ সন্দিকৈক 'মানৱিক পণ্ডিত' বুলি সগৰ্বে অভিহিত কৰিব পাৰোঁহক। বেলেগ মানুহ হিচাপে আৰু জীৱন ধাৰাত থকা বিভিন্নতাখিনি বাদ দিলে মোৰ বোধেৰে কৃষ্ণকান্ত সন্দিকৈৰ পণ্ডিত-ব্যক্তিত্ব আৰু মেক্সমূলাৰৰ মানসৰ মাজত ভালেমান মিল দেখা যাব। নীৰদ চি. চৌধুৰীৰ মেক্সমূলাৰৰ চৰিত্ৰ-ভিত্তি অধ্যয়ন কৰাৰ দৰে সন্দিকৈৰ মানৱিক সত্তাৰ ভিত্তি অধ্যয়নো অতি ফলদায়ক হ'ব যেন লাগে। তদুপৰি কৃষ্ণকান্ত সন্দিকৈৰ দৰে মুখ্যতঃ স্কলাৰ বা পণ্ডিত ব্যক্তিৰ জীৱনকৰ্ম অধ্যয়নৰ কাৰণে চৌধুৰীয়ে অৱলম্বন কৰা ব্যাখ্যাত্মক আৰু ব্যক্তিনিষ্ঠ পদ্ধতিয়েই আটাইতকৈ উৎকৃষ্ট পদ্ধতি বুলি গণ্য কৰাৰো যথেষ্ট যুক্তি আছে।

## ফ্ৰাইডৰিশ মেক্সমূলাৰ আৰু কৃষ্ণকান্ত সন্দিকৈ

বহুতৰে হয়তো চেলাউৰি ওপৰলৈ উঠিব, ফিচফিচাই হাঁহিব— কি বিড়ম্বনা! ক'ত সৰগৰ তৰা মহাপণ্ডিত 'আৰ্য' মেক্সমূলাৰ আৰু ক'ত আমাৰ অসমীয়া বামন কৃষ্ণকান্ত। সন্দিকৈ ডাঙৰীয়াৰো যে কেনেবাকৈ এনে উদ্ভট 'জাক্সটাপজিশ্যন' বা সহস্থাপন দেখিলে নিতান্ত বিব্ৰত বোধ কৰিব সেই বিষয়ে মই সম্পূৰ্ণ সজাগ। সন্দিকৈৰ উচ্‌পিচনি মই বুজিম, শ্ৰদ্ধা কৰিম। কিন্তু অন্তৰ ক্ষেত্ৰত মই কৰলৈ ইতস্ততঃ নকৰিম যে এনে এক বিজুনি মই জানি শুনিয়ে কৰিছোঁ। মেক্সমূলাৰৰ পাণ্ডিত্যৰ পৰিধি ইতিহাসত তেওঁৰ স্থান আৰু সন্দিকৈৰ সাৰস্বত কৰ্মৰ পৰিসৰৰ ভিতৰত যথেষ্ট বেচ কম থাকিব পাৰে, প্ৰসাৰ

বা আয়তনৰ বিৰাট তাৰতম্যও থাকিব পাৰে। কিন্তু মই সদায় বিশ্বাস কৰি আহিছোঁ, ৰিজনি কৰিব লাগিলে সদায় যি কোনো ক্ষেত্ৰৰ শীৰ্ষত থকাসকলৰ লৈতেই ৰিজনি কৰা উচিত।' কিয়নো সমপৰ্যায়ৰ দুজনৰ তুলনা কৰি এজনক আনজনতকৈ হীন বা শ্ৰেষ্ঠ বুলি কোৱাত যি অশালীনতা আৰু অবিচাৰৰ ইংগিত থাকি যায় শীৰ্ষসকলৰ লৈতে তুলনা কৰিলে তেনে হোৱাৰ আশংকা নাথাকে। তদুপৰি পণ্ডিতে পণ্ডিতে, মনীষাই মনীষাই ৰিজাই চাওঁতে কোনজনে কিমান বেছি গ্ৰন্থ ৰচনা কৰিলে, নাই কিমান বেছি সুখ্যাতি আৰু যশস্যা আৰ্জিলে সেইটো মুখ্য প্ৰশ্ন নহয়। মুখ্য প্ৰশ্ন হৈছে কোনজনৰ বৌদ্ধিক প্ৰয়াসৰ 'ৰেঞ্জ' বা বিস্তৃতি কেনেকুৱা, বৈদগ্ধ্যৰ গুণাগুণ কেনেকুৱা, পণ্ডিতসুলভ কামনা-বাসনা বা অভিযাত্ৰা আকাংক্ষাৰ উচ্চতা বা গভীৰতা কিমান। কৃতকাৰ্যতাৰ ডিগ্ৰী মাত্ৰাৰ হীন-দেঢ়ীতকৈ এনে প্ৰসংগত প্ৰচেষ্টাৰ গুৰুত্ব আৰু তাৎপৰ্য অধিক বিচাৰ্য। সন্দিকৈয়ে মেক্সমুলাৰৰ সমান কাম কৰিব পাৰিলে নে নাইতকৈ তেওঁৰ মেক্সমুলাৰৰ নিচিনাই আদৰ্শ, লক্ষ্য, মনোভংগী আৰু অনুপ্ৰেৰণাৰে পৰিচালিত হৈছিল নে নাই, সেইটোহে ডাঙৰ কথা। তাৰবাহিৰেও পণ্ডিত-সুধীৰ, বিদ্বান-বিদুষীৰ জানো বেলেগ বেলেগ দেশ বা সম্প্ৰদায় বুলি কিবা থাকে বা থকা উচিত? বিশ্বৰ সকলো প্ৰজ্ঞা-প্ৰত্যাশী আৰু জ্ঞান-মাৰ্গীয়েই জানো একেটা বিশ্ব সম্প্ৰদায়ৰ কুটুম নহয়? অসমীয়া হ'ল বুলিয়ে কৃষ্ণকান্ত সন্দিকৈয়ে জাৰ্মান (ইংৰাজো) মেক্সমুলাৰৰ লৈতে একেখন বিদ্যাচৰ্চাৰ জগতত ধ্যান ধাৰণা লৈ বিচৰণ কৰিব নোৱাৰিব তাৰ কোনো কাৰণ আছে জানো? পাণ্ডিত্যৰ জগতত, চিন্তাৰ জগতত, অন্যান্য দুৰ্বলতাৰ লগতে নীচাত্মিকাৰ মনোভাৱ পৰিহাৰ নকৰিলে কোনো পণ্ডিতেই তেওঁৰ পূৰ্ণ 'পোটেনচিয়েলিটি' বা সম্ভাৱনা আয়ত্ব কৰিব নোৱাৰে বুলি মোৰ দৃঢ় বিশ্বাস আৰু পণ্ডিতক জুখি চাওঁতেও তেনে এটা সমানতাৰ মানদণ্ড আৱশ্যক।

তথাপি সন্দিকৈৰ বিষয়ে লিখিবলৈ লোৱাৰ আগতে সেই বিতৰ্কমূলক পণ্ডিত বুদ্ধিজীৱী নীৰদ চি. চৌধুৰীৰ উল্লেখযোগ্য

মেক্সমূলাৰৰ জীৱনীখন পঢ়িবলৈ নোপোৱা হ'লে মই হয়তো সন্দিকৈৰ প্ৰসংগত সেইগৰাকী বিশ্ববৰেণ্য পণ্ডিতৰ কথা মনলৈকে নানিলোহেঁতেন। চৌধুৰীৰ কিতাপখন পঢ়াৰেপৰা মোৰ মনত এটা প্ৰত্যয় গঢ়ি উঠিল যে কৃষ্ণকান্ত সন্দিকৈ তথা যি কোনো মানৱবিদ্যা বিদ্বানৰ জীৱন আৰু কৰ্ম সমীক্ষা কৰিবলৈ হ'লে চৌধুৰীৰ দৰেই কৰা উচিত।

[ সন্দিকৈৰে আৰু মেক্সমূলাৰৰে অনেক কথাত অমিল, স্বৰ্গ-মৰ্ত তফাৎ। কিন্তু কিছুমান সাধাৰণ কথাত ইমান মিল! সন্দিকৈ ওপজাৰ দুবছৰৰ পিছতে স্বৰ্গী হোৱা মেক্সমূলাৰে সন্দিকৈৰ ওপৰত প্ৰভাৱ পেলোৱাৰ দৃশ্যতঃ কোনো কাৰণ নাথাকিলেও পাহৰিব নোৱাৰি যি সংস্কৃত সাহিত্য, ঋক্‌বেদ, হিন্দুদৰ্শন তথা ভাৰততত্ত্বৰ মহিমা বিশ্বজগতত বিকীৰণ কৰাটোকে আৰ্য মেক্সমূলাৰে জীৱনৰ ব্ৰত বুলি লৈছিল সেই একে সংস্কৃত সাহিত্য আৰু প্ৰাচ্যবিদ্যা আধুনিকভাৱে ইংৰাজী ভাষাত অনুশীলন আৰু মন্থন কৰাটোকে আমাৰ সন্দিকৈয়েও তেওঁৰ সমগ্ৰ উত্তৰ জীৱনৰ সাধনাৰ বিষয় কৰি লৈছিল। সন্দিকৈয়ে পৃথিৱীৰ অন্যতম প্ৰাচীন বিশ্ববিদ্যালয় অক্সফোৰ্ডত চাৰি বছৰকাল যদিও সংস্কৃত বা গ্ৰীক, ৰোমান সাহিত্য নপঢ়ি আধুনিক কুৰঞ্জীহে পঢ়িছিল তথাপি তেওঁৰ প্ৰথম প্ৰেম সংস্কৃতভাষা-সাহিত্যৰ আটাইতকৈ সুবিদিত পাশ্চাত্যৰ পণ্ডিত মেক্সমূলাৰে যে ১৮৪৮ চনৰপৰা জীৱনৰ বাকীছোৱা সেই অক্সফোৰ্ডতে অধ্যাপনা কৰিছিল। তাৰপৰাই ত্ৰিশ বছৰজুৰি বিশ্বৰ প্ৰাচীনতম শাস্ত্ৰ ঋক্‌বেদৰ অনুবাদ আৰু সম্পাদনা কাৰ্য কৰিছিল, পঞ্চাশ খণ্ডত *Sacred Books of The East* প্ৰণয়ন কৰিছিল, সেই কথাই সন্দিকৈৰ জীৱন আৰু মানসিকতাত প্ৰচণ্ড প্ৰভাৱ পেলোৱা নাছিল বুলি ভাবিব পাৰি নে? অক্সফোৰ্ডৰ শিক্ষা সাং কৰি সন্দিকৈয়ে স্বদেশলৈ ঘূৰি অহাৰ আগতে চাৰিবছৰ সময় যে য়ুৰোপীয় মহাদেশৰ দেশে-দেশে জ্ঞানান্বেষী পৰিব্ৰাজকৰ দৰে ঘূৰি ফুৰিছিল আৰু মেক্সমূলাৰেও প্ৰমিথিউচৰ দৰে তেনে এক জ্ঞান আৰু প্ৰজ্ঞাৰ পোহৰৰ পম খেদি অক্সফোৰ্ডত অধ্যাপকৰ আসনত বহি লোৱাৰ আগতে বছৰৰ পিছত বছৰ য়ুৰোপৰ ইমূৰৰপৰা সিমূৰলৈ ভ্ৰমি

সুধিছিল এনেকুৱা মিলবোৰৰ কোনো তাৎপৰ্য নাই নে ?] এজন সমালোচকে নীৰদ চি- চৌধুৰীৰ *Scholar Extraordinary* ৰ উচ্চ প্ৰশংসা কৰি তেওঁৰ 'profound appreciation of the aspirations, the strivings and sufferings of a scholar's lifeৰ কথা উল্লেখ কৰিছে। পণ্ডিতৰ, বিদ্বানৰ জীৱনৰ এই আকাংক্ষা, আকুতি, এই প্ৰচেষ্টা, এই বেদনাৰ স্পৰ্শ মানৱিক পণ্ডিত সন্দিকৈৰ জীৱন আৰু সাধনাত একেবাৰে অনুপস্থিত নে ? বিদ্যাদেৱীৰ আৰাধনাত নিমগ্ন থাকোঁতে মেক্সমূলাৰে এজনী এজনীকৈ ছজনী জীয়ৰী হেৰুৱাইছিল ; সন্দিকৈয়ে আদবাটতে তেওঁৰ সাংসাৰিক জীৱনৰ লাইখুটা তেওঁৰ পত্নীক হেৰুৱাইছে। এনেবোৰ মানৱীয় অভিজ্ঞতাৰপৰা উদয় হোৱা মেক্সমূলাৰৰ যি বানপ্ৰস্থী অন্তিম জীৱনৰ কথা শ্ৰীচৌধুৰীয়ে মৰ্মস্পৰ্শী গভীৰ ভাষাৰে লিখিছে, মোৰ দেখোন সময়ে সময়ে ভাব হৈছে সেইখিনি কথাই সন্দিকৈৰ এতিয়াৰ জীৱনতো আখৰে আখৰে নহ'লেও বহুলাংশে প্ৰযোজ্য। সমুদ্ৰৰ উপৰিভাগৰ, দৰে বাহিৰৰপৰা দেখাত প্ৰশান্ত, নিৰুদ্বেগ সন্দিকৈৰ বহিৰ্জীৱনৰ গভীৰত উত্তাল তৰংগৰ বিক্ষোভ লুকাই থাকিব নোৱাৰে জানো ? আচল কথা একে প্ৰাচ্যৰ সংবেদন আৰু প্ৰজ্ঞাই বিদেশী মেক্সমূলাৰ আৰু অসমীয়া সন্দিকৈক জীৱন আৰু জগতক পৰম প্ৰত্যয়েৰে আৰু আস্থাৰে গ্ৰহণ কৰিবলৈ শিকাইছে; জীৱনৰ অশান্ত অভিজ্ঞতা অতিক্ৰম কৰি স্থিতপ্ৰজ্ঞতাৰ স্তৰলৈ উঠাত ইন্ধন যোগাইছে। ইবছেনৰ কালজয়ী বাণী "Innocence is the source af all joy and happiness" (ষিটো স্নেকৰো মূল সত্য) জীৱনৰ মূলমন্ত্ৰ কৰি লোৱা সন্দিকৈয়ে প্ৰাচ্যবিদ্যা সন্মিলনৰ সভাপতি হিচাপে কৈছিল : "For us the supreme importance of the study of Sanskrit lies in the fact that it must help us to preserve the spiritual values of our civilization and strive after a higher morality. ... It is by upholding such ideals that Sanskrit literature has vitualised Indian culture and its great lessons

may yet sustain us in times of stress and strain, and help us to right its uneasy lack of balance caused by unsettled condition of life in an age of transition." এই ধ্বনিৰে প্ৰতিধ্বনি শুনা যায় মেক্সমূলাৰবো বাণীত। এনেবোৰ কাৰণতে মই অনুভৱ কৰোঁ যে সন্দিকৈ মুখ্যতঃ পণ্ডিত হ'লেও আমাৰ গতানুগতিক প্ৰাচীন পণ্ডিতৰ দৰে শাস্ত্ৰ সৰ্বস্ব নিৰস পণ্ডিত নহয়— তেওঁ মেক্সমূলাৰৰ দৰে আধুনিক বৈজ্ঞানিক পণ্ডিত, জ্ঞানী, প্ৰাজ্ঞ, মেক্সমূলাৰৰ দৰেই অকল স্বদেশৰে নহয় পৰদেশৰ আৰু সমগ্ৰ বিশ্বৰ সঞ্চিত, সমন্বিত জ্ঞানৰ সন্ধানী আৰু ভাণ্ডাৰী, প্ৰাচ্যবিদ্যা আৰু প্ৰতীচ্য মননৰ সংশ্লেষক।

আপাত দৃষ্টিত 'ফাৰ ফেচ্‌ড' বা অত্যন্ত কষ্ট কল্পিত যেন লাগিলেও যেনেকৈ মেক্সমূলাৰ আৰু সন্দিকৈৰ মাজত ঐক্যসূত্ৰ আৱিষ্কাৰ কৰা সম্ভৱ তেনেকৈ সন্দিকৈৰ বিষয়ে তথ্যগতভাৱে বা প্ৰত্যক্ষভাৱে ভাল দৰে নজনাকৈ তেওঁৰ বিষয়ে মুকলিকৈ আলচ কৰাতো মই নীৰদ চি· চৌধুৰীৰ গয়না লৰ খোজাতো কোনো অস্বাভাৱিকতা নাই। মেক্স-মূলাৰক নেদেখাকৈ অকল শ্ৰুতি-স্মৃতি আৰু মননক সাৰথি কৰি চৌধুৰীয়ে যেতিয়া তেওঁৰ বিষয়ে এনে এখন অন্তৰংগ ভাৱাত্মক জীৱনী লিখিবলৈ গৈছে তেতিয়া প্ৰাপ্তব্য নথি-দলীল, চিঠি-পত্ৰ, গ্ৰন্থ-প্ৰপত্ৰ আদিৰ যাৱতীয় সাহায্যতকৈ বেছিকৈ নিশ্চয় নিৰ্ভৰ কৰিছে তেওঁৰ 'হিৰো'ৰ প্ৰতি থকা তেওঁৰ আত্মিক আকৰ্ষণৰ ওপৰত, মূলাৰৰ প্ৰতি তেওঁৰ নিজৰ কল্পনাৰ বোলেৰে বোলোৱা অন্তদৃষ্টিৰ ওপৰত। এজনে আন এজনৰ জীৱনকৰ্ম অন্তৰস্পৰ্শীভাৱে ব্যাখ্যা কৰিবলৈ হ'লে সহানুভূতিতকৈয়ো একাত্মবোধহে—এমপেথি—সম্ভৱ অধিক প্ৰয়োজন। নীৰদ চি· চৌধুৰীৰ মেক্সমূলাৰজনক— 'অৰ্ধেক মানৱ তুমি অৰ্ধেক কল্পনা' বুলি ৰবীন্দ্ৰনাথীয় ভাষাৰে বৰ্ণালে নিশ্চয় ভুল নহ'ব। তথাপি তেওঁৰ অধ্যয়ন সৰ্বজনগ্ৰাহ্য হৈছে, হ'ব পাৰিছে তেওঁৰ এই 'এমপেথিৰ' গুণত। মই সন্দিকৈ ডাঙৰীয়াৰ লগত যদিও এতিয়ালৈকে তিনি চাৰিবাৰৰ বেছি সমুখা-সমুখি হোৱা নাই, মোৱা চাৰিদশকে এনে

সময় কমেই গৈছে যেতিয়া সন্দিকৈ দেৱৰ ছায়ামূৰ্তি মোৰ মানসত বিৰাজ কৰা নাই। আলেণ্ডে-আলেণ্ডে দূৰৰপৰা তেখেতৰ কায়িক ছা নগচাকৈ সদায় সন্দিকৈৰ জীৱন ৰহস্য অনুধাৱন কৰি আহিছোঁ। তদুপৰি মোক জীৱনজুৰি প্ৰভাৱিত কৰা চাৰিগৰাকী সমকালীন অগ্ৰজৰ সন্দিকৈদেৱ অন্যতম। এইটো কথায়ো নিশ্চয় তেখেতক বুজিবলৈ চেষ্টা কৰাৰ যোগ্যতা অলপ দিয়ে। এনে অৱস্থাত মই তেওঁৰ বিষয়ে লিখিলে প্ৰকৃততে 'আইডিয়েলাইজ' কৰি যাইকৈ তথ্যভিত্তিক কল্পনাৰ আলমতে লিখিব লাগিব। তথাপি মোৰ পক্ষে সান্ত্বনা এই যে সন্দিকৈক বিকৃতভাৱে প্ৰকাশ কৰিলে শুধৰোৱাৰ অৱকাশ আছে যিটো মেঘমূলাৰৰ ক্ষেত্ৰত চৌধুৰীৰ নাছিল।

## মানৱিক পণ্ডিত—হিউমেনিষ্ট

কৃষ্ণকান্ত সন্দিকৈৰ জীৱন আৰু অৱদানৰ তিনিটা দিশৰ প্ৰতি ব্যাপকতৰ আলোকপাতৰ সম্ভাৱনা আৰু প্ৰয়োজন বুলি অনুমান হয়। এক হৈছে সন্দিকৈ আৰু অক্সফোৰ্ডৰ সম্বন্ধ। অক্সফোৰ্ডৰ নামটো লোৱা মাত্ৰকে এক ঐতিহাসিক আৰু ঐতিহ্যিক কল্পলোক আৰু বৌদ্ধিক ৰোমাঞ্চৰ মোহতো মহীয়ান আৱেশে জ্ঞান চিন্তাৰ পথলৈ আগবঢ়া মানুহ মাত্ৰকে অভিভূত কৰি পেলায়। সন্দিকৈৰ জীৱন অধ্যয়ন কৰোঁতে সেই আৱেশৰ হাত সাৰি থকা টান। শ্ৰীহাণ্ডাৰৰ তথ্যবহুল জীৱনীত সন্দিকৈয়ে অক্সফোৰ্ডত থকা সময়খিনিৰ বিষয়ে মুঠেই দুপাতমানহে নিয়োজিত হোৱাটো আক্ষেপৰ বিষয়। সাক্ষাত-কাৰত ছাত্ৰাৱে সন্দিকৈদেৱক অক্সফোৰ্ডৰ বিষয়ে কবলৈ নোকোৱাটোৰ বাবে এনে হ'ল নে সন্দিকৈদেৱে তেওঁৰ শিক্ষা জীৱনৰ সেইছোৱাত সিমান গুৰুত্ব দিবলৈ মন নকৰিলে, নাজানো। কিন্তু যি কোনো অসমীয়া অনুসন্ধিৎসুৰ বাবেই সন্দিকৈৰ জীৱনৰ এই অধ্যায়টো অতি মোহনীয় আৰু আকৰ্ষণীয় বিষয়। কাৰণ, জনাত সন্দিকৈয়েই সম্ভৱতঃ আমাৰ একমাত্ৰ পূৰ্ণাংগ 'অক্সফোৰ্ড ফেল্ডা'। দ্বিতীয়তে, সংস্কৃতজ্ঞ বা প্ৰাচ্যবিদ হিচাপে আন্তৰ্জাতিক সুখ্যাতি অৰ্জন কৰাৰ ফলত

সন্দিকৈয়ে ঘাইকৈ আগ বয়সত অসমীয়া সাহিত্যৰ প্ৰতি আৰু আমাৰ বিদ্যাচৰ্চাৰ ক্ষেত্ৰত যি মূল্যবান বৰঙণি আগবঢ়াইছিল, তাৰ প্ৰতি সমূলি দৃষ্টি আকৰ্ষিত নোহোৱা বা সেইখিনি পাহৰি পেলোৱাটো পাছলৈ এটা পীড়াদায়ক সত্য।

সঁচা কথা কবলৈ হ'লে কবলাগিব সন্দিকৈৰ সময়লৈকে অসমীয়া সাহিত্যত পাশ্চাত্যৰ প্ৰভাৱ যি পৰিছিল সি আছিল ইংৰাজী সাহিত্য আৰু ইংলণ্ডৰ সাহিত্যিকৰপৰা অহা প্ৰভাৱ। আনকি মাৰ্কিন সাহিত্যিকৰ প্ৰভাৱো অসমীয়াত নিচেই নগণ্য আছিল। সন্দিকৈয়েই প্ৰথম ইংলণ্ডৰপৰা য়ুৰোপ মহাদেশৰ মুৱাকৈ আমাৰ সাহিত্যৰ পশ্চিম দুৱাৰ মুকলি কৰি দিলে। সন্দিকৈয়ে নকৰা হ'লে গোৱেটে, স্কীলাৰ, হাইনে, মেটাৰলিংক, ইবছেন, ৰুছো, ভলটেয়াৰ, এচকেলাচ, ইউৰিপিড্ৰিচ, হুগো, মলিয়েৰ, টলষ্টয়, পুছকিন, শেকভ,—আনকি ৰুছ বেলে বা অপেৰাৰ লগত চিনাকি হ'বলৈকো আৰু কিমান দিন আমি বাট চাব লাগিলহেঁতেন কোৱা নাযায়। সাহিত্য কৰ্মত সন্দিকৈয়ে এহাতে যেনেকৈ আমাৰ প্ৰাচীন সাহিত্যৰ বহুবাজি পাশ্চাত্যৰ আগত উন্মোচন কৰিবলৈ যত্নপৰ হৈছিল, তেনেকৈয়ে বিচাৰিছিল য়ুৰোপৰ চিন্তা-ভাৱনা, প্ৰতীচ্যৰ সাধনা-সম্ভাৱনাৰ সৈতে আমাক পৰিচয় কৰাই দিবলৈ। যিটো দিশ মোৰ বোধেৰে এতিয়ালৈ যথেষ্টভাৱে অনুশীলিত আৰু আলোচিত হোৱা নাই সেইটো হ'ল সন্দিকৈৰ চিন্তাকৰ্মৰ আধুনিকতা আৰু যুগধৰ্মিতা। সন্দিকৈক একমাত্ৰ সংস্কৃত তথা সংস্কৃত পাণ্ডিত্যৰ সু-উচ্চ প্ৰতিভাৰূপে এনেকৈ সদায় উপস্থাপন আৰু প্ৰক্ষেপন কৰা হৈছে যে তেওঁ যে এজন কুৰি শতিকাৰ সমকালীন চিন্তাধাৰাৰ মাজত লালিত পালিত, বৈজ্ঞানিক দৃষ্টিভংগী-সম্পন্ন, কেঁবাটাও বৌদ্ধিক অনুশাসন আৰু সংস্কৃতিয়ে গঢ়কা এগৰাকী বিশিষ্ট চিন্তাশীল মনীষী সেই কথা অবাঞ্ছনীয়ভাৱে তল পৰি গৈছে। এই শেহৰটো দিশ স্বাভাৱিকভাৱে প্ৰথমটো দিশৰ সৈতে অংগাংগীভাৱে জড়িত আৰু দুয়োটা একেলগে সন্দিকৈৰ ব্যক্তিত্ব আৰু মনীষাৰ

উপলব্ধি আৰু মূল্যায়নৰ পক্ষে ভিত্তিমূলক (fundamental) আৰু কেন্দ্ৰীয় বিষয়।

সন্দিকৈৰ সন্মুখীন হ'লে প্ৰশ্ন এটা সততে উঠে—সন্দিকৈ আচলতে কি? তেওঁ কেৱল আমাৰ ভাৰতীয় ঐতিহ্যৰ অনুষংগা মতে 'পণ্ডিত' আৰু পাশ্চাত্যৰ অনুষংগা মতে 'স্কলাৰ'ই নে? মোৰ মনেৰে আমাৰ 'পণ্ডিত' শব্দটোৱে ঐতিহাসিক ক্ৰমৰ সংসৰ্গত পৰি এনে এটা প্ৰাচীনত্বসূচক, গোড়া, কঠোৰ, সীমিত আধুনিক 'কনটেশ্যন' বা মৰ্ম অৰ্জন কৰিছে যে সন্দিকৈ সেই অভিধাৰে অভিহিত কৰিবলৈ গলে তেওঁ নিজে সদায় জোঁৰ দি অহা 'আধুনিক জ্ঞান,' আধুনিক চিন্তাৰে নিবিড়-ভাৱে সংশ্লিষ্ট সন্দিকৈৰ ব্যক্তিত্বৰ ডাঙৰ অংশটোকে অৱজ্ঞা কৰা হয়। আনহাতেদি নীৰদ চি. চৌধুৰীয়ে মেক্সমূলাৰক 'স্কলাৰ এক্সট্ৰা অৰ্ডিনেৰী' বোলোতে কিজানি অনুভৱ কৰিছিল যে 'স্কলাৰ' শব্দটোৰ লৈতে আৰু এটা বিশেষণ যোগ নিদিলে মেক্সমূলাৰক মধ্যযুগীয় য়ুৰোপৰ চেণ্ট থমাচ একুইনাচ বা ডানচ কোটাচ বা ৰোজাৰ বেকনৰ লেখীয়া scholastic পণ্ডিত বুলি মানুহে ভুল কৰিব পাৰে। 'পণ্ডিত' শব্দটোৱেই বেয়া বুলি মই কব খোজা নাই, কিন্তু সন্দেহ নাই যে ভাষাতত্ত্বৰ স্বীকৃত সত্য মতেই শব্দটো অৰ্থৰ পিনেদি এতিয়ালৈ কিছু anachronistic বা সময়-সামঞ্জস্যবিক্ষীপ্ত হৈ পৰিছে। সেইটো শব্দ ব্যৱহাৰ কৰিলে এনে এজন ব্যক্তিৰ ভাৱমূৰ্তি চকুৰ আগত ভাঁহি উঠে যিটো অক্সফোৰ্ড প্ৰত্যাৱৰ্তিত আধুনিক যুগধৰ্মৰ অভ্যন্তৰলৈ সোমোৱা কৃষ্ণকান্ত সন্দিকৈৰ সত্যমূৰ্তি নিশ্চয় নহয়। বিদ্বানৰ পৰিচয়, অধ্যয়ন আৰু জ্ঞানপিপাসু মনীষীৰ পৰিচয়, মনন আৰু চিন্তনৰ ক্লান্তিহীন অনুগামীৰ পৰিচয়টোৱেই যদিও কৃষ্ণকান্ত সন্দিকৈৰো সৰ্ব্বাগ্ৰ পৰিচয় তেওঁ কেৱল পুথি-পাঁজিৰ মেৰঘৰত সোমাই বাহিৰৰ জগতৰ লৈতে সম্বন্ধ ছেদ কৰি দিয়া পণ্ডিত নহয়। সন্দিকৈৰ পাণ্ডিত্য মানৱকেন্দ্ৰিক পাণ্ডিত্য, বিকাশমান জ্ঞান-বিজ্ঞানৰ বিস্ফোৰণ, ঘটি থকা বিশ্বজগতৰ লৈতে নিবিড়ভাৱে সম্পৰ্কিত পাণ্ডিত্য,—'ভেকুৰাম'ৰ বা শূন্যত ওলমি থকা অবাস্তৱ শাস্ত্ৰ-লোকৰ পাণ্ডিত্য নহয়। 'বিপুলা পৃথ্বী আৰু নিৰবধি

কাল'ৰ প্ৰতি দৃষ্টি সততে নিবদ্ধ ৰাখিও সন্দিকৈয়ে নিত্য পৰিৱৰ্তনশীল জগত আৰু সময়ৰ সংকেতৰ প্ৰতি সদা-সাৱধান, সচেতন। পণ্ডিত সন্দিকৈৰ প্ৰকৃত সাদৃশ্য হ'ব বেঁনেচা যুগৰ হিউমেনিষ্টকসকলৰ লগত,… জীৱনক সত্যবুলি গ্ৰহণ কৰা, মানুহক অগ্ৰাধিকাৰ প্ৰদান কৰা, জ্ঞান-বিজ্ঞানৰ প্ৰগতিৰ সৈতে নিয়ত সংযুক্ত থকা মানৱকেন্দ্ৰিক, মানৱিক পণ্ডিতসকলৰ লগত। হিউমেনিষ্ট শব্দৰ উপযুক্ত প্ৰতিশব্দ আমাৰ নাই, কিয়নো প্ৰকৃত অৰ্থত হিউমেনিষ্টৰ ধাৰণা পাশ্চাত্যৰ পিছতহে আমাৰ ইয়ালৈ আহিছে। সেইবাবেই সন্দিকৈক 'মানৱিক পণ্ডিত' বুলিছো।

## ক আনন্দৰামৰপৰা কৃষ্ণকান্ত

ইমানতে এটা স্বাভাৱিক প্ৰশ্নলৈ উভতি যোৱাৰ প্ৰয়োজন দেখিছো। বহুতৰে মনত খেলাব, সাত সমুদ্ৰৰ সিপাৰৰ বিৰাট বিদেশী পণ্ডিত মেক্সমূলাৰৰ লগত কৃষ্ণকান্ত সন্দিকৈৰ তুলনামূলক চৰ্চা কৰিবলৈ যে এনে আগ্ৰহ দৰ্শাইছো তেনে নকৰি আমাৰ অসমীয়া ঘৰৰ ল'ৰা, অসমত বৈজ্ঞানিকভাৱে দেৱভাষা অনুশীলনৰ স্মৰণীয়, নমস্য পথিকৃৎ আৰু সংস্কৃতজ্ঞ সন্দিকৈৰ নিকটতম পূৰ্বসূৰী আনন্দৰাম বৰুৱাৰে তেওঁক ৰিজাই চোৱাটো অধিক ফলপ্ৰসূ বা স্বাভাৱিক নহ'লহেঁতেন নে? হয়তো হ'লহেঁতেন। তদুপৰি মেক্সমূলাৰৰ সৈতে সম্বন্ধ স্থাপন কৰিবৰ বাবে তেওঁৰ সমকালীন আনন্দৰাম বৰুৱা যিমান উপযুক্ত হ'লহেঁতেন, দুয়োজনৰ মন্ত্ৰশিষ্য-স্বৰূপ উত্তৰ পুৰুষৰ কৃষ্ণকান্ত সন্দিকৈক সিমান উপযুক্ত যেন নালাগে। পণ্ডিত মেক্সমূলাৰে অক্সফোৰ্ড বিশ্ববিদ্যালয়ত তুলনামূলক ভাষাতত্ত্বৰ অধ্যাপনা কৰা সময়ত আনন্দৰাম বৰুৱা সেই বিশ্ববিদ্যালয়ৰ ছাত্ৰ নাছিল যদিও তেওঁ যেতিয়াই সুযোগ পাইছিল লণ্ডনৰপৰা ঢপলিয়াই গৈ অক্সফোৰ্ডত মেক্সমূলাৰৰ 'লেকচাৰ' শুনিছিলগৈ বুলি কথিত আছে। অকল সেয়ে নহয়, আনন্দৰাম বৰুৱাৰ সংস্কৃত অভিধান আৰু ব্যাকৰণ সংকলনৰ উচ্চাকাংক্ষী প্ৰকল্পৰ সম্পৰ্কে মেক্সমূলাৰ ঘনিষ্ঠভাৱে অৱহিত আছিল আৰু তেওঁ সেই প্ৰচেষ্টাক

ওজস্বিনী ভাষাৰে অভিনন্দন জনাইছিল। ই আমোদজনক সংবাদ যে আনন্দৰামে মেক্সমূলাৰৰ আশীৰ্বাদ লাভ কৰাৰ উপৰিও তেওঁৰ আই. চি এচৰ ইংৰাজী পৰীক্ষাৰ প্ৰশ্ন-উত্তৰ কাকত সমালোচক-প্ৰবৰ কবি মেথিও আৰ্ণল্ডে চোৱাৰ সৌভাগ্যও অৰ্জন কৰিছিল।

সেয়ে হলেও কব লাগিব সন্দিকৈৰ প্ৰসংগত আনন্দৰামক আগতীয়াকৈ টানি নানোতে ভাবি-চিন্তিয়ে তেনে কৰিছোঁ। আনন্দৰাম বৰুৱাৰ বাবে যি অৰ্থত সংস্কৃত ভাষা-সাহিত্যৰ চৰ্চা তেওঁৰ একমাত্ৰ দিঠকৰ ধ্যান আৰু সপোনৰ সহচৰ আছিল, আনন্দৰামে যেনেকৈ সংস্কৃত সাহিত্য-বিভূতিৰ মহাসমুদ্ৰত বুৰ মৰাৰ পিছত তেওঁৰ দেশবাসীয়ে নিজৰ কালিদাস আৰু ভৱভূতিৰ কৃতিত্বকৈ পৰৰ মিল্টন বা এডিচনৰ প্ৰতি বেছিকৈ ঢাল খোৱাত আক্ষেপ কৰিছিল, সন্দিকৈয়ে অকল সংস্কৃত ভাষা সাহিত্যৰ প্ৰতিয়েই তেনে এক তন্ময়তাৰ ভাব প্ৰদৰ্শন কৰা নাছিল। সংস্কৃতে সন্দিকৈৰো প্ৰগাঢ়তম আনুগত্য আদায় কৰিছিল যদিও তেওঁ সেই সাহিত্যকো মানৱ জ্ঞানৰ সুবিশাল ভাণ্ডাৰৰ এটা অংশ বুলিহে লৈছিল। পণ্ডিত হিচাপে আনন্দৰাম একনিষ্ঠ মহান সংস্কৃতজ্ঞ, সন্দিকৈ সংস্কৃতৰ বাহিৰেও অন্যতম প্ৰাচ্যবিদ, ভাৰতবিদ আৰু মানৱতাৰ সাধক। সন্দিকৈৰ হয়তো অন্তৰৰ অন্তৰতম বাসনা আছিল সমস্ত বিশ্ব জ্ঞান-বিজ্ঞানৰ মন্দিৰত প্ৰৱেশ কৰা সম্ভৱতঃ পাৰিলে, তেওঁৰ আদৰ্শ আছিল আচাৰ্য ব্ৰজেন্দ্ৰনাথ শীল, ড° আনন্দকুমাৰ স্বামী প্ৰভৃতিৰ দৰে 'পলিমেথ' (polymath) হোৱা, তাহানি Terenceএ কোৱাৰ দৰে কব পৰা 'Homo Sum humani nil a me alienum puto, মই মানুহ, কোনো মানৱীয় জ্ঞানেই মোৰ বাবে পৰ নহয়।

অৱশ্যে এই প্ৰসংগত আমি আনন্দৰামৰ মুঠেই ৩৭ বছৰীয়া জীৱন কালৰ কথাটোও মনত ৰাখিব লাগিব; —তেওঁৰ অৱদানৰ গৰিমা তেওঁৰ স্বল্পায়ু জীৱনকালৰ প্ৰেক্ষাপটতহে সম্যকৰূপে নিৰ্ণীত হোৱা উচিত। তথাপি ইয়ো অনস্বীকাৰ্য যে মানুহ হিচাপে আনন্দৰাম

আৰু সন্দিকৈৰ জীৱন আৰু কৰ্মজীৱনৰ সাদৃশ্য বা সমস্বভাৱটো উলাই কৰিব পৰা বিধৰ নহয়। ড° সূৰ্যকুমাৰ ভূঞাই তাহানিতে লিখি থৈ যোৱা আনন্দৰাম বৰুৱাৰ স্মৰণীয় জীৱন বৃত্তান্তৰ পাতে পাতে পৰিস্ফুট হোৱা অসমৰ সেইগৰাকী অতীতৰ মহাপণ্ডিতৰ জীৱন ধাৰা, আদৰ্শ স্বাভাৱিক প্ৰৱণতা আৰু হাবিয়াস, স্পৃহা আৰু কাৰ্যক্ৰমৰ সৈতে আজন্ম ছাত্ৰৰে লিখা জীৱনীৰপৰা উদ্ভাসিত হোৱা সন্দিকৈৰ চিন্তা-চৰ্চা আৰু জীৱন-চৰ্যাৰ মিললৈ মন কৰিলে বিস্ময়বোধ নকৰি নোৱাৰি। ড° ভূঞাই লিখামতে আনন্দৰাম যেনেকৈ বিশ্বৰ সুধী সমাজৰ আগত সংস্কৃত ভাষা-সাহিত্যৰ ঐশ্বৰ্যৰ মাহাত্ম্য প্ৰকাশ আৰু প্ৰচাৰৰ বাবে ব্যাকুল হৈ আই. চি. এছ আমোলাৰ গধুৰ কামৰ দায়িত্ব কান্ধত লৈও সজ্ঞান জীৱনৰ প্ৰত্যেকটো মুহূৰ্ত সংস্কৃতৰ গৰিমা আৰু মাধুৰী মন্থনত নিয়োগ কৰিছিল, সন্দিকৈয়ে জ্ঞানযোগীৰ নিৰলস নিভৃত সাধনাৰে আনন্দৰামৰ উদ্দেশ্যকে আৰু ব্যাপকতৰ, আৰু বৃহত্তৰ পৰিধিত ব্যক্ত কৰি আছে। একে একাগ্ৰতা, একে একনিষ্ঠতা, একে প্ৰচাৰ বিমুখতা, একে নীৰৱতা, একে উদ্দেশ্যৰ বাবে আত্ম-নিবেদনে অসমৰ এই আলোকসন্ধানী দুয়োজন মনীষীৰ জীৱন আলোকিত কৰিছে। মোৰ মনেৰে এইটো আমাৰ দুৰ্কপাল যে কৃষ্ণকান্ত সন্দিকৈয়ে আনন্দৰাম বৰুৱাৰ সংস্কৃত চৰ্চাৰ বিষয়ে তেনেকৈ বিশদভাৱে লিখা নাই বা চৰ্চা কৰা নাই। মোৰ নিজৰ এটা বহুদিনীয়া হেঁপাহ আছিল আনন্দৰাম বৰুৱাৰ অমূল্য গ্ৰন্থৰাজি পুনৰ কেতিয়াবা পোহৰলৈ আহিলে তাৰ মুখবন্ধত দেখিবলৈ পাম কৃষ্ণকান্ত সন্দিকৈৰ পাণ্ডিত্যপূৰ্ণ বহুমূলীয়া ভূমিকা। সন্দিকৈয়ে আনন্দৰামৰ "ভৱভূতি আৰু সংস্কৃত সাহিত্যত তেওঁৰ ঠাই" পুথিৰ পাতনি লিখিছে যদিও সেই আশা মোৰ সম্পূৰ্ণ পূৰ নহ'ল আৰু ছাত্ৰাৱৰ কিতাপতো সংস্কৃতবিদ আনন্দৰাম বৰুৱাৰ প্ৰতি সন্দিকৈৰ মনোভাৱ বিশদভাৱে ব্যক্ত নোহোৱাকৈয়ে ৰ'ল। সি যিয়েই নহওঁক কোৱা বাহুল্য হব যে অসমীয়াৰ জাতীয় মানসত আনন্দৰাম বৰুৱা আৰু কৃষ্ণকান্ত সন্দিকৈ সদায় ওচৰা ওচৰি, একপ্ৰকাৰ অভিন্ন হৈ ৰ'ব।

আনন্দৰাম বৰুৱাৰ নাম লোৱাৰ লগে লগে অসমত সংস্কৃত

চৰ্চাৰ আৰু এগৰাকী শিৰোমণি আচাৰ্যৰ নামো লৈ থব লাগিব। সেইজন হ'ল আনন্দৰামতকৈ মুঠেই এবছৰৰ পাছত (১৮৫১) জন্ম গ্ৰহণ কৰা, যদিও আনন্দৰামৰ পৰলোকৰ পাছত আৰু ৩০ বছৰ কাললৈ (১৯১৯) আমাৰ মাজত থাকি ঐকান্তিকভাৱে প্ৰাচীন প্ৰণালীৰে সংস্কৃত ভাষা-সাহিত্যৰ সেৱা-চৰ্চা কৰি সুধী সমাজত অক্ষয় যশস্যা আজি অসমীয়াৰ মুখ উজ্জ্বল কৰি থৈ যোৱা মহা-মহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্যদেৱ। প্ৰকৃতপক্ষে আদিতে আনন্দৰাম, মাজত ধীৰেশ্বৰ আচাৰ্য আৰু ইটো মূৰত কৃষ্ণকান্ত— এই তিনিগৰাকী বিদগ্ধ পণ্ডিতত্ৰয়ীৰ অসমত জন্ম হোৱাটোৱেই এটা বিৰল গৌৰৱৰ কথা। ভাষাতাত্ত্বিক আনন্দৰামৰ সংস্কৃতৰ ভাষাতাত্ত্বিক পাণ্ডিত্য, সংস্কৃত বিশাৰদ ধীৰেশ্বৰ ভট্টাচাৰ্যৰ সংস্কৃতত ৰচনা আৰু কবিত্ব শক্তি, আৰু আধুনিক পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ সংস্কৃতৰ সাহিত্যিক আৰু সাংস্কৃতিক প্ৰমূল্যৰ ওপৰত কৰ্তৃত্ব এই ত্ৰিবিধ সৌষ্ঠৱে সদৌ দেশৰ সংস্কৃত চৰ্চাৰ বিকাশ আৰু প্ৰসাৰত—উল্লেখনীয় বৰঙণি যোগাইছে। আনন্দৰাম বৰুৱা যেনেকৈ আজিকোপতি অসমৰ একমাত্ৰ প্ৰতিযোগী চিভিলিয়ান (competitive) চিভিলিয়ান, কৃষ্ণকান্ত সন্দিকৈ যেনেকৈ সম্ভৱতঃ অসমৰ একমাত্ৰ পূৰ্ণায়ুৰ, পূৰ্ণাংগ 'অক্সনিয়ান', সেইদৰে ধীৰেশ্বৰ ভট্টাচাৰ্য অসমৰ একমাত্ৰ মহামহোপাধ্যায়। অৱশ্যে এইবিলাক 'ভূষণ'হে আৰু নিতান্ত বাহ্য নহলেও ওপৰঞ্চি – আৰু সেইবাবে 'এক্সিডেণ্ট' বা 'এডজাংকট'হে— বিশেষণ নহয়। প্ৰকৃতপক্ষে পণ্ডিত আৰু পাণ্ডিত্যৰ মাজত পৰিমাণগত প্ৰভেদ থাকিলেও গুণগত বিভেদ বিচৰা অসংগত। তথাপিও সন্দিকৈৰ পূৰ্বসূৰীসকলৰ প্ৰতি কোনো প্ৰকাৰৰ কটাক্ষপাত নকৰাকৈয়ো শ্লাঘা কৰাত দোষ নাই যে কৃষ্ণকান্ত সন্দিকৈৰ পাণ্ডিত্যৰ একপ্ৰকাৰ গুণগত স্বকীয়তা আছে। সেই বৈশিষ্ট্য নিহিত আছে সন্দিকৈৰ পাণ্ডিত্যৰ ঔদাৰ্য বা Liberality, সৰ্বগ্ৰাহিতা Catholicity, সেই পাণ্ডিত্যৰ অন্তৰ্মুখী গভীৰতা বা বহিঃপ্ৰসাৰী Sweep বা বিস্তাৰত। সন্দিকৈৰ শাস্ত্ৰীয় (Classical) পাণ্ডিত্যৰ এই আধুনিক চৰিত্ৰ বা লক্ষণসমূহে ইয়াক

আমাৰ আন সংস্কৃতজ্ঞসকলৰ পাণ্ডিত্যৰপৰা সংগতভাৱে পৃথক আৰু বিশিষ্ট কৰি তোলে।

## অক্সফোৰ্ড......... সংস্কৃতি ......হিউমেনিষ্ট

কৃষ্ণকান্ত সন্দিকৈ যদি একালেদি আনন্দৰাম বৰুৱাৰ দৰে বিদগ্ধ সংস্কৃত পণ্ডিত আনপিনেদি তেওঁ মেক্সমূলাৰৰ সহধৰ্মী মানৱিক পণ্ডিত, হিউমেনিষ্ট। আজিকালি বহু প্ৰচলিত ইংৰাজী শব্দৰ 'ইনটেলেকচুৱেলে' যেনেকৈ বাবোৱাৰীভাৱে বিশ্ববিদ্যালয়ৰ জপনা পাৰ হোৱা জনৰপৰা বিদগ্ধ যুক্তি-মননশীল বুদ্ধিজীৱীলৈকে বাচ-বিচাৰ নোহোৱাকৈ বহুতকে সামৰিবলৈ লৈছে তেনেকৈ 'হিউমেনিষ্ট' বুলিলেও নানা প্ৰকাৰ পণ্ডিতকে যথেচ্ছভাৱে বুজোৱাত পৰিছে। আমাৰ ভাষাত তাৰ খাপ খোৱা প্ৰতিশব্দ নোলোৱাৰ কাৰণেও এনে হব পাৰে। 'হিউমেনিটিজ' বা মানৱ বিদ্যাৰ সৈতে জড়িত পণ্ডিতসকলকে যদিও যাইতে হিউমেনিষ্ট বুলি ধৰা হয় বহু সময়ত 'ক্লাচিক্‌চ' বা প্ৰাচীন ভাবধাৰা বা শাস্ত্ৰাদিৰ চৰ্চা কৰা সংস্কৃত-আৰবী-গ্ৰীক-লেটিন ভাষা-সাহিত্য দৰ্শনৰ সৈতে সংশ্লিষ্ট থকা নাইবা তাতোকৈ শিথিলভাৱে বুদ্ধিজীৱীৰ দৰে বিদ্যাজীৱী মাত্ৰকে 'হিউমেনিষ্ট' বুলি বৰ্ণোৱা প্ৰকৃতি এটা পৰিলক্ষিত হয়। সেইবাবে এইখিনিতে স্পষ্ট হৈ লোৱা ভাল যে কৃষ্ণকান্ত সন্দিকৈক হিউমেনিষ্টিক বোলোতে মানৱকেন্দ্ৰিক জ্ঞান-বিজ্ঞানৰ অধ্যয়ন অনুশীলন কৰা লোক হিচাপেই বহল হিচাপে চোৱা হৈছে যদিও, অক্সফোৰ্ড বিশ্ববিদ্যালয় যি অৰ্থত হিউমেনিষ্ট সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ আৰু আধাৰ বুলি জ্ঞান কৰা হয় তেনে 'হিউমেনিজিম'ৰ প্ৰতিনিধি বা বাহক বুলিহে যাইকৈ সন্দিকৈক মানৱিক পণ্ডিত বুলিব খোজোঁ। প্ৰশ্ন উঠিব পাৰে য়ুৰোপীয় ৰেনেচাঁ-সম্ভূত হিউমেনিজম মূলত গ্ৰীকো-ৰোমান চিন্তা-চৰ্চাৰ পুনৰাভ্যুদয়ৰ ওপৰত প্ৰতিষ্ঠিত সংস্কৃতৰ নহয়, তদুপৰি ৰেনেচাঁ সংস্কৃতিৰ লীলাভূমি অকল অক্সফোৰ্ডেই নহয়, কেম্ব্ৰিজো। তেনেহ'লে সন্দিকৈক প্ৰকৃতাৰ্থত কেনেকৈ হিউমেনিষ্ট বোলা যাব? প্ৰথম প্ৰশ্নৰ উত্তৰ হ'ল

এই যে উচ্চাংগ ধ্ৰুপদী ভাষা-সাহিত্য বুলিলে গ্ৰীক-লেটিনৰ লগতে সংস্কৃত-হিব্ৰু, আৰবী-ফাৰ্চীকো ধৰা যায় আৰু মেক্সমূলাৰে অক্সফোৰ্ডত থাইকৈ প্ৰাচ্য ভাষা সংস্কৃত-সংস্কৃতিৰহে অধ্যাপনা কৰিছিল যদিও তেওঁ এজন হিউমেনিষ্ট বুলিয়েই সাধাৰণতে স্বীকৃত। দ্বিতীয় প্ৰশ্নৰ উত্তৰ এয়ে যে—য়ুৰোপত তথাকথিত red brick University বা ৰঙা ইটাৰ বোলা পিছৰ বিশ্ববিদ্যালয়বোৰ গঢ়ি উঠালৈকে অক্সফোৰ্ড আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয় দুটাক সাধাৰণতে একেলগে লগ লগাই যুৰীয়াকৈ অক্সব্ৰিজ সংস্কৃতিৰ প্ৰতীক বুলিয়েই ধৰা হৈছিল। মোৰ ধাৰণাৰে কৃষ্ণকান্ত সন্দিকৈৰ মণীষাৰ বুজ লবলৈ হলে তেওঁৰ অক্সফোৰ্ড পৰ্বলৈ আওকাণ কৰিব নোৱাৰি আৰু অক্সফোৰ্ড সংস্কৃতি উপজাত বুলি গণ্য কৰিলে তেওঁক হিউমেনিষ্ট হিচাপেও বিবেচনা কৰা বাঞ্ছনীয় হব।

সন্দিকৈৰ অক্সফোৰ্ড অৱস্থান পৰ্বতো মোটামুটিকৈ আজি উত্তৰ পুৰুষৰ বাবে এটা অজ্ঞাত পৰ্ব হৈ থকাটো এটা দুৰ্ভাগ্যৰ বিষয়। চাত্তাৰৰ কিতাপতো এই বিষয়ে বিশেষ পোহৰ নাই। ড° ভূঞাৰ আনন্দৰাম বৰুৱাৰ জীৱনীত ভূঞাই বৰুৱাৰ বিলাতত ছাত্ৰজীৱনৰ বৰুৱাৰ সহপাঠী-শিক্ষক-পৰীক্ষক, সমসাময়িক অন্যান্য বিশিষ্ট লোকে জনা আৰু লিখাৰ কথাৰপৰা আনন্দৰামৰ বিলাতৰ কথা এনে সাৱলীল আৰু মনোমোহাকৈ বৰ্ণাইছে যে বৰ বেছি কল্পনাশক্তিৰ আশ্ৰয় নোলোৱাকৈও আনন্দৰামৰ পণ্ডিত জীৱনৰ আভাস পাব পাৰি। বিপৰীতে অক্সফোৰ্ডত সন্দিকৈ সম্পৰ্কে জনাৰ একো সমল নাই বুলিলেই হয়। আনন্দৰাম আৰু কৃষ্ণকান্তৰ বিলাত যাত্ৰা আৰু তাৰ জীৱনৰ মৌলিক পাৰ্থক্য এই যে আনন্দৰামে মুখ্যতঃ আই চি এছ পঢ়িবলৈ বুলি বিলাতলৈ গৈ তাতহে ব্যাপকতৰ আৰু গভীৰতৰ জ্ঞান-স্পৃহাৰ 'bug' বা কীটৰদ্বাৰা দংশিত হয় আৰু সংস্কৃত সাহিত্য মন্থনৰ কামনা তেওঁ স্বদেশলৈ আহিহে চৰিতাৰ্থ কৰিলে। সন্দিকৈয়ে কলিকতা বিশ্ববিদ্যালয়ত সেই সময়ৰ প্ৰখ্যাত সংস্কৃত তথা প্ৰাচ্যবিদ্যা বিশাৰদসকলৰ অধীনত সংস্কৃত সাহিত্যৰ অধ্যয়ন সামৰি বিলাতলৈ গৈছিল প্ৰধানতঃ তেওঁৰ জ্ঞানৰ পৰিসীমনা বঢ়াবলৈ, লক্ষ শিক্ষাক

পূৰ্ণতা দিবলৈ আৰু পশ্চিমীয়া আৰ্জনেৰে সেই জ্ঞান পৰিবৰ্ধিত আৰু পৰিমাৰ্জিত কৰি তাক round off বা সুসমহম্ কৰিবলৈ।

যাইকৈ বয়োজ্যেষ্ঠ ড° সূৰ্যকুমাৰ ভূঞাৰ পৰামৰ্শমতে কলিকতাত থকা কালতেই সন্দিকৈয়ে তেওঁৰ জীৱনৰ এটি ডাঙৰ 'নিচা' বা 'পেশ্যন'—গ্ৰীক-লেটিন, ফৰাচী-জাৰ্মান আদি বিদেশী ভাষা শিকিবলৈ আৰম্ভ কৰিছিল। সেই কামৰ পৰিপূৰ্ণতাপ্ৰাপ্তিৰ বাবেও বিলাতলৈ যোৱাৰ দৰকাৰ আছিল। সন্দিকৈৰ প্ৰথমতে একান্ত ইচ্ছা আছিল বিলাতলৈ গৈ সংস্কৃতত 'ডক্টৰেট' লোৱা। কিন্তু তেওঁ পিছত মন সলালে। তেওঁ অক্সফোৰ্ডত মডাৰ্ণ হিষ্টৰী পঢ়িবলৈ ললে আৰু দীঘলীয়া বন্ধবোৰত লণ্ডনস্থ ব্ৰিটিছ মিউজিয়াম গ্ৰন্থাগাৰত বিশ্বৰ বিবিধ ভাষা-সাহিত্য অধ্যয়নত ব্যাপৃত থাকিল। লগে লগে ৰুচীয়, ফৰাচী, ইটালীয়, স্পেনীয় আদি আৰু বিদেশী ভাষা শিক্ষাত মন দিলে।

বিলাতলৈ গৈ সন্দিকৈয়ে এনেকৈ মন সলোৱাৰ কাৰণ কি? শুনা যায় সন্দিকৈয়ে উপলব্ধি কৰিলে যে সংস্কৃত সাহিত্যৰ বিস্তাৰিত স্নাতকোত্তৰ অধ্যয়নৰ বাবে অক্সফোৰ্ডলৈ যোৱা দৰকাৰ নাই, আমাৰ দেশৰ ভাষা-সাহিত্য অধ্যয়নৰ বাবে স্বদেশতকৈ উৎকৃষ্ট ঠাই বিদেশী বিদ্যাসত্ৰ হব নোৱাৰে। ইংলণ্ড ফ্ৰান্স, জাৰ্মেনী ইত্যাদি দেশ যি যি বিষয়ৰ চৰ্চাৰ বাবে এটাইতকৈ সুপ্ৰসিদ্ধ আৰু প্ৰশস্ত সেইবোৰ দেশত সেই বিদ্যা অৰ্জন কৰাহে বেছি লাগতিয়াল কথা। আনন্দৰাম বৰুৱা আৰু সন্দিকৈৰ সংস্কৃতানুৰাগৰ এটি সূক্ষ্ম বিভিন্নতা সন্দিকৈৰ এই সিদ্ধান্তত ধৰা পৰে। অৱশ্যে ফ্ৰান্সত জাৰ্মান শিকিবলৈ লোৱা বাবে তেওঁ সময়ত আহুকালত পৰিবলগীয়া হৈছিল।

এই প্ৰসংগতে মোৰ মনত প্ৰায়ে ভুমুকি মৰা এটা প্ৰশ্নৰ উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। সৰহ সংখ্যক দৃষ্টান্ততে দেখা যায় ডাঙৰ ডাঙৰ পণ্ডিতসকলে যিবিলাক বিষয়ৰ প্ৰতি পঠনৰ কালত বি শষ ধাপ দেখুৱায় আৰু যিবিলাক বিষয়ত প্ৰতিযোগিতামূলক সৰ্বোচ্চ কৃতিত্ব দৰ্শায় পিছত প্ৰকৃত অধ্যয়ন অধ্যাপনা বা চৰ্চা অনুশীলনৰ

সময়ত সেইবিলাক বিষয় এৰি বেলেগ একোটা ডিচিপ্লিন বা অনুশাসনতহে তেওঁলোকে পৰিপক্ক জীৱনৰ সাধনা নিয়োজিত কৰে। সৰ্বপল্লী ৰাধাকৃষ্ণন বিশ্বৰ অন্যতম শ্ৰেষ্ঠ দাৰ্শনিক পণ্ডিতৰূপে পৰিগণিত হোৱাৰ পূৰ্বে আৰু ভাৰতৰ অন্যতম শ্ৰেষ্ঠ বুৰঞ্জীবিদ চাৰ যদুনাথ সৰকাৰো আদিতে আছিল ইংৰাজী সাহিত্যৰ অধ্যাপক। বিশ্ববিশ্ৰুত ভাষাবিদ জাতীয় অধ্যাপক সুনীতিকুমাৰ চট্টোপাধ্যায়ো পোনতে ইংৰাজী সাহিত্যৰ লেকচাৰাৰ আছিল আৰু ভাৰতীয় তথা প্ৰাচ্যকলা শিল্পৰ অন্যতম বিশিষ্ট প্ৰবক্তা ড° আনন্দকুমাৰস্বামী আছিল ভূতাত্বিক গৱেষক। আকৌ আনন্দৰাম বৰুৱায়ো বিলাতত যাইকৈ গণিততহে বি. এছ. চি পঢ়িছিল। অসমৰ অন্যতম মুখ্য বুৰঞ্জীবিদ ড° সূৰ্যকুমাৰ ভূঞাই জানো কটন কলেজত কাম কৰি থাকোঁতে ইংৰাজীৰহে অধ্যাপক নাছিল? একেৰকমৰ আছিল পিছৰ স্বনামধন্য ভাষাবিদ ড° বাণীকান্ত কাকতী, অধ্যাপক হুমায়ুন কবীৰৰ দৰে অনেকজন। মোৰ কেতিয়াবা ভাব হয় প্ৰায়ভাগ শ্ৰেষ্ঠ পণ্ডিত লোকে প্ৰতিদ্বন্দ্বিতামূলক পৰীক্ষাত উত্তীৰ্ণ হবলৈ বা বিশ্ববিদ্যালয়ৰ উপাধি লবলৈ যিটো বিষয় বাছি লয় সেইটোৱেই তেওঁলোকৰ প্ৰেয় বা কৰিবলগীয়া বিষয় সৰহ সময়তে নহয়গৈ। কৃতিৰ দেখুউৱা বিষয়টো উপলক্ষহে, মানৱিক পাণ্ডিত্যৰ জগতত খোপনি পুতি লবৰ বাবে আলম বা উপায়হে মাত্ৰ। চুম্বকৰ দৰে যিটো বিষয়ে তেওঁলোকক শেষলৈকে টানে সেইটোহে লক্ষ্য। কৃষ্ণকান্ত সন্দিকৈয়ে অক্সফোৰ্ডলৈ গৈ সকলোৱে আশা কৰাৰ দৰে সংস্কৃত ভাষা সাহিত্যৰ অধ্যয়নত ৰত নহৈ 'আধুনিক বুৰঞ্জী' পঢ়িবলৈ লোৱাটো মোৰ বোধেৰে এনে এক স্বাভাৱিক বিদগ্ধ পণ্ডিত-সুলভ প্ৰক্ৰিয়াই। কিন্তু সেয়ে তেওঁৰ পাণ্ডিত্যৰ পৰিধি আৰু ভিত্তিমূল, বৈচিত্ৰপূৰ্ণ আৰু আধুনিকমুখী কৰাটো যে অত্যন্ত সহায়ক হ'ল সেইটো স্মৰণযোগ্য।

সন্দিকৈদেৱৰ অক্সফোৰ্ড বিশ্ববিদ্যালয়ত প্ৰৱেশ আৰু অৱস্থান আৰু এটা দিশৰপৰা যেনেকৈ কৌতূহলোদ্দীপক তেনেকৈ গুৰুত্বপূৰ্ণ। বিলাতলৈ গৈ সচৰাচৰ অসমীয়া মানুহে কৰাৰ দৰে লণ্ডন, কেম্ব্ৰিজ,

লীডচ এডিনবৰা আদি বিশ্ববিদ্যালয় বাছি নলৈ তেওঁ অক্সফোৰ্ডলৈ মন মেলিলে কিয় ? এই বিষয়েও তেওঁৰ নিজৰ মুখৰপৰা ওলোৱা কোনো সম্বাদ নাই। কিন্তু এই মীমাংসাত নানান অনুমানৰ খোৰাক আছে।

অসমীয়া বিদ্যোৎসাহী আৰু বিদ্যাকাংক্ষীসকলে উচ্চ শিক্ষাৰ বাবে বিলাতলৈ যাইকৈ গ্ৰেট বৃটেইনলৈ, প্ৰব্ৰজন কৰাটো পুৰণি প্ৰথা। আনন্দৰাম বৰুৱা, ৰাধিকাৰাম ঢেকিয়াল ফুকন, ডাক্তৰ আউৰংগশ্যা আব্দুল মজিদ চাহাবৰপৰা আৰম্ভ কৰি এই শতিকাৰ আগভাগত তৰুণৰাম ফুকন, জ্ঞানদাভিৰাম বৰুৱা প্ৰমুখ্যে কতজনৰ কোনো কোনোৱে অকল বেৰিষ্টাৰী পঢ়িবলৈ আৰু একালত আমাৰ ৰাষ্ট্ৰৰ গুৰিয়াল ফখ্‌ৰুদ্দিন আহমেদ চাহাব প্ৰমুখ্যে আৰু কিমানজন অসমীয়াই বেৰিষ্টাৰীৰ লগতে নাইবা বেৰিষ্টাৰী নপঢ়াকৈ, আন ক্ষেত্ৰত চূড়ান্ত শিক্ষা লাভ কৰিবলৈ বিলাতৰ বিশ্ববিদ্যালয়ত গৈ ভৰ্তি হৈছে তাৰ লেখ দিয়াই টান ৰাষ্ট্ৰপতি ফখ্‌ৰুদ্দিন আহমেদৰ উপৰিও আন কেবাজনেও অক্সফোৰ্ড্ যঁজা হেন কেম্ব্ৰিজলৈ গৈ তাত উচ্চতম উপাধি সংগ্ৰহ কৰি ৰাজ্যৰ বৰ্তমান শিক্ষা জগতত সুৰ জিলিকাই আছে। আচৰিত কথা যে একমাত্ৰ শ্ৰীযুত সন্দিকৈৰ বাহিৰে তেওঁৰ আগতে বা তেওঁৰ পিছতো কোনো অসমীয়াই তেওঁৰ দৰে অক্সফোৰ্ডত সম্পূৰ্ণ পাঠ্যক্ৰম সমাপন কৰি অহাহে নালাগে অক্সফোৰ্ড বিশ্ববিদ্যালয়ত নাম লিখোৱাৰ কথাও জনা বা শুনা নাযায়। অৱশ্যে এই বিষয়ত মোৰ এই বিবৃতি জনা লোকৰদ্বাৰা সংশোধন সাপেক্ষ। কোনো অসমীয়াই অক্সফোৰ্ডত পঢ়াগৈ নাছিল বুলিয়ে মোৰ বিশ্বাস। লগতে কৈ থোৱা ভাল যে আগতে অসমৰে জিলা শ্ৰীহট্ট কাছাৰৰপৰা খ্যাতনামা চন্দ ভ্ৰাতৃসকল ৺জে চৌধুৰী প্ৰমুখ্যে কেবাজনো ভৌগোলিক অসমৰ ছাত্ৰ অতীতত অক্সফোৰ্ডৰপৰা আহিছিল। সন্দিকৈয়ে তেওঁৰ পূৰ্বসূৰী নাইবা সমকালীন কোনো অসমীয়া শিক্ষাম্বুধ্যায়ীয়ে গৈ নকৰা এনে এটা বাছনি কিয় কৰিলে? কোনো অসমীয়াই ইতিপূৰ্বে নকৰাৰ বাবেই নে, অক্সফোৰ্ড বিশ্বৰ এটা প্ৰাচীনতম আৰু উচ্চতম ঐতিহ্য-সম্পন্ন বিদ্যাচৰ্চাৰ আলয় বাবে?

সন্দিকৈৰ নিচিনা বিদ্যাৰ হকে বিদ্যা অৰ্জনত ধাউতি থকা জ্ঞান মাৰ্গৰ পথিক এজনে আন অনেকৰ দৰে 'ষ্টেটাচ চিম্বল' বা মৰ্যাদাৰ প্ৰতীক হিচাপেই অক্সফোৰ্ডলৈ মন মেলিছিল বুলি ভবা নাযায়। তেখেতে নিশ্চয় এই ভাবিয়েই অক্সফোৰ্ডলৈ গৈছিল যে বিশ্ব সংস্কৃতি চৰ্চাৰ অন্যতম শ্ৰেষ্ঠ কেন্দ্ৰ অক্সফোৰ্ড বিশ্ববিদ্যালয়ত পৃথিৱীৰ পুঞ্জীভূত জ্ঞান অৰ্জন আৰু কৰ্ষণৰ বাবে যিমানখিনি প্ৰশস্ত ক্ষেত্ৰ পাব সিমানখিনি আন ঠাইত হয়তো নাপাব। ইংলণ্ডত অৱশ্যে কেম্ব্ৰিজতো তেওঁ সমান সুবিধা পাবলৈ আশা কৰিব পাৰিলেহেঁতেন আৰু সন্দিকৈৰ যদি বিদেশত প্ৰাচ্যবিদ্যাতকৈ আধুনিক চিন্তা, আধুনিক বুৰঞ্জী নাইবা বৈজ্ঞানিক দৃষ্টিভংগীৰে সৈতে ভালদৰে পৰিচিত হোৱাই মুখ্য উদ্দেশ্য আছিল তেন্তে সৰ্বসাধৰণৰ ধাৰণামতে কেম্ব্ৰিজ বিশ্ববিদ্যালয় তাৰবাবে কিজানি বেছিহে প্ৰশস্ত হ'লহেঁতেন। মোৰ অনুমান, কেৱল অনুমানেই নহয় প্ৰায় বিশ্বাসেই,—যে কৃষ্ণকান্ত সন্দিকৈয়ে অক্সফোৰ্ডত পঢ়িবলৈ লোৱাৰ সিদ্ধান্ত এক স্বেচ্ছাপ্ৰণোদিত, আৰু সুচিন্তিত সিদ্ধান্ত আছিল আৰু পোনপটীয়াকৈ সংস্কৃত সাহিত্যৰ 'ইন্‌ডেপ্‌থ' ( সুগভীৰ বা উচ্চাংগ ) অধ্যয়নৰ বাবে তালৈ যোৱাৰ দৰকাৰ তেওঁ নেদেখিছিল যদিও তেওঁ দ-কৈয়ে অনুভৱ কৰিছিল যে সমসামগ্ৰিকভাৱে মানৱবিদ্যা আৰু বিশিষ্টভাৱে প্ৰাচীন ভাষা-সাহিত্য, কলা, আধুনিক বুৰঞ্জী-দৰ্শন শিক্ষা-সংস্কৃতিৰ কৰ্ষণ আৰু অনুশীলনৰ বাবে অক্সফোৰ্ডতকৈ উত্তম ঠাই আৰু থাকিব নোৱাৰে। সন্দিকৈৰ মানসত একালে বহু বিষয়ক 'একলেকটিক' বা বহুতো সামৰিব খোজা সৰ্বজ্ঞান আহৰণৰ বিদ্বতজন সুলভ ক্ষুধা আৰু আনকালে সংস্কৃতি দৰ্শন সাহিত্যৰ বিশেষ এটা অংগত বিশেষ বৈদগ্ধ লাভৰ তৃষ্ণাৰ যি সংঘাত বা 'ডাইকোটমি' গঢ়ি উঠিছিল তাৰ নিৰসনৰ বাবেই হয়তো তেওঁ তেনে কৰিছিল। অক্সফোৰ্ডত তেতিয়া মেক্সমূলাৰ নাছিল, নাছিল তেনে এজন অধ্যাপকৰ চৰণৰ তলত সংস্কৃত পঢ়াৰ সুবৰ্ণ সুযোগ। কিন্তু সন্দিকৈয়ে ভাৰত এৰাৰ লগে লগে বিশেষকৈ গ্ৰীক আৰু লেটিন ভাষা সাহিত্য অধ্যয়নৰ প্ৰতিয়ে যাইকৈ আকৃষ্ট হোৱা নাছিল জানো ? আৰু স্মৰণযোগ্য যে গ্ৰীকত তেওঁৰ

সময়ত অক্সফোৰ্ডত অধ্যাপনা কৰিছিল সেইকালৰ এটাইতকৈ প্ৰখ্যাত ক্লাচিকেল স্কলাৰ চাৰ গিলবাৰ্ট মূৰেই (১৯০৮—৩৬)। সন্দিকৈয়ে অক্সফোৰ্ডত সংস্কৃতত ডক্টৰেট নললে, গ্ৰীক-লেটিন সাহিত্যতো ডিগ্ৰী নললে. পঢ়িলে আধুনিক বুৰঞ্জী। তথাপি ভাবোঁ, অক্সফোৰ্ডলৈ গৈ তেওঁ যদি মেক্সমূলাৰে প্ৰাচ্য সংস্কৃতৰ প্ৰতি আগবঢ়োৱা দানৰ বিনিময়ত প্ৰতীচ্যৰ গ্ৰীক-লেটিনৰ হকে প্ৰাচ্যৰ প্ৰতিদান দিয়াৰ কথা ভাবি চালেহেঁতেন। অলীক হলেও এনে চিন্তাই এক বিৰাট 'ভিষ্টা' উদঙাই তোলে।

## (খ) তিনি 'ম'ৰ অক্সফোৰ্ড

সন্দিকৈৰ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ বাহনিৰ গুৰিত থাকিব পৰা এনেবোৰ বৌদ্ধিক দ্বন্দ্ব আৰু বিষয়-সংক্ৰান্ত বাছ-বিচাৰতকৈ যিটো বিবেচনাই মোৰ বোধেৰে সৰ্বাগ্ৰ প্ৰাধান্য পোৱা উচিত, সেইটো হ'ল যি সংস্কৃত, আৰু যি ভাষা বেষ্টনীৰ অক্সফোৰ্ড যুগে যুগে সকলো দেশৰ আলোক প্ৰয়াসীৰ বাবে মূৰ্তিমন্ত প্ৰতীক হৈ আহিছে তাৰ সৈতে সন্দিকৈৰ আবেগিক আৰু আধ্যাত্মিক একাত্মতা তথা 'ইনভল্‌ভমেণ্ট'। বিশ্বৰ সংস্কৃত আৰু বিদ্বৎজনৰ বাবে অক্সফোৰ্ড কেৱল এটা পুৰণি বিৰাট বিশ্ববিদ্যালয় নামেই নহয়, ই এক বিশিষ্ট সংস্কৃতি, জীৱনধাৰা চিন্তাপ্ৰবাহ, বাতাবৰণ. বিশ্ববিক্ষা আৰু 'ইথচ'ৰ (ethos) প্ৰতিভূ। খ্ৰীষ্টীয় পঞ্চদশ আৰু ষোড়শ শতাব্দীত য়ুৰোপীয় বৌদ্ধিক নৈতিক ৰেনেচাঁচ বা পুনৰ্জাগৰণৰ পীঠস্থান হোৱাৰ উপৰিও, অক্সফোৰ্ড 'লীড কাইনড্‌লি লাইট'ৰ (Lead Kindly Light) কবি, মহামনা হেনৰি নিউমেনৰ অক্সফোৰ্ডৰ আন্দোলনৰ স্নায়ুকেন্দ্ৰ। নিউমেনৰ এই অক্সফোৰ্ডেই—যি অক্সফোৰ্ড পৰাজিত আন্দোলনৰ বাসভূমি' বুলি খ্যাত 'হোম অৱ লষ্ট কজেচ এণ্ড ইম্পচিবল লয়েলটিজ' একেধাৰে বিশ্বজনীন সত্য-সুন্দৰৰ অন্বেষণ প্ৰয়াসীসকলৰ আৰু পশ্চিমীয়া চিন্তা বিপ্লৱীসকলৰ 'ৰেলিইং পইণ্ট' বা মিলন কেন্দ্ৰ; পিছৰ যুগৰ তিনিজন

'এম' (M) প্ৰথম আখৰৰ নামেৰে চিহ্নিত চিন্তা নায়কৰ কল্পলোক আৰু লীলাভূমি। এই তিনি 'ম' হ'ল—মেথিও আৰ্ণল্ড, মেক্সমুলাৰ আৰু (গিলবাৰ্ট) মাৰে (১৮২২, ১৮২৩, ১৮৫৬-১৯৫৭)। পণ্ডিত বা বিদ্বান স্বৰূপে সন্দিকৈৰ আহিঁ পণ্ডিতসকলৰ সৈতে মেথিও আৰ্ণল্ডৰ সিমান মিল নাথাকিব পাৰে, কিন্তু অক্সফোৰ্ডলৈ পঢ়িবলৈ গৈ মেথিও আৰ্ণল্ডে বাঙময় অমৰত্ব প্ৰদান কৰা অক্সফোৰ্ডৰ প্ৰতিকৃতিলৈ তেওঁ সততে মনত নপৰাটো অকল্পনীয়। মেক্সমূলাৰৰ আলোচনা প্ৰসংগত নীৰদ চি. চৌধুৰীয়ে অক্সফোৰ্ড সম্পৰ্কে তেওঁৰ গ্ৰন্থত এটা স্বকীয়া অধ্যায় লিখিছে। চৌধুৰীয়েও নিউমেনৰ কথা কৈছে কিন্তু আৰ্ণল্ডৰ নাম তেনেকৈ লোৱা নাই, যেনেকৈ লৈছে জবেট (Jowatt) বা মাৰ্ক পেটিচন (Mark Pattison) প্ৰভৃতিৰ। মোৰ কিন্তু ধাৰণা হয় মেথুও আৰ্ণল্ড যদিও অবিমিশ্ৰ শাস্ত্ৰীয় বা ধ্ৰুপদী পণ্ডিত নাছিল, তথাপি তেওঁৰ চিন্তাত আৰু লিখনিত অক্সফোৰ্ডৰ 'বেনেটাঁচ হিউমেনিজিম্'ৰ স্বৰূপ যি ধৰণেৰে প্ৰতিফলিত হৈছিল তেনেকৈ আৰু কাৰো জৰিয়তে হোৱা নাই। আৰ্ণল্ডৰ ইংৰাজীত লিখা অক্সফোৰ্ড সম্পৰ্কীয় apostrophe বা প্ৰশস্তিৰ অলৌকিক সুষমা ভাষান্তৰ প্ৰকাশ কৰা নাযায়। কিন্তু অক্সফোৰ্ডৰ প্ৰাণৰ ওচৰ চাপিবলৈ মেথুও আৰ্ণল্ডৰ চিত্ৰনৰ যোগেদি 'ভাইকেৰিয়াচলি' পৰোক্ষভাৱে যাবলৈ চেষ্টা কৰাতকৈ শ্ৰেয় উপায় আৰু নাই। আৰ্ণল্ডে নিউমেনৰ অক্সফোৰ্ডখন 'a part of the dead and dying world' বুলি জানিও ভাবিছিল সেইখন অক্সফোৰ্ডহে 'a just symbol of spiritual beauty and culture'. (আধ্যাত্মিক সৌন্দৰ্য আৰু সংস্কৃতিৰ যথাৰ্থ আকৰ)। Zeitgeist বা কালচৈতন্যৰ প্ৰতি সদা সচেতন হৈও আৰ্ণল্ডে অনুভৱ কৰিছিল 'Yet steeped in sentiment as she lies spreading her gardens to the moonlight and whispering from her towers the last enchantments of the Middle Ages, who will deny that Oxford by her ineffable charm keeps calling us nearer to the true goal of all of us, to the ideal to perfection ?'

মই নাভাবি নোৱাৰোঁ যে সন্দিকৈদেৱে সংস্কৃতৰ বিশেষিত অধ্যয়ন কৰিবলৈ অক্সফোৰ্ডলৈ নাযায় বুলি থিৰ কৰি সেইখন বিশ্ববিদ্যালয়লৈকে যোৱাৰ মূলত আছিল মেথিও আৰ্ণল্ডৰ নিচিনাকৈ তেওঁৰো ঐতিহাসিক, অবিনশ্বৰ অক্সফোৰ্ডৰ প্ৰতি থকা আকুল আকুতি।

অক্সফোৰ্ড সম্পৰ্কত 'কালচাৰ আৰু এনাৰ্কি'ৰ স্ৰষ্টা মেথুও আৰ্ণল্ডৰ কথা কৈছোঁ যেতিয়া লগতে প্ৰসিদ্ধ সমকালীন '*Two Cultures*' তত্ত্বৰ দ্ৰষ্টা চি. পি. স্নোৰ ( C. P. Snow ) নামো লব লাগিব। স্নোৰ সুপ্ৰসিদ্ধ '*Two Cultures*' বা দুই সংস্কৃতি আচলতে কলা সংস্কৃতি আৰু বিজ্ঞান-সংস্কৃতিৰ হলেও অক্সফোৰ্ড আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়কে এনে দ্বৈত সংস্কৃতিৰ প্ৰতীক হিচাপে চাব পাৰি। সেইদৰে চালে সন্দিকৈ কলা-সংস্কৃতিৰ প্ৰতিপোষকৰূপেই স্বীকৃত হব।

মুঠেই চাৰিটা বছৰহে মাথোন হলেও অক্সফোৰ্ডৰ অধ্যায়টো সন্দিকৈৰ পণ্ডিত জীৱনৰ বাবে অতি অৰ্থপূৰ্ণ। কাৰণ অক্সফোৰ্ডত সন্দিকৈয়ে সংস্কৃত বা গ্ৰীক-লেটিনৰ নিবিড় চৰ্চা নকৰিলে যদিও তাত নামিয়েই তেওঁ য়ুৰোপীয় হিউমেনিজিমৰ সঁফুৰা অন্তৰত সাঁচি থলে আৰু অক্সফোৰ্ডীয় মানৱমুখী যুক্তিবাদী শৃংখলাশ্ৰয়ী মনোভংগী আৰু মনোৱেই পিছৰ কালৰ সংস্কৃত সাহিত্য অধ্যয়ন আৰু সমীক্ষাত আত্মনিয়োগ কৰিলে। একালে প্ৰাচীন ক্ৰুপদী ঐতিহ্য আৰু ইকালে অক্সফোৰ্ডে আৰু য়ুৰোপে দিয়া আধুনিক দৃষ্টিভংগীৰ সংমিশ্ৰণ আৰু যুগ্ম ক্ৰিয়া-প্ৰক্ৰিয়াত সন্দিকৈ কেৱলমাত্ৰ বিদগ্ধ পণ্ডিত হৈ নাথাকি এক মহানুভৱ, বিনয়নম্ৰ, সংস্কৃতিবান, যুগ সচেতন মানৱিক পণ্ডিত বা 'হিউমেনিষ্টলৈ' ৰূপান্তৰিত হ'ল। এক অভিধানিক ব্যাখ্যানুসাৰে 'হিউমেনিজম' বা মানৱবাদৰ এটা ধাৰা হ'ল বৈজ্ঞানিক আৰু তাত্ত্বিকৰ বিপৰীতে সাংস্কৃতিক আৰু কাব্যৰ প্ৰৱণতাক প্ৰাধান্য দিয়া আৰু ধৰ্মৰপৰা ধৰ্ম-নিৰপেক্ষলৈ দৃষ্টি ঘূৰাই অনা। সন্দিকৈয়ে অক্সফোৰ্ডত এনে প্ৰকাৰ হিউমেনিজিমৰ লগতে পৰিচিত হৈ আহিছিল বুলিব পাৰি।

## (গ) বেলেগ ধৰণৰ বিলাত ফিৰত

বিলাত তথা বিদেশলৈ আমাৰ কিমানজন অসমীয়া গ'ল আৰু আহিল। তথাপি মোৰ মনেৰে ঠিক সন্দিকৈৰ দৰে মানসিক আৰু বৌদ্ধিক সম্বল বা equipment সংগ্ৰহ কৰি অনা লোক একমাত্ৰ জ্যোতিপ্ৰসাদৰ বাহিৰে আৰু এজন নোলাব।

ৰায় ৰাধাকান্ত সন্দিকৈ বাহাতুৰৰ পুত্ৰ কৃষ্ণকান্ত সন্দিকৈয়ে সাত বছৰ কাল ইংলণ্ড, ইটালী, ফ্ৰান্স, জাৰ্মানীত কটাইও তেতিয়া দেশৰ বাহিৰলৈ যোৱা প্ৰায়জনৰ দৰে 'চাহাব' হৈ ঘৰলৈ উলটি নাহিল আৰু নাহিল পশ্চিমীয়া সংস্কৃতিৰ বাহ্যিক খোলা পাই ভিতৰৰ সাহটোও হেৰুৱাই থৈ। তেওঁ অক্সফোৰ্ডত 'মডাৰ্ণ হিষ্টৰী' পঢ়িলে, দেশ-দেশান্তৰ ভ্ৰমিলে, পৃথিৱীৰ বৌদ্ধিক অভিজাতসকলৰে গা ঘঁহালে, তথাপি তেওঁ অক্সফোৰ্ডৰ সুবিখ্যাত 'একচেণ্ট' বা উচ্চাৰণ ওঁঠত নানিলে, নানিলে তাৰ তথাকথিত 'কায়দা তুৰন্ত' স্বৰেৰি নাইবা বাহ্যিক ভেম। বিলাতত সাত বছৰে আত্মসাৎ কৰা বিদেশী সংস্কৃতিৰ বাহিৰৰ চিক্‌মিকনি আৰু অংগশোভা বিলাতী ব', টাই, ঠেঙা-পেণ্টৰ দৰেই স্বচ্ছন্দে দলিয়াই দি লালন আৰু বৰণ কৰিলে মাথোন সঁচা পশ্চিমীয়া লিবাৰেল সংস্কৃতিৰ সুমধুৰ নিৰ্যাস, তাৰ প্ৰাণসম্পদ আৰু অন্তৰ্লীন তাৰ সত্তাৰ সৌৰভখিনি। স্বদেশ পাই তেওঁ পুনৰ ঘৰুৱা সাজটোৰ দৰেই 'হোম-স্পান' অসমীয়া জীৱনচৰ্যা আৰু ভাৰতীয় সংস্কৃতিৰ সাধনালৈ প্ৰত্যাগমন কৰিলে। সন্দিকৈৰ মনৰ আন্তৰ্গাথনি সংস্কৃত-ভিত্তিক প্ৰাচ্য হয়েই ৰ'ল, মাথোন তাৰ লৈতে যোগ হ'ল অতিৰিক্ত এক পৰিমাৰ্জিত আৰু পৰিবৰ্দ্ধিত সংস্কৃতিৰ ওপৰগাঁথনি, 'চুপাৰ ষ্ট্ৰাকচাৰ'। একান্তভাৱে সংস্কৃতানুৰাগী সন্দিকৈ বিদেশৰপৰা অহাৰ পিছত আগতকৈ সংস্কৃত বা পৰিশীলিত আৰু আগতকৈও বহলভাৱে সংস্কৃতিবান ব্যক্তিত্বৰ অধিকাৰী ৰূপে প্ৰতিভাত হ'ল। সন্দিকৈৰ জীৱন আৰু প্ৰকৃতি প্ৰাচ্য-পাশ্চাত্যৰ ঐতিহ্য সংস্কৃতিৰ আন্তঃক্ৰিয়া আৰু সংমিশ্ৰণৰ এক জ্বলন্ত নিদৰ্শন। দশক শতিকাৰ

সোমদেৱৰ 'যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি' সম্পৰ্কে আটাইতকৈ পাণ্ডিত্যপূৰ্ণ গ্ৰন্থ লিখা কৃষ্ণকান্ত সন্দিকৈ যে ইউৰোপীয় সংস্কৃতিৰো এজন সূক্ষ্ম অভিবক্তা আৰু অনুগামী হব তাত আচৰিত হবলৈ কি আছে? সন্দিকৈ মানুহজনৰ কেতবিলাক চাৰিত্ৰিক বৈশিষ্ট্য, তেওঁৰ কেতবোৰ ৰীতি-নীতি, তেওঁৰ ষ্টাইল তথা ব্যক্তিগত বিশেষত্বৰ কিছুমান পাৰ্শ্বজ্যোতিৰে তেওঁ প্ৰতিনিধিত্ব কৰা সংস্কৃতিৰ আভাস লবলৈ মন যায়। ধ্যান-ধাৰণাত, হাব-ভাবত, দেখা-শুনাত সৰলতা আৰু ঋজুতাত তেওঁ ভাৰতীয় হলেও বহুতো আদব-কয়দা, ৰীতি-নীতি, স্বভাৱ-অভ্যাসত তেওঁ ইংৰাজ সুলভ। ইয়াৰ ভিতৰত তেওঁৰ জীৱনৰ শৃংখলাবোধ, সময়ানুবৰ্তিতা, সৰলতা, স্বল্পভাষিতা আৰু পৰিপাটিতা সৰ্বজনবিদিত। কিন্তু তেওঁৰ ৰুচি আৰু সৌন্দৰ্যবোধ, স্বাভাৱিক বিনয়, গভীৰ ৰসবোধ আৰু তেওঁৰ মজ্জাগত হৈ পৰা টিপিকেল ইংৰাজ গুণ বা দোষ—সকলো বিষয়ে কমকৈ কোৱা স্বভাৱ বা ইংৰাজৰ Under-Statement আৰু Pragmatismৰ গুণৰ বিষয়ে বহুতেই নাজানে। ছাত্ৰাৱস্থ জীৱনীত থকা দুই এটা উদাহৰণৰ আৰু মোৰ নিজৰ স্মৃতিৰপৰা দুই এটা কথা প্ৰসংগত উল্লেখ কৰিব পাৰোঁ।

অকণো সময় অবাবত হেৰুৱাবলৈ নিবিচাৰে বাবে সন্দিকৈক দেখা কৰিবলৈ বিচাৰিলে নাম উদ্দেশ্য জনাব লাগে। বহুত সময়ত অপৰিহাৰ্য যেন নেদেখিলে তেওঁ দেখা নিদিয়ে। কিন্তু কোনো ক্ষেত্ৰতে সন্দিকৈয়ে প্ৰাপ্তি-স্বীকাৰৰ সৌজন্য দৰ্শাবলৈ নাপাহৰে। মনত পৰে কেবাদশকৰ আগতে ৺মাধৱ বেজবৰুৱা সম্পাদিত "বাঁহীৰ" সৈতে কিছুদিন সংশ্লিষ্ট থাকোঁতে অত্যন্ত সবসাহ কৰি সন্দিকৈদেৱলৈ "উচ্চস্তৰৰ" প্ৰবন্ধ বিচাৰি এবাৰ এখন চিঠি লিখিছিলোঁ। সন্দিকৈয়ে তেওঁৰ, নিবন্ধ ব্যস্ততাৰ মাজতো আন প্ৰবন্ধ দিব নোৱাৰিলেও ইংৰাজীত লিখা 'ৰিভিউ' বা পৰ্যালোচনা পঠাই থাকিব বুলি লগে লগে উত্তৰ দিছিল আৰু কথামতে কাম কৰিছিল। জীৱনীকাৰ ছাত্ৰাৱকো সন্দিকৈয়ে নিজে কৈ থোৱা কথাখিনিলৈ লক্ষ্য কৰিলে দেখা যাব যে, ক'তো, কেতিয়াও ভুলতো সন্দিকৈয়ে নিজৰ কৃতিত্ব, নিজৰ সুখ্যাতি, নিজৰ

গুণৰ বিষয়ে এটা শব্দও বঢ়াই কোৱা নাই। কেৱল কি কৰিবলৈ যত্ন কৰিছিল তাকেহে উন্মুকিয়াই গৈছে। পেৰিচ বিশ্ববিদ্যালয়ত ভৰ্ত্তি হবৰ সময়ত এজন পণ্ডিত লোকে বোলে সন্দিকৈক যোৱা দেখি চকীৰ পৰা উঠি তেওঁক এজন 'ব্ৰাহ্মণ' বা ব্ৰাহ্মণ বুলি অভিনন্দন জনাইছিল। এই প্ৰসংগত সন্দিকৈয়ে মন্তব্য কৰিছে 'মই তেওঁক প্ৰচুৰ ধন্যবাদ দি ঘূৰি আহোঁতে মনতে ভাবিলোঁ কলিকতা বিশ্ববিদ্যালয়ত কত ছাত্ৰই বেদ শাখাত এম. এ. পাছ কৰিব লাগিছে এওঁ মোৰ চাৰ্টিফিকেটখন দেখিয়ে মোক 'প্ৰাচ্যবিদ্যা মহাৰ্ণব' বুলি ভাবিছে। যুগপৎ আমোদ আৰু বসৰ বহবৰা উদঙাই সন্দিকৈয়ে আকৌ এঠাইত কৈছে—'সি খিকিনহওক মই পেৰিচত থাকোঁতে মোক সকলোৱে জাপানী বুলি ভাবিছিল সম্ভৱ চেহেৰাৰ কাৰণে। মই কথাটো বেয়া পোৱা নাছিলোঁ। কিন্তু মোৰ বিষয়ে এনে ধাৰণা হোৱা বাবে সময়ত বিপাঙত পৰিছিলোঁ।" সন্দিকৈৰ সময় নিষ্ঠাৰ আটাইতকৈ চূড়ান্ত নমুনা মই নিজেই পাইছিলোঁ ১৯৩৩-৩৮ চনতে। এবাৰ এজন ইটালিয়ান পৃথিৱী পৰ্যটক যোৰহাটলৈ আহোঁতে তেওঁক চিনাকি কৰি দিবলৈ সন্দিকৈক চন্দ্ৰকান্ত ভৱনলৈ মাতি অনা হৈছিল। সভাৰ সময়টো সন্দিকৈৰ সান্ধ্যভ্ৰমণৰ ভিতৰত পৰা বাবে পৰ্যটকজনৰ সৈতে ব্যক্তিগত চিনাকি কৰি দিয়েই সন্দিকৈয়ে বিদায় ললে—বক্তৃতালৈ নৰ'ল।

সন্দিকৈয়ে বিলাতত প্ৰখ্যাত গান্ধী-শিষ্যা মীৰা বেন, বিপ্লৱী বৰকতুল্লা, সৰোজনী নাইডুৰ ভাতৃ বীৰেন্দ্ৰ চট্টোপাধ্যায়, আলিগড়ৰ প্ৰফেচাৰ মুজিব, ন্যায়াধীশ মিঃ দাঃ চাগলা, কলা সমালোচক শ্বহীদ সুহ্ৰাৱৰ্দী আদি সেইকালৰ বিশিষ্ট ভাৰতীয়সকলৰ সৈতে ঘনিষ্ঠতালৈ আহিছিল। তথাপি তেওঁ ক'তো এইবোৰ কথাত মাত্ৰাধিক গুৰুত্ব দিয়া নাই।

৩। ইংৰাজ, ফ্ৰেঞ্চ আৰু জাৰ্মান জাতিৰ বিষয়ে সন্দিকৈয়ে ড: বাৰ নামৰ পণ্ডিত এজনৰ সাক্ষাতত যেনে আমোদজনক কথা কৈছিল (কু-কা-স, ৫০-৫১ পৃষ্ঠা।) সেইখিনি পঢ়িলে সন্দিকৈৰ প্ৰচুৰ হাস্যৰসজ্ঞানত মুগ্ধ নহৈ থকা টান। বাৰ্লিনত বোলে বিপ্লৱী বীৰেন্দ্ৰ চট্টোপাধ্যায়ে সন্দিকৈক সুধিছিল—"আপুনি ইমানবোৰ ভাষা শিকি কি কৰিব?

মোৰ এজন আত্মীয়ই ২৬টা ভাষা শিকি শেষত বলিয়া হৈ গ'ল।" তাৰ উত্তৰত সন্দিকৈয়ে কৈছিল—"মই নাম মাত্ৰ কেইটামান ভাষাহে শিকিছোঁ। মোৰ বলিয়া হোৱাৰ ভয় নাই।" এনেকুৱা ধেমেলীয়া আমোদজনক ৰসাল উদাহৰণ দি থাকিলে অন্ত নপৰে। সন্দিকৈৰ চৰিত্ৰগত বিনয়, নিৰহংকাৰিতা, গুণগ্ৰাহিতা আৰু বয়োজেষ্ঠজনৰ প্ৰতি তেওঁৰ শ্ৰদ্ধাৰ সংখ্যাহীন উদাহৰণৰ ভিতৰত ড° সূৰ্য্যকুমাৰ ভূঞা, ৰসৰাজ বেজবৰুৱা আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ প্ৰতি থকা তেওঁৰ অসীম শ্ৰদ্ধাৰ কথা পাহৰিব নোৱাৰোঁ। সন্দিকৈয়ে কৈছিল, কৰ্মবীৰ বৰদলৈয়ে তেওঁৰ মনটো সদায় ওপৰলৈ তুলি দিছিল, উৎসাহ দিছিল। তৰুণৰাম ফুকনৰ ব্যক্তিত্বই দূৰৰপৰা সন্দিকৈক মুগ্ধ কৰিছিল, কিন্তু নবীনচন্দ্ৰ বৰদলৈয়ে তেওঁক এনে ওচৰ চপাই নিছিল আৰু তেখেতক তেওঁ এনে শ্ৰদ্ধা কৰিছিল যে বিলাতলৈ যোৱাৰ আগে আগে তেওঁ আন কাৰো ওচৰলৈ নগৈ বৰদলৈদেৱৰহে আশীৰ্বাদ শিৰত লৈ গৈছিল।

সন্দিকৈৰ চৰিত্ৰ সম্পৰ্কত এনে পাৰ্শ্বজ্যোতিৰ কথা উল্লেখিয়াই মই এই কথা কবলৈ যোৱা নাই যে বিদেশলৈ নোযোৱা হ'লে নাইবা অক্সফোৰ্ডত নপঢ়া হ'লে তেওঁৰ এনেবোৰ গুণ বিকশিত নহ'লহেঁতেন। মই মাথোন ইয়াকে কব খুজিছোঁ যে সন্দিকৈৰ দৈৱ আৰু ঈশ্বৰ প্ৰদত্ত চৰিত্ৰ যদিও আমাৰ ভূমিত আৰু আমাৰ সংস্কৃতিপুষ্ট পৰিবেশতে গঢ়ি উঠিছিল পশ্চিমীয়া প্ৰমূল্যসমূহ আৰু বিভাবনৰ প্ৰতি সেই চৰিত্ৰৰ দীঘলীয়া "এক্সপোজাৰ"ৰ ফলস্বৰূপে এটা অতিৰিক্ত মহান সংস্কৃতিৰ যি প্ৰভাৱ তেওঁৰ ওপৰত পৰিল সেয়ে তেওঁক এজন শ্ৰদ্ধাই, বলিষ্ঠ আৰু ব্যতিক্ৰমী ব্যক্তিৰূপে বিকশিত কৰিলে। পাৰিবাৰিক সূত্ৰত লক্ষ্মী আৰু সৰস্বতীয়ে দিয়া সহসৌভাগ্যৰ অধিকাৰী হোৱাৰ দৰে চৰিত্ৰ গঠন আৰু তেওঁৰ মানস বা চহকীৰ বিবৰ্তনৰ ক্ষেত্ৰত এইদৰে একেলগে বুনিয়াদী নিজা সংস্কৃতি আৰু আহৃত বিদেশী সংস্কৃতিৰ যুগ্ম উত্তৰাধিকাৰী হ'ব পৰাটো অনন্য সাধাৰণ নহ'লেও অসাধাৰণ কথা। আৰু সেইবাবেই কৃষ্ণকান্ত সন্দিকৈৰ মণীষা আৰু মানসিকতা গভীৰ পৰ্যালোচনাৰ বিষয়

হব পাৰে। সকলোৰেপৰা মিলগত থাকিও এইজনা মানৱদৰদী বিশ্বনাগৰিকে তেওঁৰ ছাত্ৰাৱস্থাৰ বন্ধুবান্ধৱ, যোৰহাটৰ কলেজৰ অধ্যক্ষ-ৰূপে আৰু গুৱহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰূপে থকা কালত ৰাজ্য জুৰি সিঁচৰিত হৈ থকা তেওঁৰ অগণন ছাত্ৰ আৰু অনুৰাগী আৰু জ্ঞান যোগী জীৱনৰ দেশ-বিদেশৰ চিনাকি আৰু শুভানুধ্যায়ী—সকলোৰে প্ৰতি সন্দিকৈয়ে আজীৱন যি আচৰিত সহৃদয়তা আৰু ঔৎসুক্য পোষণ কৰি আহিছে, গোটেই জীৱন অতীতৰ আচাৰ্যসকলৰ দৰে নাইবা চাৰ আশুতোষ মুখাৰ্জীৰ বা আনন্দৰাম বৰুৱাৰ দৰে কত শত শিক্ষাৰ্থীক আৰু জ্ঞান পিপাসুক কিমান প্ৰকাৰে আৰু পৰিমাণেৰে যে সহায় কৰিছে, এদিনো কাৰো ওচৰত উন্নত শিৰ নত নকৰাকৈ দৃঢ়তাৰে নিজ আদৰ্শ আৰু স্থিতিত অচল অটল হৈ আছে। সেয়ে প্ৰমাণ দিয়ে বিদগ্ধ পণ্ডিত হৈয়ো, জ্ঞানৰ উচ্চশৃংগত আৰোহণ কৰিও সন্দিকৈ কেতিয়াও মানৱিক 'human' হবলৈ এৰা নাই। পণ্ডিতৰ পাণ্ডিত্যৰ সৈতে হৃদয়ৱান মানুহৰ মানৱিকতাৰ অভাৱনীয় সংযোগে, চৰিত্ৰ আৰু কৃতিত্বৰ এক দুষ্প্ৰাপ্য সমাহাৰে সন্দিকৈক সমকালৰ এজন বিশিষ্ট ভাৰতীয় ৰূপে চিহ্নিত কৰিব, তাত সংশয় নাই। 'ভাৰতৰত্ন' উপাধি নাপালেও সন্দিকৈ প্ৰকৃততে ভাৰতৰ এজন ৰত্ন।

## (ঘ) পণ্ডিত, সাহিত্যিক, ৰসিক দাৰ্শনিক : উপসংহাৰ

কৃষ্ণকান্ত সন্দিকৈ যে ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাতনিৰেপৰা ন বছৰ কাল ইয়াৰ কুলপতি বা উপাচাৰ্য আছিল, তেখেতে যে গুৱাহাটী আৰু ডিব্ৰুগড় দুয়োটা বিশ্ববিদ্যালয়ৰ সম্মানিত (অনৰিচ্‌ কজা) "ডক্টৰ," ৰজাঘৰৰপৰা যে তেখেতে "পদ্মভূষণ" আৰু "পদ্মশ্ৰী" উপাধি লাভ কৰিছে ( যিটো ক্ষেত্ৰত চৰকাৰী কাৰ্পণ্য নিঃসন্দেহে দৃষ্টিকটু ) তেখেতে যে মাতৃভাষাৰ বাহিৰে পৃথিৱীৰ একডজন ভাষা সুন্দৰকৈ জানে, তেখেত যে এগৰাকী আন্তৰ্জাতিকভাৱে সুপৰিচিত প্ৰাচ্যবিদ, এনে এবিধ সম্বাদ কম-বেছি পৰিমাণে আমাৰ

সকলোৱে জানে আৰু এইখিনি কথা জনা বা নজনাৰপৰা সন্দিকৈৰ ব্যক্তিত্ব, প্ৰতিষ্ঠা বা পৰিচিতিৰ কোনো হানিবিঘিনি নঘটে। তেখেতৰ যিবিলাক পাণ্ডিত্য সংক্ৰান্ত সন্মানৰ কথা আমাৰ প্ৰায়ভাগেই নাজানে অথচ যিখিনিৰ বাবে তেওঁ অকল আমাৰেই নহয় সদৌ দেশৰ গৌৰৱৰ থল সেয়া হ'ল—সন্দিকৈ পুনাৰ ডেক্কান কলেজৰ 'অনৰেৰি ফেলো' যি সন্মান সেই আন্তৰ্জাতিক খ্যাতি সম্পন্ন অভিজাত গৱেষণা প্ৰতিষ্ঠানে সন্দিকৈৰ বাহিৰে মাথোন আৰু তিনিজন ভাৰতীয় পণ্ডিতকহে যাচিছে ( উল্লেখযোগ্য যে সন্দিকৈদেৱে নিজে এইটো সন্মানকে তেওঁ পোৱা সকলো সন্মানৰ ভিতৰত মূল্যবান বুলি গণ্য কৰে )। সন্দিকৈ সুবিখ্যাত শ্ৰীহৰ্ষৰ "নৈষধ চৰিত্ৰ" নামৰ জটিল সংস্কৃত মহাকাব্যৰ বিস্তাৰিত আৰু মৌলিক টিকা-টিপ্পনী সম্বলিত অনুবাদ—ভাষ্যকাৰ (১৯৩৪), তেৰেঁই নতুনকৈ পোহৰলৈ অনা 'যশস্তিলক' আৰু 'ভাৰতীয় সংস্কৃতি' (১৯৪৯) নামৰ কটকটীয়া সমালোচনা বিশ্বকোষ; আৰু 'সেতুবন্ধ' শিতানৰ আন এখন অপ্ৰকাশিত প্ৰকৃত মহাকাব্যৰ সমালোচনাত্মক অনুবাদ— এনে তিনিখন বিশ্বজ্ঞানৰ ভঁড়াললৈ আপুৰুগীয়া অৱদান স্বৰূপে অভিনন্দিত গ্ৰন্থৰ বিশ্ব-বৰেণ্য গ্ৰন্থকাৰ। ইয়াৰ বাহিৰেও সংস্কৃত মহাকাব্যবিলাকৰ বুৰঞ্জী এখন ৰচনা কৰাৰ কামটো আধকৰাকৈ এৰিবলগীয়া নোহোৱা হ'লে আৰু এখন মহাগ্ৰন্থ পৃথিৱীয়ে সন্দিকৈৰপৰা পালেহেঁতেন। ভাবিলে আচৰিত হব লাগে যে সন্দিকৈৰ বিকেইখন গ্ৰন্থই বিশ্বৰ পণ্ডিত সমাজৰ তীক্ষ্ণ দৃষ্টি আকৰ্ষণ কৰি তেওঁৰ পাণ্ডিত্যক এক আন্তৰ্জাতিক আয়তন বা ডাইমেনশ্যান প্ৰদান কৰিলে আমি অসমীয়া মানুহে তাৰ ভু-ভা তেনেকৈ নললও বা তাৰ মোল বুজিব নোৱাৰিলোঁ।

বিষয়বস্তুৰ জটিলতা আৰু সন্দিকৈৰ প্ৰগাঢ় পাণ্ডিত্যাই যদি এনে গ্ৰন্থৰাজিৰ জনপ্ৰিয় সমাদৰৰ পথত বাধা জন্মাইছে বুলি ভবা যায় তেতিয়া পণ্ডিত সন্দিকৈয়ে ১৯৫১ চনত লক্ষ্ণৌত বহা সৰ্ব-ভাৰতীয় প্ৰাচ্য-সন্মিলনৰ প্ৰাচীৰ সংস্কৃত শাখাৰ সভাপতিৰূপে দিয়া শেহতীয়া সম্বাদ-

সম্বলিত, গভীৰ চিন্তা প্ৰসূত, বিশাল অধ্যয়ন আৰু বিচাৰ-পৰিপুষ্ট অথচ আদৰ্শনীয়ভাৱে প্ৰাঞ্জল আৰু প্ৰণালীবদ্ধ অভিভাষণখনৰ সোৱাদ লবলৈ নোপোৱা আৰু লব নোৱাৰাটোক আমাৰ দুৰ্ভাগ্য বুলিয়েই কব লাগিব। সেই অভিভাষণৰ এষাৰ উদ্ধৃতিৰেই কৃষ্ণ সন্দিকৈৰ পাণ্ডিত্যৰ স্বৰূপ আৰু তাৰ যুগোত্তীৰ্ণ জাজ্জ্বল্যমানভাৱে জনমানসত প্ৰতিষ্ঠা কৰিব পাৰি। সাৰস্বত সাধনাৰ তাৎপৰ্যপূৰ্ণ ইংগিত দি সন্দিকৈয়ে কৈছিল— "There has been a veritable renaissance of Sanskrit studies in the present century, and much interpretation and critical presentation of ancient texts. But as student of Sanskrit we may ask ourselves whether our studies are to remain scholastic and antiquarian in character and whether or not we have also a cultural mission, an obligation to interpret our cultural heritage in a manner intelligible to the modern world."

পাণ্ডিত্য আৰু মেধাৰ জগতলৈ সন্দিকৈৰ এই উদ্দীপ্ত আহ্বানেই মোৰ বোধেৰে তেওঁক মাথোন এজন সংস্কৃতজ্ঞ পণ্ডিতৰ পৰিবৰ্তে এগৰাকী আধুনিক তাৎপৰ্যবিশিষ্ট সংস্কৃতিসাধক মনীষীৰূপে স্থাপন কৰাৰ বাবেই যথেষ্ট। এই সন্দৰ্ভত Cultural Heritage of India বোলা বিখ্যাত গ্ৰন্থলানিৰ ২য় খণ্ডত সন্দিকৈৰ প্ৰবন্ধটোও একে ধৰণৰ মনীষা প্ৰকাশ পাইছে বুলি কব পাৰি। পাণ্ডিত্য সম্পৰ্কে আৰু কোনো কথা কোৱা বাহুল্য মাথোন কাৰণ পণ্ডিত সন্দিকৈ সম্বন্ধে ছাত্ৰাৱে খবচি মাৰি আলোচনা কৰিছে তেওঁৰ গ্ৰন্থত।

সন্দিকৈদেৱৰ সংস্কৃতি সাহিত্য বিষয়ক গৱেষণামূলক পাণ্ডিত্যপূৰ্ণ গ্ৰন্থৰাজি ইংৰাজীত লিখিত হোৱা বাবে (যিটো কৰা সেই গ্ৰন্থ প্ৰণয়নৰ উদ্দেশ্য আৰু গুৰুত্বলৈ চাই অপৰিহাৰ্য আছিল) অসমীয়া শিক্ষিত সমাজতো সিবিলাক যেনেকৈ হ'ব লাগিছিল সিমান সৰ্বৰহী নোহোৱাটো বোধগম্য। কিন্তু সন্দিকৈ যে এজন আগশাৰীৰ অসমীয়া সাহিত্যিক আৰু সন্দিকৈয়ে যে সংস্কৃত সাহিত্যৰ মণি-

মুকুতাৰ আঁকৰৰ অতললৈ নোমাই যোৱাৰ আগলৈকে যোড়শোপচাৰে অসমীয়া সাহিত্যৰ বেদীলৈ অবিহণা আগবঢ়াইছিল, আৰু উত্তৰ জীৱনতো মাতৃভাষাৰ হকে হেঁপাহ কৰামতে কাম কৰিব নোৱাৰাত বেজাৰ পাইছিল—তালৈ যথোপযুক্ত মনোযোগ আকৰ্ষণ নোহোৱাহে দুখৰ কথা। এইটো অৱশ্যে সঁচা যে অসম সাহিত্য সভাৰ ১৯৩৭ চনৰ গুৱাহাটী অধিবেশনৰ সভাপতি পদত বৰন কৰি অসমীয়া সাহিত্যিকৰ প্ৰাপ্য উচ্চতম সম্মান সন্দিকৈক দৰ্শোৱা হৈছিল। কিন্তু সেই সম্মান অসম সাহিত্য সভাৰ আন কেইগৰাকীমান সভাপতিৰ ক্ষেত্ৰত হৈ অহাৰ দৰে সন্দিকৈৰ অসমীয়া সাহিত্য-কৰ্মতকৈ তেওঁৰ পাণ্ডিত্যৰ স্বীকৃতি স্বৰূপেহে প্ৰদত্ত হোৱা যেন লাগে। কৃষ্ণকান্ত সন্দিকৈৰ অসমীয়াত লিখা কোনো গ্ৰন্থ প্ৰকাশ নাপালেও তেখেতে ১৯১৩ চনতে কলেজত নাম লগোৱাৰপৰা প্ৰায় গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হোৱা সময়লৈকে সুদীৰ্ঘ সময়ছোৱা তাহানিৰ অসমীয়া আলোচনী 'চেতনা,' 'বাঁহী,' 'মিলন'তে আৰম্ভ কৰি পুৰণি পৰ্যায়ৰ 'আৱাহন' লৈকে প্ৰায়বিলাকতে যিমানবিলাক বাছকবনীয়া অসমীয়া প্ৰবন্ধপাতি লিখিছে সেইখিনি সংকলন কৰি উলিয়ালে একাধিক বৃহৎ আকাৰৰ মহা মূল্যৱান অসমীয়া গ্ৰন্থ পোৱা যাব পাৰে। আলোচনীৰ অসমীয়া প্ৰবন্ধৰ উপৰিও মুখ্যতঃ পুৰণি 'অসম ছাত্ৰ সন্মিলন'ৰ উদ্যোগত ওলোৱা অতি মূল্যবান 'সন্মিলন প্ৰবন্ধাৱলী'ত সন্নিবিষ্ট সন্দিকৈৰ কেইটিমান বহুমূলীয়া প্ৰবন্ধ, বিভিন্ন সময়ত ভিন্ ভিন্ কিতাপৰ বাবে লিখা পাণ্ডিত্যপূৰ্ণ পাতনি, ভূমিকা, আগকথা আৰু অসম সাহিত্য সভা আৰু অসম ছাত্ৰ সন্মিলনৰ (১৯২৯) সভাপতিৰ আসনৰপৰা দিয়া অভিভাষণ কেইখন অসমীয়া সাহিত্যৰ ভঁড়াললৈ সন্দিকৈৰ অতুলনীয় বৰঙণি বুলিলেও বঢ়াই কোৱা নহয়। কি ভাষাৰ সৌষ্ঠৱ, কি বিষয়বস্তুৰ বৈভৱ, সকলো দিশৰপৰা সন্দিকৈৰ অসমীয়া প্ৰবন্ধৰাজিয়ে সাহিত্যত এক আচুতীয়া সন্মানৰ আসন দাবী কৰিব পাৰে। ইংৰাজী আৰু সংস্কৃতৰ দৰে অসমীয়াতো সন্দিকৈৰ ভাষাৰ পৰিচ্ছন্নতা, সৰলতা আৰু যথোপযুক্ততা যেনেকৈ উল্লেখনীয় তেনেকৈ অনুকৰণীয়।

সন্দিকৈৰ প্ৰবন্ধাৱলীয়ে কেনেকৈ পোন প্ৰথমে অসমীয়া সাহিত্যলৈ ইংৰাজীৰ বাহিৰেও অন্যান্য কনটিনেনটেল য়ুৰোপীয় সাহিত্যৰ সোণসেৰীয়া সম্পদ আৰু সুদূৰপ্ৰসাৰী প্ৰভাৱ যে কঢ়িয়াই আনিলে আগতে উল্লেখ কৰিছোঁ।

সন্দিকৈদেৱৰ অসমীয়া ৰচনাৰাজিৰ এটা বৈশিষ্ট্য লক্ষ্য নকৰি নোৱাৰি। সংস্কৃত সাহিত্য, অন্য প্ৰাদেশিক ভাষাসাহিত্য নাইবা অসমীয়া সাহিত্য সংস্কৃতি বা বুৰঞ্জী সম্পৰ্কীয় প্ৰবন্ধ সন্দিকৈয়ে সাধাৰণতে অসমীয়াত লিখিবলৈ নগৈ, তাৰ অসমৰ বাহিৰত প্ৰকাশৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি ইংৰাজীত লিখিছে। আনকি 'চিত্ৰভাগৱত' পুথিৰ সাৰগৰ্ভ পাতনি এখন বিষয়ৰ গুৰুত্বলৈ চাই ইংৰাজীতহে লিখা হৈছে। আনহাতেদি সুদীৰ্ঘ কালজোৰা প্ৰতীচ্যৰ অধ্যয়ন, ভ্ৰমণ, অৱদানৰ বাবে তেওঁ অসমত অনন্য সেই আপুৰুগীয়া অভিজ্ঞতা আৰু জ্ঞানৰ ভাণ্ডাৰ আমি সৰহভাগে নজনা কিন্তু তেওঁ জনা বিদেশী ভাষাৰ সঁচাৰ কাঠিৰে খুলি পাশ্চাত্য সাহিত্যৰ জেউতি সুৰভি আমাৰ ভাষাৰেহে আমাৰ মাজত বিলাই দিবলৈ চেষ্টা কৰিছে। আঙ্কুছ হাণ্ডাৰৰ জীৱনীত সন্নিবিষ্ট সন্দিকৈৰ বিভিন্ন প্ৰবন্ধাৱলীৰ শিৰোনামাবোৰত চকু ফুৰালেই এই কথা স্পষ্ট হয়। 'গ্ৰীক নাটকৰ গান', 'জাৰ্মান সাহিত্যৰ সপোন নাটক', 'স্পেনিছ সাহিত্যৰ ৰোমিও জুলিয়েট', 'প্ৰাচীন বেবিলনৰ বেদ', 'ৰুছ অভিনয়', 'জাৰ্মানীত জ্ঞান-সাধনা', 'গ্ৰীক ভাষা', 'চক্ৰেটিছৰ মতে কবিৰ প্ৰকৃতি', 'জাপানৰ বীৰ নোগী', 'য়ুৰোপৰ ভাষা সাহিত্য'। ১৯৭০ চনতে লিখিব বুলি ভাবি থোৱা প্ৰবন্ধ কেইটিমানৰ শিতানলৈ চালেও একে প্ৰমাণ পোৱা যায়— যেনে 'ফৰাচী নাটকৰ মলিয়েৰ,' গ্যেটেৰ 'ফষ্ট', 'ৰুচ সাহিত্যত জনজাতি,' 'ৰুচ নাট্যকাৰ শ্বেখভ', 'পুছকিনৰ ৰুচ সাহিত্য,' 'ডাণ্টেৰ অমৰ কাব্য'। শ্বীলাৰ আৰু লেচিঙৰ জাৰ্মান সাহিত্যৰ বিষয়েও তেখেতে কেইবাটাও অসমীয়া প্ৰবন্ধ লিখা যেন মনত পৰে। এই প্ৰবন্ধসমূহ যদি যুগুত হৈছে বা হোৱাৰ আশা আছে সেয়ে এতিয়াও আমাৰ সাহিত্যৰ দিগন্ত আশাতীতভাৱে বিস্তৃত কৰিব পাৰে।

সন্দিকৈয়ে অসমীয়াত যিমানকেইটাই প্ৰবন্ধ নিলিখক বা যেনে বিষয়বে প্ৰবন্ধ নিলিখক কিয় অসমীয়া সাহিত্যৰ উত্থান-পতন, অসমীয়া সাহিত্যৰ সম্পদ আৰু অসমীয়া সাহিত্যসেৱীসকলৰ সাধনা আৰু সিদ্ধিৰ লৈতে আজীৱন তেখেতে কিমান নিবিড়ভাৱে জড়িত, অসমৰ সাহিত্য সভাৰ সভাপতি স্বৰূপে দিয়া তেখেতৰ স্মৰণীয় অভিভাষণ আৰু বেজবৰুৱাৰপৰা অন্তৰংগ বন্ধু স্বৰ্গীয় লক্ষ্মীনাথ ফুকনলৈকে অসমীয়া সাহিত্যিক কুলৰ লৈতে ৰাখি চলা তেখেতৰ ঘনিষ্ঠ যোগাযোগেই তাৰ যুগমীয়া সাক্ষ্য। ভাৰতীয় চিত্ৰকলাৰ নিগূঢ় সমীক্ষাৰপৰা মইনাইতৰ আলোচনী 'অৰুণ'ৰ বাবে শিশু-সাহিত্য ৰচনা কৰালৈকে অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিৰ অনাহুত কোনো ক্ষেত্ৰলৈ তেওঁ পিঠি দিয়া নাছিল। ছাত্ৰাৱৰ জীৱনীখনৰ পাত লুটিয়াই গলে নাইবা লক্ষ্মীনাথ ফুকনৰ মুখত শুনা সন্দিকৈৰ সাহিত্যৰ স্মৃতিকথাবোৰ মনত পেলালে বুজা যায় বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, কমলাকান্ত ভট্টাচাৰ্য, হেমচন্দ্ৰ গোস্বামী, নবীনচন্দ্ৰ বৰদলৈ, সূৰ্যকুমাৰ ভূঞা, বাণীকান্ত কাকতী, মহীচন্দ্ৰ বৰা, ৰজনীকান্ত বৰকাকতী, নকুলচন্দ্ৰ ভূঞা, যতীন্দ্ৰনাথ দুৱৰা, মিত্ৰদেৱ মহন্ত, বেণুধৰ শৰ্মা, অতুলচন্দ্ৰ হাজৰিকা, নলিনীবালা দেৱী আৰু লক্ষ্মীনাথ ফুকন নিজে আধুনিক অসমীয়া সাহিত্যৰ এই বৰণীয় সেৱকসকলৰ প্ৰতিজনৰ লৈতে আৰু এইসকলৰ বাহিৰেও বহুজনৰ লৈতে সন্দিকৈ অনুক্ষণ নিকটতম বন্ধুত্বৰ এনাজৰীৰে বান্ধ খাই আছিল। বিদেশী আৰু অনা অসমীয়া ভাৰতৰ সকলো পণ্ডিত ব্যক্তিৰ উপৰিও কেবাজনো প্ৰথিতযশা বঙালী সাহিত্যিকৰ লগতো সন্দিকৈৰ ব্যক্তিগত বন্ধুত্ব আছিল আৰু আছে।

সাহিত্যিক সন্দিকৈ প্ৰসংগত তেখেতৰ ছুটা অপেক্ষাকৃতভাৱে দৃষ্টি অগোচৰ দিশৰ কথা কোৱা দৰকাৰ। চিত্ৰকলা, শিল্পশৈলী বিশেষকৈ ৰাজপুত, জৈন, অসমীয়া আৰু বহুলভাৱে অনা-মোগল ভাৰতীয় কলা সম্পৰ্কে সন্দিকৈৰ সুবিস্তৃত জ্ঞানে ড' কেনটিশ আনন্দকুমাৰ স্বামীৰ দৰে লোকৰ সশ্ৰদ্ধ মনোযোগ আকৰ্ষণ কৰিছিল। চিত্ৰকলাৰ উপৰিও

সংগীতৰ প্ৰতি তেওঁৰ আকৰ্ষণ অতি মনোমুগ্ধকৰ। আমাৰ সংগীতৰ ওজা লক্ষ্মীৰাম বৰুৱা, একালৰ অসমীয়া গীত ৰচনাৰ আগৰণুৱা ৰাধানাথ ফুকন, সত্যনাথ বৰা, নবীনচন্দ্ৰ বৰদলৈ প্ৰভৃতি সম্পৰ্কে সন্দিকৈৰ আগ্ৰহ যেনে অপ্ৰত্যাশিত তেনে প্ৰেৰণাদায়ক।

অসমত উচ্চশিক্ষাৰ অন্যতম প্ৰতিষ্ঠাপক পিতৃ, গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ অনন্যসাধৰণ উপাচাৰ্য, সংসাৰী আৰু বিষয়ী সন্দিকৈ, শিক্ষাবিদ ছাত্ৰবন্ধু 'বিবলিয়ফিল' গ্ৰন্থাসক্ত সন্দিকৈ, মহাজন আৰু সজ্জনপ্ৰিয় সন্দিকৈ, অনাসক্ত, বীতৰাগ, স্থিতপ্ৰজ্ঞ সন্দিকৈ, উদাৰ আৰু সহৃদয়, সুষমা আৰু সৌন্দৰ্যপ্ৰিয় সন্দিকৈ, উচ্চাদৰ্শী, ক্ৰান্তদৰ্শী সন্দিকৈ —সন্দিকৈ-ব্যক্তিত্ব আৰু চৰিত্ৰৰ এনে নানা দিশৰ সম্পৰ্কে নিঃসন্দেহে বহুতো কথা লিখিবলগীয়া আছে। কিন্তু ছাত্ৰাবে আৰু অধ্যাপক অজিত শৰ্মাই এনে বিষয় সন্দৰ্ভত যথেষ্ট তথ্যৰ যোগান ধৰি থৈছে। এটা ডাঙৰ দিশত সন্দিকৈৰ নিজৰ মুখৰ কথাৰ ওপৰত ভিত্তি কৰি ৰচা ছাত্ৰাবৰ জীৱনীখনে আমাৰ সৰহ ভাগেই ইতিপূৰ্বে নজনা এজন নতুন সন্দিকৈক অসমৰ আগত তুলি ধৰিছে বুলি কব পাৰি। সেইজন হ'ল ৰসিক সন্দিকৈ। সন্দিকৈৰ নিচিনা এগৰাকী গহীন-গম্ভীৰ মানুহে যে মানুহ আৰু ঘটনা পৰিক্ৰমা সম্পৰ্কে ততোধিক সন্দিকৈৰ নিজৰ সম্পৰ্কে ইমান ৰসিকতা কৰি এনে লঘু অথচ সহানুভূতিশীল হাস্যৰসত সিক্ত কৰি অতবোৰ আমোদজনক ৰঙিয়াল কথা কৈ যাব পাৰে ছাত্ৰাবৰ কিতাপখন নপঢ়াকৈ তাৰ কল্পনা কৰাও টান। অইন যিমান তথ্য, যিমান তত্ত্ব, যিমান কাহিনীয়েই নাথাকক কিয় ইতিপূৰ্বে কল্পনা কৰিব নোৱাৰা এজন ৰসাল হাস্যৰসিক দাৰ্শনিক ("Laughing philosopher with a difference") কৃষ্ণকান্ত সন্দিকৈক পাঠক সকলৰ আগত প্ৰক্ষেপণ কৰা সফলতাই ছাত্ৰাবৰ পুথিখনক সদায় জন-প্ৰিয় কৰি ৰাখিব। মোৰ বোধেৰে নিজলৈ চাই, নিজৰ কাম-কাজৰ সমালোচনা কৰিব পৰাজন সন্দিকৈৰ পৰিচয় নাপালে সন্দিকৈৰ সৈতে কাৰো চিনাকি সম্পূৰ্ণ হব নোৱাৰে। সন্দিকৈ নিজৰ ওচৰত দাবী কৰা আত্মবিশ্লেষণ আৰু আত্মসমালোচনাৰ গুণৰ পিছতে

তেখেতৰ নিজৰ কথাৰ মাজেদি পদে পদে বিচ্ছুৰিত হোৱা এই মোহন মৃদু স্পৰ্শ আৰু লঘু হাস্যৰস যে একেটা মোহৰৰ ইলুটি সিলুটি হ'ব পাৰে কৃষ্ণকান্ত সন্দিকৈ তাৰ জীৱন্ত নিদৰ্শন।

পাতল ৰংগৰসিক আৰু স্বল্পাৰ্থত 'সুখী' বা আনন্দময় বিশেষকৈ আগ জীৱনৰ এটা প্ৰবল ধাউতি ( এনথুচিয়েজ্‌ম্ ) নে দুৰ্বলতাৰ মই নিজে কিঞ্চিৎ পৰিমাণে অংশীদাৰ হোৱা বাবে সেই বিষয়ে নিজ ৰবীয়াকৈ দুশাৰী লিখাৰ লোভ হয়। সেইটো হ'ল সন্দিকৈ ডাঙৰীয়াৰ আপুকগীয়া নাটঘৰ আৰু অভিনয়-প্ৰীতি। সন্দিকৈয়ে লিখিছিল 'ৰংঘৰৰ লগত সাহিত্যৰ উন্নতি জড়িত হৈ আছে। আমোদ-প্ৰমোদৰ বিষয়তো আমাৰ উৎসাহ আৰু নেৰা-নেপেৰা সাধনাৰ অভাব হ'লে অতি দুখৰ কথা হ'ব?" আৰু তেখেতে বহুদিন আগতেই অনুভব কৰিছিল 'অসমত এটা স্থায়ী ৰংঘৰ থকা হ'লে আমাৰ নাট্য সাহিত্যৰ বহুত উন্নতি হ'লহেঁতেন।" কলেজত পঢ়া দিনৰেপৰা বিলাতত থকা দিনলৈকে সন্দিকৈৰ নিৰৱচ্ছিন্ন ৰংগালয়ৰ সৈতে ঘনিষ্ঠতা আৰু অভিনয় আৰু অভিনেতাৰ প্ৰতি সীমাহীন আগ্ৰহৰ কথা মনত পেলালে এটা ৰোমাঞ্চকৰ শিহৰণ জাগে। লক্ষ্মীনাথ ফুকনে বহু ঠাইত সন্দিকৈয়ে তেওঁক তেতিয়াৰ কলিকতাৰ খ্যাতনামা নাটঘৰ 'ষ্টাৰ', 'মিনাৰ্ভা' আদিত গিৰিশচন্দ্ৰ ঘোষ বা ক্ষিৰোদাপ্ৰসাদ বিদ্যাবিনোদৰ নাম কৰা নাটকত দানীবাবু, অমৰেন্দ্ৰ দাস, অমৰেন্দ্ৰ দত্ত, তাৰাসুন্দৰী, কুসুম কুমাৰী প্ৰভৃতিৰ অবিস্মৰণীয় অভিনয় চাবলৈ লগ লৈছিল তাৰ কথা উল্লেখ কৰিছে। তাৰ উপৰিও নিজমুখে সন্দিকৈয়ে এই আমোদজনক দিশটোৰ বিষয়ে বহুত কথা কোৱা মনত আছে। সন্দিকৈয়ে অধ্যক্ষ ছাত্ৰাৱকো পৰম তৃপ্তিৰে কৈছে কেনেকৈ ডি. এল. ৰায়ৰ দুটা বিখ্যাত গীত শুনিবৰ বাবেই তেওঁ এখন নাটক বাৰম্বাৰ চাবলৈ গৈছিল। য়ুৰোপত পঢ়োঁতে আৰু ফুৰোঁতে সন্দিকৈয়ে সুপ্ৰসিদ্ধ বৃটিছ, জাৰ্মান, ইটালীয়, ৰুচ নাট্যসম্প্ৰদায়সমূহৰ অভিনয় চোৱাটোত বিশেষ গুৰুত্ব দিছিল। মস্কো আৰ্ট থিয়েটাৰ, জাৰ্মান 'আচামবল' আৰু ইংলণ্ডৰ শেক্সপীয়েৰ দলৰ

অভিনয় তেওঁ পৰাপক্ষত নোচোৱাকৈ নেৰিছিল। কেবাবছৰো ইংলণ্ডত থাকোঁতে সন্দিকৈয়ে চাৰ জন গিলগুড নাইবা সৌ সিদিনা মাথোন ঢুকোৱা ইংলণ্ডৰ নাটঘৰৰ আইতা ডেম সীবিল থৰ্ণডাইকৰ নিচিনা কোন কোন অভিনেতা অভিনেত্ৰীক মঞ্চত দেখাৰ সুযোগ পাইছিল, ছাত্ৰবে সুধি চোৱা হলে আৰু ৰস পোৱা গ'লহেঁতেন। আমাৰ প্ৰত্যেকজন স্বনামধন্য অভিনেতাৰ নাম সন্দিকৈৰ ওঁঠৰ আগতে থকা যেন লাগে—বোধনাথ পটংগীয়া, জগৎ বেজবৰুৱা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ প্ৰভৃতিৰ নাম লৈয়ে তেখেত ক্ষান্ত নাছিল। বোধনাথ পটংগীয়াৰ 'চাণক্য' আৰু জগৎ বেজবৰুৱা 'ল'ৰা ৰজা'ৰ ভাও সমসাময়িক কলিকতীয়া ব্যৱসায়িক মঞ্চতকৈ অভিনয়ত কোনো গুণেই কম নাছিল বুলিও তেওঁ কৈ থৈছে। সন্দিকৈয়ে বিলাতৰপৰা ঘূৰি অহাৰপৰা যোৱা চাৰিটা দশকত অসমৰ ৰংগমঞ্চৰ অভিনয় কেতিয়াবা চাইছেনে নাই নাজানো। জানিবলৈ হেঁপাহ হয় সাম্প্ৰতিক অভিনয়ৰ ধাৰা সম্পৰ্কে তেওঁ কি ভাবে আৰু বাঞ্ছা কৰে।

কৃষ্ণকান্ত সন্দিকৈৰ বিষয়ে বহুত কথাকে লিখিলোঁ। হয়তো সৰহখিনি বাগাড়ম্বৰেই হ'ল। আমাৰ মাজতে সদায় সোমাই থকা যিজন অসাধাৰণ ব্যতিক্ৰমী ব্যক্তি আমি আজিকোপতি ভালকৈ চিনি নাপালোঁ ইমানখিনি লিখিও যে সেইজনৰ 'প্ৰোফাইল' বা পাৰ্শ্বচিত্ৰ এটিক দাঙি ধৰিব পাৰিছোঁ, সেই বুলি মনে নধৰে। কৃতকাৰ্য হব নোৱৰাই স্বাভাৱিক কাৰণ আনৰ বাবে আতিশয্য যেন লাগিব পাৰিলেও সন্দিকৈলৈ মনত পেলালে মোৰ মনলৈ আহে শেক্সপীয়েৰ সম্পৰ্কে কোৱা আৰ্ণল্ডৰ সেইষাৰ কথা— "We ask and ask— Thou smilest and art still, out topping knowledge" এয়া মাথোন বাওনাই সৰগ চুবলৈ কৰা ক্ষীণ অপচেষ্টা। নলিনী বালা দেৱীয়ে লিখা "হে ৰাজৰ্ষি, তোমাৰ নিভৃত জীৱনৰ সাধনাৰ অভিনৱ ৰূপে, সোঁৱৰাই অতীতৰ ঋষিৰ জীৱন"—কবিতাৰ ছত্ৰটি ছাত্ৰৰৰ দৰেই পুনৰোক্তি কৰিবৰ মোৰ মন যায়, সন্দিকৈৰ 'সতীৰ্থ' ডক্টৰ সুনীতি

কুমাৰ চট্টোপাধ্যায়ৰ জ্ঞান সাধনাৰ আৰু তেওঁৰ কীৰ্তিস্তম্ভ Origin and Development of the engali Language & Literature (1975 edition)ৰ এটি আলোচনা সামৰি পণ্ডিত ড' নীহাৰৰঞ্জন ৰায়ে কোৱাৰ দৰে কৰলৈ 'The image of a great scholar at 82 sunk deep in the learning and wisdom of centuries demands this much homage', অৱশ্যে সন্দিকৈয়ে বয়সত এতিয়া সেই স্তৱ পাবলৈ বাকী নাই। শত শতাব্দীৰ জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাত গভীৰভাৱে নিমগ্ন, মহান পণ্ডিত এগৰাকীয়ে জীৱনৰ অস্তাচললৈ আহি দেশবাসীৰ এইফেৰা শ্ৰদ্ধাৰ্ঘ্য নিশ্চয় দাবী কৰিব পাৰে। সন্দিকৈ শতায়ু হওক।

শ্ৰীমুনীন বৰকটকী নামটো অসমৰ বিদ্বান সমাজত সু-পৰিচিত। অসমৰ কেবাগৰাকী পণ্ডিতলোকেও শ্ৰীবৰকটকী সম্পৰ্কত উচ্চ ধাৰণা পোষণ কৰিছে। শ্ৰীবৰকটকীয়েই 'কনফেশ্যনচ' নামৰ ৰচনাখনেৰে অসমীয়া ৰম্য ৰচনাৰ বাট কাটি দিয়ে। এগৰাকী বিতৰ্কিত সাহিত্যিক সমালোচকে এই ৰচনাখনক 'অসমীয়া ভাষাৰ বুদ্ধিদীপ্ত ব্যক্তিগত নিবন্ধৰ সৰ্বপ্ৰথম আৰু সৰ্বোত্তম নিদৰ্শনবোৰৰ ভিতৰত অন্যতম' বুলি স্বীকৃতি দিছে। ৰম্য ৰচনা লেখি তেওঁ এহাতে যিদৰে অসমীয়া সাহিত্যত বুদ্ধিদীপ্ত হাস্যৰসৰ সূচনা কৰিছিল আনহাতে 'আৱাহন'ৰ পাতত জটিল তথ্যগধুৰ প্ৰবন্ধ লেখি আমাৰ চিন্তাশীল প্ৰবন্ধৰ সমৃদ্ধি বঢ়াইছিল।

নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, মুহী চন্দ্ৰ বৰা, লক্ষ্মীনাথ ফুকন আদিৰ পিছৰ স্তৰত যি কেইগৰাকী গল্পকাৰে অসমীয়া গল্প সাহিত্যক চহকী কৰিছিল তাৰ ভিতৰত শ্ৰীবৰকটকী অন্যতম। 'আৱাহন' আৰু সেই সময়ৰ কেবাখনো আলোচনীত তেওঁৰ অলেখ গল্প সিচঁৰতি হৈ আছে।

শ্ৰীবৰকটকীয়ে তেওঁৰ এখন মাত্ৰ প্ৰকাশিত পুথি জীৱনীভিত্তিক আলোচনা "বিস্মৃত ব্যতিক্ৰম" আৰু বিভিন্ন কাকতত ওলোৱা আন লেখা সমূহৰে অসমীয়া সাহিত্যক যিখিনি দিছে সেইখিনি অনন্য, অনবদ্য, অগতানুগতিক। বৰকটকীয়ে কোনো এজনৰ জীৱনী লেখিবলৈ গৈ কেৱল তেওঁৰ যথাৰ্থ মূল্যায়ণ কৰাতে আবদ্ধ নাথাকে। ব্যক্তিজনৰ মাজেদি তেওঁ সমাজৰো বিভিন্ন দিশ প্ৰতিফলিত কৰি তোলে। তদুপৰি শ্ৰীবৰকটকীয়ে দেশ-বিদেশৰ গুণীজনৰ আভাসো তাৰ মাজতে ফুটাই তোলে। আনহাতে তেওঁৰ প্ৰত্যেকটো লেখনীতে গভীৰ অধ্যয়নপুষ্ট মনটোৰো পৰিচয় পোৱা যায়। বৰকটকীৰ লেখনিৰ বৈশিষ্ট্য সেইখিনিতেই। একমাত্ৰ গ্ৰন্থ 'বিস্মৃত ব্যতিক্ৰম' লেখি প্ৰকাশন পৰিষদৰ বঁটা অৰ্জন কৰা শ্ৰীবৰকটকী সম্পৰ্কত সাহিত্যিক সমালোচক শ্ৰীহোমেন বৰগোহাঞিয়ে কৈছে: "খুব কম লেখিও তেওঁ অসমীয়া সাহিত্যত স্বকীয় বৈশিষ্ট্যৰ চাপ বহুৱাই যাব পাৰিছে।"

উপেন্দ্ৰ বৰকটকী